# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 17

**The 1st June 1978**

1982
PRINTED AT THE ASSAM GOVERNMENT PRESS,
GAUHATI

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

VOLUME I

No. 17

Dated the 1st June, 1978

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... .. | 811–832 |
| 2. | Call Attention Notice ... ... ... | 832—833 |
| 3. | Matter under Rule 301 .. .. ... | 833—837 |
| 4. | General discussion on the Budget ... .. | 838—901 |
| 5. | Adjournment .. ... .. .. | 901 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under the Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 1st June, 1978 with the Hon, Speaker in the Chair, 11 (eleven) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary Secretaries and 98 (ninety eight) Members present.

## STARRED QUESTIONS AND ANSWERS

বি ঃ লক্ষীমপুৰ জিলাৰ নামজাৰি কেচ

শ্ৰীশৈলে বৰাই সুধিছে ঃ

*৬১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাৰ বৰ্ত্তমান বন্দৱস্তি প্ৰাধিকাৰীৰ কাৰ্য্যালয়ত ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহলৈ কিমান নামজাৰি কেচ ৰেজিষ্টাৰ কৰা হ'ল ?

(খ) বন্দৱস্তি প্ৰাধিকাৰীজনে আইনমতে নামজাৰি আপিল কেচ নলৈ কিয় নামজাৰি কেচ লৈছে ?

(গ) ৰাজহ আইনৰ ৫৩ (ক) ধাৰাৰ কেচ নিম্ন ৰাজহ আদালতত নহৈ কিয় বন্দৱস্তি প্ৰাধিকাৰীৰ আদালতত লৈছে ?

(ঘ) নামজাৰি বিষয়ে লক্ষীমপুৰ জিলাৰ পৰা পোৱা আপত্তিৰ বিষয়ে চৰকাৰে ব্যৱস্থা লৈছেনে ?

(ঙ) বন্দৱস্তি প্ৰাধিকাৰীয়ে নামজাৰি লোৱা বিষয়ে ডি, এল, আৰ মহোদয়ৰ ওচৰত কিমান আপত্তি দিছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬১। (ক)—৩০৯।

(খ) আৰু (গ)—পুনৰ্বন্দৱস্তি চলি থকা সময়ত সকলো ধৰণৰ নামজাৰি মোকদ্দমা বন্ধ ৰখা হয়। কিয়নো সহকাৰী বন্দৱস্তি প্ৰাধিকাৰীসকলে ৰেকৰ্ড এটেষ্টচনৰ সময়ত সৰজামিনত গৈ নথীৰ সকলোবোৰ অন্তভূক্তিৰ শুদ্ধা-শুদ্ধ পৰীক্ষা কৰি শেহতীয়া অৱস্থাতো লিপিবদ্ধ কৰি আনিব লাগে। যদি কাৰ্য্যালয়ত লগতে নামজাৰি কৰি থাকিব দিয়া হয় তেতিয়া হলে নতুনকৈ প্ৰণয়ন কৰা বন্দৱস্তি নথী আৰু সৰজামিনৰ অৱস্থাৰ সামঞ্জস্য নাথাকিব।

যিহেতু লক্ষীমপুৰ জিলাত ৰেকৰ্ড এটেষ্টচনৰ কাম প্ৰায় ৭/৮ বছৰ আগতে সম্পন্ন হৈছিল আৰু পুনৰ্বন্দৱস্তি সম্পূৰ্ণ হবলৈ ইয়াৰ পিচত ভালেখিনি সময় লাগিছে জিলা বন্দৱস্তি প্ৰাধিকাৰীয়ে জনসাধাৰণৰ সুবিধাৰ অৰ্থে তেওঁৰ কাৰ্য্যালয়ৰ নামজাৰি মোকদ্দমাৰ শুনানী লৈছিল। সহকাৰী বন্দৱস্তি প্ৰাধিকাৰীসকলৰ পুনৰ্বন্দৱস্তি নথী প্ৰণয়ন সম্পন্ন কৰোতে কামত ব্যাঘাত হব বুলি তেওঁলোকক নামজাৰি মোকদ্দমা বন্দৱস্তি প্ৰাধিকাৰীয়ে লব নিদিছিল ।

(ঘ)—ভূমিলেখ্য অধিকৰ্ত্তাই তেওঁৰ ৩০।১১।৭৭ আৰু ৯।৩।৭৮ তাৰিখৰ চিঠিৰ মৰ্ম্মে বন্দৰস্তী প্ৰাধিকাৰীক নামজাৰি মোকদ্দমা কাৰ্যালয়ত নলবলৈ নিৰ্দ্দেশ দিয়ে।

(ঙ)—এই সংক্ৰান্তত চৰকাৰ আৰু ভূমিলেখ্য অধিকৰ্ত্তাক সম্বোধি দিয়া দখন আপত্তি পোৱা হয়। এখন শ্ৰীএম, শইকীয়া, এডভোকেট আৰু আনখন উত্তৰ লক্ষীমপুৰৰ চৰকাৰী উকীলৰ পৰা পোৱা হয়।

শ্ৰীশ্যল বৰা :— অধ্যক্ষ মহোদয়, ২০-১-৭৮ তাৰিখে খতিয়ান বিতৰণ কৰা নহল। মাটিৰ পট্টাদাৰৰ আপত্তি ক্ৰমে এই পট্টা দিয়া কাম স্থগিত ৰখা হয়। তাৰ পিচত বিভিন্ন কাৰণত পট্টাদাৰৰ পৰা দৰখাস্ত লোৱাৰ পিচত মাটিৰ মালিকক সুবিধা দিবৰ কাৰণে খতিয়ান বিতৰণ কৰা হল। চিভিল প্ৰচিডিয়ৰৰ ৮০ ধাৰা মতে উকিলৰ জাননী পাই খতিয়ান দিয়া কথাটো সচাঁ নে? আৰু সেইকাৰণে খতিয়ান দিয়াৰ দেৰী হল।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— সেইটো জানিলেহে মাননীয় সদস্যক জনাব পাৰিম।

শ্ৰীপ্ৰমোদ গগৈ :— (খ) ৰ উত্তৰত কৈছে যে জিলাৰ বন্দোবস্ত প্ৰাধীকাৰীক জনোৱা হয় যে তেখেতে নামজাৰী কেচ বিলাক লব নালাগে। ইয়াৰ পৰা এইটো কথা প্ৰমানিত নহয়-নে যে চৰকাৰৰ নিৰ্দ্দেশ পোৱাৰ আগলৈকে ৰাজহ আইনৰ ৫৩ (ক) ধাৰা অবজ্ঞা কৰি প্ৰাধীকাৰী বিষয়াই যিবিলাক নামজাৰী কেচ লৈছিল সেইবিলাক কেচ বিভিন্ন কাৰণত লোৱা কথাটো সত্য নে?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই যদিও জানিলে ইয়াৰ ব্যৱস্থা লোৱা হব।

শ্ৰীপ্ৰমোদ গগৈ :— তেখেতে নামজাৰী কেচ বন্ধ কৰা হয় বুলি কৈছে। তেনে ক্ষেত্ৰত ৰাজহৰ ৫৩ (ক) ধাৰা মতে নামজাৰী কেচ লব নেলাগে; এই দুটা কথাৰ পৰা প্ৰমানিত নহয়নে যে এই বিষয়া জনে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে ৫৩ ধাৰা ভংগ কৰি নামজাৰী কেচ লৈছিল?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— চৰকাৰৰ যেতিয়া দৃষ্টিগোচৰ হয় তেতিয়া ২।৩।৭৮ তাৰিখৰ চিঠি মৰ্মে নামজাৰী কেচ বন্ধ কৰি দিয়া হৈছে আৰু সহকাৰী বন্দোবস্ত প্ৰাধীকাৰীক নামজাৰী কেচ লবলৈ দিয়াহৈছে।

শ্ৰীপ্ৰমোদ গগৈ :— মন্ত্ৰী ডাঙৰীয়াই এই কথা স্বীকাৰ কৰিছে যে চৰকাৰৰ নিৰ্দ্দেশ ক্ৰমে সেই বিষয়াজনক নামজাৰী কেচ লবলৈ বন্ধ কৰি দিয়া হল, ইয়াৰ পৰাই প্ৰমাণ নহয় নে চৰকাৰৰ এই নিৰ্দ্দেশ পোৱাৰ আগলৈ যিবিলাক কেচ এই বিষয়া জনে লৈছিল সেই-বিলাক আইন সঙ্গত নাছিল?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ৰাইজৰ সুবিধাৰ্থে যিহেতু সহকাৰী বন্দোবস্ত প্ৰাধীকাৰীজনে একেটা অফিচতে নামজাৰী কেচ লোৱাত অসুবিধা হোৱাৰ কাৰণে বন্দোবস্তী প্ৰাধীকাৰীয়ে তেখেতৰ কাৰ্যালয়তেই লৈছিল।

শ্ৰীপ্ৰমোদ গগৈ :— মই এইটোৱেই সুধিবলৈ বিচাৰিছো যে ৫৩ ধাৰা মতে এই বিষয়া জনে নামজাৰী কেচ লব নোৱাৰে। তথাপি তেখেতে আইন ভঙ্গ কৰি সেই কেচ বিলাক লৈছিল তাৰ পিচত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ পিচতো যি নিৰ্দেশ দিছিল যে সেই বিষয়া জনে নামজাৰী কেচ লব নালাগে। এইটো কি আইন ভঙ্গকাৰী নহয়নেকি?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—মই জানিলেই সদস্য গৰাকীক জনাব পাৰিম।

শ্ৰীগোলক ৰাজবংশী :— বে আইনি ভাবে যিবিলাক কেচ ডিচপোজ কৰা হৈছে সেই-বিলাকৰ এতিয়া কি ব্যৱস্থা হব?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এতিয়ালৈকে সেইবিলাক বে আইনি বুলি কব পৰা নাই।

শ্ৰীগোলক ৰাজবংশী :— এতিয়া যে ৰাইট এক্সিভ কৰিলে তাৰ কি ব্যৱস্থা হ'ব?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো অনিয়ম হৈছে, বে-আইনি নহয়।

শ্ৰীজীৱন বৰা :— মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা দেখা গৈছে যে ফেব্ৰুৱাৰী মাহৰ আগতে সেই কাম কৰা হল। তেনেস্থলত সেই প্ৰাৰ্থীকাৰী জনে যি আইন ভঙ্গ কৰিলে তেওঁৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—সেইটো বিবেচনা কৰা হ'ব।

শ্ৰীপ্ৰমোদ গগৈ :— মই বাৰে বাৰে প্ৰশ্ন কৰিছো কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা যথাযথ উত্তৰ পোৱা নাই। এই কথা তেখেতে স্বীকাৰ কৰিছে এইবিলাক কাম অনিয়ম হৈছে। গতিকে এই বিষয়া জনে যিবিলাক নিয়মৰ বাহিৰৰ কাম কৰিছিল সেই কেচ বিলাকৰ সম্পৰ্কত কি সিদ্ধান্ত লোৱা হ'ব?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— সেইটো বিবেচনা কৰা হ'ব।

শ্ৰীশুলে বৰা :— যোৱা ১৫।২।৭৮ তাৰিখে উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত ৰায়ত বিলাকে অনশন কৰিছিল। উপায়ুক্তই এই কথা বন্দোবস্ত প্ৰাৰ্থীকাৰীক জনাইছিল। এই বিষয়ে কি ব্যৱস্থা লোৱা হৈছে জনাৰ লাগে।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ২।৩।৭৮ তাৰিখে চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। সেইকাৰণে চৰকাৰৰ পৰা এই আপিল সমূহ সেই প্ৰাৰ্থীকাৰীক লবলৈ দিয়া হৈছিল। যিহেতু ৰেভিনিউ চেটেলমেণ্টৰ কাম ৬ মাহ মান চলিব। সেইকাৰণে সৰজমীনত এই কাম লবলৈ দিয়া হৈছে।

শ্ৰীমুকুট শৰ্ম্মা :—অধ্যক্ষ মহোদয় ৰাজস্ব আইনৰ ৫৩ ধাৰা মতে এই গোচৰ চৰকাৰৰ দায়িত্বত দিয়া হৈছিল। তেনে ক্ষেত্ৰত এই বিষয়াই অনিয়ম ভাবে কাম কৰাৰ কাৰণে বে-আইনি হৈছে। যিবিলাক কেচ বে-আইনি ভাবে কৰা কৰা হৈছে তাৰ কৰ্তৃত্ব কোনে লব? কিয়নো এইবিলাক আইনৰ যোগেদি কাৰৱ লাগে।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ডি, এল, আৰ, এ লব।

শ্ৰীমুকুট শৰ্ম্মা :— এইটো বিধিমতে হ'ব নোৱাৰে। গতিকে মন্ত্ৰী মহোদয়ে আইন সঙ্গত ভাবে কৰা উচিত।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইয়াত আইনৰ কথা আছে। ৰাজহ আইনৰ নামজাৰীৰ দুটা নিয়ম আছে। এটা অফিচ নামজাৰী আৰু আনটো ফিল্ড নামজাৰী। অফিচ নামজাৰীত দৰখাস্ত কৰিব লাগে আৰু কেচ পোৱাৰ পিচত দুয়ো পাৰ্টিৰ শুনানি লব লাগে তেতিয়া নামজাৰী হয়। ফিল্ড নামজাৰী হৈছে পথাৰলৈ গৈ পথাৰত এ, এচ, ও, গৈ নামজাৰী কৰি পাচ কৰে। ইয়াত ইৰেগুলাৰ হ'ব পাৰে। তেতিয়া সেইটো শুদ্ধ কৰিব পাৰি। কিন্তু বে-আইনি হলে শুদ্ধ কৰিব নোৱাৰি। এইটো বে-আইনি হোৱা নাই। গতিকে শুদ্ধ কৰিব পৰা যাব।

শ্ৰীপ্ৰেমধৰ বৰা :— যিহেতু ৰাজহ বিষয়া জনে ৫৩ (ক) ৰাজহ আইন ভঙ্গ কাৰলে, তেনে ক্ষেত্ৰত এইটো কি আইন ভঙ্গ কৰা নহল নেকি ?

শ্ৰীকেশব গগৈ (মন্ত্ৰী) :—৫৩ (ক) ধাৰা আইন ভঙ্গ কৰা কথা নহয়। চেটেলমেণ্ট অপাৰেচনৰ সময়ত ৰিমিউটেচন বন্ধ কৰা হয়। সেই সময়ত বন্দোবস্ত প্ৰাধীকাৰীয়ে নামজাৰীৰ কাম বিলাক কৰে। এই ক্ষেত্ৰত যিহেতু বন্ধ কৰি দিয়া হৈছে তেখেতে চেটেলমেণ্টৰ সময়ত বেগুলাৰ কেচ বন্ধ কৰিছিল কাৰণেই এইটো বে-আইনি হব নোৱাৰে।

Re : **Medical facilities in Urban Areas**

Shri GOLOK RAJBONSHI asked :

*62. Will the Minister, Health be pleased to state—

(a) What policy Government propose to take in respect of giving medical facilities to the Urban population residing in different parts of Assam ?

(b) Whether Government will take immediate steps in priority basis to arrange beds for treatment of indoor patients in the existing hospitals of such town areas where there is no such provision ?

Dr. KOSHESWAR BORA ( Minister of State, Health ) replied :

62. (a)—The present policy is to provide better health facilities to Rural areas only, but no such policy has been adopted for the Urban areas. Existing facilities are to continue.

(b)—No.

শ্ৰীগোলক ৰাজবংশী :— আৰবান এৰিয়াৰ চিকিৎসাৰ উন্নয়নৰ কাৰণে চৰকাৰে বিবেচনা নকৰিব নেকি ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— চৰকাৰে বিবেচনা কৰিব, কিন্তু তেনে কোনো নীতি বা পলিচি এতিয়ালৈকে হোৱা নাই।

শ্ৰীগোলক ৰাজবংশী :— মই চৰকাৰক পৰামৰ্শ দিব বিচাৰিছো যিবিলাক নগৰ বা চহৰত হস্পিতেল আছে সেইবিলাকত ইনডৰ পেচেণ্ট ৰখাৰ ব্যৱস্থা কৰিব লাগে।

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— প্ৰায়বিলাক নগৰৰ হস্পিতেলত ইনডৰ পেচেন্টৰ ব্যৱস্থা আছে, কেৱল কেইখনমান, যেনে ৰাঙাপাৰা, বিশ্বনাথ চাৰিআলি, ঢেকিয়াজুলি, নাজিৰা আৰু ষ্টেট্ হস্পিতেল বিলাকত তেনে সুবিধা দিয়াৰ কাৰণে চিন্তা কৰা হৈছে যদিও তেনে ধৰণৰ কোনো পলিচি হোৱানাই।

Shri ALTAF HOSSAIN MAJUMDAR—Sir, the Minister has said that there no change of policy of the Government with regard to treatment of people in the urban areas and the existing facilities in the urban areas will continue. May I put a question, does not Minister know that unlike Dibrugarh and Gauhati the Silchar Medical College is situated at ta far off place in rural areas far from the Silchar town? Will the Hon'ble Minister allow the existing facilities there in the town for treatment and was there demand from the public to maintain indoor beds in the Civil Hospital there?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, শিলচৰত যি এক্‌জিচটিং সুবিধা আছে সেইটো কন্‌টিনিউ কৰিবৰ কাৰণে কোৱা হৈছে। কিন্তু শিলচৰ চিভিল হস্পিতেল খন মেডিকেল কলেজলৈ ৰূপান্তৰিত কৰাব কাৰণেই সেইটো পুনৰ বিবেচনা কৰিব লাগিব। বৰ্তমান যিখিনি জৰুৰীকালিন চিকিৎসাৰ ব্যৱস্থাৰ আৱশ্যক সেইখিনি চালু থাকিব। ইমাৰজেন্সি আৰু মেটাৰনিটি বিভাগ চলিয়ে থাকিব

Shri ALTAF HOSSAIN MAJUMDAR - Mr. Speaker, Sir, my question has not been answered. I wanted a pin-point answer from the Hon'ble Minister. He has said that this Civil Hospital was converted into a Medical College Hospital and the Medical College has been shifted to a far off place in the rural areas. Would they restore the status quo for the benefiit of the people in the urbrn areas?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো এতিয়াও সিদ্ধান্ত হোৱা নাই। সেইটো বিবেচনা কৰা হব।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰৰ কোনো নীতি নগৰীয়া অঞ্চলৰ বাবে নাই, কিন্তু পঞ্চবাৰ্ষিক পৰিকল্পনা বা ষষ্ঠ পৰিকল্পনাত এনেকুৱা নগৰ এলেকাত যিবিলাক হস্পিতেল আছে আৰু ষ্টেট্ ডিচপেনচাৰী আছে সেইবিলাকৰ উন্নয়ণৰ কোনো ব্যৱস্থা এতিয়ালৈ লোৱা হোৱা নাই। মই জানিব পাৰেনে এইযে ষ্টেট্ ডিচপেনচাৰী বিলাকত ইতিমধ্যেবেড্ দিয়াৰ কাৰণে চেংচন দিছে সেইবিলাক হস্পিতেল বা ডিচপেনচাৰীত ঘৰৰ উন্নয়ণ আৰু অন্যান্য চিকিৎসাৰ সকলো সু ব্যৱস্থা এই বছৰ নাইবা ষষ্ঠ পৰিকল্পনাত বাজিক পৰিকল্পনাৰ অন্তৰ্ভূক্ত কৰিব নে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— সেইটো ব্যৱস্থা কৰি থকা হৈছে যদিও তাত তেনেধৰণৰ কোনো পলিচি লোৱা হোৱা নাই। আৰবান বা টাউন এৰিয়াত ডিচ্‌পেনচাৰীত বিচনা দিয়াৰ কাৰণে ফাণ্ড অনুপাতে বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীবীৰেশ মিশ্ৰ :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় বলেছেন যে শিলচর সিভিল হাসপাতালে ইমারজেন্সির ব্যবস্থা আছে। তার সঙ্গে বেড্‌ও আছে কি ?

আমার দ্বিতীয় প্রশ্ন হলো, শিলচর সিভিল হাসপাতালে আউট-ডোর'এর প্রোভিশন আছে কি ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— তাত মেটাৰনিটি বেড্ আছেই, কিন্তু ইমাৰজেন্সি বেড্ নাছিল। মেডিকেল কলেজ চিভিল হস্পিতেলখন আগৰ ঠাইৰ পৰা ঘুংগুৰলৈ চিফ্‌ট কৰাৰ কাৰণে ৰাইজে যাতে অত্যাৱশ্যকীয় সুবিধা পায় আৰু তাত ইনডৰ আৰু আউটডৰৰ যাতে ব্যৱস্থা থাকে তাৰ কাৰণে পৰামৰ্শ দিয়াহৈছে।

শ্ৰীযোগেন গগৈ :— শিৱসাগৰ মহকুমাৰ আমগুৰিত হস্পিতেল আছে নে নাই যদি আছে তাত কেইখন বিচনা আছে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— বৰ্ত্তমান নাই, কিন্তু ভৱিষ্যতত কৰাৰ কথা আছে।

Shri PREMA BORA : Sir, I would like to ask that in the charged circumstances will there be any extensive survey covering whole state of Assam fixing up norms, number of state dispensaries, medical sub-centres etc, ? Will there be any survey ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয় সেইটো কৰাৰ কথা আমি ভাবিছোৱেই। চাৰ্ভে কৰাৰ পিচত যত দৰকাৰ হয় নগৰ, চহৰ বা গাঁওতেই হওঁক তাত কোনো ধৰণৰ যাতে ডিচ্‌পিউট নাথাকে তাৰ কাৰণে ব্যৱস্থা হাতত ৰখা হৈছে।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— যিবিলাক সিদিনাখনলৈ গাঁও আছিল আৰু এতিয়া আৰবান বা চেমি আৰবানত পৰিণত হৈছে আৰু যত চিকিৎসাৰ কোনো সুব্যৱস্থা নাছিল সেই বিলাকৰ সম্পৰ্কত কি ব্যৱস্থা লোৱা হব ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— ৰাইজৰ দাবী আৰু চাহিদা অনুসৰি যত যেনে ধৰণৰ চিকিৎসাৰ আৱশ্যক বুলি ভবা হয় তাত তেনে চিকিৎসাৰ ব্যৱস্থা কৰাৰ কথা চৰকাৰে ভাবিছে।

বিঃ সাপেখাটী ঘাটৰ দলং

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৬৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দিচাং নদীৰ সাপেখাটী ঘাটত এখন দলং নিৰ্ম্মাণ কৰাৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে নেকি ?

(খ) যদি আছে, নিৰ্ম্মাণ কাৰ্য্য কিমান দূৰ আগবাঢ়িছে ?

(গ) চলিত বছৰৰ ভিতৰত এই দলংখন হবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৩। (ক)—আছে।

(খ)—বৰ্ত্তমান জৰিপৰ কাম চলি আছে।

(গ)—নহয়।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— এই জৰীপৰ কামকিমান দিনৰ পৰা চলিছিল, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এইটো দীঘলীয়া হৈছে আমি জানো, ১৯৭৪ চনৰ পৰাই চলি আছে।

শ্ৰীশৰৎ বৰা :— পি, ডাব্লিউ, ডিয়ে এখন ঘাটৰ দলঙৰ জৰীপ ইমান দিনে শেষ কৰিব নোৱাৰে। পি, ডাব্লিউ, ডিয়ে আৰু কি কাম কৰিব মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— জৰীপৰ দেৰী হৈছে সচাঁ, সোণকালে শেষ কৰাৰ কথা ভাবিছো।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— এই দলঙ খনৰ বাবে বহু দিন আগৰে পৰা মানুহ বিলাকে চেষ্টা চলাই আছে। কেতিয়া এই কাম শেষ হব, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— যদি টকা পইচাৰ বন্দোবস্তী কৰিব পৰা যায়, সোণকালে শেষ কৰাৰ চিন্তা কৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই দলং খনত কিমান টকা খৰছ হব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— ৪০ লাখ টকা খৰছ হব।

শ্ৰীআবদুল মোক্তাদিৰ চৌধুৰী :— চৰকাৰে নাজানে নেকি যে আগতে টকাৰ ব্যৱস্থা কৰিব লাগে পাচত হে জৰীপৰ ব্যৱস্থা কৰিব লাগে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এইটো কাৰবাৰ আগৰে পৰা চলি আছিল। এইটোৰ ব্যৱস্থা এতিয়া পৰিবৰ্ত্তন কৰা হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, জৰীপৰ কাম শেষ নোহোৱাকৈ কেনেকৈ যে ৪০ হাজাৰ টকা খৰছ হব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— ডিব্ৰুগড়ৰ ইনজিনিয়াৰে যি ঠাইত দলঙ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে পাচত সিদ্ধান্ত বদলি কৰিবলৈ নিৰ্দ্দেশ দিলে। তাৰ পাচত একজেকেটিভ ইনজিনিয়াৰ আৰু চিফ ইনজিনিয়াৰে কোন ঠাইত জৰীপ হব লাগে নিৰ্দ্দেশ দি আঁত সোণকালে জৰীপৰ কাম শেষ কৰি আমাৰ এজেকেটিভ ইনজিনিয়াৰৰ অফিচলৈ পঠাবলৈ দিয়া হৈছে।

### Re : **Regional Engineering College, Silchar**

Shri ALTAF HOSSAIN MAZUMDER asked :

*64. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that some posts of Assistant Professors and Lecturers were recently filled up in the Regional Engineering College, Silchar ?

(b) If so, who were the members in the Selection Committee ?

(c) Whether it is a fact that one Shri G. C. Debnath has been appointed as Assistant Professor ?

(d) If so, what are his qualification ?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) replied :

64. (a)—Yes.

(b)—The Selection Committee consist of following members :—

(I) Shri K. Barua, Retired Chief Engineer, P. W. D. Assam—Chairman.

(II) Shri S. K. Mukherjee, Head of Department-Civil Engineeing, Bengal Engineering College— Member.

(III) P. K. Som, Head of Department-Civil Engineering, Jadavpur University—Member.

(IV) Shri S. K. Mallick, Head of Department, Civil Engineering I. I. T. Kharagpur-Member.

(V) Shri S. P. Sarkar, Special Officer, Regional Engineering College, Silchar—Member-Secretary.

(c)—Yes.

(d)—The qualification and experience of Shri Debnath are as follows :—

(I) Qualifications :— (a) B. E. ( Civil ) 2nd class, (b) M. E. ( Civil ) 1st class 1st position from Jadavpur University, West Bengal.

(II) Experience :— (a) As Lecturer in Polytechnics—9 yrs. 9 months.

(b) As Lecturer in Engineering College Iyr. 4 months.

(c) Research Experience :— Thesis work during M. E. ( Civil ).

Shri ALTAF HOSSAIN MAZUMDER :- Will the Minister be pleased to state that in the advertisment it was stated that the minimum requirement was that the applicants should have the followiug qualifications.

Master degree with 5 years researh experience and must have 2 years teaching experience under any institution of University standard. Is it a fact?

Shri LAKHYADHAR CHOUDHURY (Minister,) Yes, it is in the advertisement as stated by the hon'ble member.

Shri ALTAF HOSSAIN MAZUMDAR :- Shri Deb Nath had only 1 year 4 months' teaching experience in Engineersng College which is contrary to the minimum requirement as mentioned in the advertisment.

Shri LAKSHYADHAR CHAUDHURY (Minister) It is seen from the report of the Selection Committee that this question came before them. The first nominee was Mr. H. K. Barua who could not join in time. So the second nominee with lesser qualification and not according to the advertisement was taken in.

Shri ALTAF HOSSAIN MAZUMDAR :—Then why the application which was not according to the advertisement was entertained ?

Shri LAKSHYADHAR CHAUDHURY ( Minister ) :—It is already entertained.

Shri ALTAF HOSSAIN MAZUMDAR : —It was entertained wrongly in violation of the conditions ?

Shri LAKSHYADHR CHAUDHURY (Minister) :—We will examine the matter. I have already called a meeting of the Board on 9th of this month.

Shri PREMODHAR BORA :—Since when this committee is functioning ?

Shri LAKSHYADHAR CHAUDHURY (Minister) :—It is functioning for long pariod. Now as Minister, Education I am the Chairman of the Selection Board and I have called a meeting as I said earlier.

Shri PRMODHAR BORA :—My question is not answerd. Since when this Committe is functioning ?

Shri LAKSHYADHAR CHAUDHURY (Minister) : —The Committee is formed by the Centr l Government and according to the set norms the members of the Board are selected. The State Government has nothing to do with the management and the expenditure except bearing 50% of the recurring expenses. Accordiug to the set norms the Minister, Education, Assam will be the Chairman and three other members viz : (1) Secretary, Education, (2) Secretary, Finance and (3) Secretary, Industries. This is a long list. There is another question regarding the College : I sent both the qnestions together. But unfortunately other question was not listed to-day. However, when that question comes up the detail information will be there.

Shri ALTAF HOSSAIN MAZUMDAR :—Will the Minister be pleased to state whether there was an applicant Shri A. P. Borbhuyan, a candidate from minority Muslim Community who is a lecturer with 10 years experience with a brilliant academic career such as, Ist Dinision with Ist position in Higher Secondary, Ist Class Ist in B. Sc, Ist Class B. E. of Gauhati University with Ist Class Master degree from Asian Institute of Technology, Thailand where he was sent by the Government of Assam ?

Shri LAKSHYADHAR CHAUDHURY (Minister) : —According to the report available with me now I can say about Shri H. K. Barua. I will look in to the matter.

Shri GAURISANKAR ROY : —May I know what is the procedure adopted for appointment of other staff serving in the College ?

Shri LAKSHYADHAR CHAUDHURY (Minister) :—I want a separate question for that.

শ্ৰীদীপক ভট্টাচাৰ্য্য :— শিলচর রিজিওন্যাল ইঞ্জিনিয়ারিং কলেজে 3rd, 4th ফোর্থ গ্রেড্ এবং অনান্য চাকুরীর ক্ষেত্রে এপ্লোয়মেন্ট এক্স-চেঞ্জের মাধ্যমে নেওয়া হবে কি এবং এক্ষেত্রে বিভিন্ন সম্প্রদায়ের লোককে সমান সুযোগ সুবিধা দেওয়া হবে কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এইটো প্ৰশ্নৰ উত্তৰ আগৰ ৰিজনেল ইঞ্জিনিয়াৰিংত দিয়া হৈছে।

বিঃ ৰঙাপাৰা নগৰ এলেকাৰ ৰাস্তা

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

*৬৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰঙাপাৰা নগৰ এলেকাত ৰাস্তা নিৰ্ম্মাণৰ কাৰণে যোৱা বিত্তীয় বছৰত কিমান টকা মঞ্জুৰী দিয়া হৈছিল ?

(খ) এই ৰাস্তা নিৰ্ম্মাণৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা আসোঁৱাহ বিলাকৰ বিৰুদ্ধে নগৰ উন্নয়ন কমিটিৰ ফালৰ পৰা কিবা আপত্তি পোৱা হৈছিলনে ?

(গ) যদি পোৱা হৈছিল, তেনেহলে সেই বিষয়ত কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৫। (ক)—ৰঙাপাৰা নগৰ এলেকাৰ ভিতৰত গড়কাপ্তানী বিভাগৰ ৰাস্তা উন্নয়নৰ কাৰণে যোৱা ১৯৭৭-৭৮ বিত্তীয় বছৰত মুঠ ৫০,০০০·০০ টকা মঞ্জুৰী দিয়া হৈছিল।

(খ)—হয়। ৰঙাপাৰা নগৰ উন্নয়ন কমিটিৰ ফালৰ পৰা ইটাৰ ছোলিং দিয়াৰ পৰিবৰ্ত্তে ডাঙৰ শিলৰ ছোলিং দিব লাগে বুলি আপত্তি পোৱা হৈছিল।

(গ)—এই বিষেয়ে তেজপুৰৰ অধীক্ষক অভিযন্তাই ৰঙাপাৰা নগৰ উন্নয়ন কমিটিৰ সভাপতিক, বৰ্ত্তমানৰ যান-বাহনৰ পৰি-প্ৰেক্ষিতত অনুদান সাপেক্ষে, ইটাৰ ছোলিংকেই উন্নয়নৰ কামত ব্যৱহাৰ কৰা যথেষ্ট হব বুলি জনায়।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— বিষয়টোৰ সম্পৰ্কত আপত্তি কৰা সত্ত্বেও এই কামটো শেষ কৰা হ'ল নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—টাউন কমিটিৰ ফালৰ পৰা পিচত যিহেতু কোনো আদান প্ৰদান নহ'ল, গতিকে সেইমতে কাম কৰা হল।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— কিবা আপত্তি বিভাগীয় মন্ত্ৰী লৈ কৰিছিল নে নাই?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— তেনেকুৱা ৰেকৰ্ড নাই।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— যদি ৰেকৰ্ড থাকে বুলি গম পায় তদন্ত কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— নিশ্চয় কৰা হব।

**Re : Compensation for acquisition of land for construction of E & D Embankment from Kachua confluence of Karimganj**

Shri ABDUL MUQTADIR CHOUDHURY asked :

*66. Will the Minister, Flood Control be pleased to state—

(a) Whether it is a fact that compensation for the acquisition of land for the construction of E & D embankment from Kachua confluence to Karimganj under Karimganj Flood Control Division has not yet been paid ?

(b) If so, the reasons thereof ?

Shri RAMESH MOHAN KOULI ( Minister, Flood Control ) replied :

66. (a) & (b)—It is not a fact that the compensation for the land acquired, has not been paid. Out of twelve Nos. of villages, where land has been acquired. full payment has already been made in case of nine villages. In case of the remaining three villages also, 50%advance payment has been made. The balance payment in these cases will be made after finalisation of the land acquisition estimate.

Shri ABDUL MUQTADIR CHOUDHURY :—Sir, may I know from the Minister whether it is a fact that a part of the compensation for the embankment has not yet been paid ?

Shri RAMESH MOHAN KOULI (Minister) :—Sir, I have already replied that the balance 3 villages have also been paid 50 percent advance, and the balance of 50 percent these cases will be made after finalisation of the land acquisition estimate.

Shri ABDUL MUQTADIR CHOUDHURY :—What is the amount of compensation that has been paid earliar forthe other part ?

Shri RAMESH MOHAN KOULI (Minister) :—Sir, full payment has been made to the nine villages to the extent of Rs. 20,95,1090,18.

Shri ABDUL MUQTADIR CHOUDHURY :—When the payment was made. I mean, in which year ?

Shri RAMESH MOHAN KOULI (Minsster) :—Sir; I will have to mention the name of the villages for which payment have already been made with date and amount etc.

| | | |
|---|---|---|
| 1. Kanshail case No. 1/69-70 | 6th April, 72 to 7th September, 72 | amount paid Rs. 2,78,118.18 |
| 2. Elongjuri case No. 3/59 70 | 7th February, 73 to 14th May, 73<br>12th February, 75 to 6th July, 76<br>4th June, 76 to 2nd September, 76 | Rs. 3,23,444.01 |

| | | | |
|---|---|---|---|
| 3. | Mobarkpur case No. 4/69-70 | 8th May, 73 to 18th May, 73<br>8th November, 73 to 2nd Decmber 74<br>2nd March, 76 to 22nd August, 76 | Rs. 3,96,776.39 |
| 4. | Bakarsal Part II case No.5/69-70 | 1st July, 74 to 7th April, 75<br>14th July, 75 to 8th June, 77 | Rs 7.49,706 69 |
| 5. | Bakarsal Part I case No.7/69-70 | 9th May, 73 to 12th September, 73<br>26th July, 75 to 27th October, 75<br>25th April, 77 to 5th October, 77 | Rs. 40,132.00 |
| 6. | Charakuri case No.8/69-70 | 2nd July, 73 to 1st November, 73<br>4th January, 75 to 10th February, 75<br>23rd October, 75 to 23rd August, 76 | Rs 92,054.32 |
| 7. | Lamajuar Part I case No. 9/69-70 | 13th August, 73 to 16th August. 73<br>17th March, 75 to 12th September, 75<br>28th July, 76 to 9th August, 76 | Rs. 1,43,253·94 |
| 8. | Jabainpur Part II case No.10/69-70 | 11th November, 74 to 22nd November, 74<br>29th January, 76 to 31st August, 76 | Rs. 53,953.15 |
| 9. | Jabainpur Part I and Lamajur Part I Case No. 8/71-72 | 19th September, 1974 to 3rd April, 1975 20th May, 1977 to 18th Feb. 1978. | Rs. 17,670·50 |
| | | | Total 20,95,109·18 |

শ্ৰীগোলক ৰাজবংশী :– ইযান দীঘলষ্টেটমেণ্ট টেবুলত লে কৰিব লাগে চাৰ।

শ্ৰীদীপক ভট্টাচাৰ্য্য :– হাইলাকান্দি মহকুমায় কৃষকের জমি 'একুইয়ার' না করে সেই জমি থেকে মাটি কেটে 'এম্‌ব্যাংকমেন্ট' তৈরী করা হয়েছে। এইসব কৃষক এই জমির 'কম্‌পেনশেশন' পাবে কি ?

শ্ৰীৰমেশ মোহন কৌলী (মন্ত্ৰী) :– সেই সম্পৰ্কে বেলেগে নোটিচ দিলে মই মাননীয় সদস্য গৰাকীক অবগত কৰাব পাৰিম।

বি : আত্মহত্যা

শ্ৰীএ, এন, আক্ৰাম হুছেইনে সুধিছে :

*৬৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে–

(ক) ১ জানুৱাৰী ১৯৭৭ তাৰিখৰ পৰা বৰ্তমানলৈকে (৩১ মাৰ্চ, ১৯৭৮) অসমত কিমান জনে আত্মহত্যা কৰিছে ?

(খ) এনে আত্মহত্যা কৰাৰ কাৰণসহ আত্মহত্যা কৰাৰ সৰ্ব্বাধিক আৰু সৰ্ব্বনিম্ন সংখ্যা ক'ত চৰকাৰে জনাবনে ?

(গ) আত্মহত্যা কৰিবলৈ অপচেষ্টা কৰাৰ বাবে কিমানজন ব্যক্তিৰ বিৰুদ্ধে মোকৰ্দ্দমা দাখিল কৰা হৈছে আৰু আদালতত নিষ্পত্তি হোৱা মোকৰ্দ্দমাৰ ৰায় কি চৰকাৰে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৭। (ক)—১৯৭৭ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭৮ চনৰ ৩১ মাৰ্চলৈ মুঠ ১৬৪৩ জনে অসমত আত্মহত্যা কৰিছে।

(খ)—(১) আত্মহত্যা কৰাৰ কাৰণ সমূহ হল-হতাশ, দুৰাৰোগ্য বেমাৰত ভোগা, পৰীক্ষাত অকৃতকাৰ্য্য হোৱা, ঘৰুৱা অশান্তি, প্ৰেম ঘটিতকৰণ, মস্তিষ্কৰ বিকৃতি, পিতৃ-মাতৃৰ লগত কাজিয়া, সম্পত্তি লৈ বিবাদজড়িত কাৰণ আৰু দেউলিয়া হোৱা।

(২) সৰ্ব্বাধিক আত্মহত্যা হোৱা জিলাসমূহ হল—ডিব্ৰুগড়, শিৱসাগৰ, কামৰূপ আৰু কাছাৰ জিলা।

(৩) সৰ্ব্বনিম্ন আত্মহত্যা হোৱা জিলাসমূহ হল—উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা, কাৰ্বি আংলং জিলা।

(গ)—২৪৫ জন মানুহৰ বিৰুদ্ধে মোকৰ্দ্দমা ৰুজু কৰা হৈছিল, তাৰ ভিতৰত ১৩৯ টা মোকৰ্দ্দমাৰ চূড়ান্ত প্ৰতিবেদন (Final Report) দাখিল কৰা হৈছে আৰু ১০৪ জনৰ বিৰুদ্ধে অভিযোগ পত্ৰ C· S দাখিল কৰা হৈছে। বিচাৰত ৩ জনক শাস্তি বিহা হৈছে আৰু ১ জনে অপৰাধৰ পৰা মুক্তি পাইছে। ১০০০ জনৰ বিৰুদ্ধে মোকৰ্দ্দমা বৰ্ত্তমান বিচাৰাধীন হৈ আছে আৰু ২ জনৰ বিৰুদ্ধে মোকৰ্দ্দমা এতিয়াও তদন্তাধীন।

**Shri ALTAF HSOSAIN MAJUMDAR :** Sir, may I know from the **hon'ble** Chief Minister in which category the hon'ble members fall??

(No reply)

শ্ৰীএ, এন, আক্ৰাম হুছেইন ঃ— মাননীয় সদস্য গৰাকীৰ প্ৰশ্ন উত্তৰ দিব লাগে।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— উত্তৰ দিব লগীয়া নাই।

শ্ৰী এ, এন, আক্ৰাম হুছেইন ঃ— যিটো সংখ্যা দিছে সেইটো এটা ভয়াবহ সংখ্যা। অসমৰ দৰে ৰাজ্য এখনত যদি এনেকুৱা ——————

মাননীয় অধ্যক্ষ ঃ— প্ৰশ্নটো কি ?

শ্ৰী এ, এন, আক্ৰাম হুছেইন ঃ— হতাশাত হোৱা বুলি কৈছে। এইটো খোৱা-বোৱা বস্তুৰ অভাৱ হোৱা কাৰণে হতাশ হৈ আত্মহত্যা কৰিছে। গতিকে —

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— প্ৰশ্নটো চলি আছেনে শেষ হৈছে ?

মাননীয় অধ্যক্ষ :— হয়, চলি আছে।

শ্ৰী এ, এন, আক্ৰাম হুছেইন :— প্ৰেমৰ কথা কৈছে গতিকে

Mr. SPEAKER : The Chief Ministers has given a very long reply Next question Shri Saharia'

বি : কলিকতাৰ অসম ভৱন

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে :

*৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কলিকতাৰ 'অসম ভৱন'ৰ ওপৰৰ এটা অংশ ভাৰা দিয়া হৈছে নেকি ?

(খ) যদি হৈছে, কিমান ভাৰাত কাক ভাৰা দিয়া হৈছে ?

(গ) উক্ত ভাৰা বৰ্ত্তমানলৈ কিমান আদায় হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৮। (ক)—হয়, হৈছিল।

(খ)—প্ৰতি বৰ্গফুটত মাহিলী ১·৫০ টকা হিচাবে ভাৰাৰ উপৰিও ভাৰা লওঁতাই ভাৰা লোৱা অংশৰ বাবদ পৌৰ নিগমক দেয় কৰ আদায় দিয়াৰ বন্দৰস্তীত, সীমান্তৰক্ষী বাহিনী, মেচাৰ্চ অশোক পেপাৰ মিলচ আৰু মেচাৰ্চ ৰাইনো ট্ৰেভেলক ভাৰা দিয়া হৈছিল।

(গ)—এতিয়ালৈকে মেচাৰ্চ অশোক পেপাৰ মিলচ ৮০,৮৯০·০৭ টকা ভাৰা আদায় দিছে। সীমান্তৰক্ষী বাহিনী আৰু মেচাৰ্চ ৰাইনো ট্ৰেভেলে কোনো ভাৰা আদায় দিয়া নাই।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— অধ্যক্ষ মহোদয়, (খ) প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে সীমান্ত ৰক্ষী বাহিনীক ভাৰা দিয়া হৈছে। মই জানিব বিচাৰিছো তেওঁলোকে কিমান দিনৰ পৰা ভাৰা লৈছে আৰু কিমান টকা এতিয়াও দিবলৈ বাকী আছে। আৰু এই টকা আদায়ৰ কাৰণে অসম চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে যোগাযোগ কৰি থকা হৈছে। সীমান্ত ৰক্ষী বাহিনীক ১।১।৬৭ তাৰিখৰ পৰা ভাৰা দিয়া হৈছিল আৰু ২৮।২।৭৮ তাৰিখে এৰি দি গৈছে। তেওঁলোকে ২,৮৪,৫৪·৩৫ পইচা দিবলৈ বাকী আছে। আৰু এই বিষয়ে বিল ইত্যাদি পঠিওৱা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰও পাইছেগৈ। সোনকালেই এই টকাতো পোৱাৰ আশা আছে।

শ্ৰীপ্ৰেম বৰা :— কলিকতাৰ অসম ভৱনটো প্ৰকৃততে কি উদ্দেশ্য আগত ৰাখি কৰা হৈছিল ? আৰু কি অৰ্থৰিটিত তাক ভাৰা দিয়া হ'ল আৰু কোনে কৰিলে কোনো বিষয়াই হুইমচত কৰিলে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে বেলেগ জাননী লাগিব।

শ্ৰীপ্ৰেম বৰা :— মোৰ প্ৰশ্নটো হৈছে কি উদ্দেশ্যৰে অসম ভৱনটো কৰা হৈছিল অন্য কিবা কাৰণ আছে নে ভাৰা দিবলৈ কোৱা হৈছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এইটো ১৯৬৭ চনতে আগৰ চৰকাৰে কৰিছিল। সাধাৰণতে অসমৰ পৰা যোৱা চৰকাৰী বিষয়া আৰু অসমৰ পৰা বয়বস্তু আদি আনিবৰ কাৰণে যিবিলাক বিষয়া যায় তেওঁলোকৰ কামৰ সুবিধাৰ কাৰণে তাত থকা মিলাৰ ব্যৱস্থাৰ কাৰণেই তাত অসম ভৱনটো ৰখা হৈছিল। আৰু এইখিনি কৰাৰ পাচত কিছু ওপৰিঞ্চি ঠাই ওলোৱাত হয়তো ভাৰা দিয়াৰ ব্যৱস্থা কৰিছে।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ :— এই ঘৰটো ভাৰা দিয়াৰ কাৰণে চৰকাৰৰ পৰা কিবা অনুমতি লৈছিল নেকি নে কোনোবা বিষয়াই নিজেই দিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এতিয়ালৈকে সেই বিষয়ৰ ৰেকৰ্ড আমাৰ হাতত নাই।

শ্ৰীনবীন মালাকৰ :— কলিকতাৰ অসম ভৱনটোত কিমান স্টাফ আছে আৰু তেওঁলোকৰ ভিতৰত থলুৱা অসমীয়া কিমান মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে বেলেগ নোটিশ লাগিব।

শ্ৰীপ্ৰেম বৰা :— এই ঘৰটোৰ দায়ীত্বত কোন আছে আৰু কিমান দিনৰ পৰা আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এজন ট্ৰেড এডভাইজাৰ আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— সেই ট্ৰেড এডভাইজাৰ জনৰ নাম কি আৰু তেওঁ কেতিয়াৰ পৰা তাত আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এতিয়াৰ ট্ৰেড এডভাইজাৰ জনৰ নাম শ্ৰীআশীষ দত্ত তেওঁ বেছিদিনৰ পৰা নাই।

শ্ৰী এ, এন, আক্ৰাম হুচেইন :— এই নাইনো ট্ৰেভেল কিমানদিনৰ পৰা আছে আৰু কিমান টকা দিবলৈ আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তেওঁলোকক ভাৰা দিয়া হৈছিল ১৪।৪।৭৩ চনৰ পৰা আৰু ভাৰা দিবলৈ বাকী আছে ৩১৬১৩.১৮ পইছা। এই বিষয়ে আমাৰ গড়কাপ্তানি বিভাগে (বিল্ডিং ডিভিজন) টকা আদায়ৰ কাৰণে চেষ্টা কৰি আছে।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ :— মই জানিব বিছাৰিছো এই কোম্পানীবিলাকক ভাৰা দিয়া হৈছিল যে তেওঁলোকৰ লগত কিবা চুক্তি পত্ৰ হৈছিল নে নাই ? আৰু কোনে কাৰ নিৰ্দেশত ভাৰা দিছিল জনাব নে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এইবিষয়ে সকলো বিলাক কথা পিচত জনোৱা হব।

Shri ALTAF HUSSAIN MAJUMDAR : There are certain rules for the Assam House. It is very difficult to get accommodation in the Assam House at Calcutta. Will the Honourable Chief Minister see that some portion of the house is vacated and made more accommodation so that people who visit Calcutta for different purposes may get accommodation there very easily?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এইবিষয়ে বিবেচনা কৰি চোৱা হব।

শ্ৰীৰমেশ চহৰীয়া :— অসম ভৱনত কাম কৰা কৰ্মচাৰী সকলক থকামিলা কৰাৰ কাৰণে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি আৰু যদি কৰিছে কিমান টকা খৰছ হব জনাব নে?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এইটো এতিয়াও চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীগোলক ৰাজবংশী :— অসম হাউচ কলিকতাৰ একোমোদেচন আগতে জি এ দি বিভাগে কৰিছিল ইয়াৰ পৰা যিহেতু মানুহজন ইয়াৰ পৰা যাব ইয়াতে যোগাযোগ কৰিবলে সুবিধা হয় কিন্তু এতিয়া এখন চাৰ্কুলাৰ দিছে যে একোমোদেচন তাতহে কৰিব সেইটোৰ পৰা অসুবিধা হৈছে বুলি চৰকাৰে ভাবিবে নে?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই ব্যৱস্থা উঠাই দিয়া হোৱা নাই।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :—ৰাইনো ট্ৰেভেল ৰেজিষ্টাৰ্ড কোম্পানী হয় নে নহয় আৰু তেওঁলোকে কিমান টকা দিবলৈ বাকী আছে?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে মই আগতে কৈছো।

Re : **Procurement of Paddy**

Shri RANENDRA NARAYAN BASUMATARY asked :

*69. Will the Minister, Supply be pleased to state—

(a) The target for procurement of paddy in Assam during 1977-78?

(b) The quantity actually procured by the F. C. I. and the Apex Marketing Society respectively during the year?

(c) Whether the Government is aware that truck loads of paddy and rice have daily been moving out from Assam to other States?

Shri DULAL CHANDRA BARUA (Minister, Supply) replied :

69. (a)—No specific target for procurement of paddy was fixed in Assam for the Kharif year 1977-78. However Government of Assam tentatively fixed a target of 20 lakh quintals during 1977-78.

(b)—2,99 653.27 quintals of paddy and 4,277.45 quintals of rice were procured in Assam by the Procurement Agents till 4th May, 1978 which are shown below—

STATFED—

1. Under price support (Paddy only) 1,17,099.65 quintals.

2. Millers levy paddy 71,349 qtls.

3. Millers levy Rice 2,668.88 qtls.

4. Dealers levy paddy 30,115.10 qtls.

F. C. I.

1. Under price support paddy 56,684.42.

2. Millers levy paddy 19,646.70 qtls.

3. Millers levy Rice 1,608.57 qtls.

4. Dealers levy paddy 4,758.30 qtls.

(c)—Yes Government is aware that some paddy is moving out side of this State since there is no movement restriction on rice and paddy throughout the country

Shri RANENDRA NARAYAN BASUMATARI : Is the Government aware that rice and paddy are being sent out to other countrie including Bhutan ?

Shri DULAL CH. BARUA (Minister, Supply) : I have already stated in reply to (c) that Government is aware that some paddy in moving out of this State since there is no movement restriction on rice and paddy. The Government is however, taking all precautions to stop such movement.

Shri RANENDRA NARAYAN BASUMATARI : Will the Minister agree that such movement will have serious impact on the food situation in Assam

Shri DULAL CHANDRA BARUA (Minister, Supply) : Yes.

Shr PROMODE CH. GOGOI : Sir, the tentative target of procurement fixed by the Government was 20 lakh quintals, but the quantity collected so far is below 4 lakh quintals. Is the Government aware that the private traders taking advantage of the free trade policy of the Government have collected huge quantities of paddy during the khariff season ?

Shri DULAL CHANDRA BARUA (Minister, Supply) We have received such reports and we are enquiring into them.

Shri PROMODE CHANDRA GOGOI : Is the Government aware, that these private traders are sending out rice and paddy to the neighbouring deficit States ?

Shri DULAL CHANDRA BARUA (Minister) : We have received such reports of such movements.

Shri PROMODE GOGOI : Sir, the Minister has admitted that there has been such movement of rice and paddy. May I know, Sir. what steps have been taken to prevent such movement ?

Shri DULAL CHANDRA BARUA (Minister, Supply): Sir, the Government is very keen to totally stop such movement of rice and paddy from our State. But, as all the hon'ble Members are aware. unless the Government of India changes or modifies the policy of free movement we cannot take very strong measures.

Shri ABDUL MUQTADIR CHOUDHURY : Whether a y licence or permit is required for movement of rice and paddy ?

Shri DULAL CHANDRA BARUA (Minister, Supply) : No, Sir

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— অধ্যক্ষ মহোদয়, এই তিনি বছৰৰ ভিতৰত এফ. চি. আইৰ গোদামত বহুতো ধান পচি নষ্ট হৈছে। এতিয়া তাৰ ধান বিলাক কেনে ধৰণে আছে আৰু কিমান ধান নষ্ট হল তাৰ হিচাব দিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—এইটো বেলেগে প্ৰশ্ন দিলেহে মই উত্তৰ দিব পাৰিম ।

শ্ৰীযোগেন গগৈ :— চৰকাৰে যিটো ব্যৱসায় নীতি গ্ৰহণ কৰিছে তাৰ ফলত সমবায় বিলাকে ধান সংগ্ৰহ কৰিব পৰা নাই—এই কথাটো সচাঁনে ? আৰু খাদ্য সৰবৰাহৰ মুক্ত নীতি কৰাৰ কাৰণে অধিক সংগ্ৰহ কৰিব পৰা নাই—আৰু তাৰ ফলত অসমত খাদ্য সংকট হোৱাটো স্বাভাৱিক। ইতিমধ্যে পানীৰ অভাৱত উৎপাদন কৰিব পৰা নাই আৰু খৰাংবতৰৰ কাৰণে খেতি ভাল নহল। এনে অৱস্থাত জনসাধাৰণক ৰক্ষা কৰিবলৈ কি ব্যৱস্থা লৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—যোৱা বাৰ প্ৰকিয়ৰমেণ্ট নোহোৱাটোৱেই একমাত্ৰ কাৰণ নহয়। সেই সময়ত যিসকল চৰকাৰী এজেন্সী আছিল—সেই সকলে ভাৰত চৰকাৰৰ মুক্ত নীতিৰ সম্পৰ্কে বিশেষ সমৰ্থন আগ নবঢ়োৱাৰ কাৰণে যি ধৰণে সংগ্ৰহ কৰিব লাগিছিল তেনে ধৰণে সংগ্ৰহ কৰা নহল ।

শ্ৰীযোগেন গগৈ :— একমাত্ৰ কাৰণ নেজন্য ত্ৰম কাৰণ ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—অন্য ত্ৰম কাৰণ নহয়।

Shri RANENDRA NARAYAN BAUMATARI Can the Government assure us that they have sufficient stock of rice and paddy to tide over shortage of food durring the lean months ?

Shri DULAL CHANDRA BARUA (Minister, Supply): Sir, it is difficult to give any assurance But I can tell the Hon'ble Members through ou, Sir, that the Government is maintaining a buffer stock of rice yd aGovernment are fully prepared to meet any situation.

Starred Question No. 70 was not put, the member being absent.

**Re : Tezpur Mental Hospital**

Shri GOLOK RAJBANSHI asked :

*71. Will the Minister, Health be pleased to state—

(a) The number institutions in the State for treatment of mental patients ?

(b) The otal intake capacity of patients in the Tezpur Mental Hospital at present ?

Dr. KOSHESWAR BORA (Minister of State, Health) replied :

71. (a)—Only one Mental Hospital at Tezpur

(b)—Total intake capacity is 1,000 patients.

Shri GOLOK RAJBONGSHI : What is the number of patient now lodged in the Mental Hospital ?

Dr. KOSHESWAR BORA (Minister of State, Health) : It is almost 1000.

Shri GOLOK RAJBONGSHI : Whether patients beyond the capacity are also admitted ?

Dr. KOSHESWAR BORA (Minister of State, Health) : No, Sir.

Shri RANENDRA NARAYAN BASUMATARI : Is it a fact that those patients who do not get accommodation are kept in jails ?

Dr. KOSHESWAR BORA (Minister, of State, Health):— It may be so.

Shri GOLOK RAJBONGSHI : Is it not a fact that the jails are for not the proper hlaus for kaping the mental Palitents as no treatment mental diseases is available inside the jails ?

Dr. KOSHESWAR BORA (Minister of State) : Sir, in some jails like Gauhati, Dibrugarh and Silchar, treatment facilities have been made available for mental patients.

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— অধ্যক্ষ মহোদয়, এক হেজাৰ ৰোগীৰ কাৰণে ব্যৱস্থা থকা বুলি মন্ত্ৰী মহোদয়ে জনাইছে আৰু এতিয়াও এক হেজাৰ ৰোগী আছে বুলি কৈছে। যদি এক হেজাৰ প্ৰকৃততে হয়—তেতিয়াহলে এই চৰকাৰী হাস্পতালৰ কাৰণে প্ৰতি বছৰে কিমান টকা খৰছ হয় ?

ডাঃ কোষেশ্বৰ বৰা (স্বাস্থ্য মন্ত্ৰী) :—এই হিচাব মই এতিয়া দিব নোৱাৰো ।

শ্ৰীমহম্মদ চামচদ্দল হুদা :— মন্ত্ৰী মহোদয়ে জনাবনে যে অসমৰ বিভিন্ন ঠাইৰ পৰা আহি চিকিৎসা কৰিবৰ কাৰণে যদি তেজপুৰলৈ গৈ পগলা মানুহবোৰে চিট্ বিচাৰে তেতিয়া প্ৰতি মাহেই মেনটেল হাস্পাতালত কোনো চিট্ দিব নোৱাৰে— এইটো কথা সচাঁনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— সেইটো সচাঁ ।

শ্ৰীঅতুল গোস্বামী :— অধ্যক্ষ মহোদয়, আমাৰ এতিয়া পগলাৰ সংখ্যা বহুত বৃদ্ধি হৈছে—সেই কাৰণে আমাৰ ইয়াত আৰু এটা অনুষ্ঠান গঢ়ি তুলিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— এই অনুষ্ঠানটোকেই নৰ্থ-ইষ্টাৰ্ণ কাউন্সিলে আৰু ভাল ধৰণে কৰিবৰ কাৰণে প্ৰস্তাৱ দিয়া হৈছে ।

শ্ৰীগোলক কাকতি :— অধ্যক্ষ মহোদয়, আমাৰ এই পগলা থানা হাস্পাতালত ঠাই নিদিয়াৰ কাৰণে বহুতো পগলা মানুহক বাকী কয়দীৰ জেইলত ৰাখিছে আৰু তাৰ ফলত তেওঁলোকৰ স্বাস্থ্যৰ অৱনতি ঘটিছে—এই সমস্যা সমাধান কৰিবৰ কাৰণে কিবা ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰিছেনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— এই হাস্পাতালৰ পৰিসৰ ডাঙৰ নকৰালৈকে সেইটো কোৱা টান। তথাপি ৰোগী অনুপাতে আমি বিভিন্ন জেইলত যেনে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰ আদি য'ত মেডিকেল কলেজৰ চিকিৎসক আছে—তেখেতসকলৰ দ্বাৰা চিকিৎসা চলাই থকা হৈছে ।

শ্ৰীৰমেশ-চন্দ্ৰ চহৰীয়া :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানে নে নাজানে কব নোৱাৰে—কিন্তু এই মেনটেল হাস্পাতালটি সিদিনালৈকে পগলা ফাটেক বুলিহে জনজাত আছিল আৰু পগলা ফাটেকৰ মানদণ্ডহে আছিল। গতিকে এই মানদণ্ড উন্নত কৰি ৰাচীত থকা পগলা হাস্পাতালৰ দৰে উন্নত মানদণ্ডত কৰাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— আগৰ তুলনাত এতিয়া চিকিৎসাৰ ক্ষেত্ৰত বহুখিনি উন্নত হৈছে । অৱশ্যে তাত থকা-মেলাৰ ব্যৱস্থা যেনেদৰে কৰিব লাগে তেনে ধৰণে কৰিব পৰা নাই। তথাপি আমি যিটো পৰিকল্পনা উত্তৰ-পূৰ্ব পৰিষদৰ জৰিয়তে কৰিছো সেইটো কাৰ্য্যকৰী হলে নিশ্চিয় ৰাঁচীতকৈ ভাল হব বুলি আমি আশা কৰিছো ।

শ্ৰীজীৱন বৰা :— মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে— এক হেজাৰ ৰোগীক চিকিৎসা কৰিবৰ কাৰণে কেইজন ডাক্তৰ আছে ? আৰু তাৰ চুপাৰিণটেণ্ডেন্ট জন আগতে যিটো ঘৰত আছিল—সেইটো এতিয়া খালি হৈ এনেয়ে পৰি আছে। বৰ্ত্তমান সেই ঘৰত নানা জুৱা-চুৰি, মদৰ আড্ডা হৈ আছে— এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীকোমেশ্বৰ বৰা (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীৰ পিচৰ প্ৰশ্নৰ উত্তৰটো মই ভালকৈ দিব নোৱাৰিম—এইটো অনুসন্ধান কৰিব লাগিব। চিকিৎসকৰ সংখ্যা কম। আচলতে উন্নত চিকিৎসক এজনহে আছে। বাকী ৪ জন ডাক্তৰে তেখেতক চিকিৎসাত সহায় কৰে। সেই কাৰণে ইয়াৰ পৰি-প্ৰেক্ষিতত নতুনকৈ ১০/১২ জন ডাক্তৰ যাতে দিব পাৰে— তাৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

Mr. SPEAKER : The question hour is over.

বি : বৰগাং বিদ্যুৎচালিত জলসিঞ্চন আঁচনি

শ্ৰীবিষ্ণুলাল উপাধ্যায়ে সুধিছে :—

১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) বৰগাং বিদ্যুৎ চালিত জলসিঞ্চন আঁচনি কেতিয়া আৰম্ভ কৰা হয় আৰু ইয়াৰ সৰ্ব্ব মুঠ খৰচ কিমান ধৰা হৈছে ?

(খ) ইয়াৰ দ্বাৰা কিমান মাটিত জলসিঞ্চন হব পাৰে ?

(গ) খেতিয়কে খৰচৰ কিবা অংশ দিব লাগে নেকি আৰু যদি লাগে প্ৰতি বিঘাত কিমানকৈ দিব লাগে ?

(ঘ) বৰগাং নদীৰ গড়াখহনীয়াই যোৱা বছৰ পানীতোলা ইঞ্জিনসহ যি লোহাৰ নাঁওখন বালিত পোত খুৱাইছিল তাক খান্দি তোলা হৈছেনে ?

(ঙ) যদি হৈছে, কেতিয়া আৰু ইয়াৰ বাবে কিমান খৰচ হল ?

(চ) মিলিটাৰী বিভাগক পচিশ হাজাৰ টকাত নাঁওখন তুলি দিবলৈ অনুৰোধ কৰা কথাটো সচাঁনে?

(ছ) যোৱা বছৰ গড়াখহনীয়া হোৱা অংশটো সুৰক্ষিত কৰি ৰাখিবলৈ কিবা ব্যৱস্থা লোৱা হৈছেনি আৰু যদি হৈছে কেনেকুৱা ব্যৱস্থা লোৱা হৈছে ?

শ্ৰী এ, এফ, গোলাম ওচমানি (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৩। (ক) ১৯৭১-৭২ চনত মুঠ ১১,৬০,০০০·০০ টকা ধাৰ্য্য কৰা হৈছে।

(খ)—৭০০ হেক্টৰ মাটিত জলসিঞ্চন কৰিব পৰিব ।

(গ)—১৯৫৩ চনত অসম মথাউৰি আৰু জলউৎসাৰণ আইন আৰু ১৯৬২ চনৰ অসম মথাউৰি আৰু জলউৎসাৰণ সংশোধিত আইন এক দশ অনুচ্ছেদ অনুযায়ী আঁচনিখনৰ সমুদায় বা আংশিক খৰচ আৰু বাৰ্ষিক ৰক্ষণাবেক্ষণ আৰু মেৰামতি আদিত খৰচ, বছৰেকীয়া পানী কৰ আৰু মাটিৰ উন্নতিকৰণ কৰৰ (বটাৰমেন্ট লেভি) ৰ যোগেদি উঠোৱাৰ ব্যৱস্থা আছে। অৱশ্যে, এই কৰ উঠোৱা হোৱা নাই কিন্তু 'এডহক, ভিত্তিত ১৯৭৫ চনৰ পৰা নিম্ন লিখিত পৰিমাণত কৰ আদায় লৈ থকাৰ ব্যৱস্থা কৰা হৈছিল। যি ব্যৱস্থা চৰকাৰে ৬।৫।৭৭ তাৰিখৰ পৰা আকৌ সাময়িক ভাবে স্থগিত ৰাখিছে।

১। খাৰিফ শস্যৰ বাবে ৭·৫০ টকা প্ৰতি বিঘাত ।

২। গম শস্যৰ বাবে ১৫·০০ টকা প্ৰতি বিঘাত।

৩। বৰো আৰু আগতীয়া আহু শস্যৰ বাবে ৩০·০০ টকা প্ৰতি বিঘাত ।

৪। প্ৰচলিত আহু শস্যৰ ২০·০০ টকা প্ৰতি বিঘাত ।

(ঘ)—হয়, পানী তোলা ইঞ্জিনকে লৈ গোটেই নাওখন বালিৰ তলৰ পৰা খান্দি উলিওৱা হৈছে। মাত্র সামান্য কেইপদমান 'পাইপ' বালিৰ তলত থাকি গল।

(ঙ)—১৯৭৮ চনৰ মাৰ্চ্চ মাহত খান্দিতোলা সম্পূর্ণ হৈছে। মুঠ খৰচ ১২,৩০৯৩৫ টকা হৈছে।

(চ)—এই কথা সচাঁ নহয়।

(ছ)—গড়খহনীয়াৰ পৰা ৰক্ষাৰ বাবে সাময়িক ব্যৱস্থা লোৱা হৈছে। স্হায়ী ৰক্ষা ব্যৱস্থা লবৰ বাবে তথ্যপাতি গ্ৰহণ আৰু নৈখনৰ গতি নিৰিক্ষণ কৰি থকা হৈছে।

বি: থেকেৰাগুৰিৰ গাঁও ৰেলৱে অভাৰ ব্ৰীজ

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে:

১৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰিগাঁও মহকুমাৰ উত্তৰখোলা মৌজাৰ থেকেৰাগুৰিৰ গাঁৱত ৩৭ নং ৰাষ্ট্ৰীয় পথ আৰু থেকেৰাগুৰি ধৰমতুল ৰেল ষ্টেচনৰ মাজৰ সংযোগ ঠাইখিনিত এখন অভাৰ ব্ৰীজ নিৰ্ম্মাণৰ সম্পৰ্কে বিভাগীয় তৰফৰ পৰা আঁচনি প্ৰস্তুত কৰা হৈছেনে ?

(খ) যদি হোৱা নাই এই আঁচনি প্ৰস্তুতত কৰি ৰাষ্ট্ৰীয় পথত যান-বাহন মসৃণ চলাচলৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৪। (ক)—হোৱা নাই।

(খ)—এই কাম যাতে ভাৰত চৰকাৰৰ ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত হয় তাৰ বাবে চেষ্টা কৰা হব।

---

## CALLING ATTENTION

Shri KHAGEN BORBARUAH : Sir, I call the attention of the Chief Minister under 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in Dainik Asom dated 3rd the may 1978 under the caption, গুৱাহাটীৰ মাজ মজিয়াত এখন আন্ধাৰ জগত

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আলোচনা আগতে হৈ গৈছে। যোৱা ৩ মে তাৰিখৰ "দৈনিক অসম" কাকতত প্ৰকাশিত "গুৱাহাটীৰ মাজ মজিয়াত এখন আন্ধাৰ জগত" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা যথাযথ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

১৬।৪।৭৮ তাৰিখে নিশা প্ৰায় চাৰে দহ বজাত তৰুণ নগৰৰ নিবাসী শ্ৰীউপেন্দ্ৰ চক্ৰবৰ্তীৰ পুত্ৰ শ্ৰীতপন কুমাৰ চক্ৰবৰ্তীয়ে পল্টন বজাৰ পুলিচ চকীত এখন লিখিত এজাহাৰ দি জনায় যে তেওঁৰ পৰিয়াল সহ বিহুতলীৰ পৰা ঘৰলৈ ঘূৰাৰ পথত ভঙাগড়া তিনি আলিত চাউল কিনিবলৈ ধৰোতে — — — — — — — অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আগতে আলোচনা হৈ গৈছে। চৰকাৰে যিহেতু ব্যৱস্থা লৈছে আৰু যি কেইজন লোকে অত্যাচাৰ কৰিছিল সেই সংশ্লিষ্ট লোক কেইজনক গ্ৰেপ্তাৰ কৰা হৈছে। এই সম্পৰ্কে আগতে আলোচনা কৰা হৈছে। তাৰোপৰি মদ, জুৱাচুৰি আদিৰ সম্পৰ্কত পুলিছে বাৰে বাৰে পহৰা দি আজিলৈকে ৩০ টা মদৰ ঘাটি ধৰা পেলাইছে আৰু তেওঁলোকৰ বিৰোধে অভিযোগ পত্ৰ দাখিল কৰা হৈছে। সেই অঞ্চলৰ পৰা মুঠ ১১ টা জুৱা খেলৰ আড্ডা ধৰা হৈছে আৰু অভিযোগ পত্ৰ দাখিল কৰা হৈছে। পুলিচ এই বিষয়ে সজাগ হৈ আছে আৰু বহুত অপৰাধীক ধৰিবলৈ সক্ষম হৈছে। যোৱা কেইমাহমানৰ ভিতৰত নগৰৰ বিভিন্ন ঠাইত পহৰা দি এতিয়ালৈকে মদ নিবাৰণী আইন ভঙ্গৰ অপৰাধত ১০২ টা মোকৰ্দমা ৰুজু কৰি ২২৬ জন মানুহক গ্ৰেপ্তাৰ কৰা হয়। বাটেপথে ব্যভিচাৰ কৰি ফুৰা সংক্ৰান্তত মুঠ ৭৬ জনী গাভৰুক গ্ৰেপ্তাৰ কৰি চালান দিয়া হৈছে। জুৱা খেলাৰ অপৰাধত মুঠ ২৬ টা অপৰাধ ধৰা হৈছে আৰু মুঠ ৬৮ জন মানুহৰ বিৰুদ্ধে গোচৰ কৰা হৈছে।

শ্ৰীএ. এন. আক্ৰাম হোসেন ঃ—অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে ভবিষ্যতে যাতে এনে নহয় আৰু আমাৰ মা-বাই-ভণীয়ে ফ্ৰিলি বাটে-ঘাটে ঘূৰি ফুৰিব পৰা হয়।

(উত্তৰ নাই)

## MATTER UNDER RULE 301

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি "অসম পাঠ্যপুথি প্ৰকাশ" নিগমে ২৫০ টন বগা ছপা কাগজৰ আগধন 'দি বেঙ্গল পেপাৰ মিল কোঃ লিমিটেড'ক সময়মতে নিদিয়াৰ বাবে প্ৰায় দুই লাখ চৰকাৰী টকাৰ অপচয়ৰ সম্পৰ্কত মই সদনত উপস্থাপন কৰিছোঁ।

অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে অসম চৰকাৰক ষ্টেট লেভেল কমিটিৰ মাধ্যমেদি ছাত্ৰ-ছাত্ৰীৰ অতি প্ৰয়োজনীয় বস্তু কাগজৰ তিনি মহীয়া কোটা দিয়াৰ ব্যৱস্থা কৰিছে। এই ষ্টেট লেভেল কমিটিৰ ১০ জন সদস্য, শিক্ষা মন্ত্ৰী নিজে ইয়াৰ চেয়াৰমেন আৰু চেক্ৰেটৰী হল ইয়াৰ কনভেনাৰ। এই কাগজ দিয়াৰ উদ্দেশ্য হৈছে চাৰিটা। পাঠ্যপুথি ছপা কৰাৰ কাৰণে, পৰীক্ষাৰ কাৰণে, একচাচাইজাৰ বুক তৈয়াৰ কৰাৰ কাৰণে আৰু অন্যান্য কাগজ-পত্ৰ ছপোৱাৰ কাৰণে। দ্বিতীয়তে এই কাগজ কিনিবলৈ দিয়া হয় টেক্সট্ বুক প্ৰদাক্‌চন কৰপৰেশ্যন আৰু অসম ৰাষ্ট্ৰভাষা সমিতি গুৱাহাটী আৰু ডিব্ৰুগড়। পৰীক্ষাৰ কাৰণে কাগজ কিনিবলৈ দিয়া হয় বৰ্ড অব চেকাণ্ডাৰী এডুকেচন, গুৱাহাটী বিশ্ববিদ্যালয়। এক্সাচাইজ বুক তৈয়াৰ কৰিবৰ কাৰণে কাগজ কিনিবলৈ দিয়া হয় মেনুফেকচাৰচ এচ'চিয়েচন ৰেজিচটাৰ্ড আণ্ডাৰ দা চোচাইটি এক্ট আৰু আন আন কিতাপ চপোৱাৰ কাৰণে সুবিধা দিয়া হয় প্ৰাইভেট পাব্লিচাৰচ্ এচ'চিয়েচনক। দুখৰ বিষয় যিটো কোটা দিছে—মই কমকৈ দেখুৱাইছোঁ ২৫০ টন "দি বেঙ্গল পেপাৰ মিল লিমিটেডৰ" আৰু ২০০ টন তিতাগৰ পেপাৰ মিলৰ। এই কোটা পাবৰ হলে শতকৰা ২৫ ভাগ আগধন দিবলাগে। এই আগধন আগতে নিদিয়াৰ ফলত এই বিৰাট পৰিমাণৰ কোটা ৪৫০ টন কিনিবলৈ হলে এক টনত

একহাজাৰ কেজি। এক হেজাৰ কেজিত দুহেজাৰ তিনিহেজাৰ টকা পৰে। কিন্তু মুকলি বজাৰত কেজি ছটকা দৰত কিনিব লগাত পৰে। ইয়াত মই যি দুইলাখ টকাৰ কথা কৈছো আচলতে দুই লাখ নহয়, ইয়াত প্ৰায় ৬ লাখ লাখ টকা অপচয় হৈছে। ইয়াৰ মূলত হৈছে যে উদ্দেশ্য প্ৰণোদিত হৈ এক শ্ৰেণীৰ লোকে ইয়াত কিছুমান কাম কৰি আছে। ওপৰৰ পৰা তললৈকে, মন্ত্ৰীৰ পৰা তলখাপৰ কৰ্মচাৰীলৈকে। চৰকাৰী ভাৱে কাগজ কিনাৰ ব্যৱস্থা নকৰাৰ বাবে ৰাজহুৱা ধনৰ প্ৰচুৰ অপচয় হৈছে যাৰ ফলত ল'ৰা-ছোৱালীয়ে সময়মতে কিতাপ কিনিবলৈ নাপায়।

মাননীয় অধ্যক্ষ :— আপুনি সংক্ষেপ কৰক।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— এইটো অতি গুৰুত্বপূৰ্ণ কথা, মই কবই লাগিব। এইটো নকৰাৰ ফলত কিতাপৰ দাম বেছি হয়, অসমৰ ছপাশাল বিলাক কিতাপ ছপোৱাৰ পৰা বঞ্চিত হৈছে। ইয়াৰ ফলত বহুত শ্ৰমিকৰ কাম নোহোৱা হৈছে। ফলত বহুত লোকে বহুত ধন আত্মসাত কৰিবলৈ সুবিধা পাইছে। অনেক সময়ত অসমত বহুত কিতাপ নছপায় বিহাৰ, মহাৰাষ্ট্ৰ বাংলাদেশ আদিত ছপাবলৈ দিয়া হয়। কলিকতাৰ পাৰ্ক ষ্ট্ৰীটত— — — — — —

মাননীয় অধ্যক্ষ :— আপুনি অলপ অবান্তৰ কথা কৈছে।

শ্ৰীনৰেণ দত্ত :— এনে ধৰণৰ যদি অপচয় হয় তেনেহলে তাৰ দ্বাৰা এই ৰাজ্যৰ শিক্ষাৰ প্ৰতি চূড়ান্ত অন্যায় কৰা হব। এই কাগজৰ সংকটক কেন্দ্ৰ কৰি ব্যৱসায়ী গোষ্ঠীয়ে আমাৰ গৰীব ছাত্ৰ-ছাত্ৰী সকলক বিপৰ্ন কৰিছে। অকল সেয়ে নহয় এনেধৰণৰ ব্যৱস্থা চলি থকাৰ ফলত আজি শিক্ষা ব্যৱস্থাত ক্ষতি হৈছে। পাঠ্য পুথি প্ৰণয়ণ নিগমৰ এই কাৰ্য্য পৰিচালনা হয় মেনেজিং ডিৰেক্টৰ আৰু প্ৰডাকচন অফিচাৰৰ দ্বাৰা। এই কাৰ্যাৰ তদন্ত হব লাগে। আৰু এই কাগজ নিৰ্দ্ধাৰিত সময়ত নিকিনাৰ ফলত ছাত্ৰ-ছাত্ৰী সকলে উপযুক্ত দামত কাগজ কিনাৰ পৰা বঞ্চিত হব লগা হৈছে। আগৰ চৰকাৰে এইটো জঘন্য কাম কৰিছে কিন্তু এই চৰকাৰে—ফাঁচি বজাৰৰ পেপাৰ মাৰ্চেণ্ট এচচিয়েচন নামৰ এটা এচচিয়েচনক কাগজৰ কোটাৰ শতকৰা ৫০ ভাগ কিনিবলৈ অনুমতি দিছে। অসমৰ সৰ্ব্বসাধাৰণ উদ্যোগী লোকৰ দ্বাৰা সংগঠিত দুই এটা নিগম থকা স্বত্বেও কাগজৰ কোটাৰ আধা কিনিবলৈ দিয়া হল— এটা পেপাৰ মাৰ্চেণ্ট এচচিয়েচনক। অথচ আমাৰ ইয়াৰ বহু হেইটা ৰেজিষ্টাৰ্ড এচচিয়েচন আছে। গতিকে এয়ে হল সমাজতন্ত্ৰৰ নমুনা। এই ক্ষেত্ৰত চৰকাৰৰ প্ৰচলিত কিছুমান নিয়ম নীতি আছে যিহৰ দ্বাৰা এনে ধৰণৰ কাম বিলাৰ কৰিব লাগে। তেনে স্থলত কোটাৰ ৫০ ভাগ চৰকাৰী নিয়ম লংঘন কৰি কিনিবলৈ দিয়া হল কিয়? ইয়াৰ এটা বিহিত তদন্ত চৰকাৰে কৰিব লাগে কিন্তু তদন্ত কমিচনৰ কাৰণে তদন্ত কমিচন নহয়। এনকুৱাৰীৰ কাৰণে এনকুৱাৰী কৰা নহয়। এই তদন্তৰ দ্বাৰা নিগমৰ

খৰটি খাটি লোপ হৈ সুস্থ ভাবে পৰিচালিত হৈ ভৱিষ্যতে যাতে লাভজনক ভাবে কাম কৰিব পাৰে তেনে ব্যৱস্থা হব লাগে। কিয়নো আজি ইমান দিনে এই নিগম বিলাক পৰিচালনাৰ ক্ষেত্ৰত বহু বেমেজালি ঘটিয়েই আছে আৰু তাৰ ফলত জনসাধাৰণৰ লাখ লাখ টকা অপচয় হৈছে, তেনেস্থলতো তেওঁলোকৰ লৰা-ছোৱালী সকলে কম দামত কিতাপ পোৱা নাই। আজিলৈকে বড়ো মাধ্যমৰ কিতাপ ছপা হৈ নোলাল আৰু অন্যান্য মাধ্যমৰ পাঠ্য পুথিও আজিলৈকে ঠিক মতে প্ৰকাশ হৈ নোলাল। এয়ে যদি আচঁনি হয় এইটো এটা ভয়ঙ্কৰ কথা। গতিকে এই বিষয়ে এটা তদন্ত চলাব লাগে। আৰু যি সমস্যাৰ উৎভৱ হৈছে সেই সমস্যাৰ সমাধান হব লাগে। আৰু কিতাপ পত্ৰ, এক্সাইৰাইজ বুক ইত্যাদি প্ৰকাশত যি বাধাৰ সৃষ্টি হয় সেইবোৰ দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

*শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ণ আৰু প্ৰকাশন নিগমৰ পাঠ্য-পুথি ছপোৱাৰ বাবে প্ৰয়োজনীয় কাগজৰ হিচাব চৰকাৰক বছৰৰ আৰম্ভণিত জনোৱা হয়। চৰকাৰে প্ৰত্যেক তিনিমাহৰ বাবে সৰকীয়াকৈ কাগজৰ আবণ্টন দিয়ে। চৰকাৰৰ আবণ্টন পোৱাৰ পিছত সংশ্লিষ্ট কাগজৰ মিলৰ লগত যোগাযোগ কৰি কাগজৰ মূল্যৰ বাবে বিল পঠাবলৈ কোৱা হয়। মিলৰ পৰা বিল পোৱাৰ পিছত প্ৰয়োজনীয় আগধন জমা দিয়া হয় আৰু তাৰ পাছত কাগজ যোগান ধৰাৰ ব্যৱস্থা মিলে কৰে।

এই বছৰৰ জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ মাহৰ বাবে চৰকাৰে ৪৫০ টন কাগজৰ আবণ্টন কৰাৰ কথা নিগমক ২ ফেব্ৰুৱাৰীৰ চিঠিৰ যোগে জনায়। তাৰে ২৫০ টন বেঙ্গল পেপাৰ মিলৰ পৰা কিনিবলৈ কোৱা হয়। নিগমৰ ফালৰ পৰা কাগজৰ বিৱৰণ Specification জনাই ১৭ ফেব্ৰুৱাৰী তাৰিখে মিলক Proforma bill পঠাবলৈ অনুৰোধ কৰা হয়। ২ মাৰ্চ তাৰিখে মিলৰ পৰা Proforma bill পোৱা হয় আৰু মিলে কাগজৰ মূল্যৰ ২৫ শতাংশ আগধন হিচাবে পঠাবলৈ কয়; কিন্তু ফেব্ৰুৱাৰী মাহৰ আৰম্ভণীতে নিগমে এক গুৰুতৰ বিত্তীয় সংকটৰ সন্মুখীন হয়। কাৰণ যোৱা বছৰৰ বাজেটৰ ঘাটি পুৰাবৰ বাবে বেংকৰ অনুমোদিত ঋণৰ পৰিমাণ ৩০ লাখ টকাৰ পৰা ৫৩ লাখ টকালৈ বঢ়াবলৈ সঞ্চালক পৰিষদে সিদ্ধান্ত লয় আৰু সেইমৰ্মে চৰকাৰৰ জামিন বিচৰা হয়। ৩০ জানুৱাৰীত বেংকৰ ঋণ ৩০ লাখ টকা অতিক্ৰম কৰে আৰু বেংকে টকা দিবলৈ অস্বীকাৰ কৰে। এই বছৰ মাৰ্চ মাহৰ ১ তাৰিখৰ পৰা শিক্ষা বছৰ আৰম্ভ হোৱাৰ বাবে নিগমৰ কিতাপ বিক্ৰী আৰম্ভ হয় আৰু কাগজৰ আগধন সেই মাহৰ ভিতৰতে পঠাব পৰা যাব বুলি আশা কৰি মিলক ১৩ মাৰ্চ তাৰিখে চিঠিৰ যোগে নিৰ্দিষ্ট কাগজ তৈয়াৰ কৰিবলৈ অনুৰোধ কৰা হয় আৰু আগধন বাবদ বেংক ড্ৰাফট পঠোৱাৰ ব্যৱস্থা হাতত লোৱাৰ কথা জনোৱা হয়। ইতিমধ্যে নিগমৰ বিত্তীয় পৰিস্থিতি কিছু উন্নত হৈ অহাত ২৯ মাৰ্চ তাৰিখে বেংগল পেপাৰ মিললৈ আগধন হিচাবে ১,৯৩,৪২৭.৯৩ টকা দিয়া হয়। কিন্তু মিলৰ পৰা ৭ এপ্ৰিল তাৰিখে নিগমক জনায় যে কাগজৰ আগধন নিৰ্দিষ্ট তাৰিখৰ ভিতৰত নোপোৱাৰ বাবে কাগজৰ আবণ্টন lapsed হোৱাত মিলে কাগজ দিবলৈ অক্ষম হৈ আগধন গ্ৰহণ কৰিব নোৱাৰে। তদনুৰূপে ভাবে তীতাগৰ পেপাৰ মিলেও নিগমক ২৯ মাৰ্চ তাৰিখে জনাইছিল যে আগধন ১০ মাৰ্চৰ ভিতৰত নোপোৱাত তেওঁলোকে নিগমক সেই আবণ্টনৰ কাগজ দিব নোৱাৰে।

নিগমৰ অনুমোদিত ঋণৰ পৰিমাণ অতিক্ৰম কৰাত বেংকে টকা দিবলৈ ৪-২-৭৮ তাৰিখে অমান্তি হোৱাৰ কথা জনোৱাৰ পাছত অস্থায়ী ভাবে হলেও ঋণৰ পৰিমাণ আৰু ১০ লাখ টকা বঢ়াবলৈ ৯-২-৭৮ তাৰিখে বেংকক অনুৰোধ কৰা হয় আৰু শিক্ষা সচিবক নিগমৰ বিত্তীয় পৰিস্থিতিৰ কথা জনাই ১০ লাখ টকাৰ তদৰ্থ ঋণ দিবলৈ ১৬-২-৭৮ তাৰিখে অনুৰোধ জনোৱা হয়। নিগমে সন্মুখীন হোৱা পৰিস্থিতিৰ গুৰুত্ব বুজি শিক্ষা সচিবে সেইদিনাই uco Bank ৰ ডিভিজনেল মেনেজাৰক নিগমক আগৰ বছৰৰ দৰে ১০ লাখ টকাৰ অৰ্থে ঋণ দিবলৈ অনুৰোধ কৰে। শিক্ষা সচিবে এই কথাও বেংকক জনায় যে নিগমৰ প্ৰয়োজনীয় ৫৩ লাখ টকাৰ ঋণৰ চৰকাৰী জামিনৰ বিষয়টো বিবেচনা কৰি থকা হৈছে আৰু সোনকালে তাৰ সিদ্ধান্ত জনোৱা হ'ব। ইয়াৰ পিছত ৫৩ লাখ টকাৰ বাবে চৰকাৰী জামিন ২১-২-৭৮ তাৰিখে পোৱা হয় আৰু নিগমে কলিকতাত থকা বেংকৰ প্ৰধান কাৰ্য্যালয়ক এই কথা তাঁৰ যোগে জনাই ৫৩ লাখ টকালৈ ঋণ মঞ্জুৰ কৰিবলৈ অনুৰোধ কৰে।

*Speech not corrected.

নিগমে বেংকৰ ঋণ পাবৰ বাবে প্ৰয়োজনীয় যোগাযোগ কৰিবলৈ কলিকতাত থকা অসম চৰকাৰৰ বানিজ্য উপদেষ্টাজনকো অনুৰোধ কৰে আৰু বেংকৰ সঞ্চালক অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ পি, চি, গোস্বামীকো চিঠি যোগে অনুৰোধ কৰে। তদুপৰি গুৱাহাটীত থকা বেংকৰ ডিভিজনেল মেনেজাৰজনৰ লগত ব্যক্তিগতভাবে যোগাযোগ কৰা হৈছিল। মঠতে নিগমৰ ফালৰ পৰা অশেষ চেষ্টা কৰা সত্ত্বেও বেংকৰ ঋণ সময়মতে নোপোৱাত কাগজৰ আগধনৰ টকা পঠোৱাত পলম হয়। ফলস্বৰূপে আবণ্টনৰ ৪৫০ টন কাগজ আমি হেৰুৱাবলগীয়া হয়, কিন্তু এই কাগজ নোপোৱাত নিগমে ধনৰ কোনো লোকচান ভৰিবলগীয়া হোৱা নাই। ইতিমধ্যে নিগমে আকৌ ২৮০ টন কাগজৰ আবণ্টন ভাৰত চৰকাৰৰ পৰা পাইছে। তথাপি এই ৪৫০ টন কাগজ নোপোৱাত নিগমৰ কেনে প্ৰকাৰৰ ক্ষতি হ'ল এই ঘাটি কেনেকৈ পূৰণ কৰা হ'ব আৰু ই পাঠ্যপুথি প্ৰণয়ণ আঁচনিত কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে এই বিষয়ে তদন্ত কৰিবলৈ শিক্ষা বিভাগৰ সচিবক ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীনৰেণ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ৰ বিবৃত্তি পৰা এইটো কথা স্পষ্ট হৈছে যে মলতঃ বিত্তিয় অসুবিধাৰ কাৰণে সময় মতে আগবাঢ়িব পৰা নগল। কিন্তু অনান্য ৰাজ্যৰ নীতি হৈছে যে নিগমৰ যেতিয়া কিবা অসুবিধা হয় তেতিয়া যি বিলাক হেণ্ডিলিং এজেন্ট থাকে সেই হেণ্ডলিং এজেন্ট বিলাক আগবাঢ়ি আহে। অসমৰ ক্ষেত্ৰটো হেণ্ডলিংএজেন্ট ষ্টেটফেড আছিল। তেনেক্ষেত্ৰত ষ্টেট-ফেড কিয় আগবাঢ়ি নাহিল?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আপুনি নিজে জানে যে যিটো পূৰ্ব ধনৰ কথা কৈছে সেইটো আমি আহি পায়েই, এই বিষয়ে গম পায় বিভাগীয় সচিবক সকলো বিলাক কাকত পত্ৰ তন তনকৈ চাই কত কি হৈছে সোনকালে জনাব লাগে। আৰু কেনেকৈ পাঠ্য পুথি প্ৰকাশ নিগমে কাগজ পত্ৰ সময়মতে পায় তাৰ ব্যৱস্থা কৰিব লাগে। তেখেতে যিটো কথা কৈছে তেখেতে নিজে ইতিমধ্যে গম পাইছে যে আমাৰ চৰকাৰ গঠন হোৱাৰ পিচত আমি নিজে এনে দৰে কৈছো যে আমাৰ লিখকে কিতাপ লিখিব, আমাৰ ল'ৰাই কিতাপ পঢ়িব, আৰু আমাৰ প্ৰকাশকে কিতাপ প্ৰকাশ কৰিব। এনে ধৰণৰ নতুনকৈ ব্যৱস্থা পৰিবৰ্ত্তন কৰিবলৈ চেষ্টা কৰা হৈছে। আশা কৰো এনে দৰে মাননীয় সদস্য সকলে আসুৱাহ বিলাকৰ ইঙ্গিত দি আমাক সংশোধন কৰিবলৈ সুবিধা দিব।

শ্ৰীনৰেন দত্ত :— আমাৰ বিগত নীতিপৰিত্যাগ কৰি পেপাৰ মাৰ্কেটিং এচোচিয়েচনক কাকত আনিবলৈ দিয়া হৈছে। সেই পেপাৰ মাৰ্কেটিং এচোচিয়েচনৰ নেটা হৈছে ছত্ৰাসং টেৰণ জনতা দলৰ ট্ৰেজাৰাৰ। চৰকাৰৰ নীতি পৰিত্যাগ কৰি কিয় এইটো কৰা হল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— পেপাৰ মাৰকেটিং এচোচিয়েচনৰ যি দুটা আগবাঢ়ি আহিছিল পেপাৰৰ কাৰণে তেওঁলোকৰ ভিতৰতে সমান ভাবে ভগাই দিয়া হৈছিল। তেখেতে যদি সমুদায় কথা জানিব বিচাৰে তেনেহলে মই জনাবলৈ ৰাজি আছো। কাৰণ গোটেই বৃহত অংশটো উৎভাবন কৰি লোৱাটো আমাৰ দৰে নগন্য মানুহৰ কাৰণে অসুবিধা হয়।

শ্ৰীএ এন আক্ৰাম হুচেইন :— মাননীয় সদস্যই যিটো বিষয় ডাঙি ধৰিছে সেইটো বৰ গুৰুত্বপূৰ্ণ কথা। এই কাৰণেই গুৰুত্বপূৰ্ণ কথা যে আমাৰ যদি কাগজ লেপচ হৈ যায় তেতিয়াহলে আমাৰ অক্টোবৰত যি নেক্সক কোটা পাবলগীয়া আছে সেইটো পালেও প্ৰেছে ফিৰাই দিব। তেতিয়াহলে আমাৰ পাঠ্যপুথি প্ৰকাশত অসুবিধা হব। কলিকতাতে ২৫০ টন কাগজ ৰাখিল— — — — — — — —

মাননীয় অধ্যক্ষ :— আপুনি কি সুধিব বিচাৰিছে ?

শ্ৰী এ, এন, আক্ৰাম হুচেইন :— মই কব বিচাৰিছো যে ... ...

মাননীয় অধ্যক্ষ :—আপুনি বহক, পাৰ্লিয়েমেণ্টৰী মিনিষ্টাৰে কিবা কব বিচাৰিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— ৩০১ ৰ নিয়ম মতে এজনে বিষয়টো ডাঙি ধৰিব মন্ত্ৰীয়ে উত্তৰ দিব আৰু কিবা দুই এটা সুধিবলগীয়া থাকিলে সুধি লব। বক্তৃতা দিব নোৱাৰে।

মাননীয় অধ্যক্ষ :— আপুনি এটা বাক্যত সুধক।

শ্ৰীএ এন আক্ৰাম হুচেইন :— আমি দেখিবলৈ পাইছো যে আমাৰ ৮০ লাখ টকা লোকচান হৈছে। গোটেই কথাটো হল যে অসমৰ থলোৱা প্ৰেছ বিলাকক বঞ্চিত কৰি কলিকতালৈ কিয় যাবলগীয়া হল ?

শ্ৰীপ্ৰেমধৰ বৰা :— যেতিয়া চৰকাৰে অৰ্দাৰ দিছিল তেতিয়া কৰপৰেচনৰ টকাৰ নাটনি হোৱা নাছিল কিন্তু ডেলিভাৰী লোৱাৰ সময়ত টকাৰ নাটনি হল। আচলতে অৰ্দাৰ কেতিয়া দিয়া হৈছিল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰি ২ মাৰ্চলৈকে। আগতেই অৰ্দাৰ দিয়া হৈছিল।

---

## INTRODUCTION OF THE COURT FEES (Assam Amendment) BILL, 1978

Shri KESHAB CHANDRA GOGOI (Minister. Finance) : Sir, I beg leave of the House to introduce the Court Fees (Assam Amendment) Bill, 1978.

Mr. SPEAKER : Is it the pleasure of the House to grant leava to the Minister to introduce the Bill ?

(voices, yes, yes)

Leave is granted. Now, here is a message from the Governor "Under provision of the Art. 207 (1) of the Constitution of India I, Shri Lalon Prasad Singh, Governor of Assam recommend the introduction to the Assam Legislative Assembly, the Court Fees (Assam Amendment) Bill, 1978.

Sd/.-L. P. Singh
Governor of Assam.

Shri KESHAB CHANDRA GOGOI (Minister, Finance) : Sir, I introduce the Court Fees (Assam Amenbment) Bill, 1978.

(The Secretary read out, the Bill introduced is Court Fees (Assam Amendment) Bill, 1978.

Mr. SPEAKER : We have hardly 115 minutes time at our disposal for the discussion on the Budget. Therefore, the hon.members will have to cut short their speech. At 4.00 p. m. Finance Minister will reply. That was the previous arrangement.

Shri DULAL CHANDRA BARUAH (Minister, Parliamentary Affairs) :—Sir, the Chief Minister, Minister Agriculture and myself will also participate.

Mr. SPEAKER : At 4.00 p. m. Minister Finance will reply and before that other Ministers may speak. Now I have got requisition from 11 Members to participate in the discussion. What is the sense of the House ?

Shri PROMODE CHANDRA GOGOI : May I suggest, Sir, that since so many hon. members desire to participate in the discussion, the House may be extended today by one hour. (voices, yes, yes)

শ্ৰীশশ কমল সন্দিকৈ ঃ— অধ্যক্ষ মহোদয়, বাজেটত অসমৰ প্ৰগতিৰ কথা কোৱা হৈছে। কিন্তু বাজেটখন পঢ়িলে ভাব হয় অসমৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ নাই। উদাহৰণ স্বৰূপে কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰা প্ৰতি বছৰে চাহ শিল্পৰ পৰা ১৪২ কোটি টকা কৰ হিচাবে যায়। অথচ অসমত শিল্প গঢ়িবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ টকা ঋণ লব লগা হয়। আচৰিত কথা কেন্দ্ৰীয় চৰকাৰে International Development Fund. আদি অনুষ্ঠানৰ পৰা দেশৰ উন্নয়ণৰ কাৰণে শতকৰা এটকাতকৈও কম সুতত টকা ধাৰে আনে। কিন্তু অন্যান্য ৰাজ্য বা অসম, পশ্চিমবঙ্গ, কেৰেলা আদিৰ পৰা এই টকাৰ ঋণৰ সুত কমে শতকৰা ৯ টকা। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ ওপৰত আজি বিতৰ্ক উঠিছে। কেন্দ্ৰীয় চৰকাৰ ভূমিকা সুতখোৰ মহাজনৰ ভূমিকা দৰাচলতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰ বোৰক শোষণহে কৰি আছে। ১৯ এপ্ৰিল তাৰিখে শ্ৰীগোলাম ওস্মানি ডাঙৰীয়াৰ Statement খবৰ কাগজত এটি বিবৃত্তি ওলাইছিল যে অসমত অহা তিনি বছৰত কোনো শিল্প উদ্যোগ নহয়। কেন্দ্ৰীয় চৰকাৰে হেনো লেটাৰ অৱ ইনটেণ্ট নিদিয়ে। কেন্দ্ৰীয় চৰকাৰে পাৰ্মিচন নিদিয়ে সেই কাৰণেই দেশত সম্পদ থাকিলেও শিল্প উদ্যোগ গঢ়িব নোৱাৰে। অসমৰ দুলীয়াজানৰ অইল ইণ্ডিয়াই প্ৰতি বছৰে ১৪৩ কোটি ৮ লাখ ৪৪ হাজাৰ ১৮৯ কিউবিক মিটাৰ প্ৰাকৃতিক গেছ উৎপাদন কৰে। নামৰূপ সাৰ কাৰখানা, বিদ্যুত বৰ্ডে, ৰাগিছা বোৰে এই গেছ প্ৰতি বছৰে ব্যৱহাৰ কৰে ৪৭ কোটি ১ লাখ ৬৯ হাজাৰ ৬৭৮ কিবিক মিটাৰ। প্ৰতি বছৰে অসমৰ ৯৬ কোটি ৬ লাখ ৭৫ হাজাৰ ৫১১ কিউবিক মিটাৰ প্ৰাকৃতিক গেচৰ দ্বাৰা অন্যান্য শিল্প কৰিব পৰা হয়, বিদ্যুৎ উৎপাদন কৰিব পৰা হয় কিন্তু এই গেচ অপচয় কৰা হৈছে। এটাই কাৰণ অসমত শিল্প গঢ়িবলৈ কেন্দ্ৰীয় চৰকাৰে পাৰ্মিচন নিদিয়ে। মেজেঙা সাৰ কাৰখানাৰ কথা এই পৱিত্ৰ সদনত বাৰে বাৰে উত্থাপিত হৈছে। ইতিমধ্যে অসমৰ বিভিন্ন বাৰ্তাৰ কাকতত প্ৰকাশিত হৈছে কেন্দ্ৰীয় চৰকাৰৰ ৰসায়নিক দপ্তৰৰ মন্ত্ৰী শ্ৰীবহুগুনাৰ এই সন্দৰ্ভৰ উত্তৰো দেখা পাইছো। শ্ৰীবহুগুনাই কৈছে অসমত সাৰ কাৰখানাৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক গেচ নাই। জোৰ জবৰদস্ত কৰি উদ্যোগিকৰণত বাঘ্যাত জন্মাইছে। অলপতে ৰাষ্ট্ৰপতি শ্ৰীসঞ্জীৱ ৰেড্ডিয়ে লাকুৱাৰ বিদ্যুৎ প্ৰকল্প উদঘাটন কৰি গৈছে। তাৰ উৎপাদন ক্ষমতা ৪৫ মেগাৱাট আৰু ইয়াৰ এটা জেনেৰেটৰৰ কেপাচিটি ১৫ মেগাৱাট। বৰ্ত্তমানে কোনো ৰাষ্ট্ৰই ১৫ মেগাৱাটৰ জেনেৰেটৰ ব্যৱহাৰ কৰি বিজুলী উৎপাদন কৰা নাই। ১৫ মেগাৱাটেৰে উৎপাদন লাভজনক নহয়। দেশত শিল্প উদ্যোগ কৰিবৰ কাৰণে, প্ৰয়োজনীয় বিদ্যুতো পোৱা নাযায়। গতিকে গোটেই বিশ্বত বিক্ৰি নোহোৱা এনে যন্ত্ৰ পঠিয়াই দিয়ে ভাৰতলৈ আৰু ভাৰতে অসমৰ জনসাধাৰণৰ ওপৰত এই বোজা হিচাবে দিছে। লাকুৱাত

বিদ্যুৎ প্ৰকল্প হব, ঠিকাদাৰী ফাৰ্ম্মে মেচিনেৰী কিনি আনিব—ওৰেষ্টিং House এটা পুঁজিবাদী দেশৰ ঠিকাদাৰী ফাৰ্ম্ম।এই ধৰণে অসমৰ জনসাধাৰণৰ ওপৰত কৰৰ বোজা জাপি দিয়া হৈছে। অথচ সেইটো উদ্বোধন কৰিবৰ কাৰণে শ্ৰীসঞ্জীৱ ৰেডডী আহোতে ৫ লাখ টকাৰ ৰাজহ খৰচ কৰা হৈছে। কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কত ৰাষ্ট্ৰপতি শ্ৰীসঞ্জীৱ ৰেডডীয়ে কৈছে ৰাজ্যৰ হাতত অধিক ক্ষমতা দিয়া হওক। কিন্তু প্ৰধান মন্ত্ৰীয়ে কৈছে এই ব্যৱস্থা ফলৱতী নহব। অলপ আগতে ধান সংগ্ৰহ কৰাৰ ক্ষেত্ৰত যোগান মন্ত্ৰী শ্ৰীদুলাই বৰুৱাই কৈছে যে কেন্দ্ৰই ধান চাউলৰ কাৰণে যি আইন প্ৰণয়ণ কৰা হৈছে এই খন পৰিবৰ্ত্তন কৰা অসম চৰকাৰৰ ক্ষমতাৰ বাহিৰত। কেন্দ্ৰীয় চৰকাৰে যদি অনুমোদন দিয়ে যে ধান চাউল বাধ্যতামূলক ভাবে সংগ্ৰহ কৰিব পাৰিব। অসমৰ খাদ্য সংগ্ৰহৰ বৰ্ত্তমান পৰিস্থিতিত ভঙকৰ হলেও অসম চৰকাৰে কৰিব, কোনো ব্যৱস্থা লব নোৱাৰে। তাৰ কাৰণে ৰাজ্য চৰকাৰ ক্ষমতা নাই।

গতিকে ৰাজ্য আৰু কেন্দ্ৰৰ সম্পৰ্কত যি বিতৰ্ক হৈছে জনতা পাৰ্টিক আহবান জনাঁও আৰু সদনৰ অন্যান্য সদস্য সকলকো আহবান জনাঁও যে আহক এই বিতৰ্কত অংশ গ্ৰহণ কৰেহক। আজি অসমৰ স্বাভাৱিক উন্নয়নত ব্যাহত হৈছে। ১২০ মেগাৱাটৰ বিজুলীৰ যন্ত্ৰপাতি অসমলৈ আহিব নোৱাৰে, কোনো ডাঙৰ উদ্যোগ গঢ়ি উঠিব নোৱাৰে, কাৰণ ব্ৰডগজ ৰেল লাইন নাই। কি কাৰণত কেন্দ্ৰীয় চৰকাৰে অসমৰ সম্পদ লৈ গৈ অন্য ৰাজ্যত উদ্যোগ স্থাপন কৰিব পাৰে? কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক ঠিক নহলে অসমৰ উন্নয়ণ অসম্ভৱ। এই খিনিকে আহবান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Md. UMARUDDIN : Mr. SPEAKER, Sir, at the outset, I would like to refer to the observation of the hon. Minister, Finance in para-60 of his budget speech. Here, he observes 'the hon. members will agree with me that the financial position of the State Government at present is not encouraging. There is need for utmost economy and conserted offorts for improving the general eeonomy of the State. I invite the hon. members to join with the new Government in this endeavour. So far as the last part of the observation is concerndte, Sir I have no objection ; we fully agree that everybody should put forth his best to make the State progress. Therefore, there is no difference with him. But on one point of his observation that the financial position of the State is not encouraging is not correct, and here, I beg to differ with him. In this connection, I would like to place before the House the financial position of the State of the last few years. The basic thing is the position of the basic resources to be taken into consideration are the sources of fund on which the State Government depends is the revenue which it has the authority to raise under the Constitution by its own law. Now, Sir, I would like to show whether during the time of the previous Government the revenue was increasing or that there was stagnation or that there was sufficient and sustained progress in the revenue receipts of the State. Now, the States financial resources or sources of revenue consist of, so far as the revenue receipt is concerned, share of Central Tax, State Tax, non-tax Revenue and grants-in aid from the Government of India.

These are the resources from which we derive the total revenue of the State and which we can appropriate. I would like to show that during the last 6 years, i. e., from 1973-74 to 1978-79, the State Government's share of Central Tax has increased. Of course, this we have obtained from the Central Government under the provision of the Constitution, bsed on the award of the Finance Commission ; even then, the total

share of the Central Taxs has increased from Rs. 26 crores 49 lakhs in 1973-74 to Rs. 50 crores 23 lakhs in 1978-79, and in the previous year it was 46 crores 85 lakhs, that is, almost double. Similarly, in the case of State tax which includes land revenue, agricultural incom tax, Stae Excise, Stamps & Registration, receipts on Motor Vehicles eTtax, Sales Tax and other taxes, there also, we find that from Rs. 33 cr ores 46 lakhs in 1973-74, it has increased to Rs. 70 crores 65 lakhs which is more than double. There has been significant incease in a particular item, i. e. in Agriculturel Income Tax. Formerly, our revenue from this was only Rs. 3 crores 68 lakhs and it was raised to Rs. 12.95 crores in 1975-76 because the previous Government found that the tea industry was making huge profit, virtually they have been enjoying a boom for the last few years in the tea market. Therefore, Government thought it fit to enhance the rate of agricultural income tax and as a result our revenue also increased four-fold. Now from Rs 12.95 crores it has gone to Rs. 18.45 crores recording a significant if not phenomenal increase. In the case of sales tax also there has been increase. The sales tax was Rs. 16.18 crores in 1973-74 and it has gone up to Rs. 31 crores 82 lakhs. The point to be borne in mind in this connection is that some sources of revenue, have become in-elastic and without hitting the people hard where there is no scope for further increase. It will appear thus wherever possible the previous Government took full advantage of all opportunities to increase the revenue. In the case of sales tax it all depends on the trade turnover in a year in respect of the taxable goods and the volume of consumption. Since this is not a very highly advanced State, i. e, we are not economically advanced rather we are a poor State, our consumption level is very low particularly, among the poorer section whose number is preponderantly larger than the richer section which consumes more having the means to do so. Naturally there is no scope for raising the qantum of sales tax without increasing the rate of taxation. This cannot be done without its becoming self-defeating or counter-productive. Unless the consumption volume inereases we cannot have more revenue by way, of sales tax. If you put the sales tax higher the consumption will tend to go down. Therefore, taking everything into account the sales tax has been kept at such a level that it does not affect the consumption level of different sections of people of different means. Similarly Sir, in the case of non-tax sources also there has been some increase, i. e. from Rs. 16 crores in 1973-74 it has gone to Rs. 37 crores 71 lakhs in 1978-79. In the case of grants-in-aid also, which depends upon certain awards made by the Finance Commission and a part of the grants-in-aid comes in the shape of plan assistance, there also we find the amount has been increased from Rs. 31.61 crores in 1973-74 to Rs. 125 crores in 1978-79. This is a big increase. Ofcourse this has come from the Central Government as part of plan assistance which has incrcased from year to year rather sharply. Incidentally I want to say that in the planning system in the planning process which we have adopted as national policy, the Government of India helps us in the State plan, and of the total plan allocations about 30 or 32 per cent has to be contributed by the State concerned out of its own resources and 20% comes from the Government of India as grants-in-aid and the balance in the shape of loan. Infact the volume or loan has also increased this total plan assistance as loan has substantially increased during the last

few years. It has increased from Rs. 75 crores in 1976-77 to Rs. 109 crores in 1977-78 and perhaps Rs. 143 crores in 1978-79. Therefore, Sir, taking all the factors into account I feel that everything possible has been done within the various limitations with which the State is beset and, therefore, I say, Sir, now that the present Government has got a budgetary provision, which in my opinion is sufficiently encouraging, it should be possible for the present Government to go forward to fulfil the hopes and aspirations of the people, by making the plans successful. And in this I can assure the Hon'ble Finance Minister that he will have our full co-operation. Now, Sir, one Hon'ble member, Mr. Das I believe, raised a question that every year Government shows in the revenue side higher expenditure and lower revenue but that at the end of the year there is a surplus. This year we have got a surplus of Rs. 34 crores. Last year we would have had a surplus but for the fact that Government had to meet the unforeseen expenditure of Rs. 48 crores to pay the arrear dearness allowance of Government employees and as a result ther has occurred a deficit of Rs. 10.65 crores why is this surplus maintained ? There is a history about it, Sir, So far as revenue is concerned we cannot increase it at our will during the year unless we can realise the arreas, and even notwithstanding the best effort of Government there have remained arrears. I know arears of revenue have been large. In yesterdays paper in the Assam Tribune, it has been stated that Government of India has arrears of tax of one thousand crores. They are trying their best to realise but for reasons beyond their control or whatever reasons there may be they have not been able to realise all the arrears. This Government tried its very best to realise the arrears of sales tax, land revenue, and other taxes but even then the process is difficult the process is so long and so time-consuming that we could not have the desired result, not-with standing the best efforts There is also some negligence and relaxation that cannot be denied in various departments and in various spheres. About seven years back we had a system of ways and means advance. The State Government used to draw any amount as overdraft from the Reserve Bank to meet their day to day requirement of fund. As you know the Reserve Bank is the only financing bank of the State Government and under the rules the State Government has to maintain a treasury balance of Rs. 20 lakhs. Now it has been raised to Rs. 40 lakhs. To meet the deficit in the treasury balance Government could go to the Reserve Bank for ways and neans advance without any limit. I know that a crisis arose all over India. The States drew overdrafts in hundreds of crores. We had also a big overdraft. Therefore, the Government of India, and the Reserve Bank thought that if such unrestricted over drawals were allowed the finances of the States would be in jeopardy. The States would relax their efforts for raising revenue and depend lakgely on overdrafts and that actually happened. Then they introduced a system known as the letter of credit, under which no department can draw money without clearance from Finance Department. The Finance Department has to keep account of the level of revenue and expenditure and the treasury balance, and thus regulates the issue of letter of credit to various Departments in such a way that the treasury balance of Rs. 40 lakhs is always maintained. Then again instead of having ways and means advance without limit now it has been fixed at Rs. 4 crores ; there is a standing advance of Rs. 4

crores available to the State Government if necessary to draw from. If for any unforeseen reason or to meet any crisis the expenditure goes up and Rs. 4 crores are exhausted in that case the State Government may draw an additional sum of Rs. 4 crores as loan from the Reserve Bank on the security of the consolidated fund. For these reasons Government have to be very careful in increasing revenue expenditure. So every effort was made to keep a cushion, a comfortable cushion between expenditure and receipt and that is the reason why there has always been a surplus on revenue side. During the years it has been our exprience that occasion arises for which Government has to go for supplementary demand. Sometime they draw the money from the contingency fund and subsequently regularise through supplementary demand or get the money directly through supplementary demand. But when we meed to increase expenditure to meet unforeseen demand, we cannot necessarily increase revenue receipt. That is the reason, Sir, why the Reserve Bank and Government of India have been insisting on the State Governments to effect maximum ecnonomy in atleast revenue expenditure. So far as the capital side is concerned, let me explain position Sir, now one hon'ble member Mr. Saikia, said when you cannot produce the desired result out of the loan money you utilise in various developmental plans what is the good of increasing the borrowing year after year thereby putting the State into difficulty when the per capita loan burden has gone to Rs 400 not to speak of the share of the loan burden of the Central Government ? I agree with that. But at the same time we cannot but take loan for developmental purposes. During the First Five-Year Plan when there were fewer social service obligations on the part of the State Government, even then the State Government had to borrow for development purposes. Because, in a poor country like ours where the r sources are limited and that after meeting the various pressing needs of the people and in fact, after the independence people had many aspirations in the shape of extension of educational and medical facilites, road communication etc. to which this Government could not but submit there was virtually no surplus to finance economic development Schemes. So Government had to go for other resources to meet the pressing needs of the people in the economic spheres which hod to be given attention but there was hardlly any surplus from revenue receipt to finance the plan. The Industrialist take loan from the Banks, utilise the money and get the surplus after paying the capital as well as the interest. They succeed, they prosper and they make profit. But this has not happened in the case of Government, not only here but almost everywhere in the country. At the same time in pursuance of the socialistic concept of economic development we have tried to keept out the private sector even through at a very great risk. Even if we lose money in any public sector project even then we do not like that any private sector should step in and make profit. So some strategic sectors of industrial and economic development have been reserved for the public sector with a view to reduce the disparity in income between poor and rich The basic motto of the Government was to remove the disparity and prevent concentration of wealth in a few hands. Government tried it through various measures. Therfore, it was thought that if we utilise the loan money on certain productive scheme like irrigation, power, flood control, agriculture etc. it will be possible to boost up the economy, tide over the deficiency in food and other essential commodi-

ties and create surplus a part of which can be mopped up as tax. People must have the capacity to pay and with the increase in their income the capacity to pay tax goes up. Therefore, Sir, we had to borrow money for the developmental purposes as a national strategy. This loan burden has been very heavy. I will show here that from Rs.461 crores in 1974 it has gone up to Rs.562 crores in 1977 and now in the Budget it has been shown as Rs. 637 crores. Now Sir, Rs.637 or 562 crores, whatever the total loan burden may be in certain specific spheres of development crores of rupees have been spent. But the results obtained are rather disappointing, and in this respect the previous Government is responsible for whatever they have done. But they have done it in public interest. Now my humble submission is how to improve the situation. Sir, the first department or I should say the agency which took the maximum amount of loan was entrusted with the development of power. We are very short of power in the First Five Year Plan period. Then the power was in charge of a Department. Later on the advice of the Government of India, and as a part of the national policy the Assam State Electricity Board was established. The Board was given money on loan by the State Government. Now, when at first the State Electricity Board was..................

Shri Santi Ranjan Das Gupta : On a point of clarification I want to know from the hon'ble member when he says that the loan burden is too heavy does the hon'ble member suggest that the annual plan should be totally abandoned ?

Shri Md. Umaruddin :-I do not say that. Loan is necessary. I shall show how it is increasing and with what effect. We cannot abandon the plan. It is the question of utilisation of the loan. Whatever was done in past and also the shortcomings of the past, hove to be examined and remedial measures evoloved, The basic question is how to make effective use of the loan and produce the desired result. Now Sir, when the Electricity Board was formed the assets built up by the State Government with loan was transferred to the Electricity Board and if I remember aright the total value of the assets transferred about Rs.70 crores. The condition was that against the assets value at Rs.70 crores which were transferred to the Electricity Board the latter would pay interest at a certain rate. Later on it was found that the Electricity Board was not in a position to pay the interest due and moratorium was declared. Now Sir, what has happened ? In the report of the Comptroller & Auditor General of India for 1975-76, it is stated 'As at the end of 1975-76 Rs.81.09 crores were outstanding against the Assam State Electricity Board in respect of loans ; the overdues from the Board at the end of March, 1976 were Rs. 53.54 crores towards principal (Rs.15.83 crores) and interest (Rs.37.71 crores)". This money is owed by the State Electricity Board. My point is, this year again we are giving them more money as loan ie. Rs.44·89 crores. In 1977-78 we gave Rs.31 crores and in the previous year it was 6.69 crores, total 82.85 crores as loan As against this sum of Rs. 37 crores accummtated as overdule interest, the State Government have been paying interest to the Central Government out of its own revenue from year to year. It is indeed a sad fact that the Assam State Electricity Board is not in a position to pay even a part of the accummulated interest out of its own earning.

But both the operational and financial administration of the State Electricity Eoard which have been far from satisfactory show no sign of improvement and if the present downward drift is allowed to continue a dises rous situation will develop. Many more power schemes are needed and particularly rural electrification schemes as many villages are to be covered by electrici y. But to our information only 1/10th of the villages ahve been covered by electricity up till now. For proper functioning of the administration of the State Electricity Board I suggest to Government to set up a high power Committee to go into the affairs of the Electricity Board and take necessary steps so that with least possible delay the working of the State Electricity Board is improved. Otherwise the power development in Assam will face a crisis while the State will be burdened with more debt. Now so far as the rural electrification is concerned I give a few instances of the poor financial working of the State Electricty Board. In the Report of the Comptroller and Auditor Ge eral of India for the year 1975-76 there are significant comments on the working of the rural Electricification Schemes. At page 89 of the report some instances have been cited covering certain schemes in Sibsagar, Dibrugarh, Nowgong, Morigaon, Mangaldoi, Darrang and Gauhati. According to thle project report on rural electrification schemes prepared by the State Electricity Board they have to make a forecast of revenue return based on the capital cost incurred in respect of every scheme. Now the Audit has found that actual realisation of revenue has fallen far short of the fore-cast in each case. The details are at page 89 of the Report Let me cite the instances.

Sibsagar—I(OB) Scheme which was sanctioned in September 1970 was as per forcast expected to yield revenue upto 31st March 1976, amounting to Rs. 148.57 lakhs against which actual realisation was only Rs. 14.5 lakhs with a shortfall of 134.04 lakhs. Dibrugarh Scheme sanctioned in September 1971 actually yield Rs. 19.39 lakhs as revenne upto 31st March 1976 against the estima ed yield of Rs. 93.78 lakhs accounting for a shortfall of Rs. 73.39 lakhs. In the case of Nowgong scheme sanctioned in March 1972, actual revenue realised upto 31st March 1976 was only Rs. 2.38 lakhs against the estimated revenue of Rs. 106.74 lakhs acco ding to forecast leaving a shortfall of Rs. 104.36 lakhs. Such heavy shortfalls have occurred in the case of the remaining schemes viz. Morigaon, Mangaldoi, Darrang and Gauhati The Report also indicates that against the total estimated revenue of Rs. 303.09 lakhs for the all seven projects the actual realisation effected was only Rs. 36.4 lakhs with a shortfall of Rs. 266.67 lakhs. This speaks of a very horrible state of affairs a most disrtessing state of affairs. Now, this is the position so far as the Electricity Board is concerned Therefore, I would urge upon the Finance Minister and the Power Minister, in particular, that they should immediately pay their urgent attention to the improving the state of affairs of the Assam State Electricity Board otherwise, the power development of the State will suffer grevioualy.

The next I want to point out that the other recepint of the next highest amount of the loans amounting to Rs. 105 crores is the Flood Control Deprantment. Now as the Hon'ble members are aware, after the great earthquake of 1950 the entire to-pographical situation in the Brahmaputra valley was changed. As a result of heavy sand and sie

deposit in the bed of the Brahmaputra and its tributaries annual flood became a regular feature and with a view to protect the villages from the ravages of the floods Government had to spent huge amounts of money on dykes and embankments etc. Now, though we have spent Rs. 105 crores upto 1975-76 but what is the result ? Every year huge amounts of money are being spent on the maintenance and repair of existing dykes as also construction of new dykes in an attempt to mitigate flood domages. In addition to protecting large traets agricultural land large amounts of money have been spent on protection of some towns also. In the case of Dibrugarh town alone more than Rs. 10 crores have been spent. But I do not know whether any betterment levy has been realised from the beneficearies. So far agriculturist are concerned the dykes so far constructed have failed to give any permanent benefit. Every year due to floods there occurred breaches of embankments and the result is that not withstsanding the state with a heavy loan of Rs. 105 crores for flood Control no permanet benefit has accrued. Last year our total loss in agricultural crops was about Rs. 26 crores During the year 1975-76 also there heve been huge losses. If we take the the total losses incurred in the agriculture sector from 1950-51 till now we will find that total losses ineurred would amount to almost one hundred crores of rupees if not more. So what is the gain ? Against an investment of 105 crores if we loss agricultural produce of another similar amount then we must come to the conclusion that the dykes have failed to serve the necessary purpose. Therefore, Sir, I would like to suggest that we have got to think very serionsly as to what we are going to do now to control flood. Some hon'ble members have suggested that pending the taking up of permanent measures which will give real and permanent relief for such measures may involve investment of thousands of crores of rupees we have to adopt a new stra-tegy by advancing the cropping period in flood prone areas. When I was the agriculture Minister I tried to bring some flood prone areas under irrigation to raise crops— such as ahu and jute earlier before advent of flood. This I tried in Goalpara District, but the response was not very satisfactory. I hope the present Government will give thought to this aspect as to how pending any permanent measure the whole aggricultural pattern in the flood prone areas can be changed If we can bring such lands under irrigation to have advance cropping ahu and jute can be harvested before the flood and no loss will occur Then again after the flood in those lands rabi crops like wheat etc. can be raised. Thate is one way to save the situation. Another way is this. as you know Sir, after the 1950 earthquake the whole topography has changed. There have been heavy land slides and fissures in the hill slopes in the catchmant areas as a result of the earthquake and every year millions of tonnes of sand and silt in the sub-Himalaya regions are being drained into the rivers. Sir, during the last 20 years there has been heavy deforetastion from Bhutan to Arunachal. These areas need afforestation accompanied by effective soil conservation measnres. When I was the Minister in charge of Irregation I represented to the Central Government that instead of spending monney on deyks and putting the State into heavy debt burden without giving any permanent benefit it would be better if we have a master-plan which would require hundreds of crores of rupees to build check dams and an afforestation. We may take the money from the World Bank Let the present Government approach the Government of India to

have a comprehensive long term aforestation programme to save the ributories from silting and also reduce the silt deposit which is now raising the bed of the Brahmaputra. Then Sir, I find that the tributtaries because of the silting are widening. Now there are tributaries n the north bank at every 8 miles or so. So, if the tributaries cannot be saved from silting, the bed of the tributories will be so widned by lateral erosion that there will be no land left vacant for human habitation and cultivation. Therefore, I suggest to the State Government to take up the whole matter with the Government of India in right earnest and find out a solution on a long term perspective.

Then Sir. another point—that is the interest—burden, this year there is a provision of more than Rs. 32 crores for payment of interest. In the past few years also interest ranging from Rs. 20 to 25 crores has been paid for loan taken from the Government of India without any recovery from he borrowers of the beneficiaries. One of the Chief defaulters has been the State Electricity Board. Against the payment of interest of Rs. 32 crores as charged expenditure on revenue actual realisation is only 2.26 crores. Therefore I urge upon the present Government to give special attention to the realisation of the outstanding loans as well as interest so that there is no unnecessary dent on the revenue and the money thus saved can be spent on other important programmes for the welfare of the people. Sir, I assure Mr. Gogoi, the Finance Minister that the financial posting of the State is very satisfactory. But now it all depends upon the present Government to give a good account of themselves. I hope they will not let the people down. Thank you Sir,

*শ্ৰীভৱেন্দ্ৰ কুমাৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়াই এই সদনত বিবেচনাৰ অনুমোদনৰ কাৰণে দাঙি ধৰা বাজেট অনুমোদনৰ পক্ষে দুআষাৰ মান কথা কবলৈ উঠিছো আৰু এই সম্পৰ্কে ইয়াৰ কাৰ্য্যকাৰীতা সম্পৰ্কে কেইটামান পৰামৰ্শও দাঙি ধৰিব খুজিছোঁ।

এই বাজেটৰ ওপৰত ইতিমধ্যে যথেষ্ঠ আলোচনা আদি হৈছে। এই আলোচনা প্ৰসঙ্গত বিৰোধী পক্ষৰ তৰফৰ পৰা আৰু যি সকল বিশেষকৈ এই বাজেটৰ প্ৰথম অংশীদাৰ আগৰ চৰকাৰৰ পক্ষৰ, তেখেত সকলৰ পক্ষৰ পৰাঁও এই বাজেট খন প্ৰতিক্ৰিয়াশীল আৰু অগণতান্ত্ৰিক বুলি আখ্যা দিয়া হৈছে। এই বাজেটত পূৰ্ব্বৰ ঘাটি সহ বছৰটোৰ শেহলৈকে ১০.৬০ কোটি টকাৰ ঘাটি পৰিব বুলি দেখুওৱা হৈছে। অৱশ্যে ঘাটিয়েই হওঁক বা বাহিয়েই হওঁক, এইটো পৰিস্কাৰ কথা যে, গণতান্ত্ৰিক চৰকাৰ এটাই গ্ৰহণ কৰা কোনো এখন বাৰ্ষিক বাজেটেই সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণৰ সম্পূৰ্ণ আশা আকাংখ্যা কেতিয়াও পূৰণ কৰিব নোৱাৰে। সকলোকে কেতিয়াও সন্তুণ্টও কৰিব নোৱাৰে। বাস্তৱিক পক্ষে এইটো কৰা সম্ভৱপৰো নহয়। সি যিয়েই নহওঁক কিয়, এই বাজেট সম্পৰ্কে এগৰাকী মাননীয় সদস্যই এই মন্তব্য কৰিছে যে, এই বাজেট খন এখন এনেকুৱা বাজেট যি খন বাজেটক এটা জাৰজ সন্তানৰ লগত তুলনা কৰিব পাৰি।

অৱশ্যে সেই সম্পৰ্কে আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ বাজেট বক্তৃতাত এঠাইত কৈছে যে, এই চৰকাৰে আৰম্ভ কৰিব লগীয়া কাৰ্য্যসূচী সমূহ বৰ্ত্তমান বাজেটত সম্পূৰ্ণৰূপে প্ৰতিফলিত হৈ উঠা নাই। আন ঠাইত এই কথাও স্বীকাৰ কৰিছে যে পুৰণী-কলিয়া পৰিকল্পনা বিত্ত মন্ত্ৰীয়ে উত্তৰাধীকাৰী সূত্ৰে পোৱা বুলিও স্বীকাৰ কৰিছে। ইয়াৰ পৰা এইটো স্পণ্ট হৈ ওলাই পৰিছে যে যদিও মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে

আৰু বিত্ত মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰে যে, এই বাজেট সচাকৈয়ে জাৰজ সন্তানৰ নিচিনাই হৈছে তেতিয়াহলে এই জাৰজ সন্তানক সংস্কাৰ কৰি উত্তৰাধীকাৰী সূত্ৰে পোৱা দোষ বিলাক মৰিষণ কৰি অবৈধ সন্তানকো বৈধ ৰূপত স্বীকাৰ কৰি আমাৰ ৰাজ্যখনত সমাজতান্ত্ৰীক ৰূপত আগবঢ়াবলৈ চেষ্টা কৰা কাৰণে মাননীয় বিত্তমন্ত্ৰী সচাঁকৈ আমাৰ ধন্যবাদৰ পাত্ৰ। আমি এই কথা ভাল পাইছো যে এই বাজেটত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ উল্লেখ হৈছে। প্ৰথম কথা কৃষি অথনীতিৰ অনগ্ৰসতা আৰু খাদ্য ভাব দূৰ কৰিবলৈ অধিক গুৰুত্ব আৰোপ কৰা হৈছে। যিটো বিষয়ে আগৰ বাজেট বিলাকত গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। আন এটা কথা ইয়াত গ্ৰাম্য উন্নয়ন, জলসিঞ্চন, ভূমি সংস্কাৰৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। আৰু এটা কথা আমি দেখিছো যে, খাদ্যভাব দূৰ হোৱাৰ লগে লগে মূল্যসূচী স্থিৰ ৰাখিবৰ কাৰণেও ব্যৱস্থাৰ কথা ইয়াত সম্ভাবনা দেখিছে। পঞ্চায়তৰ হাতলৈ অধিক ক্ষমতা দিয়াৰ কথাও ইয়াত কোৱা হৈছে। গাওঁ সমূহক গড়কাপ্তানী ৰাস্তা-ঘাটৰ লগত সংযোগ কৰা কথাও এই বাজেটত উল্লেখিত হৈছে। কুৱাঁ আৰু পাইপৰ জৰিয়তে পানী-যোগানৰ ব্যৱস্থা সম্পূৰ্ণৰূপে কৰাৰ ব্যৱস্থা এই বাজেটত আছে। যিটো সৰ্ব্বসাধাৰণ ৰাইজৰ কাৰণে বৰ সন্তোষৰ কথা। তাৰওপৰি জনতা গৃহ নিৰ্ম্মাণৰ আঁচনিৰ কথাও এই বাজেটত উল্লেখ আছে। ইও আমাৰ দুখীয়া ৰাইজৰ কাৰণে বৰ উৎসাহৰ কথা।

তাৰ পাচত এই বাজেটত শিক্ষাৰ ক্ষেত্ৰত এটা কথা কোৱা হৈছে যে প্ৰাথমিক পৰ্য্যায়ত কাৰ্য্যমানে প্ৰত্যেক গাঁওতে একোখন কৈ প্ৰাইমাৰী স্কুল স্থাপন কৰা হব বুলি কোৱা হৈছে। ই আমাৰ সৰ্ব্বসাধাৰণ জনসাধাৰণৰ কাৰণে বৰ উৎসাহৰ কথা হৈছে। তাৰ পাচত মাধ্যমিক পৰ্য্যায়ত দশম মান শ্ৰেণী লৈকে মাছুল ৰেহাই দিয়াৰ কথাও ঘোষণা কৰিছে। এই বিলাক প্ৰতিশ্ৰুতি আৰু ঘোষণা ইয়াত দৰিদ্ৰ জনসাধাৰণৰ কাৰণে কৰা হৈছে সেই বিলাক সচাঁকৈয়ে বৰ সন্তোষৰ কথা হৈ পৰিছে। তাৰ পিছতে সমূহীয়া স্বাস্থ্যকৰ্ম্মী আঁচনি খনৰ ঘোষণাও আমাৰ গৰাঁ ৰাইজৰ স্বাস্থ্য ৰক্ষা আৰু উন্নয়নৰ ক্ষেত্ৰত এটা বলিষ্ঠ আৰু প্ৰশংসনীয় পদক্ষেপ। এইটো সকলোৱেই স্বীকাৰ কৰিব। তাৰ পিছত আমাৰ চৰকাৰী চাকৰিয়ালৰ আবাসিক ঘৰ নিৰ্ম্মাণৰ কাৰণে যি বৃহৎ পৰিমাণৰ ধনৰ কথা এই বাজেটত উল্লেখ কৰিছে সেইটোও এটা বৰ সন্তোষৰ কথা হৈ পৰিছে। বাজেটত এই কথা বিলাক সন্নিবিষ্ট কৰাৰ কাৰণে আমি মাননীয় বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিৰধী দলৰ মাননীয় সদস্য সকলে কৈছে যে, এই বাজেটখন প্ৰকৃততে পূৰ্ব্বৰ চৰকাৰৰ-ৰেই বাজেট। কিন্তু এইখিনিতে মই এটা কথা কওঁ যে, তেখেত সকলে তৈয়াৰ কৰাৰ পিছত যদি নতুন চৰকাৰৰ বিত্তমন্ত্ৰীয়ে তাৰ লগত নতুন পৰিকল্পনাৰ কথা সংযোজন কৰিব পাৰিছে গতিকে নতুন চৰকাৰৰ বিত্তমন্ত্ৰীক ধন্যবাদ দিব লাগিব। কিন্তু এই খিনিতে মই এটা গুৰুত্ব পূৰ্ণ কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছোঁ আৰু সেইটো হৈছে এখন বাজেট যেতিয়া গ্ৰহণ কৰা হয় তেতিয়া মই বাজেটত গ্ৰহণ কৰা আঁচনি বিলাক যাতে বাস্তৱত ৰূপায়িত কৰিব পৰা হয় সেইটো চোৱা চিন্তা কৰা দায়িত্ব পূৰ্ব্বাধিক। এই ক্ষেত্ৰতে মই এটাকথা কব খুজিছো যে, পূৰ্ব্বৰ চৰকাৰ বিলাকৰ দিনৰ পৰা চলিঅহা পৰম্পৰাগত প্ৰশাসনিক প্ৰদ্ধতি সলনি কৰি প্ৰশাসনিক দক্ষতা যদি বৃদ্ধি কৰিব নোৱাৰি তেতিয়াহলে, কেতিয়াও অপচয় ৰোধ কৰিব পৰা নেযাব। আৰু যদি সেয়ে হয় তেতিয়াহলে, এই বাজেটত যিমান বিলাক আঁচনি অধি গ্ৰহণ কৰা হৈছে সেইবিলাক সমাধান কৰিব পৰা নেযাব। আমাৰ আগৰ অভিজ্ঞতাৰ পৰা আমি যিটো দেখা পাইছো যে, আগৰ পৰম্পৰাগত কথা বিলাক এতিয়াও চলি আছে। এইটো সচাঁকৈয়ে বৰ দুখজনক। ফাইলৰ পৰা হুকুমৰ কাগজ ওলাই যাব নোৱাৰাৰ ৰঙাফিটাৰ মেৰথকা আমি যদি ভাঙিব নোৱাৰো তেতিয়াহলে, এই বাজেটত যিমান বিলাক কামৰ আঁচনি লোৱা হৈছে সেইবিলাক বাস্তৱায়িত কৰাত ব্যঘাত জন্মিব পাৰে। সেইকাৰণেই আজি চৰকাৰক এই বিষয়ে আমি সাবধান কৰি দিব খুজিছোঁ। যোৱা আঢ়ৈ মাহমানৰ আগতেই অৰ্থাৎ বিধান সভাৰ নিৰ্ব্বাচন হৈ যোৱাৰ

পিছত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত দশম মান শ্ৰেণীলৈকে মাচুল মাফ দিয়াৰ যি ঘোষণা কৰিছিল সেই ঘোষণাৰ পৰিপ্ৰেক্ষিতত হুকুমৰ কাগজ আজিলৈকে দিছপুৰৰ ফাইলৰ পৰা কাগজ বিলাক নোলাল। পূৰ্ব্বৰ পৰম্পৰাগত কথা বিলাকেই যদি চলি থাকিবলৈ দিয়া হয় বা আমোলাতন্ত্ৰই যদি সদাই চলি থাকে তেতিয়াহলে, ৰাইজৰ আশাৰ বেঙুনিৰ ক্ষেত্ৰত হতাশাৰ কলা ডাঁৱৰে আৱৰি ধৰিব পাৰে। সেইকাৰণেই আজি জনতা চৰকাৰৰ ওচৰত মোৰ এইটোৱেই প্ৰথম আৰু প্ৰধান অনুৰোধ যে, ৰঙাফিটাৰ-মেৰপাক আঁতৰাই যাতে আমাৰ মাননীয় বিত্তমন্ত্ৰীয়ে গ্ৰহণ কৰা প্ৰগতিবাদী আঁচনি সমূহ যাতে বাস্তৱত ৰূপায়িত কৰাত সহায় কৰে।

আনহাতে সকলো বিভাগতে ওপৰৰ ফালে অধিক সংখ্যক অফিচাৰ নিযুক্ত কৰা হৈ আছে। অতিৰিক্ত বিষয়া বহুত দম খাই আছে। অথচ ফিল্ডত কাম কৰিবলৈ মানুহ নাই। প্ৰয়োজন অনুপাতে কাম কৰিবলৈ মানুহ নাই অথচ ওপৰত ইমানবিলাক অফিচাৰ ৰখাৰ পৰা কোনো কাম নিয়াৰিকৈ চলিব পৰা নাই।

(সময়ৰ সংকেত)

উদাহৰণ স্বৰূপে বিদ্যুৎ বিভাগতে দেখা যায় যে ফাইল আদিৰ কাম কৰিবলৈ ইমান বিলাক ইঞ্জিনীয়াৰ বহি আছে অথচ বাহিৰত লাইন টানিবলৈ বা আন আন কাম কৰিবলৈ হলে মানুহৰ অভাৱত কাম কৰিব পৰা নাই। ৰাইজক আৰু মন্ত্ৰী সকলোকো কেৱল ফাঁকি দিয়েই কটাই আছে। কোনো গাঁওৰ এঘৰ মানুহৰ ঘৰত বিজুলী সংযোগ কৰিয়েই সেই গাঁওখন সম্পূৰ্ণ হোৱা বুলি ৰিপোৰ্ট লিখি থোৱাৰ ফলত গোটেই গাঁওখনেই বিজুলী বাটিৰ সংযোগৰ পৰা বঞ্চিত কৰা হৈছে।

(সময়ৰ সংকেত)

উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত বৈসাদৃশ্য পৰিলক্ষিত হৈছে।

(সময়ৰ সংকেত)

মোক আৰু অলপ সময় দিব লাগে। চাৰ। মই বৰ দুৰ্ভগীয়া সদস্য। মই আৰু অলপমান কথা কব খুজিছোঁ। মই এনেই কথা কম কওঁ। গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত দেখা গৈছে বেয়া থকা ৰাস্তা বিলাকত পাচ বছৰৰ পৰাতো শিলগুটি এটাও নপৰে। গাঁও অঞ্চলৰ যি বিলাক ৰাস্তাৰে মন্ত্ৰীসকল অহা-যোৱা কৰে সেই বিলাক ৰাস্তা অলপ ভাল যদিও অলপ সিফালে ঘূৰি চালেই কথাটো লক্ষ্য কৰিব পাৰিব ৰাস্তাৰ দুৰৱস্থা কি হৈছে। গাইড বান্ধৰ কাৰণে দহ হাজাৰ মাটি উঠিলেই দহ লাখ বুলি হিচাব দিয়া হয়।

(সময়ৰ সংকেত)

এই কথা বিলাক এই কাৰণেই কৈছো যে আগৰ চৰকাৰৰ এই কথাবোৰ শুনি যাতে জনতা চৰকাৰে শিক্ষা লাভ কৰিব পাৰে আৰু তাৰ কাৰণে সাৱধান হব পাৰে। শিক্ষা বিভাগতো দুৰ্নীতিৰ সীমা নাই। প্ৰাইমাৰী স্কুলত চাকৰি দিয়াৰ ক্ষেত্ৰত আগৰ এই সদনৰে মাননীয় সদস্যও বহুতে জড়িত আছিল। তাৰোপৰি ডেস্ক বেঞ্চ বিলাক ইয়াৰ পৰা অৰ্থাৎ গুৱাহাটীৰ কুঁহাৰ দ্বাৰা নিৰ্ম্মাণ কৰা হলেহে উপযুক্ত হয় আৰু গুৱাহাটীতহে ভাল মিস্ত্ৰী আছে। আৰু গোটেই অসমৰ কাৰণে ইয়াতে তৈয়াৰ কৰি নগাঁও, ডিব্ৰুগড় আদি ঠাইলৈ পঠিয়াই দিয়া হয়। গাড়ীত নিওঁতে হাত ঠেং ভাঙি গৈ যি দুই এখন গন্তব্য স্থান পায়গৈ সিবিলাকতো

লৰা বাহলেই ভাঙি পৰে। গতিকে এই বিলাক ডি-পি-আই অফিচৰ পৰা, ইয়াৰ পৰা দিয়াৰ ব্যৱস্থা নকৰা ঠাইতে যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰিলে নিশ্চয় ভাল হব। আমাৰ ইয়াত ভালেকেইজন মাননীয় সদস্যই জনতা পাৰ্টিৰ আমিালত বহুত ঠাইত গণ্ডগোলচালনাৰ কথা আলোচনা কৰিছিল সেই সংক্ৰান্ত কব খোজো যে জনতা চৰকাৰৰ—

Mr. DEPUTY SPEARER : Hon'ble Member should confine himself to the Budget Speech.

*শ্ৰীভবেন্দ্ৰ নাথ শইকীয়া :— তেতিয়াহলে নকওঁ। আলোচনা হৈছিল কাৰণেই কব খুজিছিলো। এই বাজেট খন মই সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিণি মাৰিছো।

*শ্ৰীযোগেন গগৈ :— পইণ্ট অব অৰ্ডাৰ। নীতি আৰু দৃষ্টিভঙ্গী লৈয়েই বজেট ৰচনা কৰা হয় আৰু সেই মতে ৰূপায়িত কৰিবলৈ বিচৰা হয় গতিকে নীতিৰ বাদ দি এইটো আহিব নোৱাৰে গতিকে এইটো প্ৰসঙ্গক্ৰমে উল্লেখ কৰাৰ অধিকাৰ আছে।

শ্ৰীদেৱান জয়নাল আবেদিন :—মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ত্ৰিশ মাৰ্চ তাৰিখে মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৭৮-৭৯ চনৰ বাবে বাজেট সদনত উত্থাপন কৰিছে অৰ্থনিতিৰ ছাত্ৰ মাত্ৰেই জানে যে ৰাজ্যৰ অৰ্থনৈতিক কাৰ্য্যকলাপৰ নিয়ন্ত্ৰন আৰু অৰ্থ-নৈতিক উন্নয়নৰ এটা শক্তিশালী আহিলা হিচাবে চৰকাৰী বাজেট বিবেচিত হৈ আহিছে। মই ভাবো সেই ফালৰ পৰা এই বাজেট খনৰ কাৰ্য্যকাৰীতা আৰু চৰিত্ৰ পৰীক্ষা কৰি চোৱা দৰকাৰ। এই বাজেট খনৰ যি দুই এটা উল্লেখযোগ্য দিশ মোৰ চকুত পৰিছে আৰু সেইবোৰ কথাতে এই বাজেট আলোচনাৰ ক্ষেত্ৰত উল্লেখ কৰিব খুজিছো। সাধাৰণ সেৱা আৰু বিভিন্ন প্ৰশাসনীয় সেৱা সমূহৰ শিতানত এইবাৰ ব্যয় বৃদ্ধি কৰা হৈছে। অৱশ্যে পুলিচ প্ৰশাসনৰ বাহিৰে বাকী সেৱা সমূহত সৰ্ব্বমুঠ একৈশ কোটি সাতাইশ লাখ টকা ধাৰ্য্য কৰা হৈছে। এই শিতানত যোৱা বছৰত ১৮ কোটি ছবিশ লাখ টকা ধাৰ্য্য কৰা হৈছিল। মুঠতে এই শিতানত শতকৰা চাৰিষাল্লি ভাগ ব্যয় বৃদ্ধি কৰা হৈছে। চৰকাৰী কৰ্ম্মচাৰী আৰু শ্ৰমিক সকলক দিয়া মৰগীয়া বানচৰ অনাদায়ী আঠচল্লিশ কোটি ন লাখ টকা ইয়াত ধৰা হোৱা নাই।

Mr. DEPUTY SPEAKER : Hon'ble Member will resume his Speech after lunch.

The House stands adjourned till 2-30 P. M.
After Lunch

শ্ৰীদেৱান জয়নাল আবেদিন :— মাননীয় উপাধ্যক্ষ মহোদয়, মই কৈ আহিছিলো যে এইবাৰ বাজেটত পুলিচ প্ৰশাসনৰ শিতা-নতও কিছু ব্যয় বঢ়োৱা হৈছে। যোৱা বছৰ এই শিতানত ১৮৪৪ লাখ টকা ধৰা হৈছিল তাৰ ঠাইত এই বাৰ ২০৪৬ লাখ টকা ধৰা হৈছে। মুঠতে দুই কোটি দুই লাখ টকা বঢ়োৱা হৈছে। মুঠ বাজেটৰ শতকৰা পাচ দশমিক দুই ভাগ টকা এই শিতানত বঢ়োৱা হৈছে। মুঠতে ইয়াত এইটোৱে দেখা যায় যে পুলিচ শিতানৰ ক্ষেত্ৰতো কিছু বঢ়োৱা হৈছে। কিন্তু তেনে ধৰণে অৰ্থনৈতিক উন্নয়নৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ যেনে শিল্প, বিদ্যুৎ, যোগাযোগ আৰু অন্যান্য শিতানত সেই হিচাবে টকা বঢ়োৱা হোৱা নাই। শিল্পৰ ক্ষেত্ৰত অতি সামান্য টকাহে বৃদ্ধি হৈছে। যোৱা বছৰত এই শিতানত সাত কোটি চল্লিশ লাখ টকা ধৰা হৈছিল। এই বছৰ আঠ কোটিতেষষ্ঠি লাখ টকা ধৰা হৈছে অৰ্থাৎ

*Speech not corrected.

এই বাৰ মুঠ বাজেটৰ মাথোন ২·২ ভাগ টকা ধৰা হৈছে। যত প্ৰশাসনিক আৰু পুলিচ শিতানত ব্যয় কমাই শিক্ষা, শিল্প, বিদ্যুৎ যোগাযোগ জনস্বাস্থ্য আদি শিতানত ব্যয় বৰাদ্দ বঢ়োৱাৰ কথা, সেই ক্ষেত্ৰত এই দুই ক্ষেত্ৰত ব্যয় বৰাদ্দ আকৌ বঢ়োৱা হৈছে। সেই অনুপাতে উল্লেখিত গুৰুত্বপূৰ্ণ শিতানবোৰত যি হাৰত ব্যয় বৰাদ্দ ধাৰ্য্য কৰিব কৰিব লাগিছিল সেই হাৰত ধাৰ্য্য কৰা হোৱা নাই। সেই অনুপাতে অন্যান্য কিছুমান গুৰুত্বপূৰ্ণ শিতানত যি হাৰত ধাৰ্য্য কৰিব লাগিছিল সেই হাৰত ধাৰ্য্য কৰা হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মুঠ জনসংখ্যাৰ শতকৰা একানব্বৈ ভাগ লোক গাঁওত বাস কৰে। যোৱা একত্ৰিশ বছৰৰ কংগ্ৰেছী শাসন কালত হোৱা শোষনৰ ফলত অসমৰ গাঁৱলীয়া জনসাধাৰণৰ জীৱনলৈ এক চৰম অৰ্থনৈতিক সংকট নামি আহিছে। ঘৰে ঘৰে আজি অনাহাৰ অৰ্দ্ধহাৰ আৰু হাহাকাৰ। উপান্ত খেতিয়ক আৰু মজলীয়া খেতিয়ক সকল আজি পুঁজিবাদী অৰ্থনীতিৰ শাসন আৰু শোষণৰ ভাৰত দাৰিদ্ৰৰ পৰা দাৰিদ্ৰতৰহৈ আছে। খেতিৰ মাটি হেৰুৱাই ক্ৰমে ভূমিহীন কৃষি বনুৱাত পৰিণত হৈ আছে। প্ৰতিখন গাঁৱত আজি শিক্ষিত অশিক্ষিত উভয় ধৰণৰ নিবনুৱা সমস্যা তীব্ৰ আকাৰ ধাৰণ কৰিছে। ভূমিহীন খেতিয়কসকলৰ মাজত যি সকলে দিন মজুৰী কৰে তেওঁলোকৰ বেছি ভাগৰে বছৰটোত বেছি ভাগ সময়ত কোনো কাম নাথাকে। ৰাজ্যখনত এখন সৰ্ব্বনিম্ন মজুৰী আইন বলবত থকা স্বত্বেও যি সকল ধনী খেতিয়ক, যিসকলে দিন মজুৰ সকলক খটুৱায় তেওঁলোকে এওঁলোকক নিৰ্দ্দিষ্ট প্ৰাপ্য মজুৰীৰ পৰা বঞ্চিত কৰি আহিছে। আদিয়াৰ সকলোকো তেওঁলোকে অইন নিৰ্দ্দিষ্ট ন্যায্য প্ৰাপ্য ভাগৰ পৰা বঞ্চিত কৰি আছে। যি সকল খেতিয়কৰ কিছু পৰিমাণে মাটি আছে যি সকল মজলীয়া খেতিয়ক, সেই সকলেও ৰাজ্যৰ বেছিৰ ভাগ ঠাইতে প্ৰায় কোনো ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা নথকাৰ ফলত বা কৰবাত কিবা ব্যৱস্থা থাকিলে সি অত্যন্ত ব্যৱবহুল হোৱাৰ বাবে আৰু সাৰ আদিৰ মূল্য বেছি হোৱাৰ ফলত এই বোৰৰ সহায়ত কৃষি উৎপাদন বৃদ্ধি কৰি নিজৰ নিজৰ আয় বৃদ্ধি কৰিবলৈ কোনো উপায় বিচাৰি পোৱা নাই।

এওঁলোকে আনকি নিজে উৎপাদন কৰা বস্তু বোৰে ন্যায্য মূল্যত বিক্ৰী কৰিবলৈ নাপায়। আনহাতে নিত্য ব্যৱহাৰ্য্য বস্তুবোৰৰ দাম প্ৰতিদিনে বাঢ়িয়েই আছে। অত্যন্ত দুখজনক হলেও এইটো বাস্তৱ সত্য যে আজিও গাঁৱলীয়া জনসাধাৰণে এটুপি খোৱা পানীৰ বাবে হাহাকাৰ কৰি ফুৰিবলগীয়া হৈছে। গাঁওৰ ৰাস্তা ঘাট, যান বাহন, জনস্বাস্থ্য আদিৰ অৱস্থা তেনেই বেয়া। ৰাজ্যৰ বহু গাঁও অঞ্চল এতিয়াও দুৰ্গম হৈয়েই আছে। লাখ লাখ মানুহ অধ্যুষিত এনে অনেক অঞ্চল আছে যত কোনো ধৰণৰ হাস্পাতাল নাই, কৰবাত আকৌ হাস্পাতাল এখন থাকিলেওতাত চিকিৎসক নাই। আৰু প্ৰায় বোৰ চিকিৎসালয়তে অত্যাৱশ্যকীয় দৰৱ আদিৰ নিয়মিত যোগান ধৰাৰ কোনো ব্যৱস্থা নাই।

উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰ বোৰে যি অৰ্থনৈতিক নীতি অনুসৰণ কৰি আহিছিল তাৰ ফলত গাঁওৰ জনসংখ্যাৰ এক নগন্য অংশ এমুঠি চহকী মানুহৰ অৱস্থাকহে আৰু উন্নত কৰিবলৈ সহায় কৰা হৈছে। অইন হাতে গাঁৱলীয়া জনসংখ্যাৰ শতকৰা নিৰুনব্বৈ ভাগৰো বেছি গৰীব মধ্যবিত্ত মানুহে (১) নিত্য ব্যৱহাৰ্য্য বস্তু—বস্তুৰ ক্ৰমাগত দাম বৃদ্ধি হোৱাত (২) ধনী কৃষকৰ অব্যাহত শোষণৰ ফলত আৰু (৩) উপাৰ্জন বৃদ্ধিৰ অইন কোনো বিকল্প উপায় নথকাত দ্ৰুত তেওঁলোকৰ ক্ৰয়ৰ ক্ষমতা হেৰুৱাইছে। আমি সকলোৱে জানো যে ভূমি সংস্কাৰৰ লগত কৃষি উৎপাদন বৃদ্ধিৰ প্ৰশ্নটো ওতোঃপ্ৰোত ভাৱে জড়িত। কিন্তু ধনী কৃষক, মহাজন আৰু ন্যস্ত স্বাৰ্থবাদী সকলৰ লগত ইমান দিনে শাসকদল ৰাজনৈতিক জোটত আবদ্ধ থকাৰ ফলত ভূমি সংস্কাৰৰ ৰাওয়াজ মাজে সময়ে উঠিলেও আৰু মাজে সময়ে দুই এখন ভাল আইন পাচ কৰা হলেও সেই

বোৰ আইন ইচ্ছা কৰিয়েই কাৰ্যকৰী কৰা হোৱা নাই। হেজাৰ হেজাৰ বিঘা মাটি বেনামী কৰা হৈছে। কিন্তু তাৰ কোনো প্ৰতিবিধান কৰা হোৱা নাই। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই ইন্টাৰগ্ৰেৰেয়েল ৰুৰেল ডেভেলাপমেন্ট স্কীম সম্পৰ্কত নতুন চৰকাৰৰ দৃষ্টিভঙ্গী ব্যাখ্যা কৰি যিবোৰ কথা কৈছে মাননীয় অধ্যক্ষ মহোদয়, মই দৃঢ়ভাৱে কব খোজো যে তাৰ পৰা অসমৰ গাঁৱলীয়া জীৱনৰ এই মূল সমস্যাবোৰৰ সমাধানৰ কোনো ইঙ্গিতেই ভাত পোৱা নগল। দহ বিঘালৈকে মাটি থকা খেতিয়কসকলক ৰাজহৰ পৰা ৰেহাই দিয়াৰ কথা ঘোষণা কৰা হৈছে। কিন্তু যদি মাটি নামজাৰী আৰু বাটোৱাৰা আদি কৰাৰ নীতি নিয়ম সমূহ সহজ কৰি এইবোৰৰ খৰতকীয়া কাৰ্য্যকৰী কৰা নহয় আৰু যদি কিছুমান ঠাইত জৰীপ বা পুনৰ জৰীপ ব্যৱস্থা কৰা নহয় তেন্তে এই ৰাজহ ৰেহাইৰ সিদ্ধান্তৰ পৰা আচলতে দুখীয়া খেতিয়কসকলে কোনো ধৰণৰ সকাহ নাপাব।

মাননীয় অধ্যক্ষ মহোদয়, এইটো কোনো নাজানে যে অসমত প্ৰলয়ংকৰী বানপানীত আৰু গড়াখহনীয়াত প্ৰতি বছৰে লাখ লাখ মানুহৰ জীৱনলৈ ধ্বংশ আৰু হাঁহাকাৰ নমাই আনে, কোটি কোটি টকা মূল্যৰ ঘৰ দুৱাৰ শস্য খেতিৰ মাটি আৰু পশু আদি পশু নষ্ট কৰে। চৰকাৰী হিচাব মতেই অকল যোৱা বছৰটোতে ছব্বিশ কোটি টকাৰ শস্য বানপানীত নষ্ট হৈছে। ইয়াৰ ফলত অসমৰ অৰ্থনৈতিক উন্নয়নৰ গতিত বাৰে বাৰে প্ৰচণ্ড আঘাট আহি আছে। অথচ এই আঘাটত প্ৰতিহত কৰাৰ বাবে কেৱল মাথোন সুৱণশিৰি, দিহিং আৰু বৰাক নৈত 'দাম' নিৰ্ম্মাণৰ আশ্বাসৰ বাহিৰে অইন কোনো বলিষ্ঠ পৰিকল্পনাৰ কথা উল্লেখ কৰা হোৱা নাই। বানপানীৰ উপৰিও গড়াখহনীয়াৰ কবলত পৰি সৰ্বস্বান্ত হোৱা লাখ লাখ লোকক পুনৰ্বাসন দিয়া আৰু ইয়াৰ লগতে সংশ্লিষ্ট আইন অইন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰ এটা চূড়ান্ত সমাধানৰ প্ৰয়োজনীয়তাৰ কথাৰ স্বীকৃতি পৰ্য্যন্ত মাননীয় মন্ত্ৰী মহোদয়ৰ বক্তৃতাত উল্লেখ নাই।

অসমৰ জনসংখ্যাৰ এটা বিৰাট অংশ অসমৰ চাহ বাগিছা সমূহত কাম কৰে আৰু অসমৰ অৰ্থনীতিত এওঁলোকৰ অবদান অনস্বীকাৰ্য্য। ৩১ বছৰৰ কংগ্ৰেছ শাসনত এমুঠি দেশী বিদেশী চাহ বাগিছা মালিকৰ অধিকতৰ মুনাফা লুণ্ঠনৰ স্বাৰ্থত লাখ লাখ চাহ বনুৱাক অতি সুকৌশলেৰে ছাটাই কৰা হৈছে। চহৰ অঞ্চলৰ জনসাধাৰণৰ জীৱন যাত্ৰাৰ মানও দ্ৰুত নামি আহিছে। চহৰবোৰত ঘৰে ঘৰে মিৰনুৱা, নতুন কল কাৰখানা গঢ়ি উঠা নাই, অথচ পূৰণি যিবোৰ কাৰখানা আছিল সেইবোৰতো ব্যাপক হাৰত ছাটাই চলিছে। লে অফ (Lay off) লক আউট (lock out) হৈছে, এনেকি বহু কাৰখানা সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছে। খাদ্য দ্ৰব্য আৰু নিত্য ব্যৱহাৰ্য্য হয় বস্তুৰ ক্ৰমাগত মূল্যবৃদ্ধিৰ ফলত যি সকলৰ কিছু উপাৰ্জন আছে তেওঁলোকৰো সীমিত ক্ৰয় ক্ষমতা দাৰুণভাৱে সংকুচিত হৈ আহিছে। একত্ৰিশ বছৰৰ কংগ্ৰেছ শাসনত কৃষি আৰু শিল্পৰ উৎপাদন যিমানখিনি বাঢ়িছে তাৰ ফলত আয় অধিকতৰ স্ফীত হৈছে। সিও কেৱল অসমৰ গাঁও আৰু চহৰৰ এমুঠিমালিক শ্ৰেণীৰ ক্ষেত্ৰতহে। কিন্তু দৰিদ্ৰ আৰু মধ্য বিত্ত খেতিয়কৰ চাহ বাগিচাৰ বনুৱা আৰু চহৰৰ শ্ৰমিক কৰ্ম্মচাৰী সকলৰ প্ৰকৃত আয় আৰু ক্ৰয় ক্ষমতা এই সময় ছোৱাৰ ভিতৰত দ্ৰুত নামি আহিছে। কোৱা বাহুল্য যে ইয়াৰ ফলত পুঁজিবাদী অৰ্থনীতিত বজাৰ সংকট আৰু অনংতৰ হৈছে যাৰ ফলত আকৌ মন্দাৰ তাব্ৰতা শিল্পৰ ক্ষেত্ৰত আৰু বাঢ়িছে। অধ্যক্ষ মহোদয় ডাঙৰ ডাঙৰ পুঁজিপতি সকলোৱে ব্যাপক হাৰত কৰ ফাঁকি দি আছে আৰু ইয়াৰ ফলত চৰকাৰী আয় কমি গৈছে।

আইনহাতে সৰ্বসাধাৰণ ৰাইজে জীৱনৰ প্ৰতি পদক্ষেপতে পৰোক্ষ কৰৰ গধুৰ বোজা টানিবলগীয়া হৈছে। ইপিনে চৰকাৰ পৰিচালনাৰ ক্ষেত্ৰত মিতব্যয়িতাৰ নামত নিম্ন শ্ৰেণীৰ শ্ৰমিক কৰ্ম্মচাৰী সকলক ছিৰেচ (দৰমহা) দিয়া হৈছে। অথচ লাখ লাখ টকা দুৰ্নীতিপৰায়ণ আমোলা সকলে আত্মসাত কৰিছে, পুলিচ আৰু আমোলাতন্ত্ৰৰ ব্যাপক প্ৰসাৰ

ঘটোৱা হৈছে আৰু এই বোৰৰ ফলত চৰকাৰী ব্যয় বহুগুণে বৃদ্ধি পাইছে। এই বৰ্দ্ধিত ব্যয়ৰ টকা তুলিবৰ বাবে ইমানদিনে জনসাধাৰণৰ ওপৰত নতুন কৰ আৰু ঋণৰ বোজা জাপি দিয়া হৈছে। আৰু ইমানতো যেতিয়া টকাৰ প্ৰয়োজন পূৰণ হোৱা নাই তেতিয়া কেন্দ্ৰৰ গৰাকীলৈ অনুৰোধ উপৰোধ লৈ গৈছে আৰু কোটি কোটি টকাৰ অভাৰডাফটৰ বোজা লৈ উভতি আহিছে। এনে ধৰণে, পুঁজিপতি, ব্যৱসায়ী আৰু ধনিক শ্ৰেণীৰ লগত গাঁঠি বান্ধি থকাৰ ফলত ৰাজ্যৰ সীমিত সম্পদ আৰু ক্ষমতাৰ মাজত থাকিও কটকটিয়া প্ৰশাসনিক দৃঢ়তাৰ বলত যিখিনি উৎপাদন বৃদ্ধি কৰাৰ সুযোগ আছিল তাৰ সদ্ব্যৱহাৰ কৰা আৰু বৰ্দ্ধিত উৎপাদনৰ সফল ৰাজ্যৰ জনসাধাৰণৰ মাজত সুষমভাবে বণ্টন কৰা, এই দুয়োটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰত অতীতৰ কংগ্ৰেছ চৰকাৰ বোৰে যি চূড়ান্ত অৱহেলা দেখুৱালে তাৰে ফলত, মোটামোটিভাবে স্বাৱলম্বী এই ৰাজ্যখনৰ অৰ্থনীতিক এটা দেউলীয়া অৰ্থনীতিত কৰ্য্যবাসিত কৰা হৈছে। খাদ্য শস্যত ৰাহি এই ৰাজ্যক ঘাটি ৰাজ্যত পৰিণত কৰা হৈছে, এখন স্বচ্ছল ৰাজ্যক প্ৰায় 'পেৰাচাইট' ৰাজ্যত পৰিণত কৰা হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব খোজো যে এইবাৰৰ বাজেটত যদিও নতুন কৰ ধাৰ্য্য কৰা হোৱা নাই। কিন্তু আগৰ কংগ্ৰেছ চৰকাৰে ধাৰ্য্য কৰি থৈ যোৱা বহু বিগ্ৰেচিভ টেক্স পূৰ্ণ-বিশ্লেষণ বা উঠাই লোৱা সম্পৰ্কে কোনো ব্যৱস্থাৰ কথাও কোৱা হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মই দৃঢ়তাৰে সৈতে কব খোজো যে যদিও দেশৰ বৰ্তমান পুঁজিবাদী ৰাজনৈতিক, অৰ্থনৈতিক গাঠনিৰ মাজত থাকি দেশৰ মৌলিক সমস্যাবোৰৰ আৰু পুঁজিবাদৰ শোষণৰ কবলৰ পৰা চূড়ান্ত পৰিত্ৰাণৰ কোনো পথ খোলা নাই, তথাপিও যথাৰ্থ জনমুখী দৃষ্টিভঙ্গী থাকিলে এখন চৰকাৰে ইয়াৰ মাজতো জনসাধাৰণক ভালেখিনি সকাহ আনি দিব পাৰিলেহেতেন, খাদ্য দ্ৰব্য আৰু নিত্যপ্ৰয়োজনীয় বয় বস্তুৰ ক্ৰমবৰ্দ্ধমান মূল্য বৃদ্ধিয়ে যত প্ৰতিদিনে সকলো শ্ৰেণীৰ মেহনতী মানুহৰ ক্ৰয় ক্ষমতা কাঢ়ি লৈ আছে তেনে ঠাইত যদি এইবোৰ বস্তুৰ অকল পাইকাৰী নহয়, খুচুৰা ব্যৱসায়কো ৰাষ্ট্ৰীয়কৰণ কৰি সৰ্বাত্মক ষ্টেট ট্ৰেডিং প্ৰবৰ্তন কৰিব পৰা গলহেতেন। যদি ছাটাই শ্ৰমিক সকলক কামত পুনৰ্বহাল কৰিবৰ ব্যৱস্থা কৰিব পৰা হলহেতেন, যদি বেনামী মাটি উদ্ধাৰ কৰি ভূমিহীন খেতিয়ক সকলৰ মাজত বিতৰণ ব্যৱস্থা কৰা হলহেতেন, যদি আধিয়াৰ সকলৰ আইন সঙ্গত ভাগ পোৱাটো নিশ্চিত কৰিব পৰা গলহেতেন যদি সৰ্ব্ব নিম্ন মজুৰী আইন কঠোৰ ভাবে বলবৎ কৰা হলহেতেন, যদি বন্ধ কল কাৰখানা বোৰ খুলি দিব পৰা গলহেতেন, তেন্তে এইবোৰ ব্যৱস্থাৰ ফলত সামগ্ৰীক ভাবে যি ক্ৰয় ক্ষমতা ৰিলিজড হলহেতেন, সেয়ে এই সংকুচিত পুঁজিবাদী বজাৰত কিছু পৰিমাণে কাৰ্য্যকৰী চাহিদা সৃষ্টি কৰিলহেতেন। আৰু ইয়াৰ ফলতে শিল্পদ্যোগ গঢ়ি তোলাৰ অনুকূল পৰিবেশ কিছু পৰিমাণে সৃষ্টি হলহেতেন। এইখিনি কৰিব পাৰিলে কোনো কোনো ঠাইত কিছু কিছু কল-কাৰখানা গঢ়ি উঠিলহেতেন আৰু কিছুসংখ্যক নিবনুৱাৰ সংস্থাপন হলহেতেন। কিন্তু পৰিতাপৰ বিষয় যে মাননীয় অৰ্থমন্ত্ৰী মহোদয়ৰ ভাষণত সমস্যাটোক এই দিশৰ পৰা সমাধান কৰাৰ কোনো প্ৰচেষ্টাই আমাৰ চকুত পৰা নাই। বৰং খাদ্য শস্য আৰু নিত্যব্যৱহাৰ্য্য বয় বস্তুৰ মূল্য বৃদ্ধি ৰোধৰ বাবে অপৰিহাৰ্য্য এই সামগ্ৰীক ষ্টেট ট্ৰেডিং প্ৰবৰ্তনকো এই চৰকাৰে আগৰ কংগ্ৰেছ চৰকাৰৰ দৰে প্ৰত্যাখ্যান কৰিছে।

উপাধ্যক্ষ মহোদয়, শিল্প বিকাশৰ যথেষ্ঠ অনুকূল পৰিবেশতো অসম ৰাজ্যত বিৰাজ কৰিছে। প্ৰাকৃতিক সম্পদত এই ৰাজ্যখন ভৰপূৰ। কিন্তু প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ দূৰত থাকক, অনুসন্ধানৰ কামও যোৱা ৩১ বছৰত ঠিকমতে প্ৰয়োগ হোৱা নাই বুলিয়ে কব পাৰি। এই প্ৰসঙ্গত কেন্দ্ৰীয় চৰকাৰক অনুৰোধ উপৰোধ জনোৱাৰ বাহিৰে এই নতুন চৰকাৰৰ নিজা দায়িত্ব কি, দৃষ্টিভঙ্গী কি, নীতি কি, তাকো আমি জানিব নোৱাৰিলো। জলবিদ্যুৎ উৎপাদন, যিটো শিল্পোন্নয়নৰ অপৰিহাৰ্য্য পূৰ্ব প্ৰয়োজন, সেই ক্ষেত্ৰতো

আট ইতকৈ বেছি সুযোগ থকা স্বত্তেও কংগ্ৰেছ চৰকাৰৰ অদূৰদৰ্শিতা আৰু প্ৰশাসনিক অপদাৰ্থতাৰ বাবে ৰাজ্যৰ বিদ্যুৎ উৎপাদনত আজি প্ৰচণ্ড সংকট দেখা দিছে। বিদ্যুৎ উৎপাদনৰ খৰচও অন্যান্য ৰাজ্যৰ তুলনাত নয়াত বহুত বেছি। অথচ, কেৱল ঘৰুৱা ব্যৱহাৰৰ আৰু বৰ্ত্তমান কাৰখানা বোৰক চালু ৰখাৰ বাবেই নহয়, ৰাজ্যৰ ৰেল যোগাযোগ ব্যৱস্থাক দ্ৰুততৰ কৰাৰ বাবেও অইন অইন ৰাজ্যৰ দৰে ইয়াতো ৰেলৰ বৈদ্যুতিকৰণ নিতান্ত দৰকাৰ। ইয়াৰ বাবেও অতিৰিক্ত বিদ্যুৎ উৎপাদনৰ প্ৰয়োজন। বিত্ত মন্ত্ৰী মহোদয়োৰ বাজেট ভাষণত এই প্ৰয়োজনৰ স্বীকৃতিখিনি পৰ্যন্ত নাই।

মাননীয় বিত্তমন্ত্ৰী মহোদয়ে দ্ৰুত শিল্পোন্নয়ণৰ স্বাৰ্থত ইনফ্ৰাকণ্ট্ৰাৰ গঢ়ি তোলাৰ কথা উল্লেখ কৰিছে আৰু এই প্ৰসঙ্গতে তেওঁমাথোন ৬৩০ কিলো মিটাৰ কেচা ৰাস্তা বনোৱাৰ কথা কৈছে। কিন্তু যোগাযোগ ব্যৱস্থা দ্ৰুততৰ কৰা, বৈদ্যুতিকৰণ কৰা, ৰেল লাইন সম্প্ৰসাৰণ ঘটোৱা আৰু ব্ৰড গজলৈ ৰূপান্তৰিক কৰা আৰু এইবোৰৰ প্ৰয়োজনত অধিকতৰ বিজুলী শক্তিৰ যোগান ধৰাৰ মাধ্যমেদিয়েই যে প্ৰকৃতাৰ্থত ইনফ্ৰাণ্ট্ৰাকচাৰ গঢ়ি তুলিবৰ পাৰি সেই বিষয়েও মন্ত্ৰী মহোদয়ে ভাষণত কোনো দিশ নিৰ্দ্দেশ নাই। শিল্প এটি কনকাৰেণ্ট চাবজেক্ট। এই ক্ষেত্ৰত কেৱল কেন্দ্ৰীয় চৰকাৰেই নহয় ৰাজ্য চৰকাৰৰো দায়িত্ব নিশ্চয় আছে। অসমৰ শিল্পন্নোয়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে চূড়ান্ত উপেক্ষাৰ মনোভাবক আমি জানো আৰু ইয়াত আমাৰ ক্ষোভো আছে।

কিন্তু এইটো সচাঁ যে অন্যান্য ফাইনেন্সিয়েল ইন্সষ্ট্ৰিটিউচনৰ সাহায্য লৈ স্হানীয় কেচামালৰ ওপৰত ভিত্তি কৰি নানা ধৰণৰ কল কাৰখানা গঢ়ি তোলাৰ বাস্তৱ সম্ভাৱনা ইমানদিনে আছিল, আজিও আছে। কিন্তু কংগ্ৰেছ চৰকাৰে সেইটো ৰাস্তাৰে যোৱা নাই। তেওঁলোকে যি দুই চাৰিখন শিল্পত হাত দিছিল, তাৰ বেছিভাগেই ইকোনোমিকেলি ভায়েবল কনচাৰ্ণ হৈ উঠা নাই। ৰাজহুৱা খণ্ডত চৰকাৰী বিনিয়োগ থকা ৩৪ টা প্ৰতিষ্ঠানৰ ভিতৰত ১৬ টা প্ৰতিষ্ঠানে ১৯৭৫-৭৬ চনটোৰ ভিতৰতেই মুঠ ৬,৯৭,৫৮ হেজাৰ টকাৰ লোকচান ভৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি জানো যে অবাধ শিল্পৰ বিকাশৰ দুৱাৰ খুলি দি, কৃষিৰ যন্ত্ৰিকীকৰণ ঘটাই জনসাধাৰণৰ জীৱনযাত্ৰাৰ মানক উন্নত কৰাৰ শক্তি আজিৰ দিনত পুঁজিবাদৰ আৰু নাই, এই কথা সচাঁ। কিন্তু এই পুঁজিবাদী অৰ্থনীতিৰ গণ্ডীৰ মাজত থাকিও ৰাজ্যচৰকাৰে শিল্প গঢ়ি তুলিবৰ বাবে অইন অইন ৰাজ্যৰ দৰে নিজৰ উদ্যোগত যি খিনি কাম কৰিব পাৰিলহেতেন সেইখিনি কৰাৰ ক্ষেত্ৰতো কংগ্ৰেছ চৰকাৰবোৰে অপৰাধজনক ভাবে অৱহেলা কৰিছে।

মাননীয় উপাধক্ষ্য মহোদয়, ৰাজ্যৰ উদ্যোগ বিভাগে বলিষ্ঠ হাতেৰে শিল্পদ্যোগ গঢ়াৰ দায়িত্ব নিজৰ হাতত লোৱাৰ পৰিবৰ্তে ইমান দিন ধৰি নানা ধৰণৰ ভুৱা প্ৰতিষ্ঠানৰ নামত লাইচেন্স দি আহিছে যি সকলে ইয়াৰ কেচাঁ মাল বিলিজ কৰি ৰাজ্যৰ বাহিৰত কলা বজাৰত ডাঙৰ ডাঙৰ শিল্পপতি সকলৰ ওচৰত অধিক মূল্যত বেছি শিল্প গঢ়ি তোলাৰ নামত ফাটকাবাজী কৰি আহিছে। ৰাজ্য চৰকাৰৰ অসাধু আমোলাসকলৰ লগত হাত মিলাই শিল্প গঢ়ি তোলাৰ নামত লাখ লাখ টকা ঋণ লৈ তাক আত্মশাত্ কৰি আহিছে। মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ ভাষণত সমস্যাৰ এই দিশটোৰ বিষয়েও উল্লেখ নাই।

মাননীয় মন্ত্ৰী মহোদয়ে কুটিৰ আৰু ক্ষুদ্ৰ শিল্প গঢ়ি তোলাৰ সাধু সংকল্পৰ কথা ঘোষণা কৰিছে। এই উদ্দেশ্যতেই তেখেতে জিলাবোৰত চৰকাৰী টকাত ডিষ্ট্ৰিক্ট ইণ্ডাষ্ট্ৰিয়েল চেণ্টাৰ গঢ়ি তোলাৰ সিদ্ধান্তৰ কথাও ব্যক্ত কৰিছে। কিন্তু বৰ্তমানৰ

একচেটীয়া পুঁজিবাদৰ যন্ত্ৰগত কুটীৰ আৰু ক্ষুদ্ৰ শিল্পজাত বস্ত্ৰ-বস্তু কিয় বিক্ৰী হোৱা নাই, নাইবা চালু শিল্পবোৰ কিয় বন্ধ হৈ গৈ আছে সেই সন্দৰ্ভত তেওঁ একো বিশ্লেষণ দাঙি ধৰা নাই। শিল্প বিকাশৰ বাটত যিবোৰ মেজৰ ইনহিবিটিং ফেক্টৰ্‌ছ বা প্ৰধান হেঙাৰৰ কাম কৰি আছে, যিবোৰৰ কথা ইতিপূৰ্বে কোৱা হৈছে। সেইবোৰক দূৰ নকৰাকৈ কেৱল চেষ্টাৰ খুলিয়েই সমস্যাৰ গুৰিত আঘাত কৰা নাযাব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতে আলোচনা কৰি দেখুৱাইছো যে কংগ্ৰেছৰ ৩১ বছৰৰ শাসনকালত গালভৰা প্ৰতিশ্ৰুতি আৰু ডাঙৰ ডাঙৰ আশ্বাসবানী অনেক পোৱা গৈছে কিন্তু পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰক্ষাকাৰী দল হোৱা কাৰণে কংগ্ৰেছ চৰকাৰে, পুঁজিপতি ডাঙৰ ডাঙৰ ব্যৱসায়ী, ধনী কৃষক আৰু অইন অইন ন্যস্তস্বাৰ্থান্বেষী—যিসকলে প্ৰত্যক্ষ বা পৰোক্ষভাবে সমগ্ৰ উৎপাদন ব্যৱস্থাকে নিয়ন্ত্ৰণ কৰিছে, যিসকলে নিজৰ মুনাফা লুণ্ঠনৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ জনসাধাৰণৰ জীৱনলৈ সৰ্বনাশ মাতি আনিছে—সেই সকলৰ গাত অকনো আঘাত দিয়া দূৰত থাকক, তেওঁলোকৰ হাতকেই শক্তিশালী কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে তেওঁৰ দীঘলীয়া ভাষণত অনেক আশ্বাস, প্ৰতিশ্ৰুতি আৰু কৰ্মসূচী বিবৰণ দি থাকিলেও যি প্ৰতিক্ৰিয়াশীল দুষ্ট চক্ৰ বাৰে বাৰে এইবোৰ কৰ্মসূচীক ব্যৰ্থ কৰি দি আছে— সেই সকলৰ হীন কাৰ্য্য কলাপক কেনেধৰণে দমন কৰা হব, কি ভাবে ৰাজ্যৰ জনসাধাৰণৰ ক্ৰয় ক্ষমতাৰ ক্ৰমাৱনতি ৰোধ কৰা হব, কি ভাবে ক্ষিপ্ৰ যোগাযোগ ব্যৱস্থা গঢ়ি তুলি ৰাজ্যৰ শিল্প কিবাশৰ ৰাস্তা সুগম কৰা হব, তাৰ সামান্যতম আভাষও এই ভাষণত পোৱা নগল। বৰং দৈনন্দিন জীৱনত চৰকাৰ আৰু দলৰ ওপৰত এওলোকৰ অশুভ প্ৰভাৱ ক্ৰমাগত বাঢ়ি গৈ আছে। দুৰ্নীতি পৰায়ণ, অপদাৰ্থ, ন্যূনতম দূৰদৃষ্টি বিহীন প্ৰশাসন যন্ত্ৰ অকাল অটুটেই থকা নাই, এইবোৰৰ ওপৰত চৰকাৰী নিৰ্ভৰশীলতা আৰো বাঢ়িছে। মাননীয় উপাধ্যক্ষ মহোদয়, এনে পৰিস্থিতিত মই দৃঢ়তাৰে সৈতে কব খুজোঁ যে কোন দিশৰ পৰাই এই বাজেট কোনো নতুনত্ব বা বৈশিষ্ঠ বাদী কৰিব নোৱাৰে। এইখন এখন গতানুগতিক পুঁজিবাদী বাজেট— যাক মাথোন জনপ্ৰিয় চঙত উত্থাপিত কৰা হৈছে। এইখিনি কৈয়ে মই সামৰণী মাৰিলো।

*শ্ৰীপঞ্চানন ব্ৰহ্ম ঃ— মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ে পেচ কৰা ১৯৭৮-৭৯ চনৰ বাজেটৰ প্ৰতি সমৰ্থন আগবঢ়াই বাজেটৰ ওপৰত হোৱা আলোচনাত অংশ গ্ৰহণ কৰি দুআষাৰ কথা কবলৈ ওলাইছো।

বহুত মাননীয় বিধায়ক সকলে বাজেটৰ ওপৰত আলোচনা কৰি ইতিমধ্যে বহুত মূল্যবান কথা আৰু পৰামৰ্শ আগবঢ়াই গৈছে। তাৰে ভিতৰত বিৰোধী পক্ষৰ পৰাও অনুসূচীত জাতি, অনুসূচিত জনজাতি আৰু পিচপৰা শ্ৰেণীৰ দুখ দুদ্দশাৰ প্ৰতি সহানুভূতিশীল আৰু মৰমতে পমি যোৱা দেখিবলৈ পালো। অনুসূচীত জাতি, অনুসূচীৰ জনজাতি আৰু পিচপৰা শ্ৰেণীৰ লোকক আগবঢ়াই নিবলৈ জনতা চৰকাৰক হেচি ধৰিলে আৰু বাক্য বানেৰে নগনৰ নাৰ্কাত কৰিলে। কিন্তু কেনেকৈ আৰু কি উপায়েৰে এই নিম্ন শ্ৰেণীৰ লোক সকলক উন্নতি কৰি উন্নত লোক সকলৰ সমপৰ্য্যায়লৈ আনিব লাগিব তাৰ যথাৰ্থ উপায় বা দিহা দি নগল। জনজাতি, তপশীল ভুক্ত জাতি আৰু অনুন্নত সমপ্ৰদায়ৰ আৰু লগতে সেই সকল সম্প্ৰদায়ৰ মাটিহীন কৃষক আৰু মজদুৰৰ দুখত

*Speech not corrected.

সমালোচক সকলে দুখ আৰু খেদ কৰিয়েই বক্তৃতাৰ ফুলজাৰি অন্ত কৰিলে। সংখ্যালঘু সম্প্ৰদায়ৰ সমস্যা আৰু তাৰ সমাধানৰ কথা তেওঁলোকৰ বিধায়ক সকলে কৈ গৈছে। মই পি-টি-চিৰ এম, এল, এ। মই ট্ৰাইবেল। গতিকে ট্ৰাইবেলৰ সমস্যা আৰু সমাধানৰ কথা কিছু হলেও মই কবই লাগিব। নহলে পি-টি-চিৰ ইতিহাস অসম্পূৰ্ণ হৈয়েই থাকিব।

উপাধ্যক্ষ মহোদয়, সকলোৱে জানে আমি ট্ৰাইবেল সকল অসমৰ ভূমিপুত্ৰ। ইয়াত মিৰি কছাৰি, গাৰো, ৰাভাৰ কোনো প্ৰশ্ন নাই, আহিব নোৱাৰে। আমাৰ মুখৰ আকৃতি, গঢ়-গতিৰ ফালে চালেই যথেষ্ঠ। আমি ট্ৰাইবেল সকল অসমৰ আদিম অধিবাসী। ভাষাৰো সামঞ্জস্য এতিয়াও আছে। আদিম যুগৰ পৌৰানিক আচাৰ ব্যৱহাৰ, কলা কৃষ্টি এতিয়ালৈকে ট্ৰাইবেলৰ মাজত আছে। স্বাধীনতাৰ ৩০ বছৰৰ পিছতো সভ্যতাৰ পোহৰ ট্ৰাইবেলৰ ৰাজ্যত চুকি পোৱা নাই। চহৰ অঞ্চলৰ আশে পাশে দুই এখন গাঁওত শিক্ষাৰ জিলিঙনি পৰাটোৱেই যদি ট্ৰাইবেলৰ উন্নতি হৈছে বুলি কব খোজে সিটো বেলেগ কথা। কোৱাজনৰ মুখত সোপা দিব নোৱাৰি। আমি জানো এতিয়াও ৰেলগাড়ী, মটৰ দেখা দূৰৰ কথা সিবিলাকৰ শব্দ নুশুনা ট্ৰাইবেল অঞ্চল বহুত বৈ গৈছে।

ট্ৰাইবেল সকল শান্তিপ্ৰিয়, সহজ সৰল আৰু অলপতে সন্তুষ্ট হয়। অসমৰ ট্ৰাইবেল সকলৰ ট্ৰাইবেল লীগ নামেৰে এটা ৰাজনৈতিক অনুস্থান আছিল। এই সংগঠন এটা জোৰদাৰ সংগঠন আছিল। যাৰ ফলত তেতিয়াৰ কংগ্ৰেছ আৰু মুছলীম লীগ উভয়ে সেই সংগঠনক সন্মান কৰিছিল আৰু তাৰ পৰামৰ্শ মানি চলিছিল। ভাৰতৰ সকলো শ্ৰেণীৰ সকলো সম্প্ৰদায়ৰ যৌথ আৰু মিলিত আন্দোলনৰ জৰিয়তে ভাৰত স্বাধীন হয়। স্বাধীন দেশৰ এখন গণতান্ত্ৰিক সংবিধান ৰচিত হল।

সংবিধান খনত দুৰ্ব্বল শ্ৰেণীৰ লোক সকলৰ বাবে আচুটীয়া সা-সুবিধা সংৰক্ষণ আৰু সকলো ধৰণৰ নিৰাপত্তাৰ ব্যৱস্থাও লিপিবদ্ধ হল। অথচ ৰাজনৈতিক কুটকৌশল তাৰ নিহিত নেহোৱাকৈ নাথাকিল। অন্য ৰাজ্যৰ কথা বাদ দি অসমৰ কথাই কৈছো। আগতেই কৈছো অসম ট্ৰাইবেলৰ আদি বাস ভূমি। অসমত পৰ্বত ভৈয়াম দুয়ো অঞ্চলত মিলিত ভাবে ট্ৰাইবেলৰ সংখ্যা সৰহ। একক ভাবে ৰাখিলে অনাট্ৰাইবেলৰ ৰাজস্ব তাত অসম্ভৱ। গতিকেই বৃটিছ পলিচি ডিভাইদ এণ্ড ৰুল খটাই ট্ৰাইবেলক দুটা অংশত ভাগ কৰা হল। হিলচ্ এণ্ড প্লেইনচ্। তেতিয়াৰ পৰাই হিলচ্ ট্ৰাইবেলে প্লেইনচ আহিলে অনাট্ৰাইবেল আৰু প্লেইনচ ট্ৰাইবেলে হিলচ্‌ত গলে অনাট্ৰাইবেল হল। হিলচ্ ট্ৰাইবেল সকলৰ বাবে ৬ষ্ঠ চিদিউলৰ প্ৰভিজন —দি স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰি দিলে কিন্তু প্লেইনচত ?

ভাৰতৰ অন্যান্য ৰাজ্যত প্লেইনচ ট্ৰাইবেল বিলাকৰ কাৰণে ৫ম চিদিউলৰ প্ৰভিজন দি আংশিক স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰি দিয়া হল আৰু অসমৰ ভৈয়াম অঞ্চলত ট্ৰাইবেল নাই বুলি কোৱা হল। যাৰ বাবে অসমৰ ভৈয়ামবাসী ট্ৰাইবেল সকল ৫ম চিদিউলৰ সুবিধা খিনিও নেপালে।

সৌভাগ্য বশতঃ ট্ৰাইবেল লিগ তেতিয়াও বিদ্যমান। লিগৰ নেতা সকলৰ হেচাত তেতিয়াৰ অসমৰ কংগ্ৰেছী নেতাসকল উপায় নাপাই ট্ৰাইবেল সকলৰ সমাজ কল্যাণৰ বাবে আৰ্থিক মঞ্জুৰী দিব পৰাকৈ আৰটিকুল ২৭৫ ইয়াত অন্তৰ্নিহিত কৰিলে আৰু অসমৰ ভূমি আৰু ৰাজহৰ আইন সংশোধন কৰি চেপ্টাৰ-এক্সত ট্ৰাইবেল সকলৰ মাটিৰ সংৰক্ষণৰ ব্যৱস্থা ৰাখি ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহৰ সৃষ্টি কৰিলে। দুৰ্বল শ্ৰেণীৰ বাবে শিক্ষা চাকৰি ব্যৱসায় আদিত কিছু সংৰক্ষণৰ ব্যৱস্থা কৰিলে। সমাজক বাদ দি সমাজবাদ ৰচনা হব নোৱাৰা কথা বুজি পাই ৰাজনীতিৰ ক্ষেত্ৰত ট্ৰাইবেলৰ বাবে সংৰক্ষিত আসনৰ ব্যৱস্থা কৰিলে। এই ব্যৱস্থা সমূহ কৰা দেখিবলৈ পাই ট্ৰাইবেলসকল আত্মসন্তুষ্টি লাভ কৰি সৰ্ব্ব

ভাৰতীয় দৃষ্টি ৰাখি সমাজকল্যাণ, সমাজ উন্নয়ণ আদি কামত আত্মনিয়োগ কৰিবৰ বাবে ট্ৰাইবেল লিগৰ নেতা সকল ৰাজনৈতিক অনুষ্ঠান ভঙ্গ কৰি সামাজিক অনুষ্ঠান ট্ৰাইবেল সংঘ গঢ়ি সমষ্ট দায়িত্ব কংগ্ৰেছী নেতাসকলৰওপৰত এৰি দিলে।

তেতিয়াৰ পৰা ট্ৰাইবেলৰ ভাগ্যৰ ৰবি অস্ত গল বুলি কব পাৰি। অনা ট্ৰাইবেল সকল কংগ্ৰেছী নেতা সকলৰ চলনাত ট্ৰাইবেল সকলক আৰ্থিক সামাজিক সাংস্কৃতিক আৰু ৰাজনৈতিক সকলো ক্ষেত্ৰতে অবাধ শোষণ আৰু আক্ৰমণ চলাবলৈ ধৰিলে। ফলত ট্ৰাইবেল সকল একেবাৰে জুৰুলা হৈ পৰিল। যাৰ ফলত ট্ৰাইবেল প্ৰেমী উদিয়মান জন-জাতিৰ লোকসকলৰ বুকুত দুৰ্বাৰ সাহস লৈ মৰ সাহ কৰি ট্ৰাইবেলৰ নিজস্ব ৰাজনৈতিক দল গঠন কৰি (পি, টি, চি গঠন কৰি) আন্দোলন কৰিব লগীয়া হল।

ট্ৰাইবেলৰ অৰ্থনীতিৰ মূল ভেটি হল ভূমি ট্ৰাইবেল বেল্ট আৰু ব্লক বনাই দিয়াৰ বুদ্ধিজীৱি অনা ট্ৰাইবেল সকলে বিভিন্ন প্ৰকাৰে প্ৰলোভন প্ৰবঞ্চনা কৰি আৰু প্ৰতৰণা কৰি ট্ৰাইবেল লোকসকলৰ মাটি ভেটি দখল ললে। এইবিলাক বিষয়ে তত্বাবধান কৰিবলৈ বিভিন্ন কমিটি চৰকাৰে গঠন কৰি দিলে। এই কমিটি বিলাকে পৰীক্ষা নীৰিক্ষা কৰি লিখিত ভাবে সকলো আসোঁৱাঁ আৰু প্ৰতিবিধানৰ বাবে পৰামৰ্শ দিলে। কিন্তু প্ৰতিকাৰ হল জানো ? চৰকাৰে নীৰৱ দৰ্শকৰ ভূমিকা লৈ ট্ৰাইবেলৰ দুৰ্ভাগ্যক চৰম সীমালৈ ঠেলি দিয়ে। এটাৰ পাছত এটাকৈ ট্ৰাইবেল বেল্ট আৰু ব্লক তুলি (ডিকনষ্টিটিউট) দিবলৈ ধৰিলে। ইয়াৰ উদাহৰণ দক্ষিণ কামৰূপ ট্ৰাইবেল বেল্ট—গুৱাহাটী সদৰ চাৰ্কেল, লক্ষিমপুৰ টাউন আৰু তামুলপুৰ ট্ৰাইবেল বেল্ট আদি। এইবিলাকত যিদৰে অবাধ অনুপ্ৰবেশ বে-দখল আৰু হস্তান্তৰ ট্ৰাইবেল মাটিৰ ওপৰত চলিব ধৰিলে সেইদৰে আৰু কেইবছৰমান চলিবলৈ দিলে অসমত আৰু ট্ৰাইবেল থাকিব নাপাব। ট্ৰাইবেলক যাদুঘৰতহে বিচাৰিব লাগিব। ভূমিপত্ৰ হৈও হেজাৰ হেজাৰ ট্ৰাইবেল মানুহ আজি ভূমিহীন, গৃহহীন হৈ নিজৰ ঠাইতেই হাঁহাকাৰ কৰি খাবলৈ দুমুঠি ভাত পিন্ধিবলৈ এটুকুৰা কাপোৰৰ কাৰণে এক কালৰ ঐতিহাসিক শাসক আৰু আজি ভিক্ষাৰি দিন মজুৰাৰ। খাছ, [illegible] সকল ঠাইতেই খেদা খাই উচ্ছেদ হৈ আজিৰ ট্ৰাইবেলৰ জীৱন-যাপন কুকুৰ শগুনতকৈও অধম হৈ পৰিছে। ট্ৰাইবেল বেল্ট উঠাই দি বীজানিত বিষ্ণুপুৰৰ কলনি বনাইছে—কিন্তু বহিৰাগতৰ উদ্ধাতৰ বাবে চৰকাৰ কান্দি কাটি হুলস্থুল। কিন্তু নিজ ৰাজ্যৰ নিজৰ ঘৰতেই উদ্ধাত হোৱা এই ট্ৰাইবেল সকলক মৰম কৰি পুনৰ সংস্থাপন বা পুনৰ বাসন কৰি দিয়াটো আমি স্বাধীনতাৰ ৩০ বছৰেও দেখিবলৈ নাপালো।

কংগ্ৰেছ হাৰিল—জনতা চৰকাৰ শাসনলৈ আহিল, কিন্তু বাজেট বক্তৃতা স্তুলেণ্ড ৰেভিনিউ আৰু লেণ্ড ৰিফৰ্মচৰ শিতানত ট্ৰাইবেলৰ মাটি সংৰক্ষণ কৰিবলৈ লোৱা ব্যৱস্থা কোনো এটা পৃষ্ঠাতেই মই দেখিবলৈ নাপালো কিন্তু জনতা চৰকাৰে আস্বাস দিছে যে ট্ৰাইবেল সকলৰ সকলোধৰণৰ স্বাৰ্থ পূৰণ কৰিবৰ অৰ্থে আহোপুৰুষাৰ্থ কৰিব। বিস্বাস আৰু আশা ৰাখিছো নতুন চৰকাৰে এই মিত্ৰ দলক প্ৰতাৰণা নকৰিব। সিদিনা মুখ্য মন্ত্ৰীয়ে এই সদনত কোনো ঠাইতে কোনো ধৰণৰ উচ্ছেদ কৰা নহব বুলি দিয়া বক্তৃতা শুনিবলৈ পাই আমি অলপ বিচলিত হৈছো—ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাকতো যিসকলে বে আইনী ভাবে বেদখল কৰি আছে সেই সকলোকো উচ্ছেদ কৰা নহবনেকি ? সেইটোৱেই যদি হয়—তেতিয়াহলে এডভাইচৰী কাউন্সিল ফৰ ৱেলফেয়াৰ অৱ চিডিউল ট্ৰাইবচ (প্লেইনচ) অন চেটলমেণ্ট অৱ লেণ্ড ইন ট্ৰাইবেল বেল্টৰ চাব কমিটিৰ ৰিপৰ্টৰ ১৫ পৃষ্ঠাত দিয়া ৰিকমেনডেচনৰ কি অৰ্থ থাকিব পাৰে ? এডভাইচৰী কাউন্সিল খন ৰখাৰ কি অৰ্থ থাকিব পাৰে। তাৰোপৰি আসাম লেণ্ড ৰেভিনিউ এক্টৰ ১০ ম চেপ্টাৰত থকা প্ৰভিজন বিলাকৰ কি অৰ্থ থাকিব পাৰে ?

মই আশা ৰাখিছো ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাকত বেআইনী বেদখলকাৰী সকলক বিকল্প ব্যৱস্থা দি উচ্ছেদ কৰি ভূমিহীন, গৃহহীন ট্ৰাইবেল লোকসকলক পুনৰ বসতিৰ বন্দৱস্ত কৰি দিয়ে। ট্ৰাইবেল সকলৰে এটা গোষ্ঠী বড়োসকলে সংবিধানত লিপিবদ্ধ হৈ থকা স্বত্ব মাতৃভাষাৰে অৰ্থাৎ বড়ো মাধ্যমত নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিব পৰা সুবিধা পাবৰ কাৰণেও আন্দোলন কৰিব লগীয়া হৈছিল। মাধ্যম পোৱাৰ পিচতো স্ক্ৰীপ্টৰ কাৰণে কংগ্ৰেছী শাসনৰ অধিনত পুলিচৰ অত্যাচাৰ সহি থাকিব লগীয়া হল। স্ক্ৰীপ্টৰ হল। স্ক্ৰীপ্টৰ কথা যেনেভাবে হলেও সমাধান হল। কিন্তু বৰ্ত্তমানেও বড়ো মাধ্যমেৰে শিক্ষা দিয়াৰ পাছত শিক্ষক নিয়োগ, স্কুল-ঘৰ নিৰ্ম্মাণ, সা-সৰঞ্জাম দিয়া ইত্যাদি ক্ষেত্ৰত বহুত আসোঁৱাহ ৰৈ গৈছে। এই আসোঁৱাহ অতি সোনকালে জনতা চৰকাৰে নোহোৱা কৰিব বুলি আমি আশা ৰাখিছো। স্কুলঘৰ নিৰ্ম্মাণৰ ক্ষেত্ৰত কব বিচাৰিছো যে আমাৰ গাঁৱলীয়া মানুহৰ তেনেই টকা পইচা নাই তেনেস্থলত স্কুলঘৰ নিৰ্ম্মাণ কৰিব কব পৰা? অইল ৰিফাইনেৰীৰ ওচৰত এখন স্কুল নিৰ্ম্মাণৰ কাৰণে চৰকাৰী মাটি দখল কৰা হৈছিল, কিন্তু এচ, ডি, অ'ই জনাইছে যে সেই মাটিৰ কাৰণে বিঘাই প্ৰতি ১৫ শ টকাকৈ প্ৰিমিয়াম দিব লাগিব। কিন্তু ট্ৰাইবেল সকলৰ আৰ্থিক অৱস্থা তেনেই শোচনীয় আৰু অৱস্থাহীন। তেনেস্থলত প্ৰতি বিঘাতে ১৫ শ টকা দিব কব পৰা? সেইদৰে আমাৰ ট্ৰাইবেল কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰতো বহুত আসোঁৱাহ আছে। তেওঁলোকক চৰাই আনক প্ৰমোচন দিছে কিন্তু ট্ৰাইবেল সকলক দিয়া নাই। কেন্দ্ৰীয় চৰকাৰে ট্ৰাইবেল কৰ্ম্মচাৰী সকলৰ দ্বিতীয় শ্ৰেণীৰ পৰা প্ৰথম শ্ৰেণীলৈ প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰা স্বত্বেও ৰাজ্যিক চৰকাৰে সেইটো ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। প্ৰমোচনৰ ক্ষেত্ৰত মই স্পষ্টভাবে কব পাৰো যে পঞ্চায়ত বিভাগত কাম কৰা শ্ৰীপ্ৰহলাদ দাস আৰু চন্দ্ৰ কুমাৰ গয়াৰীক প্ৰমোচনৰ পৰা বঞ্চিত কৰি ৰাখিছে। তাৰে এজন আগৰ সদস্যৰ পুতেক। ডেভেলপমেণ্ট বোৰ্ড অফিচতো বহুতকে প্ৰমোচন দিবলৈ বাকী আছে। তাৰ পাছত এ, পি, এচ, চিয়ে বেঞ্জাৰ ট্ৰেইনিঙৰ কাৰণে প্ৰাৰ্থী বিচাৰি শেষত জনাইছে যে ট্ৰাইবেল প্ৰাৰ্থীয়েই ওলোৱা নাই। কিন্তু এইটো কথা সত্য নহয় যে—এতিয়াও বহুত ট্ৰাইবেল প্ৰাৰ্থীয়ে দৰ্খাস্ত দিছে। কিন্তু তেওঁলোকৰ নাম এ, পি, এচ, চিয়ে এতিয়াও পঠিওৱা নাই। গতিকে তেওঁলোকৰ নাম বিলাক সোনকালে ৰিকমেণ্ড কৰি পঠাবৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো। এইদৰে যাতে সকলো ফালৰ পৰা বিচাৰ কৰি চাই সংবিধানত যিটো অধিকাৰ দিয়া হৈছে ট্ৰাইবেলৰ কাৰণে সেইটো অধিকাৰ কাৰ্য্যকৰী কৰি ট্ৰাইবেল সকলক বাকী অন্যান্য সম্প্ৰদায়ৰ সমপৰ্য্যায়লৈ উন্নতি কৰিবলৈ চেষ্টা কৰিব বুলি আমি আশা ৰাখিলো। ইতিমধ্যে গাঁৱলীয়া অঞ্চলত ট্ৰাইবেল লোকৰ কাৰণে উন্নয়ন মূলক আঁচনি হাতত লৈছে। আশা কৰো সেইবিলাক অতি সোনকালে কৰিব।

*মহম্মদ চামচুল হুদা :— মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট সদনত ডাঙৰি ধৰিলে সেইখন বাজেটক আজি মাননীয় সদস্য কেইজনমানে একেবাৰে সমাজবাদৰ বুনিয়াদ ৰচনা কৰিছে বুলি প্ৰশংসাপত্ৰ দিব বিচাৰিছে আৰু আন ফালৰ পৰা এটা তীব্ৰ সমালোচনা আহিছে। আমিও দেখিছো এই বাজেটখনত নতুনত্ব একেবাৰেই নাই। এই বাজেটখন আগৰ দৰেই এটা গতানুগতিক বাজেট। আগৰ ৩০ বছৰীয়া কংগ্ৰেছ আমোলৰ বাজেটতকৈ এই বাজেটৰ গুণগত পৰিবৰ্ত্তন একো দেখিবলৈ পোৱা নাই। সচা কথা কবলৈ গলে আমাৰ দেশত আজি যিবিলাক উন্নয়ণ মূলক কাম এতিয়ালৈ হৈছে—সেইবিলাক কেৱল মাত্ৰ সমাজৰ এক শ্ৰেণী মুষ্টিমেয় লোকৰ কাৰণেহে। অৰ্থাৎ শতকৰা ৩০ ভাগৰ পৰা ৪০ ভাগ মানুহৰ কাৰণেহে কেৱল উন্নয়নমূলক কাম হৈছে। বাকী শতকৰা ৬০ ভাগ৭০ ভাগ মানুহৰ কাৰণে বা সাধাৰণ মানুহ বিলাকে সেইবিলাক সুবিধা ভোগ কৰিবলৈ পোৱা নাই। একেবাৰে গাঁৱৰ ভাষাত কবলৈ গলে এই উন্নয়নমূলক কামৰ লগত নগঞা 'বাৰগঞা গেৰাম চিৰ্মনি' ভোজৰ লগত তুলনা কৰিব পাৰি।

---

*Speech not corrected.

বাৰগঞ্জ ভোজ বা গেৰাম চিমনি বুলি যাক কয়। এই ভোজ ৰাতি ১২ বজাৰ পৰা আৰম্ভ কৰি দিনৰ দুই বজাতহে ৰাইজক খাবলৈ দিয়ে। উপাধ্যক্ষ মহোদয়, ঠিক তেনেদৰেই যোৱা ৩১ বছৰে দেখা গল যিমানবিলাক কাম হল সেই সকলোবিলাক সুবিধা ভোগীয়েহে পালে। চৰকাৰে নিজেই কৈছে যে দেশৰ শতকৰা ৭৪ ভাগ মানুহ দাৰিদ্ৰ সীমাৰেখাৰ তলত। এই মানুহবিলাকৰ কাৰণে যেনেকৈ যোৱা ৩১ বছৰে একো কৰা নহল সেই একেদৰেই এই চৰকাৰেও একো ব্যৱস্থা লোৱা নাই। এই চৰকাৰে কাৰোবাক জাৰজেই বোলক বা মাকে নাম প্ৰকাশ নকৰা সন্তানেই বোলক ইয়াত দেখা যায় শিক্ষাৰ ক্ষেত্ৰত দশম মান শ্ৰেণীলৈকে মাচুল ৰেহাই দিয়াৰ যি ব্যৱস্থা কৰিলে সেই ব্যৱস্থা সুবিধা দেশৰ কিমান মাক-বাপেকৰ ল'ৰা-ছোৱালীয়ে লব পাৰিছে। যি সকলে দেশৰ সা-সম্পত্তি লুট কৰি ভাল মানুহ বোলাইছে সেই সকলৰ ল'ৰা-ছোৱালীয়েহে সেই সুবিধা ভোগ কৰিবলৈ সক্ষম হৈছে। যিবিলাক পৰিয়ালৰ মাক-বাপেকে, শিক্ষাৰ মুখ দেখা নাই, তেওঁ নিজৰ ল'ৰা-ছোৱালীক শিক্ষাৰ পোহৰলৈ আনিব পৰা নাই। যি সকল অধিকাৰত ডুব গৈ আছে সেই সকলৰ কাৰণে আজি আমি কি কৰিছো? যাৰ ঘৰেই নাই, ভোট দুলিবলৈ নাই, সেই সকলৰ কাৰণে কি ব্যৱস্থা আমি কৰিবলৈ বিচাৰিছো?

উপাধ্যক্ষ মহোদয়, ৰাস্তাৰ কাষেদি গলে আমি দেখা পাওঁ আলিৰ কাষত এক শ্ৰেণীৰ লৰাই গৰু চৰাই আছে। সি নিজে শিক্ষাৰ পোহৰ দেখা নাই। তাৰ মাক-বাপেক কেতিয়াও স্কুললৈ যোৱা নাই। যোৱা ৩১ বছৰে এই নিৰক্ষৰ শ্ৰেণীটোৰ কাৰণে আমি কি কৰিব পাৰিলো? উপাধ্যক্ষ মহোদয়, আমি আজি অনেক স্কুল-কলেজ পাতিছো। কিন্তু পাঠশালা স্কুলত নিজৰ লৰা-ছোৱালীক কত মাক-বাপেকে পঢ়ুৱাবলৈ পঠাব পৰা নাই। কাৰণ তেওঁলোকৰ লৰা-ছোৱালী নিজে ডাঙৰ হৈ যেতিয়ালৈকে উপাৰ্জন কৰিব নোৱাৰে তেতিয়ালৈকে সিহত জীয়াই থকাৰ অধিকাৰ নাই।

উপাধ্যক্ষ মহোদয়, আমি ইয়াত কেনটিনত ভাত খাইছো। আপোনাকো মাজে সময়ে কেনটিনলৈ গৈ ভাত খোৱা দেখোঁ। কিন্তু উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় দেখা পাইছে যে তাত যি কেইটা ৭/৮ বছৰীয়া লৰাই আমাক চাৰ্ভ কৰিছে তেওঁলোকে জানো সামাজিক ভাবে শিক্ষা লাভ কৰাৰ অধিকাৰ নাই? সেই নাবালক লৰা-ছোৱালী বোৰে ৰাতি-টোও মাক-বাপেকৰ লগত থকাৰ অধিকাৰ নাই। যি দেশৰ শতকৰা ৭৪ ভাগ মানুহ দাৰিদ্ৰ সীমাৰেখাৰ তলত সেই দেশৰ মানুহেহেই আমি নিজৰ দেশখন স্বাধীন দেশ বুলি জাহিৰ কৰিব বিচাৰিছো এই পৃথিবীৰ বুকুত।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ দেশৰ এক শ্ৰেণী মানুহৰ থাকিবলৈ ঘৰ নাই, আনকি থকাৰ বাবে ভেটি এটাও নাই। ৰাস্তাৰ ফুট পাথত, ডাঙৰ গছৰ তলত ৰাতিটো কটাব লগা হয়। উপাধ্যক্ষ মহোদয়, গৃহহীনৰসমস্যা আমাৰ দেশত আগৰে পৰা আছিল। যি সময়ত কংগ্ৰেছে চিলিং আইন আৰু আধিয়াৰ আইন কাৰ্য্যকৰী কৰিবলৈ ললে সেই সময়ত এই ক্ষেত্ৰত আগতীয়াকৈ কোনো ব্যৱস্থা নললে, যাৰ ফলত ৰাতিটোৰ ভিতৰতে হেজাৰ হেজাৰ, লাখ লাখ মানুহ গৃহহীন হব লগা হল। চিলিং আইন কাৰ্য্যকৰী কৰিব বুলিয়েই ৰাতিটোৰ ভিতৰতে মালিকে আধিয়াৰ সকলক উচ্ছেদ কৰিলে। নিজৰ ভেটি বুলি-বলৈ নথকাত ৰাতিটোৰ ভিতৰতে গৃহহীন হৈ ঘূৰি ফুৰিব লগীয়া হল। জৰুৰী অৱস্থাৰ সময়ত কংগ্ৰেছ চৰকাৰে বেআইনী ভাবে আৰু অগণতান্ত্ৰিক ভাবে ঘোষণা কৰা জৰুৰী অৱস্থা যুক্তি সঙ্গত বুলি প্ৰমাণ কৰিবলৈ যত্ন কৰিছিল মাটিহীনক মাট দিয়াৰ ব্যৱস্থাৰে। কিন্তু কাৰ্য্য ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰে যেনেকৈ বলিষ্ঠ পদক্ষেপ লব নোৱাৰিলে ঠিক তেনেকৈ জনতা চৰকাৰেও কিবা পদক্ষেপ লৈছে বুলি আমি দেখা শুনা নাই। ভেৰা ছাগলিৰ দৰে মানহবিলাক ঘূৰি ফুৰিব লগা হৈছে। যদি সচাঁকৈ এই বোৰ আইনৰ জৰিয়তে ভূমিহীনক ভূমি দিয়াৰ ব্যৱস্থা কৰিবলৈ বিচৰা হৈছিল তেন্তে ১০ বিঘা

নালাগে, ৫ বিঘা নালাগে এবিঘা নালাগে একঠা মাটি দি গৃহহীনক ভেটিটো দি সংস্থাপন কৰাৰ ব্যৱস্হা কৰক। তাকে নকৰি যদৰ গামী এটা প্ৰস্তুতি আগৰ চৰকাৰে কৰিছিল।

উপাধ্যক্ষ মহোদয়, যোৱা ৩০ বছৰেই অনাহাৰত মানুহৰ মৃত্যু হৈছে এনে নহয়, এই জনতা চৰকাৰৰ দিনতো এই বছৰো অনাহাৰত যে মানুহৰ মৃত্যু হৈছে তাৰ প্ৰমাণ মই দিম। পৃথিবীৰ একমাত্ৰ দেশ চীন যত ১৯৫২ চনতে অনাহাৰত জীৱ জন্তুৰ দৰে মানুহ মৰিছিল বুলি আমি শুনিবলৈ পাইছিলো। তাৰ পিচত দেখা পাইছো চীনতকৈয়ো আগতে স্বাধীন হোৱা আমাৰ দেশতো অনাহাৰত মানুহ জীৱ জন্তুৰ দৰে মৃত্যুৰ মুখত পৰিব লগীয়া হৈছে। যোৱা ৩০ টা বছৰে গাঁৱৰ যিবিলাক মানুহৰ ভেটি নাই, মাটি নাই আৰু যি সকলৰ জীৱিকা নিৰ্বাহৰ কোনো পথ নাই সেই মানুহ খিনিয়ে বছৰটোৰ দুই তিনি মাহহে হাজিৰা কৰাৰ সুযোগ পাই অৰ্থাৎ কাম পায়। যোৱা ৩১ বছৰে এই মানুহখিনিৰ বাবে কোনো পৰিকল্পনা কৰা নহল। এতিয়া জনতা চৰকাৰেও যে এই মানুহখিনিৰ বাবে কিবা কৰিছে সেইটো মই কব নোখোজো।

উপাধ্যক্ষ মহোদয়, এই জনতা চৰকাৰৰ দিনতো অনাহাৰত মানুহৰ মৃত্যু হৈছে। তাৰ ভিতৰত তিনিজন মানুহৰ নাম মই কওঁ—(১) ক্ষুদ আলি—ঢিং মৌজাৰ, (২) হাচান আলি—বৌমাৰি বটদ্ৰৱা আৰু (৩) ওৱাহেদ আলি টাঙন মৌজা। এই কেইজন আমাৰ ওচৰে পাজৰে থকা মানুহ, সেই কাৰণে আমি তেওঁলোকৰ নাম কব পাৰিছো। কিন্তু দূৰ দূৰণীত যি সকল মানুহ মৰিছে সেইসকলৰ খবৰ ৰাখোতা নাই।

মই চৰকাৰক কৈছো যেতিয়ালৈকে আমাৰ কৃষক সকলৰ উন্নতি সাধন কৰিব নোৱাৰে. যেতিয়ালৈকে শিল্প, কল কাৰখানাত আমাৰ কৰ্মহীন মানুহক নিয়োগ কৰিব নোৱাৰে তেতিয়ালৈকে এই সকল মানুহক কিবা এটা কৰি খোৱাৰ উপায় উলিয়াই দিব লাগিব। নহলে এই মানুহখিনিৰ কাৰণে এনে ব্যৱস্হা কৰা উচিত যে তেওঁলোকে খেতি কৰাৰ পিচত যি ৯ মাহ বহি থাকে সেই ৯ মাহো যাতে বহি থাকিব নালাগে তাৰ ব্যৱস্হা কৰি দিব লাগিব। খেতি কৰাৰ পিচতো যাতে তেওঁলোকে কাম কৰি জীয়াই থাকিব পাৰে। যদি এইটোকে কৰিব নোৱাৰে তেতিয়াহলে হাজাৰ হাজাৰ, লাখ লাখ মানুহ অনাহাৰত মৃত্যুৰ মুখত পৰিব। কংগ্ৰেছ চৰকাৰে যেনেকৈ ৩১ বছৰ শাসন কৰি গাদিৰ পৰা আতৰি যাব লগীয়া হল যদি কোনো ব্যৱস্হা কৰিব নোৱাৰে তেতিয়াহলে এই জনতা চৰকাৰো ৫ বছৰেই হওক বা ৩ বছৰেই হওক বা কিছুদিনৰ পিচতেই হওক থাকিব।তাৰ পিচত যেতিয়া খোজ কাঢ়ি গৈ মানুহ ৰাতিহলে মুচাফিৰ খানাত থাকিবলগীয়া হয় আৰু ৰাতি পুৱাতে পুনৰ খোজ আৰম্ভ কৰে থিক তেনেকৈয়ে এই চৰকাৰেও খোজ আৰম্ভ কৰিব লাগিব। এই জনতা চৰকাৰে গতানুগতিক ব্যৱস্হা এৰি আমাৰ দেশত শতকৰা যি ৭৫ ভাগ দৰিদ্ৰ মানুহ আছে সেই সকলৰ জীয়াই থকাৰ ব্যৱস্হা এই চৰকাৰে কৰিবই লাগিব। ইয়াৰ কাৰণে যি ৰাৱ ফুটিঙত মানুহৰ জিবিকাৰ ব্যৱস্হা কৰিব লাগে সেই ব্যৱস্হা কৰা হোৱা নাই। আৰু এই দৰেই চলি থাকিবলৈ দিলে মানুহ বেহিচাবী হৈ মৰিব লাগিব। মই এটা উদাহৰণ দি কব বিচাৰিছো যে যোৱা বছৰ যেতিয়া মইবিধান সভাৰ সদস্য নাছিলো তেতিয়া এটা লৰাৰ অনাহাৰত মৃত্যু হল। মই অনুসন্ধান কৰি জানিব পাৰিলো যে লৰাটোৰ ককাক তেতিয়াও জীয়াই আছে। ককাদেউতাকৰ সন্মুখতে নাতিয়েকে মৃত্যু বৰণ কৰিলে। ককাকৰ ক্ষমতা নাছিল যে মাহৰ পিচত মাহ ধৰি নাতিয়েকক খোৱাই ৰাখিব পাৰিব। আজি আমাৰ মানুহৰ অৱস্হা হৈছে কাকো কোনেও খোৱাই জীয়াই ৰাখিব নোৱাৰে। এয়ে হৈছে আজি আমাৰ মানুহৰ অৱস্হা। এই বিলাক মানুহৰ কাৰণে কোনো ব্যৱস্হা চৰকাৰৰ হাতত নাই। মাত্ৰ ৩৬ ভাগ ধনী মানুহৰ কাৰণে সকলো বিলাক ব্যৱস্হাই আছে। হয়তো এই চৰকাৰক কোনোবাই প্ৰগতিবাদী বুলি কব পাৰে, কোনোবাই গনতান্ত্ৰিক বুলি কব

পাৰে কিন্তু দৰিদ্ৰ সীমা ৰেখাৰ তলত যি শতকৰা ৭৫ ভাগ মানুহ আছে সেই সকলৰ কাৰণে কোনো ব্যৱস্থা নাই। চৰকাৰে যি মাচুল মাফ দিছে সেই মাচুল এই শ্ৰেণীৰ মানুহৰ কাৰণে নহয়, যি খাজনা মাফ দিছে সেই খাজনা মাফ এই শ্ৰেণীৰ মানুহৰ কাৰণে নহয়। কাৰণ এই শ্ৰেণী মানুহৰ মাটিয়েই নাই। গতিকে খাজনা মাফ দিলে এই শ্ৰেণীৰ মানুহৰ কি লাভ হব? এই শতকৰা ৭৫ ভাগ মানুহৰ কাৰণে কি কৰিছে? গতিকে উপাধ্যক্ষ মহোদয়, মই চৰকাৰক অনুৰোধ কৰিছো অনান্য সদস্য সকলে কোৱাৰ দৰে যদি এই দৰেই সমাজ বাদ প্ৰতিস্হা কৰিব বিচাৰিছে তেতিয়াহলে এই সমাজবাদ সমাজ বাদ নহয়। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে কৈছে, প্ৰধানমন্ত্ৰী শ্ৰীমোৰাজী দেশায়ে কৈছে যে তেওঁলোকে মধ্যম পন্থাৰ অৰ্থনীতি অবলম্বন কৰিছে। মধ্যম পন্থা হৈছে দালালি। ইফালেও কব সিফালেও কব। মধ্যম পন্থাৰ অৰ্থনীতি বুলি কোনো অৰ্থনীতি পৃথিবীত নাই। হয় ই হব লাগিব পুজিবাদ নহয় ই হব লাগিব সমাজতন্ত্ৰবাদ। মই বিস্বাস কৰো একে দিনাই ভাৰতবৰ্ষ বা কিনো দেশেই সমাজবাদ প্ৰতিস্হা কৰিব নোৱাৰে। কিন্তু সমাজবাদৰ যি বুনিয়াদ সেই বুনিয়াদ তৈয়াৰ কৰিব পাৰে। সমাজবাদ প্ৰতিস্হা কৰিব নোৱাৰিলে ভাৰত-বৰ্ষত সমস্যা সমাধান কৰিব নোৱাৰে। জনতা চৰকাৰে যদি প্ৰকৃত সমাজবাদ প্ৰতিস্হা কৰিব নোৱাৰে তেতিয়াহলে কেতিয়াও মানুহৰ সমস্যা সমাধান কৰিব নোৱাৰিব। কিন্তু পুজিবাদৰ পৃষ্ঠপোষকতা কৰি এই দুখীয়া মানুহ বিলাকক বেচাৰ ব্যৱস্হা কৰিব পাৰিব। অৰ্থাৎ যি বিলাক মানুহৰ বস্ত শোষণ কৰিব লাগিব সেই বিলাক মানুহক জীয়াই ৰাখিব লাগিব তেওঁলোকৰ বস্তৰ কাৰণে। এই বিলাক মানুহ মৰি গলে বস্ত শোষণৰ কাৰণে মানুহ কত পাব। সেই কাৰণেই এই মানুহ বিলাকক এই চৰকাৰে জীয়াই ৰাখিব লাগিব। কিন্তু আচৰিত কথা যে চৰকাৰে এই মানুহ বিলাকক জীয়াই ৰখাৰ ব্যৱস্হা কৰা নাই। চিকিৎসাৰ কাৰণে এওঁলোকক কোনো সুবিধা দিয়া নাই। চিকিৎসাৰ ক্ষেত্ৰত মাত্ৰ ৪ অনা পইচা মাফ দিছে। মই কৈছো যে জনতা চৰকাৰে ৪ অনা পইচা মাফ দিলে একোৱেই নহব। আনকি আমাৰ মানুহে ৪ অনা পইচা কিয় এক টকালৈকে দিবলৈ ৰাজি আছে মাত্ৰ তেওঁলোকক যি খিনি ঔষধৰ প্ৰয়োজন সেই খিনি ঔষধৰ যোগান ধৰিব লাগিব। নহলে ৪ অনা পইচা মাফ দি ভেকুভাওনা কৰি দেখুৱালে নহব। হস্পিটাল বিলাকত ঔষধৰ যোগান নাই। ঔষধ বেমাৰিক দিব নোৱাৰে। গতিকে ঔষধ পাতিৰ ব্যৱস্হা কৰক। যি বিলাক লাখ লাখ টকাৰ ঔষধ আনে সেই বিলাক গোদামত পৰি থাকোতেই এক্সপাৰীটিৰ ডেট পাৰ হৈ যায়। ১২ লাখ বেজি আনিলে তাৰ ২ লাখ মান মানুহক দিয়ে বাকী বিলাক তলে তলে মোনে মোনে ভাৰে পাৰে বিক্ৰী কৰে। কিন্তু ফাৰ্মে যিমান টকাৰ বেজি চপ্লাই কৰে সিমান টকা যায়। ফলত আমাৰ মানুহৰ কোনো উপকাৰ নহয়। যি বিলাক ধনী মানুহ নগৰ চহৰৰ হস্পিটললৈ আহিব পাৰে, প্ৰাইভেট ডাক্টৰক দেখুৱাব পৰে সেই সকলৰ কাৰণে সকলো আছে। কিন্তু যি বিলাক মানুহ নগৰ চহৰৰ হস্পিটাললৈ আহিব নোৱাৰে পইচা খৰচ কৰিব নোৱাৰে সেই সকলৰ কাৰণে একো ব্যৱস্হা নাই। এই মানুহ খিনিৰ চিকিৎসাৰ ব্যৱস্হা কৰিব লাগে। যি বিলাক লৰাই কেণ্টিনত চাকৰি কৰি আছে, যি বিলাক লৰাই পানৰ দোকান দি আছে সেই সকলৰ কাৰণে মই আগতেই কৈছো যে তেওঁলোকৰ লৰা ছোৱালী পঢ়াবৰ কাৰণে বাপেকক ১০০ টকাকৈ এলাউন্স দিব লাগে কিন্তু এই ব্যৱস্হাও চৰকাৰে কৰা নাই।

উপাধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচৰে পৰাই কৃষিৰ ক্ষেত্ৰত অবহেলা কৰি আহিছে। আজি শতকৰা ৮০ ভাগ মানুহেই কৃষিজীবি। শৰকৰা ৮০ ভাগ মানুহ কৃষিৰ ওপৰত বৰ্ত্তি আছে। কিন্তু ইয়াৰ কাৰণে পানীৰ ব্যৱস্হা নাই, সাৰৰ ব্যৱস্হা নাই। আমাৰ ইয়াত আগতে বানপানী হোৱাত হাল্লা হোৱাত ৰাজেন্দ্ৰ নাথ ৰাষ্ট্ৰপতি থকাৰ কালত, তেতিয়া বিহাৰৰ পৰা বহুত ইঞ্জিনিয়াৰ আনি বালিৰে মাঠাউৰি বান্ধিলে। এই বিলাক ভাঙি গল। কোনো শ্লুইচ গেটৰ ব্যৱস্হা নকৰিলে। আমাৰ অসমৰ যি মাটি সেই মাটিত আন একো দিব নালাগে।

কেৱল পানী দিলেই আমাৰ মানুহে খেতি কৰিব পাৰে। এতিয়া যি পদ্ধতিত জলসিঞ্চনৰ কাম আৰম্ভ কৰিছে সেই দৰে হলে ১০০ বছৰতো আমাৰ দেশত জলসিঞ্চনৰ ব্যৱস্থা কৰিব নোৱাৰিব। আমাৰ যি বিলাক টিউব ওৱেল দিছে সেই বিলাকেৰে ১।২ ঘৰ মানুহৰ উপকাৰ হোৱাৰ বাহিৰে একো হোৱা নাই। মই নিজে টিউবওৱেলৰ কাৰণে আজি ৯ বছৰ ধৰি দৰখাস্ত কৰি আহিছো। আজিলৈকে একো পোৱা নাই। এই দৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিলে নহব, জলসিঞ্চনৰ পোনপতিয়া ব্যৱস্থা কৰক। যি কৰে তাকে আন্তৰিক-তাৰে কৰক। প্ৰতি ২০০ বিঘা মাটিত টিউবওৱেল বহুৱাওক। যি পইচা দিয়ে তাক পানী দিয়ক।

জলসিঞ্চনৰ এই ব্যৱস্থা কৰিলে অহা দহ কি পাচ বছৰৰ ভিতৰত গোটেই অসমত টিউব ওৱেল পদ্ধতিৰে জলসিঞ্চন ব্যৱস্থা হব পাৰে। তাকে নকৰি মণ্ডলত ৰাজহুৱা ৰিপোৰ্ট দিবলৈ দিয়া হয় একো নহব। মণ্ডলৰ ওচৰলৈ গলে মণ্ডলে কয় মন্ত্ৰীয়ে কি দিব, মই দিম টকা। মোৰ কলমহে আচল কলম। তাৰ পিচত মণ্ডলে ঘূৰাব, কানানগৰুৱে ঘূৰাব, এচ, ডি, চিয়ে ঘূৰাব। তাৰ পিচত কব পট্টাত বহুত মানুহৰ নাম আছে, নাম বিলাক কটাই আনা। এই দৰে কৰিলে টিউব ওৱেল পোৱা নহয়। আজি লেণ্ড মৰ্টগেজ বেংকে ১৫শ টা টিউব ওৱেল লৈ ঘূৰি ফুৰিছে, হাহাকাৰ কৰি ফুৰিছে মণ্ডল কানানগুৰ অফিচৰ মেৰপাকত। যদি সচাকৈ অসম চৰকাৰে কৃষিৰ উন্নয়ণ কৰিব খুজিছে তেন্তে দায়িত্ব লৈ বিনা পইচাই কোনো কাগজ পত্ৰ নোহোৱাকৈ পথাৰত সোমাই যাওক। প্ৰথমতে দহশ বিঘা মাটিত একোটা টিউব ওৱেল বহুৱাই দিয়ক। নমুনা হিচাবে আৰম্ভ কৰক, পানী দিয়ক, পানীৰ পৰা খেতি হওক, খেতিয়কে পইচা দিব। যদি খেতিয়কে পইচা নিদিয়ে প্ৰয়োজন পৰিলে সেই খেতিৰ মাটি চৰকাৰী কৰি পেলাওক। তাৰ কাৰণে ভাৰতৰ অসমৰ ৰাইজে আপত্তি নকৰে।

উপাধ্যক্ষ মহোদয়, নিয়োগৰ ক্ষেত্ৰত দেখা যায় কৰবাত এটা দুটা চাকৰি ওলায় আৰু তাৰ কাৰণে হাহাকাৰ ৩১ বছৰে বিভাগত চলি আছে। পৃথিবীৰ কোনো দেশতে চৰকাৰী অফিচত চাকৰি দি নিয়োগৰ সমস্যা সমাধান কৰিব নোৱাৰে। শিক্ষিত নিবনুৱা সকলৰ কাৰণে প্লেনিং লাগিব। চৰকাৰে প্ৰথমতে ঠিক কৰা উচিত যে আমাৰ দেশৰ গাঁওআৰু চহৰ বোৰত কিমান মানুহ নিবনুৱা হৈ আছে। কিমান শতাংশক কৃষিত নিয়োগ কৰিব পৰা যাব সেই সকলৰ কাৰণে কৃষিৰ আধুনিক পদ্ধতিৰ ব্যৱস্থা কৰি তাত নিয়োগ কৰক। বাকী খিনি শিল্প কাৰখানাত নিয়োগ কৰিবৰ কাৰণে তাৰ ব্যৱস্থা কৰক। এই ব্যৱস্থা যেতিয়ালৈকে নকৰে—কংগ্ৰেছৰ ৩১ বছৰৰ পিচত জনতা আহিছে, জনতাও যাব। অন্য দল আহিব। আমাৰ হাতত আহিলে বেলেগে প্লেনিং কৰিম। আজি কংগ্ৰেছ বন্ধু সকলে ভাবিছে জনতাৰ বিৰোধে সমালোচনা হৈছে, গতিকে আমাৰ ফালে ৰেলটো আহিব। সেই ৰেল তেওঁলোকৰ ফালে নাযায়। ভাৰতৰ জনসাধাৰণে পৰিস্কাৰ ভাবে কৈছে জনতা চৰকাৰ হল মুচাফিৰ খানা। ভাৰতৰ মানুহক ৰাজনৈতিক ভাবে, সামাজিক ভাবে, অৰ্থ-নৈতিক ভাবে ঠিক কৰিবলৈ হলে বৈজ্ঞানিক সমাজতন্ত্ৰবাদ হব লাগিব। কমিউনিষ্টৰ শাসন নহলে ভাৰতৰ মুক্তি নাই। তাৰ কাৰণে ইতিমধ্যে ভাৰতৰ জনসাধাৰণে যাত্ৰা আৰম্ভ কৰিছে। ইনটেৰিম পিৰিয়দটোত উপায় নাপাই জনতাৰ ঘৰত সোমাইছে। মুচাফিৰ ঘৰ। গন্তব্য স্হানৰ যাত্ৰা আৰম্ভ কৰিলে বাটত ৰাতি হলে মুচাফৰ খানাত ৰাতিটো শুৱে। আকৌ ৰাতিপুৱা যাত্ৰা আৰম্ভ কৰে গন্তব্য স্হানলৈ। যদি মুচাফিৰ খানাৰ সেৱা শুশ্ৰুষা ভাল দেখে তেন্তে আৰু এদিন থাকি যায়, কিন্তু পিচ দিনা ৰাতিপুৱা যাত্ৰা আৰম্ভ কৰে। জনতা চৰকাৰ মুচাফিৰ খানা, শৰাই ঘৰ এৰাতিৰ প্ৰবাস ঘৰ। সেই কাৰণে কৈছো আজি নিবনুৱা সকলৰ কাৰণে ব্যৱস্হা কৰক। এই বিয়োগৰ ক্ষেত্ৰত ওৱাৰ ফুটিং ব্যৱস্হা কৰক। সেই কাৰণে ফুড ফৰ ওৰ্বাক ব্যৱস্হা কৰক যাতে নিবনুৱা সকলক খটুৱাব পাৰি। দুই চাৰিটা ঠিকাদাৰক চহকী নকৰি ফুড ফৰ ওৰ্বাক পদ্ধতিত গড়কাপ্তানি ৰাস্তা, মথাউৰী আদিত গোটেই বছৰ কামত লগাই ৰাখিব পাৰো।

ইয়াৰ জৰিয়তে গোটেই বছৰ কৰ্মহীন মানুহ জীয়াই থাকিব। শিক্ষিত যুৱকক এশ, দুশ ভাট্টা দি প্ৰাথমিক শিক্ষাৰ কাৰণে লগাই দিয়ক। শিক্ষা বিভাগৰ নিয়ম অনুসৰি তেওঁলোকে বৈঠক খানাত, নামঘৰত স্কুলৰ বাৰান্দাত প্ৰাথমিক শিক্ষা দিয়ক। ঠিক সেই দৰে বেকাৰ ভাট্টা দি কৃষিত লগাই দিব পাৰো, শিল্পত লগাই দিব পাৰো। বেকাৰ সকলক লগাই দি চাইদ বাই-চাইদ স্হায়ী প্লেনিং কৰক। তাৰ কাৰণে আৰু ধাৰ কৰক। এক দলে কৈছে বহু ধাৰ হল আৰু একদলে কৈছে ধাৰ কৰিব নালাগে। মই কৈছো বাইজৰ যদি উপকাৰ হয় তেনেহলে আৰু ধাৰ কৰক চৰকাৰী ভৰালৰ এটা চুক খাই পৰাকৈ ধাৰ কৰক। বেকাৰ সকলক বেকাৰ ভাট্টা দি উৎপাদনশীল কামত নিয়োগ কৰিবৰ কাৰণে চৰকাৰী ভৰালৰ এটা চুক খাই পৰিলেও আৰু ধাৰ কৰক। যদি উৎপাদন নহয় টেলিভিচন পাতি কি হব? কংগ্ৰেছৰ আঢ়ৈ মাহ হল, দীৰ্ঘ দিন বাদ পৰিব পাৰে জনতা চৰকাৰৰ কাৰণে কৈছো, মই সোৱৰাই দিছো। আমাৰ দেশ স্বাধীন হল। মাৰ্কিনৰ প্ৰৰোচনাত পৰি টেলিভিচন, কেমেৰা, লাইব্ৰেৰীত ৰেডিও দিলে। এই বিলাক হল আনপ্ৰডাকটিভ ইনভেষ্টমেন্ট। উৎপাদনশীল কামত টকা ধাৰ কৰক আপত্তি নাই। এখেত সকলে যদি বাজেট পৰিবৰ্ত্তন নকৰে তেন্তে আগৰ একে অৱস্হাই চলি থাকিব। গুণগত একো পৰিবৰ্ত্তন দেখুৱাব নোৱাৰিব। দৰিদ্ৰ সীমাৰেখাৰ তলত থকা শতকৰা ৭৪ ভাগ মানুহৰ সা-সুবিধা আগৰ দৰে এতিয়াও নাই। সেয়ে অনুৰোধ কৰিছো ৰেকৰ্ড প্ৰতিষ্ঠা কৰক। জনতা চৰকাৰে তিনি মাহৰ কাৰণে ইনটেৰিম বাজেট দি তিনি মাহ পিচত জনমুখী বাজেট দিয়ক। যিসকল সৰ্বহাৰাই শিক্ষাৰ পোহৰ দেখা নাই, থাকিবলৈ ঘৰ নাই, সপোনত থকা ঘৰৰ কথা চিন্তা কৰিব নোৱাৰে তেওঁলোকৰ কাৰণে বিনা পইচাই চিকিৎসা দিয়ক। তেওঁলোকৰ লগত থাপ খুৱাই আঁচনি তৈয়াৰ কৰক। যি সকলে দেশ ৰক্ষা কৰিছে, সেই বিলাক মানুহৰ কাৰণে কৃতজ্ঞতা স্বৰূপে কাম কৰা উচিত। তেওঁলোকে ধান উৎপাদন কৰিছে। তেওঁলোকে ধান উৎপাদন নকৰিলে বাবুৰ মুখত নোসোমায়। সমাজৰ অৰ্থনীতিৰ এটা বিৰাট অংশ অতিকৈ পিচপৰা। শতকৰা ৭৪ ভাগ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। তেওঁলোকৰ কাৰণে তিনি মাহৰ পিচত জনমুখী এখন বাজেট দাঙি ধৰিবৰ কাৰণে অনুৰোধ জনাই বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীবাৰেলং টেৰাং :— মাননীয় উপাধ্যক্ষ, মহোদয়, আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে যি বাজেট দাঙি ধৰিছে সেই বাজেটৰ সম্পৰ্কত মই কেইটামান কথা কবলৈ বিচাৰিছো। এই বিষয়ে আমাৰ মাননীয় সদস্য সকলে না না ৰকমে আলোচনা কৰিছে। মই মাত্ৰ দুষাৰমান কথা কবলৈ বিচাৰিছো। আমাৰ ফৰেষ্ট সম্পৰ্কে বিশেষকৈ আমাৰ কাৰবি আংলং জিলাত না না বেমাজালী ঘটিছে। আমাৰ ফৰেষ্টৰ যিটো সমস্যা আজি হৈছে সেইটো বোধকৰো গোটেই অসমৰে সমস্যা হৈছে। আজি আমাৰ বনজ সম্পদ লাহে লাহে ধ্বংস হৈ আহিছে। আমাৰ দিষ্ট্ৰিক্ট কাউন্সিল আৰম্ভ হোৱাৰ পৰা আজিলৈ এই ২৫ বছৰ কালত আমাৰ বনজ সম্পদ বহুতো নষ্ট হৈছে। ইয়াৰ প্ৰধান কাৰণ তিনিটা। ইয়াৰে এটা কাৰণ হল, বনজ সম্পদৰ অভাৱনীয় ভাবে বিক্ৰি কৰা। আনহাতে বিবলাৰ দৰে ডাঙৰ ডাঙৰ কোম্পানী বিলাকে কাৰবি আংলংত সোমাই ২।৩ ফালৰ পৰা গোটেই কাঠ কাটি গছ বিলাক শেষ কৰি আহিছে। আনহাতে বাহিৰৰ পৰা অন্যান্য মানুহ আহিও বনাঞ্চলত সোমাই আন অৰ্থ ৰাইজ হিচাবে তাত বসবাস কৰি বনাঞ্চল নষ্ট কৰিছে। এইদৰে আমাৰ বনাঞ্চলৰ বহুতো হানি হৈছে। ইয়াৰোপৰি বনাঞ্চলৰ যিবিলাক আইন কানুন আছে সেইবিলাক বনাঞ্চলত মানি চলা হোৱা নাই। গতিকে এই কথা বিলাকো আমি মন কৰিব লাগিব। এই বনাঞ্চল ধ্বংস কৰি যিবিলাক মানুহে বাহিৰৰ পৰা আহি খেতি বাতি কৰিছে সেইবিলাক অতি সোনকালে বন্ধ কৰি বনাঞ্চল ৰক্ষা কৰিব লাগে। আনহাতে কিছুমান মানুহে এইটো বেপাৰ হিচাবে লৈ দুখীয়া মানুহক তাত বহুৱাই খেতি বাতি কৰায়। আৰু পিচত কেচ আদি হলেও সেই ধনী লোক সকলে সেই দুখীয়া লোক সকলক সহায় কৰে। গতিকে এইবিলাক ব্যৱস্হা বন্ধ কৰিব লাগে নহলে বনাঞ্চল নাইকীয়া হৈ পৰিব। আৰু তাৰ ঠাইত গছ ৰূপন কৰাৰ ব্যৱস্হা কৰিব।

---

*Speech not corrected.

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কাজিৰঙা যিটো ওৱাইলদ লাইফ চেংচুৱৰি কাৰ্বি আংলংলৈ তাৰ পৰা ১৩ বৰ্গ মাইল, তাৰ ওচৰত চৰকাৰে যিটো ৰিজাৰ্ভ লৈছে তাত প্ৰায় ৩/৪ শ পৰিয়ালে বাস কৰিছে। সেইবিলাক মানুহৰ নিবৰ্বাচন কত হব এইটো ঠিৰাং কৰি দিব লাগে। এই সম্পৰ্কত নটিচ গৈ আছে। তাৰ পৰা যিবিলাক মানুহক উচ্ছেদ কৰা হৈছিল সেই লোক সকলক এতিয়াও কমপেনচেচন দিয়া হোৱা নাই। আনহাতে তেওঁলোকক মাটিও দিয়া হোৱা নাই। তেওঁলোক ৰিফিউজিৰ নিচিনা বহি আছে। চৰকাৰে এই বিষয়ে অনুসন্ধান কৰি সেই লোক সকলৰ নিবৰ্বাচনৰ কাৰণে ঠাই দেখুৱাই দিব লাগে। এই দায়িত্ব অসম চৰকাৰে লবনে? কেন্দ্ৰীয় চৰকাৰে লবনে, নাই আমাৰ দিচিট্ৰিক্ট কাউন্সিলে লব? এই বিলাকৰ এটা সুবন্দবস্ত কৰিবৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, শিক্ষাৰ সম্পৰ্কত মই এটা কথা কও। আমাৰ কাৰ্বি আংলং যিটো শিক্ষা ব্যৱস্থা চলিছে সেইটো অসমীয়া ভাষাৰ মাধ্যমত চলি আছে। কিন্তু আমাৰ তাত জনসাধাৰণে মাতৃভাষাৰ মাধ্যমত শিক্ষা আহৰণ কৰিবলৈ বিচাৰিছে। ভাৰতীয় সংবিধানতো এইটো স্বকৃতি দিয়া হৈছে। অটনমাচ দিষ্ট্ৰিক্ট যেতিয়া তাতো মাতৃভাষাৰ মিদিয়ামত সৰু সৰু লৰা-ছোৱালীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো গোটেই পৃথিবীতে চলিছে। মাতৃভাষা সৰুসৰু লৰা-ছোৱালীক শিক্ষা দিব লাগে। ইয়াৰোপৰি আমাৰ অৰিজিনেল ভাষাৰ লগত অসমীয়া ভাষাৰ কোনো মিল নাই। আমাৰ অৰিজিনেল ভাষা হৈছে মঙ্গোলীয় ভাষা। মঙ্গোলীয় ভাষাৰ লগত আৰ্য্য ভাষাৰ কোনো মিল নাই। উচ্চাৰণ কৰোতেও সংস্কৃতৰ উচ্চাৰণৰ লগত কোনো মিল নাই। আনহাতে সংস্কৃতত শ,ষ,স ঠাইত চ'চ' উচ্চাৰণ হয়। আমাৰ ভাষাত 'চ' নাই, চিএইচ আৰু চি এইচ আছে। আমাৰ দুয়োটা প্ৰভিজন আছে। ৰোমান ভাষাত ২৬ টা আখৰ আছে। ইয়াৰে শিকাবলৈ সহজ হয়।

সেইকাৰণে আমি উজু ভাৱত ভাৱিছিলো যে ৰোমান স্ক্ৰীপ্টত ২৬ টা আখৰ আছে। লৰা-ছোৱালীয়ে শিকিবলৈ সহজ। ছয় মাহৰ ভিতৰতে শিকা যায়। মাতৃভাষাত লিখা সেই কিতাপ পঢ়িব আৰু লিখিব পৰা যায়। তাৰ পিছত ছমাহ পঢ়িবলৈ চিঠি লিখিব-পঢ়িব আৰু বুজিব পৰা হয়। এই উজু পদ্ধতিটো আমি বিচাৰিছিলো। অসমীয়া বা হিন্দী মাধ্যমত পঢ়িবলগীয়া হলে প্ৰথম শ্ৰেণীত একবছৰ দ্বিতীয় শ্ৰেণীত এক বছৰ এইদৰে দুইবছৰ গুছি যায়। ৰোমান স্ক্ৰীপ্টত ছমাহ যত লাগে তাৰ ঠাইত অসমীয়া বা হিন্দীত কৰিব লগীয়া হলে দুইবছৰ সময় লাগে। তাৰোপৰি অসমীয়া বা হিন্দীত আখৰ হৈছে ৪৯টা। অথচ ইংৰাজীত মাত্ৰ ২৬টা আখৰহে আছে। তাৰ পিছত উচ্চাৰণৰ ক্ষেত্ৰটো সহজেই ৰোমান স্ক্ৰীপ্টৰ জৰিয়তে কথা প্ৰকাশ কৰিব পাৰি। সেইকাৰণেই এই আন্দোলনটো এসময়ত চলিছিল। কিন্তু অসম চৰকাৰৰ হস্তক্ষেপৰ ফলত সেইটো তল পৰিল আৰু টকাৰ কিতাপ পত্ৰ আদিও সেইদৰে থাকি গল। আনফালে ৰাইজেও সেইটো গ্ৰহণ নকৰিলে। গতিকেই মই আমাৰ নতুন চৰকাৰক এইটোৱেই অনুৰোধ কৰিম যে, সহজে লৰা-ছোৱালীয়ে বুজিব পৰা বা আয়ত্ব কৰিব পৰা এই স্ক্ৰীপ্টত চৰকাৰে হস্তক্ষেপ নকৰি এইটো যাতে চলাব ব্যৱস্থা কৰে তাৰ কাৰণে মই আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

তাৰ পিছত কৃষিৰ সম্পৰ্কত মই কেইটামান পৰামৰ্শ চৰকাৰক দিব খুজিছোঁ। সমতলত শতকৰা ৮০ ভাগ কৃষিজীৱি হব পাৰে কিন্তু আমাৰ তাত শতকৰা ৯৯ ভাগেই হৈছে কৃষিজীৱি। কিন্তু মাটিহীনক মাটি দিবৰ ব্যৱস্থা তাত নাই। মাটি এনেকুৱা এটা পদাৰ্থ নহয় যিটোক ৰবৰৰ নিছিনা বাঢ়ালে ওলাই যাব। ১৯৬১ চনৰ পৰা ১৯৭১ চনলৈকে কাৰবীআংলঙত প্ৰায় এক লাখ মানুহ বাঢ়িছে। এই সকল অকল কৰ্বিলোকেই নহয়। বাহিৰৰ পৰা অহা লোকো তাত সোমাই আছে। অসমত মাটি সোপে সোপে আছে বুলি ধৰি লৈ বাহিৰৰ মানুহ এইদৰে আহি থকাৰ কাৰণে তাৰ এই ১০ বছৰৰ ভিতৰতে দেৰলাখ মান মানুহ বাঢ়িল। সাংবিধানিক নিয়ম মতে সেইসকল বাহিৰাগত লোকক তাৰ পৰা উলিয়াই দিবৰ কাৰণে মই আমাৰ চৰকাৰৰ ওচৰত দাবী জনাইছোঁ ।

ইয়াৰ পিছত মই নিবনুৱা সমস্যাৰ কথাৰ ক্ষেত্ৰত এইটোকে কওঁ যে কাম কাজ নাইকীয়া লোক সকলক সংস্থান দিবৰ কাৰণে খেতিয়কৰ আঁচানৰ ব্যৱস্থা কৰি খেতি কৰাৰ ব্যৱস্থা কৰি দিব লাগে। অকল ৰূপিতহলেই যে খেতিৰ মাটি হয় সেইটো নহয়। পাহাৰৰ টিলাবিলাকো খেতিৰ মাটি। সেইবিলাকতো বিভিন্ন খেতি হব পাৰে। কুঁহিয়াৰ, আপেল আদিকৰি তেনেকুৱা খেতি বিলাক তাত হব পাৰে। সেইটো কৰিবৰ কাৰণেই ব্যক্তিগত ভাৱেই হওঁক বা যৌথ ভাৱেই হওঁক আমাৰ ডেকা সকলক খেতিত নিয়োগ কৰিবৰ কাৰণে আঁচানৰ ব্যৱস্থা কৰিব লাগে। আমাৰ জিলা খনত দুই এটা চৌনিকল হৈছে তাৰ ওচৰৰে পাজৰে বহুত বিলাক মাটি বাৰী আছে। তাত চাকৰি বাকৰি আদি নোপোৱা ডেকা সকলক খেতি কৰিবলৈ ওলালে মূলধন আদি দি খেতি কৰিবলৈ লগাব লাগে। মূলধনৰ অভাৱৰেই আমাৰ ডেকা সকলে খেতি আদি কৰিব পৰা নাই। গতিকেই চৰকাৰী কাম কাজ নোপোৱা আমাৰ শিক্ষিত ডেকা সকলক সংস্থান দিবৰ কাৰণে কৃষিৰ আঁচনি আদি লৈ ঋণ দিয়াৰ ব্যৱস্থা কৰিলে তেওঁলোকে খেতি বাতিত নিজকে নিয়োগ কৰি জীৱিকাৰ পথ উলিয়াব পাৰিব। আগৰ চৰকাৰে এই ধৰণৰ আঁচনি কৰি ঋণ দি আমাৰ শিক্ষিত আৰু চাকৰি নোপোৱা ডেকাসকলক নিয়োগ কৰিবৰ কাৰণে ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছিল যদিও সেইটো আজি পৰ্যন্ত হৈ নউঠিল। আন জিলাত এইটো নিদিবও পাৰে কিন্তু আমাৰ কাৰবী আংলঙ জিলাত এনেকুৱা কৃষিৰ যথেষ্ঠ মাটি আছে। তাত ৰবাৰ প্লেণ্টেশ্বন, কফি বাগান আদিৰ ব্যৱস্থা কৰিব পাৰিব। তাৰ উপৰিও কুকুৰা গাহৰীৰ ফাৰ্ম্ম, আদিও কৰিব পাৰিলেহেঁতেন। এই বিষয়ে আমি চৰকাৰৰ ওচৰত নিবেদন আদি কৰি থকা স্বত্বেও কাৰ্য্যত এইটো হৈ উঠাগৈ নাই। সেইকাৰণেই আজ আমাৰ ডেকা সকলক চাকৰিবাকৰি আদিৰ ক্ষেত্ৰত হাবাথুৰি খাই থাকিবলগীয়া হৈছে ।

তাৰ পিচত উদ্যোগৰ ক্ষেত্ৰত অলপ কওঁ। অসম ৰাজ্যখন এই দিশত ভাৰতবৰ্ষৰ ভিতৰত আমাৰ জিলাখন অসমৰ ভিতৰতেই পিছ পৰি আছে। উদ্যোগ একেবাৰেই নাই বুলিয়েই কবপাৰি। লামছাখাঙত এটা পেপাৰ মিল হোৱাৰ কথা আছিল সেইটো নহল। তাত সেইটো উদ্যোগ হোৱা হলে দুই এজন আমাৰ ডেকাই নিযুক্তি পালেহেঁতেন। তাৰ পিছত লা-ফেক্টৰী এটা হোৱাৰ কথা আছিল। সেইটোও নহল। জাগিৰোডনে কত পাতিলে। অৱশ্যে স্পান মিলৰ ক্ষেত্ৰত একো কথা নাই। শোৱালকুছি আদি যেগাৰ ফালৰ পৰাও বহুতো পোৱা যায়। গতিকে এইক্ষেত্ৰত বেয়া পোৱা নাই। কিন্তু জনতা চৰকাৰৰ ওচৰত মোৰ এইটো অনুৰোধ যে, যিহেতু আমাৰ জিলাখনত বিশেষ একো ডাঙৰ উদ্যোগ নাই গতিকে ফাৰ্টিলাইজাৰ ইণ্ডাষ্ট্ৰিৰ কাৰণে অতীৱ প্ৰয়োজনীয় ৰ মেটেৰিয়েল কয়লাৰ যথেষ্ঠ ব্যৱস্থা থকা এই জিলাখনত এটা ফাৰ্টিলাইজাৰ ইণ্ডাষ্ট্ৰিকে কৰিব বুলি আশা কৰিছোঁ ।

সেই দুই ঠাইৰে কেচামালৰ যোগান অপৰ্য্যাপ্ত পৰিমাণে আছে। তাত কয়লা যথেষ্ঠ পোৱা যায়, গতিকে তাত সাৰ কাৰখানা প্ৰতিষ্ঠা কৰাৰ কাৰণে বেছ সুচল। আনকি অইন ঠাইলৈও কেচা মাল চালান দিয়াৰ ব্যৱস্থা কৰিব পাৰি। এই সাৰ কাৰখানাটো হলে নিবনুৱা সমস্যা বহুপৰিমাণে সমাধান হব। গতিকেই মই সেইফালৰ পৰা নতুন চৰকাৰক এই ক্ষেত্ৰত এখন আঁচনি কৰিবৰ কাৰণে অনুৰোধ জনালো। তাৰ পিচত গড়কাপ্তানী ৰাস্তা সম্পৰ্কে দুই এটা কথা কম। সেই অঞ্চলটো অতি দুৰ্গম অঞ্চল। সদৰৰ পৰা যথেষ্ঠ দূৰ। তালৈ অহা যোৱা কৰিবলৈ দুই ফালৰ পৰাই বহুদূৰ যাবলগীয়া হয়। আৰু ৰাতি আহিলে নগৰত বৈ যাব লাগে, ষ্টেচনত থাকি থাকি আহিব লাগে। এফালে ৫০ মাইল যাব লাগে আৰু আনফালেও ৫০ মাইল যাব লাগে। এই লাংচেৰপৰা কুঠৰিলৈ ৰাস্তা কৰিলে ৩০ মাইল দীঘল হব। আৰু বাকী খিনি ৮০ মাইলৰ ভিতৰত আহাযোৱা কৰিব পৰা হব। সেইকাৰণে মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰীক এই সম্পৰ্কত বিশেষভাবে দৃষ্টি দিবৰ কাৰণে অনুৰোধ জনালো। তাৰ পিচত জনস্বাস্থ্য সম্পৰ্কত মই ডিচ্‌পেনচাৰীৰ বিষয়ে কওঁ। পাঁচ লাখ জনসংখ্যাৰ যিটো ডিচ্‌পেনচাৰী অৰ্থাত ডিষ্ট্ৰিক্ট ডিচ্‌পেনচাৰী ডিফুত আছে মাত্ৰ তাত ৭০ খন বিচনা আছে। তেনেক্ষেত্ৰত এই ৫ লাখ মানুহৰ কাৰণে ৭০ খন চিট্ দিলে চিকিৎসা কেনে হব সেইটো জানিবলগীয়া কথা। তাৰ পিচত বহুত ঠাই দনেকুৱাও আছে যত ডিচ্‌পেনচাৰী বিলাকত ডাক্তৰ নাই। ডাক্তৰ থাকিলেও ঔষধ নাই। এইবিলাক এই জনতা চৰকাৰৰ দিনত হোৱা কথা নহয়, কংগ্ৰেছৰ দিনতেই হোৱা কথা। তাৰোপৰি তালৈ ডাক্তৰ কোনো দিনাখন যাবলৈ নোখোজে আৰু কয় ডাক্তৰ নাই। কিন্তু বছৰি বছৰি ডিব্ৰুগড়, গুৱাহাটী, শিলচৰ মেডিকেল কলেজৰ পৰা ডেকা লৰা ডাক্তৰ হৈ ওলাইয়ে আছে। কিন্তু তালৈ কোনো ডাক্তৰ নাযায়। অৱশ্যে তাত বহুত অসুবিধা আছে। ঘৰ দুৱাৰ, খোৱাপানী, লৰা-ছোৱালীক স্কুলত পঢ়াবৰ কাৰণে স্কুলৰ ব্যৱস্থা, অহা যোৱাৰ কাৰণে ৰাস্তা-পদূলি ইত্যাদি যথেষ্ঠ অসুবিধা হোৱাৰ কাৰণে তালৈ কোনো ডাক্তৰ যাব নোখোজে। সেইকাৰণে মই পৰামৰ্শ দিব বিচাৰিছো সেইবিলাক ঠাইত হিলচ্ এলাউন্স নিদি এণ্টেৰিয়ৰ এলাউন্সৰ নামত বেঁছিকৈ টকা দিলে আৰু তেওঁ-লোকক সকলোখিনি সুবিধা কৰি দিলে নিশ্চয় তালৈ ডাক্তৰ আহিব। তাৰ পিচত সমাজ সেৱা, শিক্ষাৰ কথাত মই আহো।

তাত বহু টকা খৰচ কৰি স্কুল পতা হৈছে, সেই স্কুল বিলাকত লৰা-ছোৱালীয়ে ব্যৱহাৰ কৰিবৰ কাৰণে কেৰাচিন ইত্যাদি যোগান ধৰা হয়। কিন্তু সেই কেৰাচিনো লৰা-ছোৱালীৰ কামত ব্যৱহাৰ নকৰি সেইবিলাক বিক্ৰী কৰি খাই থয়। গতিকে এনেবিলাক কথাৰ প্ৰতি বিশেষ দৃষ্টি দিবৰ কাৰণে মই শিক্ষা বিভাগৰ দায়িত্বত থকা মন্ত্ৰীক তদন্ত কৰিবলৈ অনুৰোধ জনালো।

(সময়ৰ সংকেত)

খোৱা পানীৰ ক্ষেত্ৰত মই কওঁ যে দুই এটা টিউবৱেল দি এই খোৱা পানীৰ যোগান ধৰাটো অসম্ভৱ আৰু বেঁছিভাগ ঠাইত টিউবৱেল, বা কুৱা ইত্যাদি কৃতকাৰ্য্য হোৱা নাই। তাত মাত্ৰ এটাই উপায় আছে পাহাৰৰ পৰা নদী বোৱাই আনি ৰিজাভজাৰ কৰা আৰু তাৰ পৰা পাইপেৰে পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰি। কিন্তু সেই সেই ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা কৰা হোৱা নাই। অৱশ্যে এইটো জিলা পৰিষদৰ দায়িত্ব আছিল। সেইকাৰণেই মই জনস্বাস্থ্য বিভাগক অনুৰোধ জনাইছো যাতে সেই পাহাৰ বিলাকৰ পৰা বৈ অহা নদীৰ পৰা পানী আনি ৰিজভাৰ কৰে আৰু তাত ফিলটাৰ কৰি বাইজক পানী যোগান ধৰাৰ ব্যৱস্থা কৰে। এইখিনিকে আশা কৰি মই সামৰণী মাৰিলো।

Mr. SPEAKER—Shri Bhubaneswar Burman will speak.

Shri ALTAF HUSSAIN MAJUMDAR—Mr. Speaker, Sir time is to be rationed so that all of us can speak.

Mr. SPEAKER—I am glad that the honourable member has mentioned about it. Now, I have a list of 9 members who are looking for their time. Besides, 5 Ministers will speak of which Finance Minister is likely to take 45 minutes. Other Ministers would take 20 to 25 minutes in average. It means Ministers will take 80+45=125 minutes in all. So, I want to give two hours to the Ministers. If the honourable members are prepared to sit till 7.30 p.m. with a tea break in between 5 to 5.30 p.m., it would be good. Let me know if it is acceptable to the House.

Shri PROMOD CHANRDA GOGOI—I think the honourable Ministers can take even shorter time than 20 minutes. Because most of the points would be replied by the Minister-in-charge Finance.

Shri DULAL CHANDRA BARUA (Minister)—We will try our best-tominimise our time. If tea is arranged then many more members can also participate--and on that we have no objection. We are agree able to this.

Shri JOGEN GOGOI—More time is to be given to the new commers.

Mr. SPEAKER—Will half-an hour be enough for tea?

(Voices—20 minutes will do).

Mr. SPEAKER—Then 5.10 to 5.30 will be tea break. We will sit till 5.10 and then there would be tea break. I would now request the honourable members to take 10 minutes each. The Ministers will start at 5.30 p.m.

শ্ৰীভূবনেশ্বৰ বৰ্ম্মন*:— মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে যি খন বাজেট উত্থাপন কৰিছে মই সেই বাজেট সমৰ্থন কৰিছো আৰু সেই সম্পৰ্কত দুআষাৰ কব বিচাৰিছো। এই বাজেট সংক্ৰান্তত বিভিন্ন সদস্যই বিভিন্ন দিশত অংশ গ্ৰহণ কৰোতে জনতা চৰকাৰৰ প্ৰতি কিছুমান সমালোচনা কৰিছে। কিন্তু এটা কথা সদস্য সকলে উল্লেখ কৰা নাই। সেইটো কথা হ'ল, ভাৰতবৰ্ষ জনতা চৰকাৰৰ শাসনত অহাৰ আগতে ১৯৭৫ চনৰ ২৬ জুনত জৰুৰীকালিন অৱস্থা ঘোষণাৰ পিচত যি পৰিবেশ হৈছিল আৰু ইন্দিৰা গান্ধীৰ নেতৃত্বত যি অত্যাচাৰ চলিছিল ভাৰতবৰ্ষৰ সকলো গণতন্ত্ৰিক ধ্বংস কৰা আইন আৰু ন্যায়ক মচিমূৰ কৰি আইন আদালতৰ অধিকাৰ খৰ্ব্ব কৰা, আৰু জনতাৰ মাজত যি বিভীষিকা সৃষ্টি কৰিলে সেই বিভীষিকা জনতা চৰকাৰ শাসনত অধিষ্ঠিত হৈয়েই ভাৰতবৰ্ষৰ জনসাধাৰণৰ ওপৰত চলা চৈৰাচাৰিক শাসন ওফৰাই দি পুনৰ গণতন্ত্ৰ আমাৰ এই ভাৰতবৰ্ষত প্ৰতিস্থা কৰি পৃথিবীত এটা নতুন যুগৰ ইতিহাস সৃষ্টি কৰিলে। ভাৰতবৰ্ষৰ জনসাধাৰণৰ মনত গণতন্ত্ৰৰ আৰু মুক্তিৰ মনোভাষ বিৰাজ কৰালে। সেয়ে ভাৰতবৰ্ষৰ জনসাধাৰণ আৰু অসমৰ জনসাধাৰণক বৈপ্লৱিক অভিনন্দন জনাই যোৱা বিধান সভাত অভিনন্দন সূচক প্ৰস্তাৱ আনিলে আৰু সিদিনা মাত্ৰ

*Speech not corrected.

বিধান সভাৰ জৰিয়তে বিত্ত মন্ত্ৰী মহোদয়ে নতুন চৰকাৰৰ বাজেট উত্থাপন কৰিলে। তেনে ক্ষেত্ৰত আজি এই নতুন চৰকাৰে অসমত তথা ভাৰতবৰ্ষত সমাজ তান্ত্ৰিক গণতন্ত্ৰ প্ৰতিস্থা কৰাৰ কাৰণে যিবিলাক গঠন মূখী ব্যৱস্থা হাতত লৈছে সেইবিলাক ইমান কম সময়ৰ ভিতৰত কৰিব নোৱাৰিলেহে সেই বিষয়ে সমালোচনা কৰাৰ থল থাকে কিন্তু ইমান কম সময়ৰ ভিতৰত কাৰ্য্যাকাৰিতাৰ ফললৈ বাট নাচায় নতুন চৰকাৰৰ বাজেটৰ ওপৰত এনেদৰে সমালোচনা কৰাতোত মই আচৰিত হৈছো। আজি জনতা পাৰ্টিয়ে শাসনত অধিস্হত হোৱাৰ পাচত জনতা পাৰ্টিয়ে জনসাধাৰণক যি বিলাক প্ৰতিশ্ৰুতি দিছিল সেই বিলাকৰ ভিতৰৰ জৰুৰীকালিন অৱস্হাৰ অবসান ঘটায় ৰাজ্য খনত পুনৰ স্বাধীনতা আৰু গণতন্ত্ৰক ঘূৰাই আনিলে। তাৰ পাচত বিভীষিকা ময় নিসংশ জৰুৰী কালিন অৱস্হাৰ অৱসান হৈছে। মতামত প্ৰকাশৰ আৰু সংবাদ পত্ৰৰ হূত স্বাধীনতা ঘূৰাই দিছে। অপহিত ব্যক্তি স্বাধীনতা পুনঃ প্ৰদান কৰিছে। তামোলাতান্ত্ৰিক ঔধত্যৰ অৱসান ঘটাই আইনৰ শাসন পুনৰ পৰিবৰ্ত্তন কৰি ন্যায়লৰ স্বাতন্ত্ৰ আৰু মৰ্যাদাৰ পুনঃ প্ৰতিস্হা কৰিছে। বিনা বিচাৰে কাৰাৰুদ্ধ হৈ থকা বন্দিৰ প্ৰায়খিনিকে মুক্ত কৰি দিছে। শ্ৰমিক শ্ৰেণীক সংঘটন আৰু ধৰ্ম্মঘটৰ অধিকাৰ ঘূৰাই দিছে। ধৰ্ম্মঘট নাইবা শ্ৰমিক আন্দোলনৰে সৈতে সংযুক্তহে থকা অপৰাধত যি সকল ৰেহাই কৰ্ম্মচাৰী আৰু উদ্যোগপ্ৰতিস্হানৰ কৰ্ম্মচাৰীক অন্যায়ভাৱে বৰ্খাস্ত কৰি ৰাখিছিল সেই সকলক কামত

আকৌ নকৰণ কৰিছে। কংগ্ৰেছী চৰকাৰে বন্ধ কৰি থোৱা কৰ্ম্মচাৰী সকলৰ বাধ্যতামূলক জমা ধন পৰ্য্যায় ক্ৰমে মুকলি কৰি দিছে। কুখ্যাত ৪২ তম সংশোধনীৰ দ্বাৰা সংবিধানৰ যিবিলাক মৌলিক আৰু গণতান্ত্ৰিক ব্যৱস্হা নিৰ্ম্মূল কৰা চৈৰাচাৰী শাসনৰ পথ প্ৰশস্ত কৰা হৈছিল সেইবিলাকৰ কিছুমান ইতিমধ্যে সংবিধানৰ চতুশ্চত্বাৰিংশ সংশোধনীৰ যোগেদি পুনঃ প্ৰতিস্হা কৰিছে। সেইবিলাক জনতা চৰকাৰে যি প্ৰতিশ্ৰুতিৰ দিছিল তাৰ প্ৰায় ভাগেই কৰি আহিছে। আমি আশা কৰিছো বাইজৰ যিটো আশা আকাংশা ভাৰতীয় অগনন জনতাৰ নিবনুৱা সমস্যা সমাধানৰ কাৰণে এটা নতুন প্ৰচেষ্টাত আগবাঢ়িব বুলি ঘোষণা কৰি যোৱাত আমি আনন্দ পাইছো। তাৰ পাচত শাসনত আহিয়েই জনতা চৰকাৰে ১000 টকাৰ ওপৰৰ যিবিলাক নোট বন্ধ কৰি দি যিসকল আমাৰ সৰ্ব্বহাৰা গৰীব শ্ৰেণীৰ লোক আছিল আৰু ধনী শ্ৰেণীৰ যিবিলাকে মই মতালী কৰি আছিল তাৰ ওৰ পেলালে। আজি অসম চৰকাৰে ১০ বিঘা মাটিৰ খাজনা মাফ দি যি নীতি আগবঢ়াইছে তাৰ দ্বাৰা আৰ্থিক দূঅৱস্হা অসমত আতৰাই সমাজৰ উন্নতি পঠত আগবঢ়োৱা বাবে গৰীব শ্ৰেণীক সুবিধা দিয়া বুলি কব পাৰি। আৰু বিশেষকৈ এই ক্ষেত্ৰত এটা কথা কব পাৰি যে এই ঘোষণা মাচ্চৰ মাহত ঘোষণা কৰা হ'ল কিন্তু আমোলাতান্ত্ৰিক নেতৃত্ব থাকি অহা কৰ্ম্মচাৰী সকলে এতিয়াও সেই ঘোষণা কাৰ্য্যকৰী ব্যৱস্হা কৰিব পৰা নাই। আৰু আমাৰ দশম মান শ্ৰেণী লৈকে মাছুল মাফ দিয়া কথাটো আজি বহু দিনৰ পৰাই ৰাইজে আশা কৰিছিল। কিন্তু আগৰ চৰকাৰে সেইটো কৰিব নোৱাৰিলে। আমাৰ জনতা চৰকাৰে শাসনত অধিস্হিত হৈয়েই দশম মান শ্ৰেণী লৈকে মাছুল মাফ দিয়াৰ ব্যৱস্হা কৰিলে। কিন্তু অতি দুখ লগা বিষয় যে শিক্ষা অনুস্হান বিলাকৰ সেই নিৰ্দেশ গৈ পোৱাই নাই। এইটো যিটো হেমাহী কাৰ্য্যালয় বিলাকৰ নতুন চৰকাৰে তাৰ পুনৰ পৰিবৰ্ত্তন কৰাৰ কাৰণে শিক্ষা মন্ত্ৰীৰ ওচৰত অনুৰোধ কৰিলো ।

চিকিৎসা ক্ষেত্ৰত অৰ্থাৎ স্বাস্হ্যৰ ক্ষেত্ৰত কও যে আজি লৈকে আজি ৩১ বছৰে আমাৰ দুখীয়া ৰাইজে কোনো সা-সুবিধা পোৱা নাই। যিবিলাক ডাক্তৰ খানা আছে সেই বিলাকত হয় ডাক্তৰ নাই নহয় ঔষধ নাই। কৰবাত হয়তো দুয়োটাই নাই। কিন্তু আমাৰ নতুন চৰকাৰে সেইবিলাক সুবিধা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ লগতে মই এটা কথা কব খুজিছো যে, গাঁওলীয়া দুখীয়া মানুহ বিলাকে হস্পিতাললৈ যাওতে যিটো

এনট্রি, ফিজ লাগে চাৰি আনা সেইটো মাফ দিয়া যি ব্যৱস্হা হৈছে তাৰ বাবে চৰকাৰক ধন্যবাদ জনাইছো। চৰকাৰে পঠোৱা সকলো বিলাক নিৰ্দ্দেশ আগৰ আমোলা সকলৰ অবহেলাৰ অব্যাথৰ কাৰণে কাৰ্য্যত পৰিণত কৰিব পৰা হোৱা নাই ফলত ৰাইজে নানা ধৰণৰ জীয়াতু ভোগিব লগা হৈছে। গতিকে এই বিষয়ে ব্যৱস্হা কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো।

চিকিৎসাৰ ক্ষেত্ৰত গাঁৱে ভূঞে বিশেষ কোনো সুবিধা নাই। চিকিৎসাৰ ক্ষেত্ৰত সুব্যৱস্হা কৰি গাঁওৰ জনসাধাৰণক প্ৰকৃত চিকিৎসা আগবঢ়াবলৈ যত্নপৰ হব বুলি আশা কৰিছো। ইয়াৰ উপৰিও কুটিৰ শিল্প বা ক্ষুদ্ৰ উদ্যোগ আদিৰ যোগেদি নিবনুৱা সকলৰ সংস্হাপনৰ ব্যৱস্হা কৰিব পৰা হয়। এই বিলাক কাম যদি পঞ্চায়ত আদিৰ যোগেদি কৰা হয় তেৱিয়াহলে উৎকৎ ভাৱে বৃদ্ধি হোৱা নিবনুৱা সমস্যা কিছু পৰিমাণে হলেও শাম কাটিব।। বিভিন্ন কৃষি উন্নয়ণমূলক আঁচনিৰ দ্বাৰা গাঁও অঞ্চলৰ উন্নয়ণ সাধন কৰিব বুলি আশা ৰাখিছো ।

উপাধ্যক্ষ মহোদয় এই ক্ষেত্ৰত মই এটা কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে গাঁও অঞ্চলৰ পৰা বহুত শিক্ষিত নিবনুৱাই ট্ৰেজাৰি চালান আদি দি চাকৰিৰ কাৰণে দৰ্খাস্ত কৰিবলগীয়া হয়। ফলত ভিতৰুৱাল গাঁওৰ পৰা আহি চহৰত ট্ৰেজাৰি চালান দিয়া তেওঁলোকৰ পক্ষে খৰচসাধ্য হয়। অহা যোৱাৰ উপৰিও প্ৰতিখন দৰ্খাস্তৰ কাৰণে দুই তিনি পাচ টকাকৈ দিবলগীয়া হলে তেওঁলোকে টকা পাব ক'ৰ পৰা? গতিকে মই ভাবো এই ব্যৱস্হাটো ৰহিত কৰিব লাগে। ইয়াৰ উপৰিও এম্পলইমেণ্ট এক্স-চেঞ্জত নাম ভৰ্ত্তিকৰণ কৰাৰ যিটো প্ৰথা আছে তাৰ দ্বাৰা কিছুমান বঞ্চিত হোৱাৰ খবৰ শুনা গৈছে। এঞ্চেঞ্জত যি সকলে চিনা পৰিচয় আছে বা খাটিৰ আদি আছে তেওঁলোকৰ নাম কোনো চাকৰিৰ কাৰণে পঠিওৱা হয় কিন্তু যিবিলাকৰ তেনে চিনা পৰিচয় আদি নাই বা লাগি থাকিব নোৱাৰে তেওঁলোকৰ নাম আদি পঠিওৱাৰ ক্ষেত্ৰত খেলিমেলি হয় বুলিও অভিযোগ শুনা যায়।

(সময়ৰ সংকেত )

আৰু অলপ কব দিব লাগে।

মাননীয় অধ্যক্ষঃ— দুই মিনিট মাত্ৰ।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ ঃ— যাতায়তৰ ক্ষেত্ৰত আমাৰ উত্তৰ কামৰূপ একেবাৰে পিচ পৰি আছে। ৰাস্তা ঘাট বিলাক অলপ বৰষুণ দিলেই বোকা-পানী হৈ পৰে। হাজো নলবাৰী গুৱাহাটী ৰাস্তাটো আজি ইমান দিনৰ পৰা এটা বিকল্প ৰাষ্ট্ৰীয় পথ হিচাবে গণ্য কৰিবলৈ চেষ্টা কৰি থকা হৈছে আৰু এই ৰাস্তাটোৰ গুৰুত্বও বহুত কিন্তু আজিলৈকে এই কাম হৈ উঠা নাই। এনেহে নালাগে ৰাস্তাটোত ভাল ভাৱে গাড়ী আদিও চলিব নোৱাৰে। ইয়াৰ উপৰিও পাটাচাৰকুছি অঞ্চলৰ আলি আৰু পাঠশালাৰ পৰা অঞ্চললৈ যোৱা এই দুয়োটা ৰাস্তা একেবাৰে নষ্ট হৈ আছে। এই দুয়োটা ব্লেক টপিং কৰি দিব লাগে। তাত আৰম্ভ কৰা ক্ষুদ্ৰ কাম বিলাকৰ কাৰণে গাড়ী আদিও যাব নোৱাৰে। এইটো অতি সোনকালে কৰা উচিত হব।

অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও এটা কথা কব খুজিছো যে যোৱা জৰুৰীকালীন অৱস্হাত ভিজিলেন্স চেলৰ পি-কে-ৰয় বোলা এজন লোকৰ যি বিলাক তদন্ত আদি কৰি কিছুমান লোকৰ চাকৰিৰ অৱসান কৰা হৈছে সেই বিলাক লোকৰ ক্ষেত্ৰত নতুন বিচাৰ

কৰিহে ব্যৱস্হা লব লাগে। এই পি, কে, ৰয় ডাঙৰীয়াৰ ক্ষেত্ৰত ইয়াত উত্তপ্ত আলোচনা হৈ গৈছে। গতিকে জৰুৰীকালীন অৱস্হাৰ কুকীৰ্ত্তিৰ যাতে বলি হবলগীয়া নহয় সেই বাবে সেই সকল চাৰ্কিয়ালৰ ক্ষেত্ৰত সেই ভাৱে ব্যৱস্হা নলৈ নতুনকৈ অনুসন্ধান কৰি নতুনকৈ চাকৰিত মকবল কৰিব লাগে। ইয়াকে কৈ মোৰ বক্ততাৰ সামৰণি মাৰিছো।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :—মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰা বাজেটত অংশ গ্ৰহণ কৰি দুআষাৰমান কথা কবলৈ ওলাইছো। আৰম্ভণিতে বাজেটত কোনো কৰ-কাটল নলগোৱা কাৰণে বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আৰম্ভণিতেই তেখেতে জনতা চৰকাৰৰ সম্পূৰ্ণ কাৰ্য্যসূচী এই বাজেটত ৰূপায়িত কৰিব পৰা নাই বুলি কৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ বাৰ্ষিক পৰিকল্পনাৰ নিৰ্দ্দেশ বা পৰামৰ্শ লৈছে বুলিও উল্লেখ কৰিছে। সেই কাৰণে বাজেটখনত এটা বিশ্লেষণৰ প্ৰয়োজন আছে। অসমত ১৯৭৬-৭৭ চনত সৰ্ব্বমুঠ আয় পাঁচশ চৈধ্য কোটি টকা অথাৎ শতকৰা দুই দশমিক চাৰি বাঢ়িছে। কিন্তু ব্যক্তিগত ভাৱে জনমুৰি আয়ৰ ১৯৪৮-৪৯ চনৰ মূল্যমানৰ তুলনাত ১৯৭৫ ৭৬ চনত তিনিশ ত্ৰিশ দশমিক শূন্য চাৰিৰ পৰা ১৯৭৬-৭৭ চনত দুশ আঠান্নৈৰে দশমিক শূন্য সাত টকালৈ হ্ৰাস পাইছে। ইয়াৰ কাৰণেবাজেটত কোৱা হৈছে যে এডিবল অইল, সৰিয়হ তেল আৰু আন কিছুমান তেল বস্তুৰ কাৰণে মূল্য বৃদ্ধি হৈছে। এই পৰি-প্ৰেক্ষিতত সৰ্ব্বভাৰতীয় পৰ্য্যায়ত আমাৰ অসমত এটা সমস্যা হৈছে যে আমাৰ জন-সংখ্যা দ্ৰুত গতিত বাঢ়িছে। ইয়াৰ প্ৰকৃত কাৰণ হল আমাৰ জনসংখ্যা ইয়াতে বঢ়াৰ উপৰিও বাহিৰৰ প্ৰব্ৰজনৰ পৰাহে বেছি বৃদ্ধি পাইছে। তাৰ ফলত আমাৰ পৰিকল্পনাৰ যি খিনি সুফল আমি পাব লাগিছিল সেইখিনি আন আন ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যত পাব পৰা নাই। ১৯০১ চনত আমাৰ মাটিৰ পৰিমাণ আছিল জনমূৰি সোতৰ দশমিক চাৰি বিঘা, ১৯৫১ চনত হ'ল সাত দশমিক তিনি বিঘা আৰু বৰ্ত্তমান যদি এক কোটি আশী লাখ জনসংখ্যা ধৰা হয় তেতিয়াহলে জনমূৰি পৰিমাণ হব তিনি দশমিক তিনি বিঘা মাত্ৰ।

এই পৰিপ্ৰেক্ষিততে আমাৰ ৰাজ্যৰ কেনেকৈ অৰ্থনৈতিক কুচক্ৰ তৈয়াৰ হৈছে আপোনালোকে বিবেচনা কৰক। বিশেষকৈ অসমৰ অৰ্থনীতিত। যোৱা পৰিকল্পনাৰ বছৰছোৱাত বিশেষকৈ আমাৰ মাটিৰ কামত ৰাস্তা পদূলি, বান্ধ বন্ধা আদিত যিমান টকা খৰচ হয় তাৰ দুই তৃতীয়াংশ আমাৰ স্হানীয় ৰাইজে নেপায়। গতিকে অৰ্থ-নীতিৰ যিটো মূল সূত্ৰ ইনভেষ্টমেণ্ট হব লাগে তাৰ পিচত চেভিং হব তাৰ পিচত আৰু ইনভেষ্টমেণ্ট হব তেতিয়াহে অৰ্থনীতিৰ মানদণ্ড উন্নত হব। কিন্তু অসমৰ ক্ষেত্ৰত এইটো প্ৰযোয্য হোৱা নাই। কাৰণ ইয়াৰ অংশ বেছি ভাগেই বাহিৰলৈ গুছি যায়। যোৱা পাচ বছৰত গড়কাপ্তানি বিভাগৰ দ্বাৰা এম, এন, পিৰ আঁচনিত যিমান-বিলাক ৰাস্তা বন্ধা হল তাৰ যিটো বনুৱা সকলক খৰচ এই গোটেইখিনি বাহিৰলৈ গুছি যায়। যোৱা বাৰিষা কালত কাহিবাৰীত হোৱা দুঘটণাত বেলেগ বিভাগৰ তৰফৰ পৰা ৪০-৫০ লাখ টকাৰ দলঙ আদি বন্ধা হল। কিন্তু সেই বনুৱা সকল অনা হৈছে উৰিষ্যাৰ পৰা। শতকৰা ১০ অসম বা সৰুঙৰ নহয়। গতিকে গোটেই টকাখিনি বাহিৰলৈ গুছি গৈছে। ইনভেষ্টমেণ্ট মতে যদি এমপ্লমেণ্ট নহয় তেন্তে কেপিটেল ফৰমেচন কৰ পৰা হব ? অসমত যিমান বিলাক চাহ বাগান আছে তাৰে বেছি ভাগৰে হেড কোৱাটাৰ কলিকতাত। আৰু যি বিলাক বৃটিছ কোঃ তেওঁলোকৰ হেড অফিছ বোধকৰো এতিয়াও লণ্ডনতে আছে। গতিকে এই কোম্পানী বিলাকৰ যিটো প্ৰফিট বেলেঞ্চ চিটত দেখা যায় সেইটো অসমত নিয়োগ নহয় আন দেশলৈ গুছি যায়। সমাজত যিটো অৰ্থনীতি অসমত এতিয়াও চলি আছে এই মেহনতি কৰা লোক সকলে হয়তো তাৰ বাবদ অলপ বোনাচ বা তেওঁলোকৰ ঘৰ দুৱাৰ আংশিক ভাবে ভাল হৈছে। কিন্তু আমি চাহ বাগিছাবোৰৰ পৰা যিমান সুফল পাব লাগিছিল সেইখিনি পোৱা নাই।

আজি আমি ৩০ বছৰে বৃটিছৰ অৰ্থনীতিৰ কুচক্ৰত পৰি আছো। গতিকে তাৰ পৰা আঁতৰি আহিবৰ কাৰণে নবগঠিত জনতা চৰকাৰ তথা বিত্ত মন্ত্ৰী মহোদয়ক আহবান জনাইছো।

(সময়ৰ সংকেত ধ্বনি)

তেল সম্পদ আমাৰ আপদৰ্নগীয়া সম্পদ। কিন্তু অতীজৰে পৰা ৰয়েলটিৰ কাৰণে যুদ্ধজোতে ১৯৭৬ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে ৰয়েলিট বাবদ ৫ মাহত ১৫ টকাকৈ আৰু বাকী ৭-৯-৭৬ আৰিখৰ পৰা ৩১-৩-৭৭ তাৰিখলৈকে ৪২ টকাকৈ দিছে। গতিকে ১৯৭৬-৭৭ চনৰ ১০ কোটি ৬৫ লাখ টকা যদি ৰিচিট হিচাবে আহে কিছু লাভবান হব। এই ৪২ টকাও গুজৰাটৰ চৰকাৰৰ সহায় হোৱা বাবেহে সম্ভৱ হৈছে। আচলতে অসম চৰকাৰৰ দাবী আছিল ১০০ টকাকৈ। কিন্তু জনতা চৰকাৰ হলেও সেই দাবী আমি নিশ্চয় পৰিহাৰ কৰা নাই। গতিকে সেই দাবীত এতিয়াও দাঙি ধৰিব লাগিব। নহলে আৰু ৫০-৬০ বছৰত যেতিয়া খাৰুৱা তেল অসমত নিঃশেষ হৈ যাব। আমি তেল সম্পদৰ উচিত মূল্য আদায়ৰ বাবে চেষ্টা কৰিয়েই থাকিব লাগিব। মোৰ বোধেৰে বিভিন্ন ৰাজনৈতিক দল-উপদলে আৰু অসমৰ জনসাধাৰণে এটা শক্তিশালী জনমত গঢ় তুলিব লাগে। (সময়ৰ সংকেত)

মাননীয় অধ্যক্ষঃ আপোনাক ৭ মিনিট দিয়া হৈছিল। ৭ মিনিট শেষ হল।

শ্ৰীৰমেশ চহৰীয়াঃ— ৪২ টকাৰ পৰা যদি ১০০ টকা কৰিব পৰা যায় তেনেহলে আমাৰ ঘাটী বাজেট নিশ্চয় পূৰণ কৰিব পাৰিম।

উদ্যোগৰ ক্ষেত্ৰত আমাৰ অসমৰ অৰ্থনীতি উন্নয়নৰ প্ৰতীক নহয়। তথাপি অসমৰ চৰকাৰে কেইটামান উদ্যোগ প্ৰতিস্থা কৰিবলৈ চেষ্টা কৰিছে। আমাৰ যোগী-যোপাত যিটো অশোক পেপাৰ মিল আছে তেওঁলোকে বাহ কিনিবলৈ পোৱা নাই। কাৰণ কলিকতাৰ কাগজ কোম্পানী বিলাকে ১৫০-১৬০ টকা দাম দি বাহবোৰ কলিকতালৈ লৈ যায়। ফলত অশোক পেপাৰ মিলৰ কাৰণে বাহেই নেথাকে। তেওঁলোকৰ দৈনিক যিখিনি উৎপাদন শক্তি সেই মতে বাহ নেপায়। বাহৰ অভাবত কেতিয়াবা মিলেই নচলে। অসমত বাহ উৎপন্ন হোৱা স্বত্বেও ইয়াতেই মিল বন্ধ হবলগীয়া কথাটো কম ডাঙৰ কথা নহয়। গতিকে বাহৰ ওপৰত ফৰেণ্ট ৰয়েল্টী বা ৰোদ টেক্স লগাই হলেও বাহ বাহিৰলৈ যোৱাটো বন্ধ কৰিব লাগে।

সমবায়ৰ ক্ষেত্ৰত যিটো লেভিৰ ব্যৱস্থা কৰা হৈছে মোৰ বোধেৰে ধান সংগ্ৰহৰ ব্যৱস্থাত সেইটোৱে সহায়ক হোৱা নাই। আমাৰ দৰং জিলাত যি বিলাক সমবায় মিল গঢ়ি উঠিছিল সেই বিলাক বন্ধ হবলগীয়া অৱস্থা হৈছে। বৰ্ত্তমান সৰু হাস্কাৰ মিল বিলাকৰ পৰা দেৰহেজাৰ কুইন্টল আৰু ডাঙৰ মিল বিলাকৰ পৰা তিনিহেজাৰ কুইন্টল দিবলৈ কোৱা হৈছে যদিও এই মিল বিলাকে দিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ নতুন ধান সংগ্ৰহ নীতি প্ৰৱৰ্ত্তন কৰাৰ পিচত সমবায়ত কিছু হেচা পৰিছে যদিও এতিয়া ৰাজ্যতো জনতা চৰকাৰে যেতিয়া প্ৰতিস্থা হল ইয়ে নিশ্চয় এটা সুচল ব্যৱস্থা আনি দিব।

Mr. Speaker—I hope hon. member will co-operate with me. There are many more members to speak. I request the hon. member o resume his seat.

*শ্ৰীঅজয় দত্ত :—মাননীয় অধ্যক্ষ মহোদয়, প্ৰতি বছৰৰ মাৰ্চ্চ মাহত বাজেটৰ নামত কিছুমান কাগজৰ বণ্ডোল এই সদনত ডাঙি ধৰা যায়। তাৰ ওপৰত বহুতো তৰ্ক বিতৰ্ক হয় আৰু শেষত এই বাজেটখন সংখ্যা গৰিষ্ট ভোটৰ জৰিয়তে গ্ৰহণ কৰে। কিন্তু অসমীয়া মানুহে বছৰৰ শেষত দেখা পায় যে তেওঁলোকৰ ঋণৰ বোজা বাঢ়িছে। আজি অসমীয়া এটা শিশুৱে জন্ম গ্ৰহণ কৰাৰ লগে লগে এটা বিৰাট ঋণৰ বোজা ৪২৫·৩২ পইচা মূৰ পতি লৈ জন্ম গ্ৰহণ কৰে। দেশৰ কোনো জন শিশুৱেই ইয়াৰ বাবে কেতিয়াও দোষী হব নোৱাৰে। ইয়াৰ বাবে দোষী কোন? দোষী হল বিৰোধী আসনত বহি থকা, ৩০ বছৰে অসমীয়া মানুহক শোষণ কৰা মাননীয় সদস্য সকল দায়ী, তাৰ কাৰণে দায়ী, ভাৰতৰ পুঁজিবাদী সকল, দুৰ্নীতি পৰায়ণ অফিচাৰ সকল। এই বাৰৰ বাজেটত পোন প্ৰথমবাৰৰ কাৰণে সদিচ্ছা আৰু সুচিন্তা দেখিবলৈ পাইছো। কিন্তু এই সুচিন্তা সমূহ কাৰ্য্যকৰী কৰাৰ নিচিনা পৰিবৰ্দ্ধিতবা পৰিবেশ আমি বাহিৰত দেখা পোৱা নাই। ভাৰত নিপীড়িত জনতাই বিপ্লৱৰ মাজেৰে স্বৈৰতন্ত্ৰ ধ্বংস কৰি গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিছে। লগে লগে জন-জীৱনৰ সকলো ক্ষেত্ৰত অৰ্থনৈতিক সামাজিক, ৰাজনৈতিক আদিৰ ক্ষেত্ৰত পৰিবৰ্ত্তন আনে। কিন্তু আজি সদনত মই বৰ দুখেৰে সৈতে কব লগা হৈছো যে অসমত জনতা চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পাছত, পাঁচটা পৰিকল্পনা হোৱাৰ পাচত কোনো পৰিস্থিতিত মানসিক অৱস্থাৰ পৰিবৰ্ত্তন আমি চাৰিও ফালে দেখা পোৱা নাই। আজি জনতা চৰকাৰৰ সদিচ্ছা আৰু প্ৰয়াস বিলাক ব্যৰ্থ কৰাৰ কাৰণে এটা চক্ৰ সক্ৰীয়। আজি আকৌ ইন্দিৰা গান্ধীক খুনি হাতৰ ৫ টা আঙুলি, কংগ্ৰেছী, কমিউনিষ্ট, কেপিটেলিষ্ট, দুৰ্নীতি পৰায়ণ অফিচাৰ কমিউনেলিষ্ট সকলৰ ষড়যন্ত্ৰই গল চেপি ধৰিবলৈ আগবাঢ়ি আহিছে। গণতন্ত্ৰক ধ্বংশ কৰি পুনৰ স্বৈৰাতন্ত্ৰ প্ৰতিষ্ঠা কৰিবৰ কাৰণে এই ৫ টা চক্ৰ ঐক্য বদ্ধ হৈছে। এইবিষয়ৰ মই জনতা চৰকাৰৰ দৃষ্টি আকষৰ্ণ কৰিব খোজোঁ। মোৰ কোৱাৰ অধিকাৰ আছে। যি বাজেট দাখিল কৰা হৈছে—ইয়াত ঘাটি দেখুৱাৰ বাহিৰে উপায়নাই। ১০ কোটি ৬০ লাখ টকাৰ ঘাটি বাজেট সদনৰ আগত অৰ্থমন্ত্ৰীয়ে ডাঙি ধৰিছে আৰু ইয়াৰ ওপৰত বহুতো সমালোচনা হৈছে। বহুতে বহু ধৰণৰ তিক্ত মনোভাৱ প্ৰকাশ কৰিছে। মই প্ৰশ্ন কৰিব খোজো আজি পোন প্ৰথম বাৰৰ কাৰণে এই পৱিত্ৰ সদনত ঘাটি বাজেট উত্থাপন কৰা হৈছে নেকি? ইয়াৰ আগতেও বহুবাৰ ঘাটি বাজেট উত্থাপন কৰা হৈছে। প্ৰতি বছৰে বাজেট দাখিল কৰিছে—কিন্তু আমি কি দেখিছো? আমি দেখিছো ডাঙৰ ডাঙৰ মহা নগৰিত ডাঙৰ ডাঙৰ অট্টালিকা গঢ়ি উঠিছে। বহু ধৰণৰ ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি উঠিব ধৰিছে। ইমান ডাঙৰ অট্টালিকা থকা মানুহ আমি আগতে দেখা নাই। জু ৰোডত, দিশপুৰত নতুন নতুন নমুনাৰ আসাম টাইপ ঘৰ বিলাক গঢ়ি উঠিছে। এই বাজেটৰ মূল উদ্দেশ্য হল নিস্পেষিত লোক সকলৰ উন্নতি সাধন কৰা। কিন্তু এইদুখীয়া ৰাইজৰ অৱস্থা দিনক দিনে বেয়া হৈছে। আনহাতেদি ধনীক শ্ৰেণীৰ নতুন নতুন অট্টালিকা বিলাক গঢ়ি উঠিছে। গুৱাহাটীৰ চাৰিওফালে আমি দেখা পাইছো নতুন অনুষ্ঠান নতুন বিল্ডিং বাজেটৰ জৰিয়তে নতুন বিৰলাৰ সৃষ্টি হৈছে। ৰাইজক বিভ্ৰান্ত কৰাৰ প্ৰয়াসেৰে ৫ টা চক্ৰই চেষ্টা চলাইছে। আজি মেৰ্জাৰিটি কোন? হাজাৰ হাজাৰ লোকে খাবলৈ নাপায় পিন্ধিবলৈ নাপায়। মাইনৰিটি হল কুচক্ৰত থকা সকল, পুঁজিপতিসকল ৰাজনীতিৰ নামত বাৰে বাৰে গণতন্ত্ৰক হত্যা কৰা নেতা সকল। গণতন্ত্ৰক ৰক্ষা কৰাতে জনতা চৰকাৰৰ কৰ্ত্তব্য। ৰাইজৰ মঙ্গল কল্পে যদি ঘাটি বাজেট দাঙি ধৰা হয়, তেন্তে তাৰ সমালোচনা কৰাৰ অধিকাৰ আছে বুলি নাভাবো। কংগ্ৰেছৰ ৰাজনৈতিক অধিকাৰ আছে সেইবুলি আপত্তি উঠিব নোৱাৰে। প্ৰথমবাৰৰ বাবে ভাৰতৰ ইতিহাসত দশম মান শ্ৰেণীলৈ বিনামূলীয়া শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্ত্তন বৈপ্লৱিক পদক্ষেপ। লগতে ১০ বিঘালৈ মাটিৰ খাজনা ৰেহাই দিছে। কৰ্ম্মচাৰী বন্ধুসকলক অধিক মৰগীয়া বানচ দিয়াৰ কাৰণে ঘাটি বাজেট হৈছে। এই ঘাটি বাজেটে যদি ৰাইজৰ প্ৰয়োজন ভিত্তিত কাৰ্য্য কৰী হয়, তেন্তে

*Speech not corrected.

এই বাজেট দাঙি ধৰাৰ বাবে অৰ্থমন্ত্ৰীক অভিনন্দন জনাওঁ। আজি ৰাজহ সংগ্ৰহ হয় কৰ পৰা? খাৰুৰা তেল, ভূমি, কৃষি, চাহ, মৰাপাট, বনজ সম্পদ আদিৰ পৰা। যোৱা কেইবছৰত এই বিলাকৰ পৰা ৰাজহ সংগ্ৰহ হোৱা দেখা পোৱা নাই। খাৰুৱা তেলৰ ক্ষেত্ৰত আজি সদনত মাননীয় সদস্যসকল বিক্ষোভ হৈছে। বহুত দিন ধৰি অসম বঞ্চিত হৈ আছিল। কেন্দ্ৰত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল-বহুত দিন ধৰি অসমক শোষণ কৰিছে। কিন্তু কেন্দ্ৰত জনতা চৰকাৰ, ৰাজ্যৰ জনতা চৰকাৰে একে সুৰত মিলাই অসমৰ প্ৰাপ্য আয় কৰ পাব লাগিব আৰু আদায় কৰিব লাগিব। মই জানো কেন্দ্ৰৰ জনতাৰ মনোভাৱৰ পাপ্য খিনি দিবলৈ বাধ্য হব। আমাক মদ নিবাৰণীৰ নামত আবকাৰী শুল্কৰ পৰা বঞ্চিত কৰিছে। গুৱাহাটী ড্ৰাই এৰিয়া, কিন্তু পুলিচৰ চকুৰ আগত পান বজাৰত, উলুবাৰীত, দিশপুৰত কিছু দোকানত দিনে ৰাতিয়ে মদ পোৱা যায়। এই দৰে মদ বন্ধ কৰি আবকাৰী শুল্কৰ পৰা বঞ্চিত কৰা হোৱা নাই নে? তাৰ পিচত পৰ্য্যটনৰ ক্ষেত্ৰত বৰ অৱহেলা কৰা দেখা গৈছে। ইয়াত মাত্ৰ ৭ লাখ টকা ধৰা হৈছে। এই ৭ লাখ টকাৰে পৰ্য্যটনৰ কাৰণে ডাঙৰ আঁচনি কৰাতো সম্ভৱপৰ নহব। অসম প্ৰাকৃতিক সম্পতভৰপুৰ। গতিকে পৰ্য্যটনৰ ডাঙৰ উদ্যোগ হব পাৰে। পৰ্য্যটক অফিচটো গুৱাহাটীত আছে— কিন্তু তাত চাইনবোৰ্ড এখনো নাই। এইদৰে অফিছ থাকিলে পৰ্য্যটন উদ্যোগ গঢ়ি তুলিব নোৱাৰে। তাৰ ডিৰেক্টৰেও কলে যে ইয়াত জেগা বৰ বেছি নহয়। এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। তাৰ পাছত মই ৰাজ্যিক পথ পৰিবহণৰ সম্পৰ্কত কব বিচাৰিছো। ইয়াৰ মুখ্য পৰিচালকজনে যোৱা জৰুৰী অৱস্থাৰ সময়ত বহুত গোলমাল কৰিছিল। এতিয়াও তেওঁৰ সেই মনোভাৱেই আছে। তলৰ খাপৰ শ্ৰেণীক ভাল ব্যৱহাৰ নকৰে। মালিক শ্ৰেণীৰ প্ৰতি আনুগত্য এতিয়াও আছে। তাৰোপৰি বহুত ধৰণৰ কথা এই নিগমত জৰিত আছে। গতিকে মই ৰাজ্যিক পথ পৰিবহণৰ নিগমত পূৰ্ণ তদন্তৰ দাবী জনাইছো আৰু যাতে সেই বিষয়া-জনক বদলি কৰা হয়। তাৰ পাছত মই কেন্দ্ৰীয় জল পৰিবহণ সম্পৰ্কত গুৰুত্ব দিবলৈ চৰকাৰক আবেদন জনালো। আজি ব্ৰডগজ ৰেল লাইন ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আদি দাবীৰ কথা উঠিছে। যেতিয়ালৈকে অসমলৈ ব্ৰডগজ ৰেল লাইন নাহিব তেতিয়ালৈকে অসমৰ উন্নতি হোৱাৰ কোনো আশা নাই। কিছুমান চাপ্লাইয়াৰ মালচন্দ আদিৰ দৰে হোৰৰদাৰ অসমলৈ ব্ৰডগজ ৰেল লাইন অহাটো নিবিচাৰে। অসমলৈ ব্ৰডগজ ৰেল লাইন অনাত গুৰুত্ব দিবলৈ মই চৰকাৰক অনুৰোধ জনালো। তাৰ পিচত দেখিছো গুৱাহাটীৰ কাৰণে কোনো বিশেষ মঞ্জুৰী দিয়া নাই। গুৱাহাটীৰ নলা নৰ্দমা ঠিক কৰিব লাগিব, ৰাস্তাবিলাক বহল কৰিব লাগিব। এই বিষয়ত গুৱাহাটীৰ বাবে বিশেষ দৃষ্টি দিবলৈ আবেদন জনালো।

(সময়ৰ সংকেট)

অধ্যক্ষ মহোদয়, মোক আৰু পাঁচ মিনিট সময় দিয়ক, নতুন সদস্য হিচাবে মোৰ অলপ কব লগা আছে।

নিবনুৱা সমস্যাৰ ক্ষেত্ৰত বাজেটত যি ব্যৱস্থা দেখুৱা হৈছে তাত মই এক মত হব নোৱাৰিলো। আজি লাখ লাখ নিবনুৱাৰ লগত এটা পক্ষ লগ হৈ যিটো চক্ৰ গঢ়ি তুলিছে সেই চক্ৰ ভাঙি দিয়াৰ ব্যৱস্থা কৰিব লাগে। যোৱা কুৰি বছৰে অন্ধকাৰত ডুবগৈ থকা এই নিবনুৱা সকলৰ কথা বাজেটত উল্লেখ নাই। নতুন চৰকাৰৰ ওচৰত মই এইটো আশা ৰাখো যে নিবনুৱা বয়স অনুপাতে যেনে ৩০ বছৰলৈকে এশ টকা আৰু ২৫।২৬।২৭ বছৰীয়াক ৫০ টকাকৈ নিবনুৱা বোনাচ দিয়াৰ ব্যৱস্থা কৰে। এই টকা ধনী সকলৰ উপাৰ্জনৰ ওপৰত কৰ বহুৱাই উলিয়াই অনাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যিটো নিয়োগ বিনিময় কেন্দ্ৰ আছে তাতো নিবনুৱা যুৱকে টকা টকা দিলেহে খালি থকা পদৰ খবৰ পায়। এই খিনিতে মই আমাৰ যোগান মন্ত্ৰীৰ ওচৰত এটা আবেদন জনাওঁ, সেইটো হৈছে আমাৰ জনসাধাৰণক আটা ময়দা দিয়াৰ পৰিবৰ্ত্তে ঘেহু দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এইদৰে ঘেহু দিয়াৰ ব্যৱস্থা কৰি তাৰ লাইচেন্স নিবনুৱা যুৱকক দিলে তাৰ পৰা তেওলোক বৰ উপকৃত হব।

ক্ৰিয়া বিভাগৰ ক্ষেত্ৰত মই কব খোজো যে এই বিভাগটো জনকল্যাণ মুখী হোৱা নাই। গুৱাহাটীৰ নিউ ফিল্ডত এটা ষ্টেডিয়াম হলে আমাৰ খেলুৱৈ সকলৰ সুবিধা হব বুলি মই ভাবোঁ। গ্ৰামীন খেলুৱৈ সকলক বৃত্তি দিয়াৰ ব্যৱস্হা কৰিলে গাঁৱত লুকাই থকা যোগ্যতা সম্পন্ন খেলুৱৈ বাহিৰলৈ ওলাই অহাৰ সুবিধা হয়। ফৰেষ্ট বিজাৰ্ভৰ বেদখল উচ্ছেদ কৰিবলৈ গৈ এনে কিছুমান কাম আগৰ চৰকাৰে কৰিলে যে যাৰ ফলত বৈশিষ্ঠ আশ্ৰম খনো সাৰি নগল। শ্ৰমিক শ্ৰেণীৰ কথা কবলৈ হলে মই প্ৰথমে চাহ বাগানৰ শ্ৰমিক সকলৰ কথাই বক খোজো। আমাৰ ইয়াৰ বাগানৰ শ্ৰমিকে সকলৰ দৈনিক মজুৰী হয় মাত্ৰ ৫.৩০ পইচা। আনহাতে পশ্চিমবঙ্গৰ এজন শ্ৰমিকে পায় ১২-১৩ টকা। বিহাৰৰ কয়লা খনিৰ শ্ৰমিকে পায় দিনে ২০-৩০ টকা। এই ক্ষেত্ৰত জনতা চৰকাৰে এটা সুবিচাৰ কৰিব বুলি মই আশা ৰাখিছো। চাহিয়েল ওৱেল ফেয়াৰ সম্পৰ্কত মই এখন এদাণ্ট ওৱেলফেয়াৰ স্কীম কৰিব লাগে বুলি চৰকাৰৰ ওচৰত আবেদন জনাইছো।

মুদ্ৰন আৰু ছপাশালৰ শিতানত ২৫ লাখ টকা ধৰা হৈছে। কিন্তু অধ্যক্ষ মহোদয়, এই মুদ্ৰণ আৰু ছপাশালত কি দুনীতি চলিছে আপুনি নাজানে। আমাৰ যিটো চৰকাৰী ছপাশাল আছে তাতে আগৰ চৰকাৰৰ কোনোবা এজন মন্ত্ৰীৰ এজন সম্বন্ধীয় লোকক সকলো প্ৰকাৰ পাৰচেজৰ কাৰণে ঠিকা দিয়াৰ সা-সুবিধা দিয়াৰ ব্যৱস্হা চলি আছে। সেই কাৰণে এইবোৰ দুনীতিৰ দমণৰ কাৰণে সেই ছপাশালৰ যিজন মুৰব্বী তেখেতৰ বিৰুদ্ধে এটা তদন্তৰ দাবী কৰিছো।

নতুন চৰকাৰে মাটিৰ খাজানা দহ বিঘালৈ ৰেহাই দিয়াটো ভালৰ কথা কিন্তু যাৰ মাটি নাই, থাকিবলৈ ঘৰ নাই সেইসকলৰ কাৰণে কি কৰিছে? এই গুৱাহাটী চহৰতে জমিদাৰে মাটিৰ পৰা ২০ হেজাৰ মাটি হীন লোকক উচ্ছেদ কৰিলে। এই খিনিতে অধ্যক্ষ মহোদয়, মই এটা কথা উল্লেখ নকৰি নোৱাৰিলো কথাটো হল আমাৰ বহুতো মাৰ্ক্সবাদী বন্ধু সদস্য সকলে এই জনতা চৰকাৰক শ্ৰম বিৰুদ্ধী চৰকাৰ বুলি আখ্যা দিছে। তেখেত সকলক মই কব বিচাৰিছো যে ওপৰলৈ থুই পেলালে নিজৰ মুখত আহি পৰে। পশ্চিমবঙ্গত বাওপন্হী চৰকাৰ গঢ়ি থকা অৱস্হাত অলপতে তাত কি হৈছে? (বাৰ্তাৰি কাকত দেখুৱাই এই বাৰ্তাৰি কাকতত প্ৰকাশ পোৱা ফটো চাওক। আজি বাটতে গাভৰু উদ্বাস্তুবিলাক চেন্সলেচ হৈ মাটিত পৰি আছে আৰু পুলিচৰ অত্যাচাৰত। আৰু চাওক পৰাযিৰ বাৰ্তাৰি কাকতত ওলোৱা বাৰ্তাৰিটো এনে-দৰে———————

"উলবেড়িয়া —৩০— মে—মঙ্গলবার সকাল ৯টা নাগাদ হাওড়ার গোলাবাড়ি থানা এলাকায় পাঞ্জাব লাইনের কাছে পুলিশ ৬৯জন হোসিয়ারী কারখানার শ্রমিককে গ্রেপ্তার করেছে। গত ১৭ মে হাওড়ার প্রায় দু'শ হোসিয়ারী কারখানার প্রায় ১ হাজার শ্রমিক বিভিন্ন দাবী দাওয়া নিয়ে লাগাতার ধর্মঘট করছে।"

এইদৰে পশ্চিমবঙ্গতো সংগ্ৰামী ৰাইজক পুলিচে অত্যাচাৰ কৰি আছে।

(ধ্বনী :—এই পেপাৰ খন কাৰ? প্ৰতিক্ৰীয়াশীলৰ বাতৰি কাকত) অৱশ্যে সেই কাৰণে মই বামপন্হী চৰকাৰক দোষ দিব খোজা নাই। তাতো যেনেদৰে প্ৰতিক্ৰীয়াশীল চক্ৰই চক্ৰান্ত কৰি আছে আমাৰ ইয়াতো ঠিক তেনেদৰে আমাৰ জনতা চৰকাৰৰ বিৰুদ্ধে চক্ৰান্ত চলি আছে।

সেই কাৰণে মই মাৰ্ক্সবাদী বন্ধু সদস্য সকলক আহবান জনাইছো যে আমি নিজৰ ভিতৰতে ভুল বুজা বুজিৰ সৃষ্টি কৰি আৰু এটা উত্তপ্ত আৱহাৱাৰ সৃষ্টি কৰাৰ পৰিবৰ্ত্তে সেই কুচক্ৰান্তকাৰী, জনবিৰোধী আৰু ক্ষমতা লোভীদলক আহবান জনোৱাৰ পৰা যেন বিৰত থাকে।

অধ্যক্ষ মহোদয়, শেষত আপোনাক ধন্যবাদ জনাই আমাৰ বিত্ত মন্ত্ৰীয়ে আগবঢ়োৱা বাজেটৰ প্ৰতি সমৰ্থন জনাই মই নমাৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীজয় চন্দ্ৰ ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে মই মাননীয় বিত্ত মন্ত্ৰীয়ে সদনত আবঢ়োৱা বাজেট গ্ৰহণ যোগ্য নহয় বুলি উল্লেখ কৰিছো। এই কাৰণেই কৈছো যে আমি যি সকল ৰাইজৰ প্ৰতিনিধিত্ব কৰি ইয়ালৈ আহিছো সেই সকল ৰাইজৰ

কাৰণে ইয়াত একো প্ৰভিজন ৰখা নাই। আৰম্ভণীতে ভূমি, ৰাজহ আৰু সংস্কাৰৰ কথা কৈছে। বিত্ত মন্ত্ৰী ডাঙৰীয়াই এই সদনত উল্লেখ কৰিছে যে ১০ বিঘালৈকে মাটিৰ খাজানা ৰেহাই দিছে। কিন্তু এই ৰেহাই কোন সকলে পাব ? যি সকল মাটি আছে সেই সকলে পাব । কিন্তু যি সকলৰ মাটিয়েই নাই সেই সকলৰ বাবে কি ব্যৱস্হা লৈছে তাৰ একো উল্লেখ এই বাজেটত নাই। ১৯৭৭ চনৰ বানপানীত যি সকল মানুহ গৃহহীন হল আৰু যি সকলৰ মাটি গড়াখহনীয়াত গল সেই সকল সৰ্বহাৰা ৰাইজৰ কাৰণে জনতা চৰকাৰে কি কৰিছে ? বা কি ব্যৱস্হা লব সেই বিষয়ে ইয়াত একো উল্লেখ নাই।

নিয়োগৰ ক্ষেত্ৰত কৈছে যে ৯৮,৬১৫ জন শিক্ষিত নিবনুৱা আছে। এই সকলক কি ভাবে আৰু কত সংস্হাপন দিয়াৰ ব্যৱস্হা কৰিছে তাৰো একো উল্লেখ নাই। গাঁৱে ভূঞে শিক্ষিত নিবনুৱা বাঢ়ি গৈছে। চাহ বাগানৰ পৰিষৰ বাঢ়িছে কিন্তু নিবনুৱাক চাতাই কৰা হৈছে। বাগানবোৰত হাজাৰ হাজাৰ নিবনুৱা যুবক-যুবতী বাঢ়ি আহিছে। (ধনী— আই, এন, চি, ইউ চিয়ে কি কৰিছে)।

এই নিবনুৱাৰ সংখ্যা যদি ৰোধ কৰিব পৰা নাযায় তেন্তে সময়ত ই ভয়ংকৰ ৰূপে ধাৰণ কৰিব । সেই কাৰণে মই চৰকাৰক পৰামৰ্শ দিব খুজিছো যে বাগানবোৰত যি সকল শিক্ষিত যুবক যুবতি আছে সেইবোৰক নিয়োগ কৰিবৰ কাৰণে চৰকাৰে শিক্ষা মন্ত্ৰনালয়ৰ এটা চিপাৰেট চেল কৰিব লাগে আৰু তাৰ জৰিজতে শিক্ষিত যুবক যুবতীক নিয়োগ কৰাৰ ব্যৱস্হা কৰিব লাগে ।

মই এই কথাষাৰ এই কাৰণেই কৈছো যে বাগানৰ শিক্ষিত যুবক যুবতী সকলক চৰকাৰে মাহী আইৰ চকুৰে চাই আহিছে। অশিক্ষিত বা অৰ্দ্ধ শিক্ষিত যি সকল যুবক যুবতী বাগান বিলাকত আছে সেই সকলক কৰ্ম সংস্হান দিবলৈ হলে ৪।৫ খন বাগান মিলাই ব্লেকস্মিথ, কাৰ্পেনট্ৰি, টেইলৰিং আদি কাৰিকৰী অনুস্হান প্ৰতিস্হান স্হাপন কৰি তাৰ শিক্ষাৰে শিক্ষিত কৰি কৰ্মসংস্হানৰ ব্যৱস্হা কৰিব পাৰিলে এই বিলাক যুবক যুবতীৰ উপকাৰ সাধন কৰা হব আৰু এই সকল স্বাবলম্বী হব পাৰিব। লগতে যুবতী সকলৰ কাৰণে বাগানৰ মাজত এম্ব্ৰইদাৰিং, টেইলৰিং আদিৰ ব্যৱস্হা কৰিব পাৰিলে যুবতী স্বাবলম্বী হৈ উঠিবলৈ সক্ষম হব আৰু এই সকলৰ উপকাৰ কৰা হব।

দ্বিতীয় কথা হৈছে আমাৰ স্কুল সমূহৰ কথা । চৰকাৰে কৈছে যে অসমৰ প্ৰত্যেক গাৱতে প্ৰাইমাৰী স্কুল খোলা হব। বৰ্ত্তমান যি অৱস্হাত এল পি স্কুল বিলাক চলি আছে দেখিলে দুখ লাগে। কৰবাত বেৰ আছে চাল নাই, কৰবাত চাল আছে বেৰ নাই তেনে বিলাক স্কুলতে আমাৰ কন কন লৰা-ছোৱালী বিলাক পঢ়ি থাকিবলগীয়া হৈছে। এনেকৈয়েই যদি এই স্কুল বিলাক চলাই থকা হয় তেতিয়াহলে আমাৰ শিক্ষাৰ মানদণ্ড কিমান উন্নত হব সেই কথা সকলোৰে সহজ বোধগম্য । আমাৰ এই চৰকাৰ সমাবাদী চৰকাৰ বুলি মুখ্যমন্ত্ৰীয়ে কৈছে আৰু এই কথা কাগজে পত্ৰে প্ৰকাশ পাইছে। কিন্তু আমাৰ সমাজখনে যিটো বিছাৰিছে আমাৰ চৰকাৰে সেইটো ৰাইজক দিব পৰা নাই। তাৰ পৰা ৰাইজক বঞ্চিত কৰিছে। আৰু আমাৰ মাননীয় সদস্য সকলে ইয়াত যেনে ধৰণেৰে ভূমিকা গ্ৰহণ কৰিব লাগিছিল মোৰ মতে তেনে ধৰণেৰে ভূমিকা গ্ৰহণ কৰিব পৰা নাই। যেনে ধৰণেৰে কংক্ৰিট পৰামৰ্শ আগবঢ়াব লাগিছিল তেনে ধৰণেৰে আগবঢ়োৱা নাই । বৰঞ্চ কংগ্ৰেছক গালি পাৰিছে, কমিউনিষ্টক গালি পাৰিছে, চি পি এমক গালি পাৰিছে এই দৰেই তেওঁ-লোকে তেওঁলোকৰ ভূমিকা গ্ৰহণ কৰিছে। এই দৰে বিধান সভাত ইটো দলে সিটো দলক গালি পাৰি থাকিলেই আমাৰ কাম নহব । তাৰ পৰিবৰ্ত্তে সুপৰামৰ্শ আগবঢ়াব লাগিব । প্ৰকৃততে মই যি খিনি আশা কৰিছিলো সেই খিনি পোৱা নাই। কোনোই কাৰোবাক গালি পাৰিছে, অধ্যক্ষক মনা নাই। এই কথা খিনি মোক উপৰুক্ত সদস্য সকলেই কবলৈ বাধ্য কৰিছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— তেখেতক দুই মিনিট মান সময় দিয়ক। নতুন মানুহ ।

শ্ৰীজয় চন্দ্ৰ নাগবংশী :— জনতা চৰকাৰে যি খন বাজেট ডাঙি ধৰিছে মই সেই খনৰ বিৰোধিতা কৰিছো ।

Shri Ranendra Narayan Basumatari—Mr. Speaker, Sir, the time left for me is very little. While participating in the discussion on the Budget I want to raise certain points.

Sir, I support the contention of the hon'ble members from this side of the House that this Budget is with a huge short-falll and huge public debt. I am afraid, how far it will be able to create the impact amongst the people of the State. Because, as we see this Budget has burried the hopes and aspirations of the people of the State of Assam.

Sir, I have one thing to say regarding the tribal education. One hon'ble member from the Treasury Bench has pointed out about the Bodo education. Sir, as we know Bodo medium education is the only Tribal education which has been recognised by this Government. So, for the improvement of the Bodo medium education we have to overcome difficulties, solve some problems (interruptions). I should not be disturbed. Sir, Bodo medium education has reached the stage of college education and thereby it has got some increased problems The problems are three--fold viz. (1) additional class rooms, (2) additional teachers and (3) production of text-books. These three problems must be looked into very carefully. Otherwise the introduction of Bodo medium from Primary to College stage will be set at not. I request the present Government that when there is the problem of additional teachers and the problem of text-books, the Government must see that these problems are solved expeditiously. There is another problems with regard to general education. In the Budget ofcourse, it has been hinted that vocational course should be introduced. Here I should like to cite an instance. If we want to introduce the vocational type of education we must have the type of school like Sakti Ashram Vocational Higher Secondary School. Sir, in that school there is a sweet, a cordial relation between the teachers and the taughts, this is the school where there is no agitation, there is no movement, this is the school where a peaceful atmosphere prevails, this is the School where there is the scope for imparting vocational education and this is worth experiencing. Therefore. I would request the Janata Government to fall in line with the Sakti Ashram Vocational Higher Secondary School and introduce the vacational course. I would request the Education Minister that vocational course should be introduced in the Higher Secondary schools. I have one specifie suggestion with regard to the old High Schools of Kokrajhar Sub-Division. These old schools should be upgraded to Higher Secondary Schools. As for instance, Sir, the Gossaigaon High School, although it does not full in my Costituency, is a very old High School. This school should be upgraded to the Higher Secondary standard.

Sir, regarding health I have a suggestion. R. N. Brahma Memoria Civil Hospital, Kokrajhar, which is named after a great son of the Bodos and also of the State of Assam late Rupnath Brahma is yet to be brought to its expected standard. Sir, after it was named after this great son of Assam it was expected the Government will have all sympathetic consideration, at least to bring to the standard of Sub-Divisional Hospital. When the Hon'ble Chief Minister visited Kokrajhar various representations were submited to him embodying demands for providing some specialists in some departments such as, Surgeon

Superintendent, Pathologist, Radiologist and Opthalmologist. Only these four demands were made to the Chief Minister. Sir, I urge upon the Chief Minister through you that these demands should be acceded to and implemented during the curren financial yea.r

Sir, I do not like to take any more time of the House although I am sorry, I have not been able to participate fully in the discussion for want of time.

Thank you, Sir.

Mr. Speaker—Order, order. I would now request the Hon'ble Ministers, Hou'ble members, Official Reporters, Press Reporters and officers in the Gallery to procqed to Room No. 1 for tea.

The House ttands adjourued till 5-30 P. M.

(After tea break)

শ্ৰীপ্ৰেমধৰ বৰা : উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে নিবেদন কৰিব বিচাৰিছো যে হাউচৰ যি পৰম্পৰা—সাধাৰণতে বাজেট আলোচনাৰ পিচত বিত্তমন্ত্ৰীৰ পৰা উত্তৰ পাওঁ । আশা ৰাখিছো সেই পৰম্পৰা ৰক্ষা কৰিব । যদি কোনো বিষয়ত দুই চাৰিটা পইণ্ট থাকে তেন্তে বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিব পাৰে । আজি এইটো কথা শুনিবলৈ পাইছো বোলে কেবাজনো মন্ত্ৰীয়ে উত্তৰ দিব। গতিকে আপোনাৰ জৰিয়তে হাউচৰ চিৰাচৰিত পৰম্পৰা ৰক্ষা কৰিবৰ কাৰণে নিবেদন জনালো ।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়, পৰম্পৰাৰ কথা নহয় হাউচত তেনেকুৱা আছে যে বাজেটত যদি দৰকাৰ হয় মন্ত্ৰী সকলে অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষে উত্তৰ দিয়ে, চিৰাচৰিত নীতি আছে ।

উপাধ্যক্ষ মহোদয়, আমাৰ এই বাজেটৰ ওপৰত যি বিতৰ্ক হৈছিল সেই বিতৰ্কত আমি অংশ গ্ৰহণ কৰিম বুলি ভবা নাছিলো । কিছুমান কথা স্পষ্টিকৰণ কৰি নিদিলে অলপ ভুল বুজা বুজিৰ সৃষ্টি হব পাৰে বুলি বিতৰ্কত অংশ গ্ৰহণ কৰিবলৈ ওলাইছো । আজি বিতৰ্কত আমাৰ ভালে কেইজন সদস্যই অংশ গ্ৰহণ কৰিছে আৰু বহুত ধৰণৰ পৰামৰ্শ আগবঢ়াইছে। এনেই কাৰো ওপৰত কোনো ধৰণৰ বিৰোপ মন্তব্য মই কৰিবলৈ বিচৰা নাই। এই বিলাক আলোচনা সমালোচনাৰ যোগেদি চৰকাৰৰ কাৰণে এটা শিক্ষা মূলক কথা হৈছে । এই বিলাকৰ যোগেদি আমাৰ ভৱিষ্যত নীতি নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত সুস্থ এটা পদক্ষেপ লব পাৰিম বুলি আশা ৰাখিছো । কিন্তু বাজেট বিতৰ্কত বহু ক্ষেত্ৰত বাজেটৰ পৰা আতৰি গৈছে আৰু অন্যান্য কিছু ধৰণৰ সমালোচনাই আহি ঠাই পাইছে । বিশেষকৈ দুটা বাজেট বক্তৃতা মোৰ খুব লাগিল, সেই ধৰণৰ বাজেট বক্তৃতা হলে দেশ খনৰ বহু ধৰণৰ কথা বতৰা লৈ ভাল ধৰণে কাম কৰিব পাৰিম বুলি আশা ৰাখিছো । বিশেষকৈ মহম্মদ ওমৰুদ্দিন আৰু শ্ৰীবাণেশ্বৰ শইকীয়া ডাঙৰীয়াই প্ৰকৃততে বাজেটৰ ওপৰত মন্তব্য ৰাখিছে আৰু মই আশা ৰাখিছো তেখেত সকলৰ এই বিশ্লেষণৰ যোগেদি বাজেট প্ৰণয়ণ কৰা ক্ষেত্ৰত আমাক বিশেষ ধৰণে অৰিহণা যোগাব । মোৰ সহকৰ্ম্মী বন্ধু বিত্ত মন্ত্ৰীয়ে ভালেমান বিষয়ত প্ৰত্যুত্তৰ দিব। মই দীঘলীয়া ভাষণ দি সদনৰ সময় নষ্ট কৰিব বিচৰা নাই । মই মাত্ৰ থুলমূল ভাবে কেইটামান কথা সদনত নিবেদন কৰিব বিচাৰিছে । আপোনালোকে জানে যে আৰম্ভণিত বিত্ত মন্ত্ৰীয়ে কৈছে আজিও কব যে এই বাজেট যখন দাখিল কৰিছে এই বাজেটখন আমি তৈয়াৰ কৰা বাজেট নহয় । এই বাজেট তৈয়াৰ কৰিবলৈ বৈ থাকি জনসাধাৰণক দুখ কষ্টৰ

মাজত ৰখাটো উচিত নহব। সেই কাৰণে আগৰ বাজেট যি খন আগৰ চৰকাৰে তৈয়াৰ কৰিছিল সেই বাজেট খন আমি আপোনালোকৰ অনুমতি সাপেক্ষে ইয়াত নিবেদন কৰিছিলো, দাখিল কৰিছিলো। তাৰ ওপৰত আজি বিতৰ্ক হল। এই বাজেট আমাৰ জনতা চৰকাৰৰ নহয় জনতা দলৰ নীতি, প্ৰতিছবি সম্পূৰ্ণ ভাবে দাঙি ধৰিব পৰা নাই। অহা যি বাজেট হব তাত আপোনালোকৰ যি পৰামৰ্শ, জনতা দলৰ যি কাৰ্য্য সূচী তাক ৰূপায়ণ কৰি সুস্পষ্ট বাজেট সদনৰ আগত দাঙি ধৰিব পাৰিম বুলি আশা ৰাখিছো। গতিকে আজি যি সমালোচনা কৰিছে সেই সমালোচনাৰ ভাৰ নিশ্চয় চৰকাৰে বহন কৰিব লাগিব। প্ৰকৃততে সমালোচনাৰ দিশটোত সেই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি সমালোচনা কৰা হলে বেচি ভাল হলহেতেন। লগতে মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা নিবেদন কৰিব বিচাৰিছো যে বৰ্তমান অবস্থাৰ আগতে বিৰোধী দলত আছিলো, আজি শাসনত আহিছো। শাসন যন্ত্ৰ চলোৱাৰ ক্ষেত্ৰত ক্ৰুটি নাটিৰ অনেক ধৰণৰ হব, সমালোচনাৰ সম্মুখীন আমি হব লাগিব। সেই কথাটো মই জানো আৰু মইও আগতে বিশেষ ধৰণৰ সমালোচনা কৰিছিলো, যি সমালোচনাই সময়ত হয়তো তিক্ততাৰ সৃষ্টি কৰিছিল। সেই সময়ত হয়তো যথেষ্ট সমালোচনাৰ যোগেদি কল্যাণৰ কাৰণে পৰামৰ্শ আগবঢ়াইছিলো। গতিকে এই ফালৰ পৰা আহি এই মনোভাব কৰা নাই যে আমাৰ যি সকল আগত ক্ষমতাত আছিল সেই সকলে কৰা কথাত দোষ দি থাকিম, এই সম্পৰ্কত আমাৰ বিশেষ কৰিব লগা নাই, এনে দৰে আনৰ ওপৰত দোষ দি বা দোষাৰূপ কৰি সাৰি যাবলৈ বিচৰা নাই। জনতা দলৰ স্পষ্ট নীতি আছে। জনতা চৰকাৰে জানে কেন্দ্ৰীয় চৰকাৰেও জানে যে যদি চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰে, আমি ভাষণ আৰু কাগজ পত্ৰৰ ওপৰত প্ৰতিশ্ৰুতি ৰক্ষা কৰি থাকো তেতিয়াহলে ৰাইজে পঠাব নালাগে তাৰ ভিতৰত আমি আমাৰ পথ বাচি লম। বলতকাৰ কৰি ৰাইজক প্ৰৱঞ্চিত কৰি ৰাইজক হেচা দি কোনো দিনে ক্ষমতাত থাকিব অন্য কোনোবা দল আহিব। গণতান্ত্ৰিক নীতিক পদ্ধতিত আমাৰ সমাজ খন জীয়াই থকাটো নিবিচাৰো। গণতন্ত্ৰক বিশ্বাস কৰো, গণতান্ত্ৰিআছিল, আজি আমি ইয়ালৈ আহিছো, কালিলৈ বাঞ্ছা কৰো কালি কংগ্ৰেছ চৰকাৰ ইয়াত ত, মহাত্মা গান্ধীয়ে যি গণতন্ত্ৰৰ সপোন দেখিছিল সেই পদ্ধতি এইটো হব। আনৰ দোষাৰূপ কৰি, কটু সমালোচনাত নিৰ্ভৰ কৰি এখন দেশ কোনো ক্ষেত্ৰত প্ৰগতিত আগবাঢ়িব নোৱাৰে। আমাৰ আত্ম সমালোচনাৰ খুব দৰকাৰ। আমি যদি দেশৰ কল্যাণৰ কাৰণে কাম কৰো, জনকল্যাণৰ কাৰণে কাম কৰিব পাৰো তেতিয়াহে ৰাইজক সুষ্ঠ ভাবে প্ৰতিনিধিত্ব কৰিব পাৰিম বুলি ভাবো। সেই কাৰণেই আশা ৰাখিছো মাননীয় সদস্য সকলে যি পৰামৰ্শ দিছে সেই খিনি ভাল পৰামৰ্শ আৰু দশৰ কল্যাণৰ কাৰণে সেই পৰামৰ্শ আগবঢ়াইছে। সেই পৰামৰ্শৰ যোগেদি আমি দেশৰ কল্যাণৰ কাৰণে যি শ্ৰেণী ৩১ বছৰ বঞ্চিত হৈছিল, সেই শ্ৰেণীৰ লোকক উন্নতিৰ পথত আগবঢ়াই লিখাৰ পিন্ধিবৰ ব্যৱস্থা কৰি দিব বুলি জনতা দলে প্ৰতিশ্ৰুতি দিছিল আৰু নিৰ্ব্বাচনৰ আগত নিৰ্ব্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতি ৰখা হৈছে। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণে আমি দৃঢ়তাৰে আগবাঢ়ি যাম বুলি আশা ৰাখিছো। এই ক্ষেত্ৰত আপোনালোক সকলোৰে ঐকান্তিক সহযোগীতা কামনা কৰিছো। আজি এই বিষয়ত আমি এটা কথা লক্ষ্য কৰিছো মোৰ জীৱন দৰ্শন বুলি কোৱাটো ঠিক নহয়, কব বিচাৰিছো যে আমাৰ দুটা দিশ আছে। সমাজৰ এটা দিশত দেখিব যে আজি সমাজত বিশৃংখলাৰ সৃষ্টি কোনে কৰিছে? আমি যি সকলে নেতৃত্ব বহণ কৰো যি সকলে আজি দেশৰ স্বাৰ্থ পিচত পেলাই থৈ নিজৰ স্বাৰ্থক আগতাপ দিওঁ সেই সকল লোকেই যেশ খনক আওপাকে পৰিচালিত কৰো। যদি প্ৰত্যেক জনেই জনসাধাৰণৰ কল্যাণৰ কাৰণে কাম কৰো আমি তেনে প্ৰতিনিধিত্ব কৰিব বিচাৰিছো। দেশখনৰ কল্যাণৰ কথা আগত ৰাখি নিজৰ স্বাৰ্থৰ কথা পিচত ৰাখি কাম কৰিব লাগিব। এই ক্ষেত্ৰত মই আপোনালোকৰ আগত নিবেদন কৰিব বিচাৰিছো যে আজিৰ পৰা ৰাইজৰ আশীৰ্বাদলৈ দেশৰ জনগণৰ এঠি খোৱাৰ বন্দবস্ত কৰিবৰ বাবে নিত্য প্ৰয়োজনীয় বস্তু অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আঠটা আমি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি বিলাবলৈ ঠিক কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমি কাম হাতত লৈছো। আৰু আমি আশা কৰিছো যে, আপোনালোক সকলোৰে সহযোগিতা আৰু ৰাইজৰ সহযোগিতাত আমি আমাক যি শ্ৰেনীৰ মানুহে আজি ইমান দিন ধৰি শোষণ কৰি আছে, যি সকলৰ কবলত পৰি আমাৰ সৰ্ব্ব সাধাৰণ ৰাইজৰ সৰ্ব্বস্ৰান্ত হৈ আছে, সেই সকলৰ পৰা ৰক্ষা কৰিব পাৰিম। এই ক্ষেত্ৰত আমি ৰাইজৰ পৰা পূৰ্ণ সহযোগিতা কামনা কৰিছো। উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি আৰু সদনৰ মাননীয় সদস্য সকলৰ যোগেদি সমস্ত অসমবাসীলৈ নিবেদন জনাইছো যে, আমি যি ব্যৱস্থা গ্ৰহণ কৰিছো তেখেত সকলৰ কল্যান সাধন কৰিবলৈ বিচাৰিছো তাৰ বাবে যেন সকলো ৰাইজ সহযোগিতা আগবঢ়ায়। আনহাতে ইয়াৰ মাজত যিটো পাপ চক্ৰ আছে, আৰু আমাৰ আগৰ চৰকাৰে কৰা কিছুমান ভাল ব্যৱস্থাও এই পাপ চক্ৰৰ কবলত পৰি ধংস প্ৰাপ্ত হৈছিল আৰু এতিয়াও যাতে সেই পাপ চক্ৰৰ কবলত আমাৰ ৰাইজ নপৰে তাৰ বাবে মই ৰাইজৰ ওচৰত নিবেদন কৰিলো। আৰু আমাৰ মাননীয় সদস্য সকলেও আমাৰ সৰ্ব্ব সাধাৰণ ৰাইজক যাতে এই কবলৰ পৰা ৰক্ষা কৰে তাৰ বাবে নিবেদন জনালো।

(ভইচঃ কেইবাজনো মন্ত্ৰী এই কবলত পৰিয়েই গল।)

উপাধ্যক্ষ মহোদয় আপোনালোকক জনাবলৈ বিচাৰিছো যে, কেইজনমান মাননীয় সদস্যই খাদ্য নীতিৰ নিয়ম সম্পৰ্কে আলোচনা কৰিছে। বিশেষকৈ মোৰ অতি পুৰণা বন্ধু আৰু আমাৰ বিধান সভাৰ সদস্য মাননীয় গগৈ ডাঙৰীয়াই এটা কথা কৈছে যে, আমি ইতিমধ্যে ধনী শ্ৰেনীৰ মানুহৰ কবলত পৰিছো। মই তেখেতক স্পষ্ট ভাবে জনাব বিচাৰিছো যে যি দিনাই আমি সেই মানুহ বিলাকৰ কবলত পৰিম সেই দিনাই জনতা চৰকাৰ ইয়াৰ পৰা শেষ হৈ যাব। আজি আমি জনসাধাৰণক ধণীক শ্ৰেনীৰ কবলৰ পৰা মুক্ত কৰিবলৈ বিচাৰিছো। আৰু আমাৰ মাননীয় সদস্য গৰাকীৰ পৰাও এই ক্ষেত্ৰত সহযোগীতা আগবঢ়াবলৈ নিবেদন কৰিছো। তেখেতে শুনি সন্তোষ পাব যে তেখেতৰ কথাত আমি আমাৰ খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত যি বিলাক নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰী যেনে চাউল, ঘেহু আৰু চেনি সেই বিলাক যাতে ভাৰতীয় খাদ্য নিগমৰ যোগেদি অনা হয় আৰু বিতৰণ কৰা হয় তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। ইয়াৰ কেনো ক্ষেত্ৰত আগৰ সেই মতিলাল মানচান্দ কোঠাৰীৰ সম্পৰ্ক নাই। আনহাতেএই অত্যাৱশ্যকীয় বস্তু বিলাক আগৰ যিটো পাবলিক ডিচট্ৰিবিউচন আছিল সেই বিলাক কটকটীয়া কৰি তাৰ জৰিয়তে ৰাইজৰ মাজত সুলভ মূল্যত বিলাই দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই মিঠাতেলৰ সম্পৰ্কত কব খোজো যে আমাৰ ইয়াত যি খিনি মিঠাতেল উৎপাদন হয় সেই খিনিৰে আমাৰ চাহিদা পূৰণ নহয়। সেই কাৰণে আমি বহু ক্ষেত্ৰত দাম দি বাহিৰৰ পৰা তেল আনিবলীয়া হয়। গতিকেই মিঠাতেলৰ দামৰ তাৰতম্য হোৱা দেখা যায়। আৰু এই দামৰ তাৰতম্য হোৱাৰ কাৰণে আমাৰ ষ্টেটফেড বিলাক ভালদৰে কটকটীয়া কৰি, নিকা কৰি প্ৰায় এক লাখ টন মিঠাতেল আনি (চিজলা) মজুত ৰখা হৈছে। আৰু যেতিয়াই দৰকাৰ হব তেতিয়াই ফেয়াৰ প্ৰাইচ চপৰ জৰিয়তে আৰু ৰাজহুৱা বিতৰণৰ জৰিয়তে বিতৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মই আশা কৰিছো যে অহা বৰ্ষৰ পৰা আমি আৰু সৰিয়হ সংগ্ৰহ কৰি অধিক তেল উৎপন্ন কৰিম। আৰু যি খিনি সৰিয়হ সংগ্ৰহ কৰিম সেই সৰিয়হখিনি প্ৰতি মহকুমাতে কো-অপাৰেটিভ চেকটৰত দুটাকৈ মিল বহুৱাই তেলৰ যোগান ধৰিবলৈ ব্যৱস্থা কৰিছো। কিন্তু সৰিয়হ সংগ্ৰহ কৰি ডাঙৰ ডাঙৰ মিলত দিলে এই গোটেই ব্যৱসায়টো এই শ্ৰেণী মানুহৰ হাতত এৰি দিয়া হব।

উপাধ্যক্ষ মহোদয়, মই এতিয়া এই সদনত বিশেষ ধৰণেৰে আলোচনা কৰা এটা বিষয় বস্তু লৈ আহিব খুজিছো। সেইটো হৈছে নিমখৰ সম্পৰ্কত । আগৰ চৰকাৰে নিমখৰ সংক্ৰান্তত যি ব্যৱস্হা গ্ৰহণ কৰিছিল সেইটো শুদ্ধ ব্যৱস্হাই আছিল। ষ্টেটফেডৰ যোগেদি বস্তু অনা নিয়া কৰিছিল কিন্তু তাত হেণ্ডলিং এজেণ্ট লোৱাৰ বাবে এই ব্যস্হাটো ভুল হৈছেল। এই বিলাক পিচত কেনচেল কৰি ২৯ জন বিশেষ ব্যৱসায়ীৰ ১ লাখ ২৫ হাজাৰ টন নিমখ আনিবৰ কাৰণে লাইচেন্স দিছিল। কিন্তু ফেব্ৰুৱাৰী মাহত আমাৰ ইয়াত নিমখৰ হাহাকাৰ হল । অনুসন্ধান কৰি জানিব পৰা হল যে অসমলৈ নিমখ আনিছিল । কিন্তু সেই নিমখ ফাৰাক্কা দলঙৰ ওচৰত নাইকীয়া হল। ৰেলওৱে বিয়াৰ পৰ আৰম্ভ কৰি স্হানীয় বিষয়াও ইয়াত জড়িত হৈ পৰিল । সেই সকলৰ বিৰোদ্ধে আমি এতিয়াও চাৰ্জফ্ৰেম কৰিব পৰা নাই । চাৰ্জফ্ৰেম কৰিব পাৰিলেই আমি আইনৰ সহায় লম । লিগেল ৰিমেমব্ৰেন্স, লগত আলোচনা কৰিব পৰা নাছিলো কাৰণ সেই সময়ত আমাৰ এডভোকেট জেনেৰেলৰ এপইন্টমেন্ট হোৱা নাছিল। এতিয়া এডভোকেট জেনেৰেলৰ এপ-ইন্টমেন্ট হোৱাৰ লগে লগে সেই লাইচেন্স বিলাক নাকচ কৰিলে। ইতিমধ্যে আমি ষ্টেটফেডৰ জৰিয়তে নিমখ অনাৰ ব্যৱস্হা কৰিছো । আৰু যদি মাননীয় সদস্য সকলৰ প্ৰয়োজন হয় কোন জিলাত কিমান নিমখ আছে এই লিষ্ট মোৰ হাতৰ আছে মই এই বিষয়ে কব পাৰিম কিন্তু কবলৈ সময় লাগিব ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— মঠতে কিমান নিমখ আছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— আমাৰ নিমখৰ প্ৰয়োজন হল ৫০ হাজাৰ মেট্ৰিক টন পামাণ্থ । ইয়াৰ কম হৈ আছে ৪১ হাজাৰ বেগ । আমাৰ ৰেলৰ অসুবিধা হোৱাৰ কাৰণে এতিয়া ব্ৰডগ্যজ আৰু মিটাৰগ্যজ দুয়োটাতে নিমখ আনিবলৈ ব্যৱস্হা কৰা হৈছে। এতিয়া নিমখ আহি পালে যোৱা ৪ মাহে যি বিপদ হৈছিল সেই বিপদৰ ওৰ পৰিব ।

(At 5-48 P.M. Hon'ble Deputy Speaker Vacoted the Chair and Mr. Speaker occupInd if.)

তাৰ পিছত আৰু এটা কথা আলোচনা কৰা হৈছিল আৰু সেইটো হৈছে চিমেন্টৰ ক্ষেত্ৰত। আমাৰ ৰাজ্যখনত মাহিলি চিমেণ্টৰ ছাহিদা হল প্ৰায় ৫০ হেজাৰ মেট্ৰিক টন। যোৱা জানুৱাৰী-ফেব্ৰুৱাৰী মাহত আমাক ৬০ হেজাৰ মেট্ৰিক টন দিছিল। তাৰে ৩৫ হাজাৰ মেট্ৰিক টন দিয়া হৈছিল আমাৰ চৰকাৰী বিভাগ বিলাকক আৰু ২৫ হেজাৰ মেট্ৰিক টন ৰাজহুৱা বিতৰণৰ কাৰণে দিয়া হৈছিল। কিন্তু সেইখিনি সম্পূৰ্ণ ভাৱে আহি নেপালেহি। কাৰণ বিশ্লেষণ কৰি দেখা গল যে, অসমৰ নামত সম্পূৰ্ণই আহে কিন্তু ৰাস্তাত সেইবিলাক নাইকীয়াহৈ যায়। যোৰহাট-ডিব্ৰুগড়ৰ নামত চিমেণ্ট বুক হয় কিন্তু ৰাস্তত গুৱাহাটীত আহি সেই বিলাক আনলড হয়। সেইদৰে চেৰাপুঞ্জিৰ পৰাও চিমেণ্ট আহে কিন্তু সেইবিলাক আহি গুৱাহাটীত আনলড হয়। অথচ আহে বিভাগৰ নামত। ইয়াৰ অন্তৰালত এটা পাপচক্ৰই কাম কৰি আছে। এই বিষয়ে তদন্ত কৰি কিছুমান লোকৰ ওপৰত আমি চাৰ্জচিট ফেম কৰিছোঁ। সেইসকলৰ বিৰোদ্ধে বিহিত ব্যৱস্হাও লোৱা হব। সেইকাৰণেই উপায়ান্তৰ হৈ চিমেণ্টৰ চৰ্চ্চ বিলাকত তিনিজনকৈ বিষয়া নিয়োগ কৰি তাৰ পৰা চিমেণ্ট অনাৰ দিহা কৰা হৈছে। ৰেইলওৱে ওৱাগনৰ ক্ষেত্ৰটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী অলপতে দিল্লীলৈ যাঁওতে এইবিষয়ে আলোচনা বিলোচনা আদি কেন্দ্ৰীয় চৰকাৰৰ লগত কৰি আহিছে। মইও এইবিষয়ে আলোচনা আদি কৰিছো। তাৰোপৰি, সিদিনা আমাৰ ৰেইলওৱে মন্ত্ৰী আহোতেও এইবিষয়ে আলোচনা আদি কৰা হৈছিল। এইবিলাক আলোচনা ক্ৰমেই এখন 'লিয়াছন কমিটি' গঠন কৰা হৈছে। সেইদৰে সকলো বিলাক খাদ্য দ্ৰব্যকেই যিবিলাক জনসাধাৰণৰ নিত্য

প্ৰয়োজনীয়, সেই বিলাক যোগান ধৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। তাৰ পিছত মই এইটো সদনৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে, এই মাহৰ ১০।২০ তাৰিখ মানে আমি সৰহ সংখ্যক চিমেণ্ট পাম বুলি আশা কৰিছোঁ। তাৰ জৰিয়তেও সম্পূৰ্ণ নহলেও আমাৰ কিছু অভাৱ পূৰণ হব বুলি আমি ভাৱিছোঁ। আজি গোটেই ভাৰতবৰ্ষতে চিমেণ্টৰ নাটনি হৈছে। ইক্ৰমান্বয়ে বেছি হৈছে। আন হাতেদি চিমেণ্টৰ যিমানে নাটনি হৈছে। সেইদৰে চৰকাৰী ঘৰ, প্ৰজেক্ট আদিৰ ওপৰিও আমাৰ জনসাধাৰণৰ চাহিদাও বৃদ্ধি পাইছে।ফলত ভাৰতবৰ্ষত উৎপন্ন হোৱা চিমেণ্টেৰেই আমাৰ দেশখনৰ অভাৱ পূৰণ কৰিব নোৱাৰিব। আমি বোকাযান আৰু চেৰাপুঞ্জিৰ চিমেণ্ট ফেক্টৰীৰ পৰা যিমান খিনি চিমেণ্ট পাইছো সেইবিলাকেই আমাৰ চাহিদা পূৰণ কৰিবলৈ যথেষ্ঠ নোহোৱাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য চিমেণ্ট ডিলাৰ বিলাকৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। কিধৰণে কৰিলে আমাৰ ৰাইজৰ চাহিদা পূৰণ কৰিব পৰা যাব আৰু আমাৰ ৰাইজেও অভাৱ অনুভৱ নকৰিব তাৰ কাৰণে পাৰ্য্যমানে চেষ্টা কৰিছো। এইক্ষেত্ৰত আমি আমাৰ মাননীয় সদস্য সকলৰো সহায় সহযোগ কামনা কৰিছোঁ।

তাৰ পিছত মছুৰ দাইলৰ চাৰচিদিৰ ক্ষেত্ৰত মই কওঁ যে, চৰকাৰে সকলোবিলাক বস্তুৰ ক্ষেত্ৰতেই বেপাৰ বাণিজ্য কৰিব নোৱাৰে। আমাৰ সাধাৰণ মানুহে যি বিলাক বস্তু সাধাৰণতে খাই সেই বিলাক বস্তুৰ ভিতৰত মছুৰ দাইলো পৰে। এই ক্ষেত্ৰত তিনিমাহকৈ আমি মছুৰ দাইলৰ ক্ষেত্ৰত চাৰচিদিৰ ব্যৱস্থা কৰিব খুজিছোঁ। এইকাৰণেই তিনিমাহলৈকে এইটো কৰা হৈছে যে, বস্তুৰ যোগান যদি বেছি হয় তেতিয়াহলে, হয়তো বস্তুৰ দাম কমিও যাব পাৰে। ইয়াৰ আগৰ চৰকাৰেও কিছুমান বস্তুৰ ক্ষেত্ৰত চাৰচিদিৰ কথা ঘোষণা কৰিছিল আৰু এইটো এতিয়ালৈকে নিদিয়াৰ কাৰণেই 'ষ্টেটফেড' ঘাটিৰ মুখত পৰিল। ৰাজহুৱা বিতৰণ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ আচল কাৰণ হৈছে যে, যি কেইটা বস্তুৰ যোগান আমাৰ ৰাইজক নিদিলে নহয় সেই কেইটা বস্তুকেই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ভিতৰলৈ অনা হৈছে। বাকী বিলাক বস্তু মুকলি বজাৰতে চলি থাকিব। আজি দাইলৰ যিটো দাম সেইটো যদি আমি বিলোৱাৰ লগে লগে বস্তু বিলাকৰ দাম কমি যায় তেতিয়াহলে, হয়তো এটা সময়ত আমি কম দামতো বেছিব লগীয়া হব পাৰে। তেতিয়া আমাৰ সদনলৈ আমি নিশ্চয় আহিব লাগিব। এই বিলাক ব্যৱস্থা কৰাৰ আমাৰ একমাত্ৰ উদ্দেশ্যই হৈছে যে, কম দামত যাতে আমি আমাৰ ৰাইজক নিত্য প্ৰয়োজনীয় সকলো বিলাক বস্তুৰ যোগান দিব পাৰো তাৰ কাৰণে আমি আপোনা-লোকৰ সহায় সহানুভূতি বিছাৰিছো। আমি যি বিলাক প্ৰচেষ্টা লৈছো সেইবিলাক আমি আন্তৰিকতাৰেই লৈছো। ৰাইজক আভূৱা ভাবিলৈ আমি অহা নাই। আমাৰ প্ৰধান উদ্দেশ্য হৈছে যে, ৰাইজে যাতে দুবেলা দুমুঠি খাবলৈ পিন্ধিবলৈ পায়। বঞ্চিত ৰাইজক উদ্ধাৰ কৰাৰ সপোন আমি দেখিছোঁ। এই ক্ষেত্ৰত আপোনালোকৰ সহায় সহযোগ নিশ্চয় কামনা কৰিম। তাৰ পিছত ধান-চাউলৰ পৰা আৰম্ভ কৰি কেৰাচিন তেললৈকে বস্তু বিলাকৰ ক্ষেত্ৰত কৰ লগীয়া কথা খিনি এইবিলাক মঞ্জুৰীৰ ওপৰত হবলগীয়া বিতৰ্কৰ উত্তৰত জানিবলৈ দিয়া হব। সম্পূৰ্ণ ভাৱেই এই গোটেই কথা বিলাক বিবেচনা আৰু বিশ্লেষণ কৰি তাৰ তথ্য সদনত দাঙি ধৰা হব। তাত আপোনালোকৰ মতামত সম্পৰ্কেও আমি নজৰ ৰাখিম। সেইকাৰণেই মই আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াক কৈছো যে, ইমান দিন তেখেত বিধান সভাত আছে। জনতা দলৰ চৰকাৰ ইয়ালৈ আহিছে কাৰণেই যে, এই চৰকাৰক সমালোচনা কৰিব নেলাগিব সেইটো নহয়। নিশ্চয় সমালোচনা কৰিব লাগিব। কিন্তু এই সমালোচনা হব লাগিব গঠনমূলক। তেখেতে এটা কথা কৈছে আৰু সেইটোত মই হাঁহি আছোঁ। তেখেতে কোৱা কথাটো হৈছে যে, মই হেনো নিজে গৈ শিৱসাগৰত চিমেণ্ট বিতৰণ কৰিছোঁ। চিমেণ্টেই যেতিয়া নাই তেনেক্ষেত্ৰত বিতৰণ কৰিমেইবা কেনেকৈ? চিমেণ্ট বিছাৰি অহা মানুহ জনৰ দৰ্খাস্তখনটো দলিয়াই পেলাব নোৱাৰি। ডি, চি, এচ, ডি, অ-ক কাগজ খন দিয়া

হয় যদি আছে দিব পাৰিবনেকি সেইটো বিবেচনা কৰি চাবৰ কাৰণে। ৰাইজে দিয়া কাগজ এখনটো দলিয়াই পেলাব নোৱাৰি। জাপে জাপে কাগজ এইদৰে আহে। কিন্তু তেনে এখন কাগজ চাবৰ কাৰণে ডি, চি, এছ, ডি, অ'ক দিলেই যে, মন্ত্ৰীঅয়ে নিজে গৈ চিমেণ্ট বিতৰণ কৰা হয় সেইটো কেতিয়াও হব নোৱাৰে। আগৰ চৰকাৰৰ অনুগ্ৰহতেই আমি এইটো অন্ততঃ শিকিব পাৰিছো যে, পৰাপক্ষত যেন আমি কাম বিলাক কৰোতে কেতিয়াও 'অভাৰডুয়িং' নহয়। ক্ষমতাৰ যেন অপচয় নহয় সেইটো আমি বিছাৰো। আমি সাধাৰণ মানুহ আৰু সাধাৰণ মানুহৰ মাজত সাধাৰণ ভাৱেই আমি থাকিবলৈ বিছাৰোঁ। আমাৰ জনতা দলৰ চৰকাৰৰ দ্বাৰা 'অভাৰডুয়িং' নহব। ইমান বিলাক ব্যৱস্থা লোৱা স্বত্বেও আগৰ চৰকাৰে বস্তুৰ দাম নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। পশ্চিম বঙ্গত বামপন্থীৰ চৰকাৰেও বস্তুৰ দাম কমাব পৰা নাই।

(ভইচ :—আপোনালোকে দিল্লীৰ হুকুমত কাম কৰিছেনেকি ?)

আমি দিল্লীৰ হুকুমত কৰা নাই। দিল্লীয়ে নীতি নিৰ্দ্ধাৰণ কৰিছে। অৱস্থাৰ পৰিপ্ৰেক্ষিতত হে আমি কাম কৰিব লাগিব। সেইমতেই আমি সিদ্ধান্ত কৰিছো। শাসন যন্ত্ৰটো এনেকুৱা হৈ আছে যে, অলপ সময়ৰ প্ৰয়োজন হব। এইক্ষেত্ৰত আপোনালোকৰ সহায় সহযোগ আমি নিশ্চয় কামনা কৰিম। সেই কাৰণেই আমি ৰাজ্যিক পৰ্য্যায়ত আৰু চাবডিভিজনেল লেভেলত চাপ্লাই এড্ভাইজাৰি বৰ্ড গঠন কৰি তাৰ ওপৰত দায়িত্ব ভাৰ অৰ্পণ কৰিছোঁ। এই বিলাকৰ দায়িত্ব যে অকল চৰকাৰেই বহন কৰিব লাগিব এনে নহয় সকলোৱে ইয়াৰ দায়িত্ব বহন কৰিব লাগিব। সকলো বিলাক কামৰ দায়িত্ব আমাৰ সকলো বিলাক মাননীয় সদস্যই লব লাগিব।

ইয়াৰ পিছত আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে, জনতা চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠানত বোলে ফাঁচি বজাৰৰ পৰা মিঠাই আহিছিল। আমি চৰকাৰী মিঠাইহে খাইছিলো। ফাঁচি বজাৰৰ মিঠাই খোৱা নাছিলোঁ। দ্বিতীয়তে, সিদিনা আমাৰ মাননীয় সদস্যই এটাকথাৰ উল্লেখ কৰিছে যে, ৰাষ্ট্ৰপতিক হেনো কোনোবা এজন মন্ত্ৰীয়ে ডিচপ্লিজিং ব্যৱহাৰ দেখুৱাইছে। এই কথাটো সত্য নহয়। বৰং ৰাষ্ট্ৰপতিয়ে অসমত পোৱা ব্যৱহাৰত সন্তুষ্টি প্ৰকাশ কৰিহে বাৰ্ত্তা প্ৰেৰণ কৰিছে।

গড়কাপ্তানী বিভাগৰ সম্পৰ্কতো বহুতো সমালোচনা হৈছে। ৰাজ্যখনৰ ৰাস্তা ঘাটত বিলাক প্ৰয়োজন অনুসৰি 'ব্লেক টপিং' আৰু ওৱাইদেনিঙৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত দুইলাখ মানকৈ টকা ধৰা হৈছে। তাৰোপৰি, ট্ৰাইবেল চাবপ্লেনৰ পৰাও টকা ধৰা হৈছে। এইটো ধৰা হৈছে এই বছৰৰ কাৰণে। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এই সিদ্ধান্তকে কৰা হৈছে যে, নতুন ৰাস্তাত কৰাতকৈ ইতিমধ্যেই ৰাজ্য খনত যিবিলাক ৰাস্তা ঘাট আদি আছে সেইবিলাকক উন্নত কৰাৰ কাৰণেহে আমি চেষ্টা কৰিছোঁ। ইয়াৰ কাৰণে প্ৰয়োজনীয় পুজীৰো ব্যৱস্থা কৰা হৈছে। কোন বিলাক ৰাস্তা ঘাটৰ সম্পৰ্কত অগ্ৰাধিকাৰ লোৱা হব সেইবিলাকৰ ক্ষেত্ৰত আপোনালোকৰ অনুমোদন লোৱা হব। ধৰ্ম্মীয় অনুষ্ঠানকে আদি কৰি পৰ্যটকৰ কাৰণে আকৰ্ষণীয় জেগা বিলাকৰ লগত যাতায়ত আৰু পৰ্য্যটক সকলৰ সুবিধাৰ কাৰণে ঠায়ে ঠায়ে কিছুমান পৰ্যটক নিবাস কৰাৰ কাৰণেও আমি ব্যৱস্হা হাতত লৈছোঁ। ইয়াৰ বাহিৰেও সংলিষ্ট কথাবিলাক আমি পৰীক্ষা নিৰীক্ষা কৰি চাম। মই আৰু দীঘলীয়া বক্তৃতা দি আপোনালোকক আমনি নকৰো। আপোনালোকে যিবিলাক সমালোচনা কৰিছে সেইবিলাক এইকাৰণেই আমি স্বাগৰ জনাম যে ইয়াৰ জৰিয়তেই আমি আমাৰ সৰ্বহাৰা জনসাধাৰণৰ কাৰণে জনকল্যাণ মূলক

কাম বিলাক কৰিব পাৰিম। আপোনালোকে যদি কিবা দোষ আদি দেখে সেইবিলাক বিধান সভাত উত্থাপন কৰাৰ আগতে আপোনালোকে আমাৰ দৃষ্টিগোচৰ কৰিব। যদি আমাৰ ফালৰ পৰা কোনো ধৰণৰ ব্যৱস্থাৰ ইঙ্গিত আপোনালোকে নেপায় তেতিয়াহলে, সমালোচনা কৰিব পাৰে।

*শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মন্ত্ৰীয়েটো বিভাগীয় বিষয়া সকলৰ সম্বন্ধে কোনো উত্তৰেই নিদিয়ে।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—আমাক জনালে আমি নিশ্চয় ব্যৱস্হা কৰিম। আমিও আগতে কৈছিলো কিন্তু শাসন যন্ত্ৰ এটা পৰিছালনা কৰা কিমান টান সেইটো আপোনালোকেও শাসনৰ গাদীলৈ অহাহলে গম পালেহেতেন। শাসন যন্ত্ৰটোৰ যদি আমূল পৰিবৰ্ত্তন কৰিব নোৱাৰি তেতিয়াহলে, যি পাৰ্টিৰ চৰকাৰেই নাহক লাগিলে কোনেও এইটো থিক মতে পৰিছালনা কৰিব নোৱাৰিব। আপোনালোকে যদি সদ্দৰ পৰামৰ্শ দিয়ে তেতিয়া হলে সেই বিলাক সদ্দৰ পৰামৰ্শ লৈয়েই আমাৰ জনতা দলৰ কাৰ্য্যসূচী বিলাক বাস্তৱত ৰূপায়িত কৰিব পাৰিম।

*শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—মাননীয় যোগান মন্ত্ৰীয়ে কৈছে যে, আজিৰ তাৰিখৰ পৰা সাতটা খাদ্য সামগ্ৰী ৰাজহুৱা বিতৰণ ব্যৱস্হাৰ যোগেদি বিতৰণ কৰা হব। এইটো কথা সত্যনেকি যে, যোৱা ২৭ তাৰিখৰ পৰা ৩১ তাৰিখলৈকেই গুৱাহাটীত যিমান বিলাক হোলচেলাৰ আছিল তাৰ পৰাই সেই সামগ্ৰী বিলাক ষ্টেটফেডে কিনিছে। যদি কিনিছে তেতিয়াহলে, এইটো কথা সত্যনেকি যে, যি বিলাক বস্তু কিনিছে সেইবিলাক অতিৰিক্ত দামত কিনা হৈছে? তাৰ পিছত চাৰ্বাচাঁদ ৰেটত মচুৰ দাইল দিবলৈ যিটো ব্যৱস্হা কৰিছে এই পৰিপ্ৰেক্ষিততে মই সুধিব খুজিছোঁ যে, কাৰ পৰা চৰকাৰে এই-বিলাক কিনিছে সেইটো জনাবনে?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—দুটা কিয় মই তিনিটা প্ৰশ্নৰ উত্তৰ একেলগে দিব পাৰো। এই যিবিলাক বস্তুৰ কথা কোৱা হৈছে সেইবিলাক কানপুৰৰ চৰকাৰী এজেন্সিৰ পৰা অনা হৈছে। সেইবিলাক বস্তুৰ এতিয়া দাম বঢ়াৰ কাৰণে লিমিটেড ষ্টকৰ পৰা প্ৰতি কিলোত ৪·০০ টকা আৰু বাকী বিলাকৰ পৰা ৪·২৫ পইচাকৈ কিনা হৈছে।

*শ্ৰীপ্ৰমোদ গগৈ :— যি চোৰ্চৰ পৰা কিনা হৈছে, চৰকাৰে এই বস্তু বিলাক প্ৰত্যক্ষভাৱে কিনি আনিছে নে কোনোবা হেণ্ডলিং এজেন্সি বা ডিলাৰৰ যোগেদি কিনা হৈছে?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) :— আমাৰ ষ্টেটফেডৰ বিষয়াই নিজেই গৈ কিনি আনিছে?

*শ্ৰীদীপক ভট্টাচাৰ্য্য :— অধ্যক্ষ মহোদয়, এটা পয়েণ্ট অফ্ ক্লাৰিফিকেশন। সাপ্লাই মন্ত্ৰী তাঁর উত্তরে বলেছেন যে এ আই সি সি'র সশোনের সময় ষ্টেটফেড থেকে খাদ্যবস্ত নিয়েছিল। সেগুলি কি পয়সাত বিনিময়ে দেওয়া হয়েছিল না পয়সা ছাড়া দেওয়া হয়েছিল? যদি পয়সার বিনিময়ে হয়ে থাকে তবে সে পয়সা আদায় হয়েছে কি?

Shri DULAL CHANDRA BARUA (Minister) : It is under enquiry

*Speech not corrected.

*শ্ৰীচামছুল হুদা :— এইটোৱেই বোধহয় শেষ প্ৰশ্ন হব। মই এটা স্পষ্টীকৰণ বিচাৰিছো যে এই কথা সচাঁ নেকি যে ষ্টেটফেডৰ অফিচাৰ সকল যেতিয়া চোচৰিলে যায় তেতিয়া তেওঁলোকক দালাল সকলে বাট দেখুৱাই নিয়ে নেকি ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকী যিহেতু দালালৰ পৰা বহুত দূৰত, তেনে স্থলত আমাৰ বিষয়া সকলো দালালৰ পৰা বহুদ দূৰত।

*শ্ৰীগোলক ৰাজবংশী :— এই চাব-চিডি দিয়াৰ কাৰণে ৰাজহৰ পৰা কিমান টকা ভৰিব লাগিব ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— যদি আমি মাহত ২৫০ গ্ৰামকৈ প্ৰতিজন লোকক দিওঁ তেতিয়াহলে ৩২ লাখ টকা লাগিব।

*শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— যি ৮ বিধ সামগ্ৰীৰ কথা কৈছে, সেইবোৰ কি কি ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই আঠ বিধ সামগ্ৰীৰ ভিতৰত, মিঠাতেল, কেৰাচিন তেল, নিমখ, চেনী, চাউল, দাইল, আটা আৰু ষ্টেণ্ডাৰ্ড ক্লথ।

*শ্ৰীগোলক ৰাজবংশী :— মই এটা পলিচিৰ কথা সৰ্ধিব বিচাৰিছো সেই খোৱা বস্তুৰ যিটো লিমিট কৰি দিছে তাৰ ফলত এই কণ্ট্ৰোল আৰু ফ্ৰিৰ সামঞ্জস্য কেনেকৈ ৰাখিব। গতিকে যেতিয়া ২৫০ গ্ৰাম লিমিটকৰি দিয়া হৈছে তেনে ক্ষেত্ৰত যদি কোনো-ৰাই তাতকৈ বেছিকৈ খাব বিচাৰে তেওঁ কি কৰিব ? আৰু যদি কোনোবাই মছুৰ দাইল নেখায়েই তেনে অৱস্থাত কি হব ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই ভাবো মাহে ২৫০ গ্ৰামকৈ দিলেই যথেষ্ঠ হয়।

*শ্ৰীভুবনেশ্বৰ বৰ্ম্মন :— বৰ্ত্তমান যোগান মন্ত্ৰীয়ে কৈছে যে এই ৰাজহুৱা বিতৰণ ষ্টেটফেডৰ জৰিয়তে কৰা হব। কিন্তু আমাৰ গাঁও পঞ্চায়ত বিলাকত যিবিলাক সমবায় আছে আৰু আগৰে পৰা সমবায় বিলাকে যি ধৰণে বিতৰণ কৰি আছে, ষ্টেটফেডৰ জৰিয়তে ৰাজহুৱা বিতৰণ কৰিলে তাত একো ব্যাঘাত নহব নেকি ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই আগতেই কৈছো যে যিবিলাক সমবায় ভালধৰণে চলি আছে আৰু ৰাজহুৱা বিতৰণ ভালদৰে চলাই আছে সেইবিলাকক নিশ্চয় দিয়া হব।

*শ্ৰীমুকুট শৰ্ম্মা :— যোগান মন্ত্ৰীয়ে যিটো অংক কৰিছে যে প্ৰতি মাহে ২৫০ গ্ৰামকৈ দিলে দিনে কেইটাকৈ দাইল ভাগত পাৰিব।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— প্ৰশ্নকৰ্ত্তাই নিজে হিচাবটো মোক কৰি দিলেই ভাল হয়।

Shri Md. UMARUDDIN : Sir I have got only one point regarding the roads and bridges. Now' the Hon'ble Minister has pointed out that they are going to give more emhasis or priority on the improvement of the existing roads. That is very welcome. Most of the roads and bridges are in a very miserable condition. Roads and bridges which were damaged by floods are not yet repaired. Then again I find that as aginst the total provision of Rs. 15 crores here is a provision of Rs. 17 crores an incerease of Rs. 2 crores But, Sir I would like to point out that this is indequate to meet the existing preasing demands. Therefore, Sir, whether it is possible to take some money as loans by way of a plan programe to make good the deficiency in the maintenance budget and to see that aa accelerated programme is taken up for improvement of roads and bridges.

---

*Speech not corrected.

Shri DULAL CHANDRA BARUA ( Minister ) : Sir, there is a provision of taking loans and we are now trying to avail it. Moreover Sir, we are also trying to place our demands before the 7th Finance Commission for increasing the quantum of awards.

Shri Md. UMARUDDIN : Sir, this will take long time

Shri DULAL CHANDRA BARUA (Minister) : Sir as I have stated, there is a provision of loans. But this was not availed of by the previous regime. We are now trying to avail this also.

Shri A. F. GOLAM OSMANI ( Minister ) : Mr. Speaker, Sir, (Interruption).

Shri Md. SHAMSUL HUDA : Mr. Speaker, Sir, I would like to draw your attention to Rule 143 Sub-section (2) of the Rules and Procedure of this House. This rule says that." the Finance Minister shall have a general right of reply at the end of the discussion," Therefore, Sir, other Ministers have no right of reply at the end of the discussion. According to this rule only the Finance Minister has the right of reply. I am only drawing your attention to this rule.

Shri GOLOK RAJBANSHI : Sir, according to this rule only the Finance Minister has the right to reply after the discusssons.

Mr. SPEAKER :Ministers have always the right to reply in certain points raised in the discussions.

Shri ABUL KASEM : Sir, such things never happened in the history of this House in the past.

Shri A. F. GOLAM OSMANI (Minister) : Hon'ble Mr. Speaker Sir, many things which did not occur in the history of this House did occur in this House at the time of the emergency. Sir, during the period of emergency proceedings of this House could not be circulated and the Hon'ble Members could not get their speeches published. When we go through the proceedings of the House, we are reminded of the days when the Hon'ble Members from the opposition challenged the contention of the Treasury-Bench had genuine apprehension that they are likely to put under prison when they leave the House. But Sir, the restoration of the Parlirmentary democracy has given new lease to one of the formost privileges, *i. e.*, the protection afforded to the Hon'ble Members from any type of prosecution. Sir, the Hon'ble Members, Shri Promode Gogoi, Shri Prema Bora and Shri Ramesh Chandra Saharia have mentioned that democracy has at-last been restored.

( Interruption )

Sir, the restoration of democrecy has given a new life in our Parliamentory system of Government and for this we are grateful to our beloved leader Shri Joy Prakash Narayan. The man who was never a Parliamentarian did most for the Parliamentary democrecy in our country. Sir, in a country where democrecy is not functioning perspective planning is not possible. As you know, Sir, after coming to power, to previous regime did not make any perspective planning So far as the power problem is concerned we are handed over with a situation which is really very desperate. What is the power position in the State and its implication ? It is not a party question. It is not only the question of the Janata Party ; the all non members of the House as well as the State is involved in this issue.

Assam at present is in such a state of affairs that even if other factors are favourable no new industry can be set up. Presently we are utilising 140 MW of power. We are generating ourselves from our Thermal Stations to the tune of 80 MW. Nearly 41 MW to 45 MW of power is coming from Meghalaya which will also dry up by 1980-81 and 18 MW to 20 MW from our captive generator. Presently 140 MW is available but at the same time we find that petition praying for new power to the tune of 300 MW remains pending- 100 MW of power is wanted by industry and its ancilliaries, and the tea garden our major industry, which has the greatest contribution to Indian economy, is in need of 120 MW of power. And what is the planning made in the past ? It is now no use blaming. I understand the difficulties of the previous regime and what we have inherited from them and we must try to understand its implications. Power position is really desperate as we find because of wrong planning. Whole concentration was confined in one district only, namely Kashi Hills district. While other parts of India were executing bigger hydel projects, they are taping hydel power Stations amouting to 5 MW, 7 MW and 10 MW dimension. Prior to this House, the earlier House realising that something is wrong in the kingdom of Denmark, instituted a House Enquiry Committee P. C. Barooah Committee in its report in 1970, apprehended this type of power shortage in Assam. But in the last 6 or 7 years nothing was done. It is said that one-third of the hydel potentialities of India is located in eastern India. Kopili Project which was investigated in the last few years has been taken away from the State agency, i.e. Assam State Electricity Board. Assam State Electricity Board investigated and prepared the projrct report and now at the time of execution it was transferred to another agency, namely, NEPOO. It has been rightly pointed out by hon. members that there are many Engineers in the State Electricity Board sitting idle and there is no work. There are Engineers, I know, specially in Civil and Design wings who are sitting idle Are they responsible for it ? I have found there are Engineers in the Assam State Electricity Board who can snbmit a report within three days about a river which did not occur on any previous record. To day, a report has come to me for generation of 3 MW of power in North Cachar Hills and my colleague in the Council of Ministers who has come from North Cachar Hills has got hold of it and forwarded it to the Hills Planning Board. I do not want to give any justification because previous regime perhaps had their difficulties but so far as the power is concerned this much I want to say that this is a thing which has to be planned. In cultivation you cau get the produce in a year. If you want to rear fish, they say, the pisciculturist, it will take three years for a fish to grow, if yon want to have milk that is diary development, it will take 8 years. Powar is also such a thing that cannot be developed over night. ASEB has got in its hand some projects but unfortunately again this time too we find emphasis is on thermal and not on hydel presumbly because there is no hydel potentialities within the present boudaries of Assam. Two most important projects that could have been the best projects in the north-eastern India are—Kameng and Subansiries And Kameng is in fact was mentioned in the P. C. Barooah's Report as early as 1970 which along could give us 500 MW of power. But that has not been considered and we are now constructing a huge

thermal power station at. Bongaigaon. The first phase of it is nearing completion and the second phase is about to be technically cleared. There we are depending on West Bengal and Bihar coals to run these power Stations. This is the position At present we have installed capacity of 140 MW. The Lakwa Thermal poject which has recently been inaugurated by our President is expected to be commissioned by 1979. Bongaigaon that is also under construction is expected to be completed by 1980. There is another project at Namrup that will also be completed by the end of 1980. Then the Bongaigaon extension will be finished by 198 . There is lower Barapani hydel scheme and that will be completed by 1984. Borgulai project is expected to be finished by 1983. So by the end of the Sixth Plan we will have an installep capacity of 58 MW. But according to Ninth All India Power Survey the requirement of Assam by 1983 will be of order of 664 MW and that has been found on conservative estimate. If we want to get 964 MW of power then what should be our installed capacity? We need an installed capacity of 1000 MW if we want to have power generation of 600 MW. In Assam, perhps, we are getting power at the present level because of the standard of work that has been done in Assam and for that credit goes to the last Government. Assam will get maximum 600 MW of installed power by the end of the Sixth Plan.

I would like to inform the House that policy of the new Government will be to go for some bigger hydel projects like Subansiri and Kameng. For this Government is initiating discussion with the Government of India and the Government of Arunachal. If kameng be executed atleast by 1990 the power problem of Assam can be solved for some time to come. So far, the organisation of the A S. E. B. is concerned, much has been said in this House and we take a note of it. We are also not very happy with the workings of the Board. The Board, which is supposed to execute huge projects of technical nature, is dominated by people who have no connection with that branch of technology. But if an overall change is made there will be dislocation and resentement. However, the sentiments expressed by this House will be taken into consideration and improvement at the organisational level will be attempted So far the rural electrification is concerned, I found that when all India average of rural electrification is 36 percent Assam has only 9 percent. It is very pitiable so far rural electrification in Assam is concerned.

Shri ATUL GOSWAMI : Sir, credit goes to Mr. Kapoor and Gupta.

Shri A F. GULAM OSMANI (Minister) : I must admit before the House that 30 crore projects were supposed to be administered by a Project Officer of the rank of Superintending Engineer.

For the last five years very many projects were taken np. We are not in short supply of money. The Centre is willing to give money. the Rural Electrification Corporation is willing to give money but we are not organisationally geared up to utilise the money forthcoming. Therefore complete reorganisation and reorientation are needed. We will have required reorganisation so that we can achieve the target as envisaged in the Sixth Plan. Now, this much we can say that we will take into consideration the sentiments of the hon'ble members,

About other matters, which we are holding now is irrigation. One of the important policy matters that can be announced before the House is about shallow tube-well programe. So far it has totally failed. I presume that this shallow tub-well business was not administered with due caution and with a foresight by the Previous Ministries. So far in respect to other matters like minor, major irrigation it is good. But this tube-well business has totally failed because of the very nature of the thing obtaining in our State. Wherever the people are really interested in whatever water is available they go for shallow tube-well and it is of course not much expensive. The World Bank finances these projects which is called institutional finance. But that money has to go through our Cooperative societies. The Cooperative Societies are to act as guarantee and the requirement is that if the cooperatives are to get this loan on behalf of the farmers then they must not be defaulters. Unfortunately, what happened in previous regime ? Most of the cooperatives are now found to be defaulters and even if the individual farmers are willing to take tube wells, they fail because in most cases the cooperatives are found to be defaulters. So, we are now proposing to have a Minor Irrigation Development Corporation devoted to the programme of shallow tube-well and it is very important for a State like Assam. In the policy statement of the Government it was said that Government will give special attention to the 'char' areas. In such areas the people can hardly raise one crop in a year. But in the winter months if water can be supplied in the vast areas of Brahmaputra riverine chars through this shallw tube-well programme and if they can be persuaded to grow wheat which needs less water and gets ready for harvest in a shorter period, Assam can be made self-sufficient in wheat. So Irrigation Department has much to do to bring a social and economic upliftment of the people. Therefore, we seek cooperation of the hon'ble members of the House for the successful implementation of this programme and I hope they would be pleased to extend their help in this regard. Earlier also Government was taking steps but there have been some glaring defects. We are now modifying that policy. No doubt farmers will have to pay money for weter. Our proposition is we spend money on supplying water which will help one to grow more. So a new water rate will be introduced which will not be a hardship to the agriculturists. So far as the plans regarding the existing projects are concerned we are looking into it very carefully so that they will be made workable as suggested by the hon'ble members and make it an ideal programe to which our Irrigation department is committed and I hope it will be possible if coperation comes from all quarters.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই বিধান সভাতে জলসিঞ্চন বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা আৰু মুখ্য অভিযন্তা জনে ৩ নে ২ হাজাৰ বস্তু ৫ হাজাৰত কিনা বুলি কাগজ পাতি সহ প্ৰমান উত্থাপন কৰা হৈছিল কিন্তু সেই বিষয়ে মন্ত্ৰী মহোদয়ে একাষাৰও নকলে ।

Shri A. F. GULAM OSMANI (Minitser) : Sir, for the information of the hon'ble member that as soon as these allegation were revealed the Chief Minister himself sent a note and an investigations started and it is being duly processed. There is also a discussion pending

under Rule 301 which is being fixed some time this month when I hope, the hon'ble members will have full scope to discuss this matter. It is not our intention to cover the misdeeds of the previous regime and also of the present Government if there be any.

Md. UMARUDDIN : Sir, so far power development is concerned may I know from the hon'ble Minister whether the Electrical Consultative Committee is still functioning and whether it is not the policy of the Government that the Consultative Committee is to examine the entire projects I do not know whether public men of importance or efficient men are included in the Committee and how it is functioning? And also whether there is any proposal for power development in the State has been submitted by the State Electricity Board to the Government.

Shri A. F, GULAM OSMANI (Minister): Sir, I am thankful to the Hon'ble Member for reminding me of this point. In fact, there is an Electrical Consultative Council at the State level and there are representations from all the sectors of the economy as well as industry but meetings are not held as per requirement of the rules i. e., the Electricity Rule under which they are brought into being. Last year one meeting was held and in the proceedings of that meeting we find that some important matters were discussed and the Board also considered them. How far that can be implemented we have to examine. There is also proposal to have local Advisory Board in certain cases like Bongaigaon or other places. Where heavy construction is taking place they have got this Advisory Board to advise the Project officials in the matters relating to public relations and so far this type of public relations Boards and committees are concerned, certainly we will try to gear them up so that they can serve the purpose for which these are created.

Shri PREMADHAR BORA: Sir, we are thankful to the Minister for his frank admission with regard the Consultative Body in the Electricity Board. I want to know whether the new Government is contemplating, so far as the administrative side of the Assam State Electritity Board is concerned, to review the working of the Assam State Electricity Board?

Shri A. F. GULAM OSMANI (Minister): Yes, it is constantly being reviewed I can assure the Hon'ble Member.

Shri SAMSUL HUDA: Sir, may I know from the Hon'ble Minister whether the Government is trying to reorganised the Assam State Electricity Board and the time by which the Government wants to form Minor Irrigation Corporation?

Shri A. F. GOLAM OSMANI (Minister): Sir, so far as the formation of that Minor Irrigation Corporation is concerned, already there was a proposal in the 5th Plan period. There was a discussion and the Government of Assam had processed it to some extent but it could not be finalised. We are doing it on a priority basis and I can assure the Hon'ble Members that if there be no insurmountable reason it will come into being within the next three/four months.

Shri RANENDRA NARAYAN BASUMATARI : Sir, the Minister has said that lack of organisation in the department or the Board is responsible for the slow progress in the rural electrification. But does the Minister not think that even the irrigation in the paddy fields will be hampered unless and until this rural electrification scheme is expedited ?

Shri A. F. GULAM OSMANI (Minister): Sir, in answar to this I would say that in fact irrigation will get a momentum because power is just following it. Wherever irrigation demands power the Board is asked to give it on a priority basis. So far as the other aspect is concerned about rural electrification programme I have told that such a huge programme was supposed to be administered by a Project Manager of the rank of Superintending Engineer, of course it will now be looked after by an Additional Chief Engineer independently and this thing is engaging the attention of the Government

Shri SAMSUL HUDA : Sir, a point of clarification.

Mr. SPEAKER : Now I will ask the Agriculture Minister to reply.

* শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, কৃষি আৰু সমবায়ৰ বিষয়ে এইবাৰ বৰ বেছিকৈ সমালোচনা নকৰিলেও অন্যান্য বিষয়ৰ লগত আলোচনা আৰু সমালোচনা কৰোতে যিখিনি বহুমূল্য পৰামৰ্শ মাননীয় সদস্য সকলে আগবঢ়ালে সেইখিনি ৰাজ্যখনৰ কৃষি আৰু সমবায়ৰ উন্নয়ণমূলক কামত যথেষ্ট সহায় কৰিব বুলি আশীৰ্বাদ হিচাবে বিবেচনা কৰিছো। এইটো কথা ঠিক যে বিভিন্ন ৰাজনৈতিক দলৰ দৰ্শন বিভিন্ন ধৰণৰ আৰু প্ৰত্যেক ৰাজনৈতিক দলৰেই নিজৰ নিজৰ দৰ্শন আছে। প্ৰত্যেকেই ভবা হিচাবে বা গ্ৰহণ কৰা হিচাবে নীতি আদি গ্ৰহণ বা নিৰ্দ্ধাৰণ থকা বা হৈ থকা ধাৰাবিলাক অৱশ্যে সকলো একে ধৰণে গ্ৰহণ কৰিব নোৱাৰে। তথাপিও যিখিনি ইয়াত আলোচনা হৈছে—সেইখিনিৰ দ্বাৰাই আমাক যথেষ্ট সহায় কৰিব বুলি আমি আশা কৰিছো। মাননীয় সদস্য সকলৰ অৱগত হবৰ অৰ্থে সমবায়ৰ বিষয়ে মই কিছু খা-খবৰ আপোনালোকক দিব বিচাৰিছো। অসমত বৰ্ত্তমান সময়লৈকে আমাৰ বহুলোকে হয়তো গাঁও পঞ্চায়ত পৰ্য্যায়লৈকে সমবায় হলেও মাত্ৰ কেইটামানতহে আগ ঠাই দি সমবায় সীমাবদ্ধ কৰা দেখা যায়। কিন্তু মোটামুটি হিচাবে আমাৰ ৰাজ্যত এই সমবায়ৰ সংখ্যা হল ৯,৯৮৭ খন। তাৰ ভিতৰৰ প্ৰায় ৭০০ খন সমবায় সমিতিয়ে দূৰ্ভাগ্য ভাবে দেৱলীয়া বুলি কলেও অত্যুক্তি কৰা নহয়। এই সমবায় সমিতি বিলাকৰ ভিতৰত বহুতো সমবায়কে কৃষি সমবায়ৰ পৰা গ্ৰাহক সমবায় সমিতিলৈ ৰূপান্তৰ কৰি ১৯৭৩ চনত আগৰ চৰকাৰে সমবায় সমিতিবিলাক লগ লগাই গাওঁপঞ্চায়ত সমবায় সমিতিবিলাকৰ লগত একত্ৰীকৰণ কৰি যিখিনি আশা ৰাখিছিল সেইখিনি হৈ নুঠিল। এতিয়া হিচাব কৰি দেখা গল যে তেতিয়াও ৰাজ্যখনত সমবায় ৩০০০ খন আছে আৰু তাৰ ভিতৰত ৬০০ খন লিকুইডেচনত গৈছে আৰু প্ৰায় ১০০০ খন লিকুইডেচন কাগজ পত্ৰত সাজু হৈ আছে। কিন্তু এই ৯,৯৮৭ খনৰ ভিতৰত মাৰ্কেটিং কোপাৰেটিভ চচাইটি ৯৪ খন, ফিচাৰী ৫০০ খন গাঁও পঞ্চায়ত পৰ্য্যায়ত ৬৬৫ খন, বয়স আৰু মেচম ১৫৮৮ খন, স্কুল সমবায় ৫০০ খন আৰু ঠিক তেনেকৈয়ে চলা সমবায় সমিতি ২৩ খন কুটীৰ আৰু খাদী শিল্প ১৫০ খন বনোৱা সকলৰ কাৰণে গঠণ। কৰ সমবায় ১০ খন, ৰেলৱে কেথাৰিং সমবায় ১০ খন, ট্ৰেন্সপৰ্ট কৰ্ম্মচাৰীৰ ৫৬ খন, ফৰেণ্ট কৰ্ম্মচাৰীৰ ৪ খন, গ্ৰাহক সমবায় ১৮ খন, সঞ্চয় ঋণদান সমবায় ৬১৮ খন, এইদৰে চিনেমাঘৰ সমবায়, বেটাৰ লিভিং চচাইটি, জনপ্ৰিয় দুগ্ধ শালা, কাঠ ফলা সমবায়, চেনিকল সমবায় মৰাপাট কল সমবায় আৰু এপেক্স মাৰ্কেটিং সমবায় সমিতি ইত্যাদি

*Speech not corrected.

ৰাজ্যতে ৯,৯৮৭ খন সমবায় আছে। এই সমবায় সমিতিসমূহৰ অৱস্থা মাননীয় সদস্য-সকলে ৰাজ্য খনৰ উন্নতিৰ খাতিৰত এবাৰ বিচাৰ বিবেচনা কৰাৰ আৱশ্যক হৈ পৰিছে বুলি মই ভাবো। সেইকাৰণে বিষয়টো সদনত সফলতাৰে নিশ্চয় নিষ্পত্তি নহলেও ইয়াক জীয়াই থকাকৈ আপোনালোকৰ আগত ৰাখিছো। সমবায়ৰ উদ্দেশ্য নিশ্চয় পুঁজিপতি পুঁজিবাদী সমাজ ব্যৱস্থা দূৰ কৰাৰ উপায় হিচাবে আমি অৱলম্বন কৰো। পুঁজি নাইকীয়া মানুহে—যেনে সৰু সৰু মানুহে সৰু সৰু ব্যৱসায় বাণিজ্যৰে নিজৰ তাকখীয়া পুঁজি কৰি বা চৰকাৰৰ সহায়ত সৰু সৰু ব্যৱসায় বাণিজ্য কৰি উন্নয়ণৰ ক্ষেত্ৰত দেশক ডাঙৰ কৰিব পৰাকৈ নিশ্চয় সজাগ থাকিব বা থাকিলে হেতেন তেতিয়াহলে সেই সকলৰ সহযোগত আগৰ সমস্যা নাইকীয়া হল হেতেন।

গতিকে, এনে এটা দোদুল্যমান অৱস্থাত সমবায় সমিতিবিলাক নতুনকৈ সজাবৰ আৱশ্যক হৈ পৰিছে। আমি এই কথা উপলব্ধি কৰিছোঁ। গাঁও পঞ্চায়ত, সমবায় সমিতি আৰু অন্যান্য সমবায়ৰ নিৰ্বাচনসমূহ কেৱোণ লাগি পৰিছে। নিৰ্বাচন সম্পৰ্কে আগতিয়াকৈ নমিনেট অফিচাৰ নিয়োগ কৰি পালিয়ামেণ্টৰী ব্যৱস্থাৰে নিৰ্বাচন পাতি সমবায়ক এটা ৰাজনৈতিক গৰাহত সমন্বাই দিয়াটোৱেই নিশ্চয় দুৰ্যোগৰ কাৰণ। সমবায় সমিতিসমূহ বাইজে হাতে পাতে ধৰি পূণৰ সংস্কাৰ কৰাটো উচিত বুলি মই ব্যক্তিগত ভাবে অনুভব কৰোঁ। যিহওক, সমবায় সমিতিখিনি পূণৰ সংস্কাৰ কৰাৰ কাৰণে আজিৰ চৰকাৰে বিচাৰ বিবেচনা কৰি চাইছোঁ আৰু ইয়াৰ বাবে মাননীয় সদস্য সকলৰ সহায় সহযোগ কামনা কৰিছো। কৃষিৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে আলোচনা কৰিছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগত কৃষিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনক তুলনা কৰিব নোৱাৰি। বতৰৰ লগত মিল খুৱাই খেতি কৰিব নোৱাৰাৰ বিষয়ে আলোচনা হৈছে বা অন্যান্য ক্ষেত্ৰত যেনে সাৰ, বীজ, ঋণ আদিৰ ক্ষেত্ৰত থকা অসোঁৱাহৰ ক্ষেত্ৰত আলোচনা সমালোচনা হৈছে। অসমত বছৰি বানপানী হৈ থাকে আৰু খৰাং জড়িত বতৰৰ কাৰণে ৰাজ্যখনত কৃষিৰ নীতি-নিয়ম পৰিবৰ্ত্তন কৰাৰ আৱশ্যক হৈ পৰিছে আৰু ৰাজ্যখনৰ জনসাধাৰণে ইয়াক নতুনকৈ ভাবিব আৱশ্যক হৈছে। আমাৰ বুঢ়া লোকে এটা কথা কোৱা মোৰ মনত পৰে—"কথাৰ চৰ ফুৰি বৰ্জিব পাৰি, পানীৰ চৰফৰী বৰ্জিব নোৱাৰি"। এশ বছৰীয়া বুঢ়া লোকে কোৱা এই কথা মোৰ মনত পৰিছে। আখৰ লিখিব নজনা, অভিধান চাব নজনা বুঢ়া লোকে নিশ্চয় বতৰৰ লগত জড়িত হৈ নিজৰ অভিজ্ঞতাৰ পৰা এই কথা উপলব্ধি কৰিছিল। সেই সময়ত মাটি সৰহ আছিল আৰু জন সংখ্যা তাকৰ আছিল। সেই কাৰণে সেই সময়ত তেখেতসকলে সেই কথা ভবা নাছিল। ৰাজ্যখনত পানী কোন কোন সময়ত আৰু কত কত লাগিব সেই বিষয়ে জলসিঞ্চন বিভাগৰ জড়িয়তে যত পানী দিব খোজে তাত কৃষকে পানী নলয় আৰু যত দিব নোখোজে তত পানী বিচৰা হয় এনে এটা বদনাম হব নোৱাৰে। আৰু কৃষি বিভাগে নিজৰ দায়িত্বত পানী দিব পাৰে। এই বিষয়ত কৃষিবিভাগৰ নিজৰ জৰীপ থকা উচিত। এই বিষয়ত যাতে কৃষক সকলক মোটিভেটেড কৰি সহযোগ কৰাৰ পৰা হয়।

সচাঁ পানী আৰু মিছা পানী বুলি আমাৰ এটা কথা আছে। আৱশ্যকীয় সময়ত যদি পানী দিয়াৰ ব্যৱস্থা কৰা নহয় তেন্তে সেই কথা সচাঁ হৰ। এই খিনি কথা আজিৰ চৰকাৰে বিচৰা বিবেচনা কৰি ব্যৱস্থা লৈছে।

কৃষি আৰু সমবায় দপ্তৰ দুটা নতুনকৈ সংস্কাৰ কৰাৰ ব্যৱস্থা আমি কৰিছোঁ। কৃষি আৰু সমবায় দপ্তৰ দুটাৰ সাধাৰণ কথা এটাৰ কাৰণে যাতে জনসাধাৰণে ৰাজধানীলৈ সততে দৌৰালিয়াব লগা নহয় আৰু আৱশ্যকীয় বস্তু যাতে নিজৰ জিলা বা মহকুমাত পাব পাৰে তাৰ ব্যৱস্থাৰ কথা ভবা হৈছে। মোৰ মনত পৰে আমাৰ শৰত

সিংহ ডাঙৰীয়াই ছবছৰ এটা কথা কৈ আহিছিল যে একোটা ফাইল মন্ত্ৰীৰ পৰা সচিবলৈ আৰু সচিবৰ পৰা ডেপুটি সচিবলৈ, তাৰ পৰা পিয়নলৈ যায় আৰু পিয়নৰ পৰা মন্ত্ৰীৰ ওচৰ চাপিবলৈ যথেষ্ট সময় লয়। তাৰ পিচতহে সিদ্ধান্ত লব পৰা হয়। এইদৰে এটা ওপৰ ধৰুৱা সমস্যা হৈ পৰিছে। এইদৰে ৰঙা ফিটাৰ মেৰপাকত পৰি জন-সাধাৰণৰ কাম নোহোৱা হৈ পৰিছে। সেই কাৰণে এই দপ্তৰটো পুনৰ গঠণ কৰিবলৈ বিচৰা হৈছে। যাতে এই ধৰণৰ বগৰুৱা বেয়া ব্যৱস্থা নহয়।

কৃষিৰ ক্ষেত্ৰত উৎপাদনৰ কাৰণে আমি একে দিনাই আঁচনি লব পাৰো, সচাঁ কথা। আমাৰ দেশত শস্যৰ গুদাম নগজে বুলি এটা কেলেংকাৰী আছে। সেই কাৰণে আমি কৃষি বিভাগটোৰ এটা ভাল ব্যৱস্থা কৰিব বিছাৰিছো। বৰ্ত্তমান যি ৩৯ খন কৃষি ফাৰ্ম আৰু ১২ খন বীজ নিগম আছে। এই বিলাকৰ ভাল ব্যৱস্থা লোৱাৰ আঁচনি আমি লৈছো। তাৰোপৰি, এই কথা আমি জানো যে আমাৰ ৰাজ্যখন শস্য সম্ভাৰেৰে ভৰপূৰ। আমাৰ ৰাজ্যখনৰ আৱশ্যকীয় খাদ্য সম্ভাৰ ৰপ্তানি কৰিব নোৱাৰিলেও যাতে আমদানি কৰিব লগা নহয় তাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা লৈছো। একেটা সময়ৰ কেইবাটাও খেতি কৰিবলৈ উদগনি জনোৱা হৈছে।

আজি আমাৰ অসমত যি ৭০০ শ চাহ বাগিচা আছে সেই বোৰত নতুন পুলি গছ ৰোৱাৰ লগে লগে মেদেলবোৰ খেতিৰ পৰিবৰ্ত্তে ৰহৰ মাহৰ খেতি লগালে আটাইতকৈ ভাল উৎপাদন হব। এই বিষয়ে আমি মালিক সকলৰ লগত আলোচনা কৰিছো আৰু তেখেত সকলক আহবান জনাইছো। আনহাতে বচাবী মুগ বা বাৰিষা মুগ বুলি আন এটা খেতিৰ কথা আমি ভাবিছো। মাননীয় সদস্য মঃ ছমছুল হুদা ডাঙৰীয়াই কৃষক বাহিনী বুলি ঠিক নকলেও তেখেতে যিবিলাক মানুহৰ কাম নাই বুলি কৈছে সেই সকলক কামৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছে। কৃষি বিভাগৰ লগত জড়িত জলসিঞ্চন, বিদ্যুত এই বিলাকৰ উন্নতি সাধিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ লগতে কৃষিৰ উৎপাদন কেনেকৈ বঢ়াব পৰা যায় তেনে এখন আঁচনি লবলৈ ইতিমধ্যে ব্যৱস্থা কৰা হৈছে।

আজি যিটো ভূমিনিতি চলি আছে সেইটো ব্ৰাৰেনহেচটিংচৰ দিনৰ পৰাই চলি আহিছে। আজি আমি এইটোৰ পৰিবৰ্ত্তন সাধন কৰিব বিচাৰিছো। এটা কথা আমাৰ সমাজত চলি আহিছে যে এটা লৰা ধনী মানুহৰ ঘৰত জন্ম গ্ৰহণ কৰিলে তাৰ বাপেক মৰি গলেও সি ধনৰ মোনা হাতত পায়। কিন্তু এটা লৰা যদি দুখীয়া মানুহৰ ঘৰত জন্ম গ্ৰহণ কৰে তেনেহলে সি দুখীয়া হৈয়েই থাকে। এই বিলাক সামাজিক বৈষম্য, অৰ্থনৈতিক বৈষম্য আমি আতৰাব বিচাৰিছো। আন্তৰ্জাতিক ক্ষেত্ৰত যেনেকৈ বৈষম্য গুচাবলৈ চেষ্টা কৰা হৈছে সেইদৰে আমিও আমাৰ সমাজৰ অৰ্থনৈতিক বৈষম্য গুচাবলৈ চেষ্টা কৰিছো। আজি আমাৰ মূল মন্ত্ৰ হৈছে নাঙল যাৰ মাটি তাৰ নহয়, শ্ৰম যাৰ ফচল তাৰ এই নীতিহে। যেয়ে খেতি কৰিব সেয়ে পাব। মন্ত্ৰীৰ পৰিবাৰ মন্ত্ৰী নহয়, সেই দৰে বিষয়া সকলৰ পৰিবাৰো বিষয়া নহয়। আমাৰ অৰ্থনীতিৰ এটা ডাঙৰ দুৰ্যোগ আছে। আমাৰ যি সকলে অৰ্থনীতি পঢ়িছে সেই সকলে সেই দুৰ্যোগ ভোগিছে। কিন্তু যি সকলে অৰ্থ-নীতি পঢ়া নাই বা অৰ্থনীতি পঢ়িবলৈ সময় নাই সেই সকলৰ কথা আজি আমি ভাবিব-লীয়া হৈছে। উদাহৰণ স্বৰূপে মই কব বিছাৰিছো যে একেটা পৰিয়ালৰে গিৰিয়েক আৰু ঘৈণীয়েক দুয়ো প্ৰফেচাৰ। তেওঁলোকে প্ৰত্যেকেই ধৰক ৭০০ টকাকৈ দৰমহা পায়। মুঠতে তেওঁলোকে ১৪শ টকা দৰ্মহা পায়। তেওঁলোকেও মৰগীয়া বানচ বিচাৰে। আৰু এটা পৰিয়ালৰ কেৱল গিৰিয়েক জনহে প্ৰফেচাৰ। তেওঁ ৭০০ শ টকা দৰ্মহা পায়। তেৰো মৰগীয়া বানচ বিচাৰে। এটা পৰিয়ালে দুজনৰ মৰগীয়া বানচ লৈ যি খন বজাৰলৈ যাব সেইখন বজাৰলৈকে এজনে মৰগীয়া বানচ পোৱা মানুহজনো যাব। এইদৰে আমাৰ যি বিলাক বৈষম্য মূলক বিত্তনীতি আছে, মৰগীয়া বানচ নীতি আছে, এই কিতাপ বিলাক

পদবি পেলাই নতুনকৈ অৰ্থনীতিৰ বিভাগ লিখিব পাৰিলেহে ভাল হব। শাসনৰ গাদিত কোন থাকিব সেইটো সমস্যা নহয়। কিন্তু শাসনৰ গাদিত থাকি দেশখনক নকৈ সজাবলৈ চেষ্টা কৰাটোহে সমস্যা। আজি উদ্যোগ ভিত্তিক কৃষিৰ কথা আহবান কৰা হৈছে। আমাৰ চাহ বাগিচা বিলাকত যি বিলাক উত্তবিত্ত মাটি আছে সেই বিলাক ধান খেতিৰ কাৰণে ওখ হোৱাৰ কাৰণে তালৈ খেতিয়ক যাবলৈ ইচ্ছা নকৰে। চাহ বাগিচা বিলাকত আজিও বৃটিচৰ দিনৰ আইনকে চলি আছে। তাত একচেতীয়া বজাৰ চলি আছে। আমি সাধাৰণতে এটা কথা ভাবো যে ৰিজাৰ্ভ বেংকৰ পৰা ঋণ দিলে বা যি বিলাকৰ বহুত লেবাৰ আছে, যি বিলাকৰ বহুত মাটি বাৰী সা-সম্পত্তি আছে সেই বিলাকহে চাহখেতি কৰিব পাৰে। কিন্তু আচলতে সেইটো কথা নহয়। সৰু সৰু একোটা খণ্ডটো চাহ খেতি কৰিব পাৰি। আমাৰ যি বিলাক প্ৰাক্তন বন্দুৰা আছে সেই সকলে ২/৩ বিঘা মাটি লৈ তাত চাহ খেতি আৰম্ভ কৰিব পাৰে। এনেকুৱা আঁচনি আমি প্ৰস্তুত কৰি আছো। আৱশ্যক হলে আমি ঋণ দিয়াৰ কাৰণেও আহ্বান প্ৰকাশ কৰিব বিচাৰিছো। মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে মই এই খিনি কথা ডাঙিধৰিছো।

মাননীয় অধ্যক্ষ :— আপুনি কিমান সময় কব।

*শ্ৰীসোনেশ্বৰ বৰা :— যিমান সময় দিয়ে সিমান সময় কম।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা মাননীয় সদস্য সকলৰ আগত প্ৰকাশ কৰিব বিচাৰিছো। আমাৰ কৃষি, সমবায়, বেংক বিদ্যুৎ, ভূমি আৰু জলসিঞ্চন এই বিভাগ কেইটাৰ আগৰ দৰেই যদি চলি থাকিবলগীয়া নহয় তাৰ কাৰণে ব্যৱস্থা কৰিছো। এই বিভাগ বিলাকৰ মাজত সম্বন্ধ ৰাখি যাতে আমি কাম কৰিব পাৰো তেনেকুৱা আঁচনি আমি কৰি আছো।

*মাননীয় অধ্যক্ষ :— কৃষি মন্ত্ৰীয়ে বেচি সময় ললে বিত্ত মন্ত্ৰীৰ কাৰণে সময় নোহোৱা হব।

*শ্ৰীসোনেশ্বৰ বৰা :— মই এই খিনিকে কৈ বহিছো।

Shri KESHAB CHANDRA GOGOI (Minister Finance) : Speaker, Sir, we propose to sit upto 7-30 P. M. I am afraid, I will not able to complete my Speech by 7-30 P. M.

*শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—আমাৰ বিধান সভা পৰিচালনাৰ ক্ষেত্ৰত বোল বিলাক সদস্য সকলে ভালদৰে আলোচনা নকৰে। আমাৰ বোলত আছে যে আলোচনাৰ শেষত বিত্তমন্ত্ৰীয়ে উত্তৰ দিব লাগে। they have the right to intervene. কিন্তু আমাৰ আলোচনা ৫ ১০ মিনিটতে শেষ হল। উত্তৰ বিত্তমন্ত্ৰীয়ে এতিয়ালৈকে দিয়া হোৱা নাই। আমাৰ প্ৰচলিত নীতি হৈছে বিত্তমন্ত্ৰীয়ে উত্তৰ দিব আৰু বাকী সকল মন্ত্ৰীয়ে প্ৰয়োজনত অংশ গ্ৰহণ কৰিব। অধ্যক্ষ মহোদয়, আমি চাৰে ৭টা লৈকে বহিবলৈ ৰাজি আছো। চাৰে ৭ টাত বিত্ত মন্ত্ৰীয়ে শেষ নকৰিলে আমি শুনিবলৈ নিবিচাৰো।

*Speech not corrected,

*মাননীয় অধ্যক্ষ ঃ— মাননীয় সদস্য সকলক আগতেই জনাই দিয়া হৈছে যে পইন্ট অব অৰ্দাৰ বেচিকৈ ৰেইজ কৰি সময় লোল সেই হিচাবে মন্ত্ৰী সকলকো সময় দিব লাগিব। আমৰ ১৪৩ত আছে Rule 143 (2) says "the Finance Minister shall have a general right of reply at the end of the discussion.

কিন্তু অন্য মন্ত্ৰীয়ে ইয়াত অংশ গ্ৰহণ কৰিব নোৱাৰাৰ কথা ইয়াত নাই। অন্যান্য মন্ত্ৰী সকলে উত্তৰদান কৰিলে মাননীয় সদস্য সকল উপকৃত হব বুলি ভাবিয়েই তেখেতসকলক অংশ গ্ৰহণ কৰিবলৈ দিয়া হৈছে। বিত্ত মন্ত্ৰীয়ে ৭·৩০ত শেষ কৰিব নোৱাৰিলে আৰু কেইমিনিট মান বঢ়াই দিয়া হব।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত হোৱা সাধাৰণ আলোচনাত অংশ গ্ৰহণ কৰা মাননীয় সদস্য সকলৰ বক্তব্য মই ইতিমধ্যে অতিশয় মনোযোগেৰে শুনিছো। মই এইটো আশ্বাস দিব পাৰো যে মাননীয় সদস্য সকলে আগবঢ়োৱা গঠনমূলক সমালোচনাৰ কথা আমি মনত ৰাখিছো। পৰামৰ্শ সমূহৰ বহু কেইটাকেই কাৰ্যকৰী কৰা হব আৰু আন আন কিছুমান আমাৰ ভৱিষ্যতৰ কাম কাজৰ পথ প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰা হব। মোৰ একমাত্ৰ দুখ এই খিনিতেই যে মাননীয় সদস্য সকলে উত্থাপন কৰা বিষয় সমূহৰ আটাই বোৰ দিশ মোৰ উত্তৰত সামৰিব নোৱাৰিলো। অৱশ্যে মই লগে লগে এই কথাও কব খোজো যে মাননীয় সদস্য সকলৰ যি খিনি কথা এই উত্তৰত হয়তো সামৰিব নোৱাৰিম সেই খিনিৰ ওপৰত সংশ্লিষ্ট বিভাগে যে প্ৰয়োজনীয় ব্যৱস্থা হাতত নলব নতুবা মাননীয় সদস্য বৃন্দই আগবঢ়োৱা পৰামৰ্শাৱলীয়ে আওকান কৰা হব এনে কথা কেতিয়াও হব নোৱাৰে।

এই খিনিতে এটা কথা কব খুজিছো বহুত সদস্যই বাজেট আলোচনাত যোগ দি কৈছে বাজেট খন কাৰ—এই বিষয়ে বেচি কথা নকৈ মোৰ বাজেট বক্তব্যৰ দুই নম্বৰ অনুচ্ছেদত কৈছো "নতুন চৰকাৰে ইয়াৰ নীতি অনুযায়ী বাজেটৰ প্ৰস্তাৱ সমূহৰ গঢ় দিবলৈ যথেষ্ট সময় পোৱা নাই সেই কথা মাননীয় সদস্য সকলৰ অৱগত আছে। সেয়েহে নতুন চৰকাৰে আৰম্ভ কৰিব লগীয়া কাৰ্যসূচী বৰ্ত্তমানৰ বাজেটত সম্পূৰ্ণ ভাবে প্ৰতিফলিত হৈ উঠা নাই। যি কি নহওক কেন্দ্ৰৰ জনতা চৰকাৰে নিৰ্ধাৰিত কৰা নীতি অনুযায় পৰিকল্পনা আয়োগে আগবঢ়োৱা নিৰ্দ্দেশনাৰ ভিত্তিত বাৰ্ষিক পৰিকল্পনাৰ অধীনৰ প্ৰস্তাৱ সমূহ কৰা হৈছে। ঠিক তেনেদৰে নতুন চৰকাৰৰ নীতিৰ লগত সঙ্গতি ৰখাকৈ কিছুমান প্ৰস্তাৱ প্ৰস্তুত কৰা হৈছে অথবা নতুন গঢ় দিয়া হৈছে। মই মোৰ ভাষণত এই প্ৰস্তাব সমূহৰ কেইটামানৰ কথা উল্লেখ কৰিম।" গতিকে স্পষ্টকৈ কৈছো—ইয়াত বিতৰ্কৰ স্থল নাই কাৰ বাজেট। এইবাজেট আমাৰ জনতা চৰকাৰৰ। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ দেৱে কৈছে যে বিত্ত পৰিস্থিতি স্পষ্টকৈ প্ৰকাশ কৰা নাই। দশম মান শ্ৰেণী পৰ্যন্ত স্কুলৰ মাচুল ৰেহাই দিয়াৰ ফলত বাজেট বক্তৃতাত উল্লেখ কৰাৰ দৰে এক কোটি টকাৰ ওপৰ মাত্ৰ ঘাটি নহৈ প্ৰকৃত ঘাটি পৰিব ১০ কোটি টকা। মাননীয় সদস্য সকলক মই অশ্বাস দি কব পাৰো যে মোৰ বিবৃতি আছিল তথ্যভিত্তিক।

সপ্তম মান শ্ৰেণীলৈকে বৰ্ত্তমান স্কুলৰ মাচুল নাই। চৰকাৰী বিদ্যালয় সমূহ অষ্টম মান শ্ৰেণীৰ পৰা দশম মান শ্ৰেণীলৈকে মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১২১২৭ জন, প্ৰাদেশিকীৰণ বিদ্যালয়ত ১,৩০,৫০০ জন আৰু চৰকাৰী আৰু প্ৰাদেশিকীকৰণ বিদ্যালয়ৰ বাহিৰে চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সকলো বিদ্যালয়তে এই কেই শ্ৰেণীৰ মুঠ ছাত্ৰ-ছাত্ৰী সংখ্যা হল ১০১২,৪৬৫ জন। চৰকাৰী বিদ্যালয়ৰ ক্ষেত্ৰত চৰকাৰে মাচুলৰ টকাটো হেৰুৱাব লগা হব। প্ৰাদেশিকীকৰণ

---

*Speech not corrected.

বিদ্যালয়ৰ ক্ষেত্রত মাছুলৰ পৰা হোৱা আয়ৰ এটা অংশ আকস্মিক ব্যয় পূৰণৰ নিমিত্তে চৰকাৰে পৰিশোধ কৰিব। স্বীকৃতিপ্রাপ্ত বিদ্যালয়ৰ ক্ষেত্রত মাছুলৰ পৰা হোৱা আয়ৰ সম্পূর্ণ টকা ঘাটি পূৰণ সাহায্য মঞ্জুৰী হিচাবে দিব। ওপৰক্ত তথ্যৰ ভিত্তিত চৰকাৰী, প্রাদেশিকীকৰণ আৰু স্বীকৃতি প্রাপ্ত বিদ্যালয়ৰ ক্ষেত্রত বিত্তীয় ভাৰ ক্রমান্বয়ে ৪,৭৩,৪৭২ টকা, ৫৫,৫৮,১৮০ টকা আৰু ৪৮,৬৩,৪০৮ টকা হব বুলি ধাৰণা কৰা হৈছে। এই-দৰে সৰ্বমুঠ টকাৰ পৰিমাণ হব ১,০৮,৯৫,০৬০ টকা মাননীয় সদস্য শ্রীগগৈ দেৱে সন্দেহ প্রকাশ কৰিছে যে দহ বিঘা পর্য্যন্ত মাটিৰ খাজানা ৰেহাই দিয়াৰ ফলস্বৰূপে বাজেট বক্তৃতাত উল্লেখ কৰা ৭০ লাখ টকাৰ সলনি বাজেট ঘাটি চাৰিৰ পৰা পাঁচ কোটি টকালৈ বৃদ্ধি পাব। মই মাননীয় সদস্য সকলক আশ্বাস দিব পাৰো যে প্রাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰিয়েই মই বিবৃতি দিছিলো।

প্রথমতে, ৰাজ্যখনত ভূমি ৰাজহৰ পৰিমাণ হৈছে প্রায় ৩·১৪ কোটি টকা। সেয়ে এই শিতানত চাৰিৰ পৰা পাঁচ কোটি টকা ঘাটি পৰাটো সম্ভৱপৰ নহয়।

দ্বিতীয়তে বৰ্ত্তমানে পোৱা তথ্য মতে দহ বিঘালৈ মাটি থকা ক্ষেত্র হল ১৪,০৪,৫০০ টা। এই ক্ষেত্র সমূহত থকা মাটিৰ পৰিমাণ ৭০,৪৯,২৫০ বিঘা হব বুলি ঠাৱৰ কৰা হৈছে। অসমত বিঘা প্রতি ভূমি ৰাজহৰ গড় পৰিমাণ হল এটকাতকৈ অলপ বেচি। খাজনা মাফৰ ফলত ৰাজহৰ ক্ষতি হব। কিন্তু এই ক্ষতিৰ কিছু অংশ সংগ্রহ ব্যয় হ্রাসৰ দ্বাৰা পূৰণ কৰা হব। ওপৰুক্ত তথ্যৰ ভিত্তিতেই বাজেট বক্তৃতাত দিয়া সংখ্যাটো পোৱা হৈছে। অৱশ্যে এইটো এটা প্রাৰম্ভিক নিৰ্দ্ধাৰণহে। ৰেহাই পোৱা শ্ৰেণীৰ ক্ষেত্রত বৰ্ত্তমানে চলাই থকা নিৰ্দ্ধাৰণ সম্পূৰ্ণ হৈ উঠিলেহে অধিক শুদ্ধ নিৰ্দ্ধাৰণ সম্ভৱ হব।

মাননীয় সদস্য শ্রীএক্ৰাম হুচেইন ডাঙৰীয়াই এই বুলি পৰামর্শ দিছে যে ৰাজ্য চৰকাৰে খাৰুৱা তেলৰ পৰা বৰ্দ্ধিত হাৰত ৰয়েল্টি লাভৰ বিষয়টো সন্দৰ্ভত কেন্দ্ৰৰ লগত যোগাযোগ কৰিব লাগে। মই এই পৰামৰ্শৰ প্রতি আদৰণি জনাইছো। এই বিষয়টো আৰু লগতে আন আন শিতানত বৰ্দ্ধিত পুঁজি বণ্টনৰ বাবে উপযুক্ত কর্তৃপক্ষৰ ওচৰত আমাৰ বক্তব্য দাঙি ধৰা হৈছে।

এই সন্দৰ্ভত মই মাননীয় সদস্য শ্রীকিৰণ চন্দ্ৰ বেজবৰুৱাই খাৰুৱা তেল আৰু কয়লাৰ দৰে ক্ষয়িষ্ণু সম্পদৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শৰ প্রতি আদৰণি জনাইছোঁ। বৰ্ত্ত-মানে ৰাজ্য চৰকাৰে খাৰুৱা তেলৰ ক্ষেত্ৰত প্রতি টনত ৪২·০০ টকা আৰু কয়লাৰ ক্ষেত্ৰত প্রতি টনত চাৰি টকাকৈ ৰয়েল্টি পায়। যিহেতু এই সম্পদ সমূহ ক্ষয়প্রাপ্ত সেয়ে তেনে ক্ষয়-প্রাপ্ত সম্পদৰ বিপৰীতে অন্ততঃ কমেও সমমূল্যৰ বিকল্প মূলধনী সম্পদ সৃষ্টি কৰাটো প্রয়োজনীয় কথা। কেইবাজনকীও মাননীয় সসদস্যই ৰাজহুৱা ঋণৰ বোজা বাঢ় যোৱাৰ বিষয়টো উত্থাপন কৰিছে। মই মোৰ বাজেট বক্তৃতাত উল্লেখ কৰিছিলো যে অনাদায়ী ৰাজ-হুৱা ঋণৰ পৰিমাণ ১৯৫০-৫১ চনৰ শেষলৈ ২·৭৯ কোটি টকাৰ পৰা ১৯৭৭-৭৮ চনৰ শেষলৈ ৬৩৭·৯৯ কোটি টকালৈ বৃদ্ধি পায়। বৰ্তমানে এইটো ধাৰণা কৰা হৈছে যে পঞ্চম পৰিকল্পনাৰ শেষলৈকে অৰ্থাত চলিত বিত্তীয় বছৰৰ শেষলৈকে ইয়াৰ পৰিমাণ ৭০৪·৬২ কোটি টকালৈ বৃদ্ধি পাব।

বিভিন্ন পৰিকল্পনাৰ কালছোৱাত পৰিকল্পনা আঁচনিৰ বাবে পোৱা ঋণৰ বাবেই ঘাইকৈ অনাদায়ী ৰাজহুৱা ঋণৰ পৰিমাণ বৃদ্ধি পাইছে। বিভিন্ন সময়ত পোৱা ঋণৰ পৰিমাণ এনে ধৰণৰ ঃ

প্ৰথম পৰিকল্পনাৰ কালছোৱাত (১৯৫১-৫৬) — ১২·০৯ কোটি টকা।
দ্বিতীয় ” ” (১৯৫৬-৬১) — ২২·৬৮ কোটি টকা।

তৃতীয় ” ” (১৯৬১-৬৬) — ৭৭·৩০ কোটি টকা।
তদৰ্থ ” ” (১৯৬৬-৬৯) — ৭০·০৫ কোটি টকা।
চতুৰ্থ ” ” (১৯৬৯-৭৪)—১০৯·০৭ কোটি টকা।
পঞ্চম ” ” (১৯৭৪-৭৯)—২৪২·১১ কোটি টকা।

কেবাগৰাকীও মাননীয় সদস্যই উচিত ভাবেই উল্লেখ কৰিছে যে তেনে ঋণৰ ফলত মূলধন পৰিশোধ আৰু বাৰ্ষিক সুদ পৰিশোধৰ এটা গধুৰ বোজা আহি পৰে। এই প্ৰসঙ্গত মই কব খোজো যে পৰিকল্পনা ঋণ সাধাৰণতে ১৫ৰ পৰা ২৫ বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগে আৰু সুদৰ পৰিমাণ বছৰিশতকৰা ৫·৫ ভাগৰ পৰা ৮ ভাগলৈ হয়। পৰিকল্পনাৰ বাহিৰৰ ঋণ সাধাৰণতে দহ বছৰৰ পৰা ২৫ বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগে। ইয়াৰ সুদৰ পৰিমাণ শতকৰা বছৰি ৫·৫ ভাগৰ পৰা শতকৰা ৬·৫ ভাগলৈ। এল, আই, চি, এন, চি, ডি, চি, আৰ, আৰ, বি, আই আদিৰ দৰে বিত্তীয় প্ৰতিষ্ঠান সমূহৰ পৰা লোৱা ঋণ প্ৰায় বিশ বছৰ বা তদনুৰূপ সময়ৰ ভিতৰত পৰিশোধ কৰিব লাগে আৰু ইয়াৰ সুদৰ হাৰ বছৰিশতকৰা দুই ভাগৰ পৰা ৭·৫ ভাগৰ ভিতৰত।

ষষ্ঠ বিত্তীয় আয়োগৰ পৰামৰ্শ অনুসৰি পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনা আৰম্ভ হোৱাৰ আগতে ভাৰত চৰকাৰৰ পৰা লোৱা ঋণ পৰিশোধৰ বাবে পুণৰ তালিকা কৰা হয়। ফলস্বৰূপে বছৰি নিৰ্দ্ধাৰিত পৰিশোধৰ পৰিমাণ ২৯·৫৭ কোটি টকা আৰু নিৰ্দ্ধাৰিত সুদ পৰিশোধৰ পৰিমাণ ৩২·৩৩ কোটি টকা। ঋণ সাহায্য ক্ষেত্ৰৰ সমগ্ৰটো সপ্তম বিত্তীয় আয়োগৰ আগত উপস্থাপন কৰা হব।

মাননীয় সদস্য সকল নিশ্চয় মোৰ লগত একমত হব যে যি উদ্দেশ্যে ঋণবোৰ ব্যৱহাৰ কৰা হৈছিল তাক নিৰীক্ষণ কৰা প্ৰয়োজন। বৰ্তমানে প্ৰাপ্ত তথ্য মতে ১৯৭৫-৭৬ চনৰ শেষলৈ মূলধনী প্ৰকৃতিৰ আঁচনিত মুঠ ধন বিনিয়োগ হৈছে ২৫৪·৮০ কোটি টকা। উল্লেখ যোগ্য শিতান সমূহ হল ঃ

| | |
|---|---|
| (১) বানানিয়ন্ত্ৰণৰ কাম | — ৯৪·৬৮ কোটি টকা। |
| (২) জলাসিঞ্চন প্ৰকল্প | — ২০·০৬ কোটি টকা। |
| (৩) সমবায় সমিতিত বিনিয়োগ | — ৭·৩১ কোটি টকা। |
| (৪) কৃষি আঁচনি | — ৩·৯৫ কোটি টকা। |
| (৫) পথ আৰু দলং | — ৫১·৩৪ কোটি টকা। |
| (৬) পথ পৰিবহন | — ৯·৪৯ কোটি টকা। |
| (৭) নিগম, চৰকাৰী কোম্পানী, ৰাজ্যিক নিগম আদিত বিনিয়োগ | — ২৩·৩১ কোটি টকা। |
| (৮) অন্যান্য | — ৪৪·৬৬ কোটি টকা। |
| | মুঠ—২৫৪·৮০ কোটি টকা। |

আকৌ চৰকাৰে লোৱা ঋণৰ পৰা এটা অংশ ব্যক্তি, নিগম আৰু সমিতি সমূহক পুনৰ ধাৰলৈ দিয়া হয়। ১৯৭৫-৭৬ চনৰ শেষলৈকে তেনে ধৰণৰ ঋণৰ মুঠ পৰিমাণ ১৩৩·১০ কোটি টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। বিস্তৃত হিচাব এনে ধৰণৰঃ—

| | | |
|---|---|---|
| বিজলী শক্তি প্ৰকল্পৰ বাবে ৰাজ্যিক বিদ্যুৎ বৰ্ডক দিয়া হয় ঋণ | — | ৮১·০৮ কোটি টকা |
| সাহায্য আৰু পুনৰ সংস্থাপন আৰু আন সামাজিক নিৰাপত্তাৰ বাবে দিয়া ঋণ | — | ১৪·৯৮ কোটি টকা |
| কৃষিৰ বাবে ঋণ | — | ৭·২৬ কোটি টকা |
| গৃহ নিৰ্ম্মাণ আৰু চহৰ উন্নয়নৰ বাবে ঋণ | — | ৭·১৩ কোটি টকা |
| জনস্বাস্থ্য, চেনিটেচন আৰু পানী যোগানৰ বাবে দিয়া ঋণ | — | ৩·২৩ কোটি টকা |
| উদ্যোগৰ বাবে ঋণ | — | ৮·৬৬ কোটি টকা |
| চৰকাৰী চাকৰিয়ালৰ বাবে ঋণ | — | ৪·৬১ কোটি টকা |
| সমবায় সমিতিলৈ ঋণ | — | ৩·২০ কোটি টকা |
| অন্যান্য ঋণ | — | ২·৯৫ কোটি টকা |
| মুঠ | — | ১৩৩·১০ কোটি টকা। |

চৰকাৰে লোৱা ঋণসমূহ যাতে পাৰ্য্যমানে লাভজনক ধৰণৰ মূলধনী কামত ব্যৱহাৰ কৰা হয় তাৰ প্ৰতি আমি লক্ষ্য ৰাখিবলৈ যত্ন কৰিম। চৰকাৰে পুনৰ ধাৰলৈ দিয়া টকাৰ ক্ষেত্ৰত অনাদায়ী হৈ থকা মূলধন আৰু সুদ যাতে আদায় কৰা হয় তাৰ প্ৰতি লক্ষ্য ৰখাও আমাৰ প্ৰচেষ্টা হব। অনাদায়ী কৰ আদায় আৰু চৰকাৰে দিয়া ঋণ আদায়ৰ কথাও মাননীয় সদস্য সকলে উত্থাপন কৰিছে। ৩১।৩।৭৭ তাৰিখত শেহতীয়া নিৰ্দ্ধাৰণ মতে অনাদায়ী কৰা ৰাজহৰ মুঠ পৰিমাণ হৈছে ২০·৬০ কোটি টকা। এই একে তাৰিখতে ঋণৰ ওপৰত দিবলগীয়া সুদকে ধৰি কৰ ৰাজহৰ বাহিৰৰ অনাদায়ী টকাৰ পৰিমাণ আছিল ৩১·৮৪ কোটি টকা। আৰু অনাদায়ী ঋণ আৰু আগধনৰ পৰিমাণ হৈছে ১৮·৮৫ কোটি টকা। সেয়ে ৩১।৩।৭৭ তাৰিখলৈ নিখৰ্দ্ধাৰিত অনাদায়ী টকাৰ পৰিমাণ আছিল ৭১·২৯ কোটি টকা।

এইটো উল্লেখ কৰিব পাৰি যে, অনাদায়ী ঋণৰ সৰহখিনিয়েই অৰ্থাৎ প্ৰায় ১২ কোটি টকা অসম ৰাজ্যিক বিদ্যুৎ বৰ্ডৰ নামত আছে। সেই একেদৰেই অনাদায়ী সুদৰ সৰহখিনি টকা অৰ্থাত প্ৰায় ২৬ কোটি টকা অসম ৰাজ্যিক বিদ্যুৎ বৰ্ডৰ পৰা পাবলগীয়া।

এই সন্দৰ্ভত মই উল্লেখ কৰিব খোজো যে, বিজুলী যোগান আইনে চৰকাৰক পৰিশোধ কৰিবলগীয়া ঋণৰ ক্ষেত্ৰত নিম্ন অগ্ৰাধিকাৰৰ বিধান আছে। ষষ্ঠ বিত্ত আয়োগেও এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখিছিল। তেওঁলোকৰ প্ৰতিবেদনত তেওঁলোকে বিদ্যুৎ বৰ্ড সমূহৰ শোচনীয় কাম কাজৰ ফলাফল সম্পৰ্কে কেতবোৰ মন্তব্য দিছে। বহু সংখ্যক বিজুলী উৎপাদনৰ আঁচনি এতিয়াও নিৰ্ম্মাণৰ পথত। নিৰ্ম্মাণ কামত বৰ্ডৰ পৰা পাবলগীয়া লাভালাভ স্পষ্টভাবেই আশা কৰিব নোৱাৰি।

কৰ আয়ুক্তৰ পৰিসৰৰ ভিতৰৰ পৰা কৰৰ ক্ষেত্ৰত ১৯৭৬-৭৭ চনৰ শেষলৈকে অনাদায়ী কৰৰ পৰিমাণ আছিল ১৪·১৫ কোটি টকা। ইয়াৰ ভিতৰত ৫·৮২ কোটি টকাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়, ৰাজহ মণ্ডলী আৰু আপীল গোচৰ চলি আছে ৩.৭৬ কোটি টকাৰ ক্ষেত্ৰত বাকী জাই কাৰ্য্য ব্যৱস্থা চলি আছে আৰু বাদ বাকী ৪.৫৭ কোটি টকাৰ ক্ষেত্ৰত কৰ অধীক্ষকে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে।

অনাদায়ী কৰা আদায়ৰ অৱস্থা সাধাৰণতে সন্তোষজনক নহয়। কিছুমান ক্ষেত্ৰত আনকি শেহতীয়া পৰিস্থিতিৰো সহজতে বুজ পোৱা নহয়। সময়ে সময়ে চৰকাৰী ভাবে আৰু সংলিপ্ত বিষয়াৰ লগত আলোচনা কৰি বিভিন্ন বিভাগক অনুসৰণ কাৰ্য্যব্যৱস্থাৰ বাবে যথোপযুক্ত হিচাপ ৰখাৰ প্ৰয়োজনীয়তাৰ কথাৰ ওপৰত জোৰ দিয়া হৈছে। ফলস্বৰূপে কৃষি আৰু পশু চিকিৎসাৰ দৰে কেইটামান বিভাগে বাকী জাই গোচৰ অনুসৰণ কৰাৰ বাবে কেতবোৰ বিষয়াৰ ওপৰত দায়িত্ব ন্যস্ত কৰিছে। উপায়ুক্ত আৰু মহকুমাধিপতি সকলকো অনাদায়ী টকা আদায়ৰ ব্যৱস্থা খৰটকীয়া কৰিবলৈ বাকী জাই গোচৰ সমূহত যথোচিত মনযোগ দিবলৈ অনুৰোধ কৰা হৈছে। সেই একে দৰেই কৰ বিভাগৰ বিষয়া সকলকো অনাদায়ী ৰাজহ আদায়ৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

মাননীয় সদস্য শ্ৰীদেবানন্দ বৰাই কৰ ফাঁকি দিয়াৰ প্ৰশ্নতো উত্থাপন কৰিছে। তেনে কৰ ফাঁকি দিয়াটো বন্ধ কৰিবলৈ বহুতো ব্যৱস্থা লোৱা হৈছে। ইয়াৰ ভিতৰত আছে, এনফৰ্চমেণ্ট শাখা শক্তিশালী কৰা তালাচীচকিত সজোৰে তালাচী চলোৱা, প্ৰেৰণ স্থানত চোকা পহৰাৰ ব্যৱস্থা কৰা কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ তথ্য সংগ্ৰহ কৰা, হিচাব পত্ৰ ব্যাপকভাবে পৰীক্ষা কৰা আৰু যথোপযুক্ত স্থানত খোলা প্ৰেৰণ ব্যৱস্থা প্ৰবৰ্ত্তন কৰা। এইটোও আশা কৰা হৈছে যে, এই ব্যৱস্থাৰ পৰা ভাল ফল পোৱা যাব আৰু কৰ ফাঁকি দিয়া ও কমিব। মোৰ বাজেট বক্তৃতাত চৰকাৰী চাকৰিয়াল সকলক দিব লগীয়া অতিৰিক্ত মৰগীয়া বানচৰ কথা উল্লেখ কৰিছিলো। চৰকাৰী হাৰত মৰগীয়া বানচ পোৱা শিক্ষক আৰু শিক্ষা অনুষ্ঠানসমূহৰ কৰ্ম্মচাৰীকে ধৰি বিভিন্ন শ্ৰেণীৰ কৰ্ম্মচাৰী সকলক ১-৭-৭৭ তাৰিখৰ পৰা বৰ্দ্ধিত হাৰত মৰগীয়া বানচ মঞ্জুৰ কৰি ইতিমধ্যে ১০-৫-৭৮ তাৰিখে প্ৰাসঙ্গিক বিজ্ঞপ্তি জাৰি কৰা হৈছে। ১৯৭৭ চনৰ মে মাহত কৰ্ম্মচাৰী সকললৈ মঞ্জুৰ কৰা শেহতীয়া মৰগীয়া বনাচে ক্ৰেতা মূল্য সূচি ৩২৪ পইণ্ট সামৰিছে। ১৯৭৭ চনৰ ক্ৰেতা মূল্য সূচিৰ ১২ মাহৰ গড় ৩৬৭ পইণ্টলৈ বৃদ্ধি পায়। এই ৩৬৭ পইণ্টৰ ভিতৰত দৰ্ম্মহা আয়োগৰ গৃহিত সূত্ৰ মতে বৰ্ত্তমানে মঞ্জুৰ কৰা মৰগীয়া বনাচে ৩৬০ পইণ্ট সামৰিছে।

১-১-৭৮ তাৰিখৰ পৰা মাহিলি ৩০ টকাকৈ দিয়া অন্তৰ্বৰ্ত্তি সাহাৰ্য্যৰ টকাতো অতিৰিক্ত মৰগীয়া বানচ পৰিশোধৰ লগত সংযোজন কৰা হয়। অৱশেষ্য মঞ্জুৰ কৰা অতিৰিক্ত মৰগীয়া বনাচৰ টকা বাদ হৈ অন্তৰ্বৰ্ত্তি সাহায্যৰ টকাতকৈ কম হয়। তেতিয়াহলে অন্তৰ্বৰ্ত্তি সাহায্যতকৈ কম হোৱা টকা খিনি পুনৰ আদেশ নিদিয়ালৈকে অন্তৰ্বৰ্ত্তি সাহায্য হিচাপেই দি থকা হব। সেইটোয়েই কম দৰ্ম্মহা পোৱা কৰ্ম্মচাৰী সকলৰ অসুবিধা দূৰ কৰিব বুলি আশা কৰা হৈছে।

বৰ্ত্তমানে ৰাজ্য চৰকাৰে কৰ্ম্মচাৰী সকলক মৰগীয়া বানচ দিয়া ক্ষেত্ৰত বছৰি ১৬·৭৫ কোটি টকা খৰচ কৰি আহিছে। সম্প্ৰতি মঞ্জুৰ কৰা বৰ্দ্ধিত মৰগীয়া বানচৰ ফলত বছৰি প্ৰায় ৯·৯২ কোটি টকাৰ অতিৰিক্ত বিত্তিয় দায়গ্ৰস্ততা আহি পৰিব। সেয়ে এই শিতানত ৰাজ্যখনৰ মুঠ বাৰ্ষিক দায়গ্ৰস্ততা হবগৈ প্ৰায় ২৬·৬৭ কোটি টকা। মোৰ বিত্তিয় বছৰত ইতিমধ্যে দিয়া অন্তৰ্বৰ্ত্তি সাহায্য বাদ দি ১-৭-৭৭ তাৰিখৰ পৰা ২৮-২-৭৮ তাৰিখলৈ এই কাল চোৱাৰ বাবে ৫·৪৫ কোটি টকা দায়গ্ৰস্ততাকে ধৰি মৰগীয়া বানচৰ এই কিস্তিটো দিয়াৰ বাবে ১৯৭৮-৭৯ চনত অতিৰিক্ত ব্যয় হব প্ৰায় ১৫·৩৭ কোটি টকা। ১-১-৭৮ তাৰিখৰ পৰা দিয়া অন্তৰ্বৰ্ত্তি সাহায্য পৰিমাণ ১৯৭৮ চনৰ এপ্ৰিল মাহলৈ ২.১৩ কোটি টকা হয়।

মাননীয় সদস্য শ্ৰীআক্ৰম হুচেইনে পৰামৰ্শ আগবঢ়াইছে যে কেন্দ্ৰীয় আবকাৰী শুল্কৰ পৰা দিয়া আবণ্টনৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে ৰাজ্যিক চৰকাৰেকেন্দ্ৰীয় চৰকাৰক ধৰিব লাগে। আবকাৰী শুল্কৰ পৰা আবণ্টনৰ বাবে দিবলগীয়া মুঠ পৰিমাণটো বিত্তিয়

আয়োগৰ অনুমোদন ক্রমে ভাৰত চৰকাৰে নিৰ্দ্ধাৰণ কৰে। একেধৰণে প্ৰতিখন ৰাজ্যৰ বাবে অংশৰ পৰিমাণো বিত্তিয় আয়োগৰ অনুমোদনৰ ভিত্তিতে ঠিৰাং কৰা হয়। মাননীয় সদস্য গৰাকীক মই আশ্বাস দি জনাব খোজো যে সপ্তম বিত্তিয় আয়োগৰ ওচৰত আমি এই বিষয়টো সঠিক ভাবে উত্থাপন কৰিবলৈ আগবাঢ়িছো ।

মাননীয় সদস্য শ্ৰীধনীৰাম ৰংপীয়ে প্ৰতি বছৰে ৩১ মাৰ্চ্চ তাৰিখত টকা আহৰণ কৰাৰ বাবে হোৱা ভিৰৰ কথা উল্লেখ কৰিছে। এনে ভিৰ হোৱাৰ কাৰণ হ'ল এইয়েই যে বিভাগ সমূহে সময়মতে আঁচনি সমূহ দাখিল নকৰে। অৱশ্যে কোনো কোনো সময়ত তেওঁলোকে তেনে কৰিবয়ে নোৱাৰে কাৰণ কেন্দ্ৰৰ দ্বাৰা পৰিচালিত অথবা কেন্দ্ৰীয় খণ্ডৰ আঁচনি সমূহৰ খবৰ সংশ্লিষ্ট কেন্দ্ৰীয় মন্ত্ৰালয়ৰ পৰা তেওঁলোকে কেতিয়াবা পলমকৈ পায়। আৰু কেতিয়াবা নোপোৱাকৈও থাকে। এই পৰিস্থিতিৰ বিষয়ে মই সম্পূৰ্ণ অবগত আৰু যিমান দূৰ পৰা যায় ভবিষ্যত এনে ভিৰ নোহোৱা কৰিবলৈ আমি ব্যৱস্থা হাতত লৈছো।

একাউণ্টটেণ্ট জেনেৰেলৰ কাৰ্য্যালয়ত শ্বিলঙতে থকাৰ বাবে সদনৰ ভিতৰে-বাহিৰে সমালোচনা চলি আছে। চৰকাৰী বিষয়া সকল তথা সৰ্ব্ব সাধাৰণ ৰাইজ এই কাৰণে যে যথেষ্ট কষ্ট আৰু অসুবিধাৰ সম্মুখীন হৈছে সেই কথা আমি জানো। একাউণ্টটেণ্ট জেনেৰেলে যাতে তেওঁৰ কাৰ্য্যালয়ৰ গুৱাহাটীলৈ নমাই আনিব পাৰে সেই সুবিধা কৰাৰ বাবে লবলগীয়া ব্যৱস্থাৰ কথা সম্প্ৰতি আমাৰ বিবেচনাধীন হৈ আছে।

মাননীয় সদস্য শ্ৰীশুল বৰাই চৰকাৰী বিষয়া সকলৰ বাবে বাসভৱনৰ বাবে যথেষ্ট নথকা বুলি উল্লেখ কৰিছে। সকলো চৰকাৰী বিষয়কে আমি যে বাসভৱনৰ সুবিধা দিব পৰা নাই সেইটো সচাঁ। চলিত বছৰৰ বাজেটট বিভিন্ন বিভাগৰ বাবে বিভিন্ন ঠাইত বাস-ভৱন নিৰ্ম্মাণৰ বাবে সৰ্ব্ব মুঠ ৬৭·৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে। তদুপৰি গৃহনিৰ্ম্মাণ সমবায় সমিতি সমূহক উদগনি দিবলৈ বাজেটত ধাৰ্য্য কৰা ৪·৫০ লাখ টকাৰ সুবিধায়ো কৰ্ম্মচাৰী সকলে গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰিও কৰ্ম্মচাৰী সকলক গৃহনিৰ্ম্মাণৰ বাবে আগধন দিবলৈ ৯২ লাখ টকা নিৰ্দ্ধাৰণ কৰা হৈছে।

মাননীয় সদস্য বানেশ্বৰ শইকীয়াই কৈছে যে ১৯৭৮-৭৯ চনৰ বাজেটত গাখীৰৰ বিক্ৰীৰ যোগেদি পোৱা টকাৰ হিচাব দেখুৱা হোৱা নাই। অথচ ১৯৭৭-৭৮ চনৰ বাজেটত এইবিধ সামগ্ৰীৰ যোগেদি ২৫ লাখ টকাৰ ৰাজহ পোৱা বুলি দেখুৱা হৈছে। মাননীয় সদস্য সকলে জানে যে চৰকাৰৰ বাণিজ্যিক প্ৰতিষ্ঠান সমূহত বাণিজ্যিক ধৰণৰ হিচাব ৰক্ষণ প্ৰণালী অৱলম্বন কৰিবলগীয়া হয়। সেইকাৰণে গুৱাহাটী নগৰত গাখীৰ যোগান আঁচনিৰ ক্ষেত্ৰত প্ৰাপ্তিৰ হিচাব বাজেটৰ বাহিৰত ধৰা হৈছে। আৰু তাৰ বাবে সংকীয়াকৈ নিজা হিচাব পি, এল, এ ৰাখিবলৈ দিয়া হৈছে সেয়েহে চলিত বছৰৰ বাজেটত গাখীৰৰ বিক্ৰীৰ বিপৰীতে প্ৰাপ্তিৰ হিচাব দেখুৱা হোৱা নাই।

মাননীয় সদস্য শ্ৰীশইকীয়াই অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ড আৰু অসম ৰাজ্যিক পথ পৰিবহন নিগমক বাজেটত প্ৰাপ্তিৰ শিতানৰ অধীনত অন্তৰ্ভুক্ত নকৰাৰ কথা ও উল্লেখ কৰিছে। মই মাননীয় সদস্য গৰাকীক জনাব খোজো যে উক্ত সংস্থা দুটা যিহেতু স্বায়ত্ব শাসিত সেয়ে তেওঁলোকৰ আয় আৰু ব্যয় ৰাজ্যিক বাজেটত পোনপটিয়া ভাবে প্ৰতিফলিত নহয়। যেতিয়া ৰাজ্য চৰকাৰে এই সংস্থাত ধন বিনিয়োগ কৰে বা এনে সংস্থালৈ কোনো ধৰণৰ ঋণ আগবঢ়াই তেতিয়া তাক সংস্লিষ্ট শিতানৰ অন্তৰ্ভুক্ত কৰা হয় ।

মাননীয় সদস্য শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱাই উল্লেখ কৰিছে যে মেচাৰ্চ আসাম এজেন্সি আৰু মেচাৰ্চ ইষ্টাৰ্ন এজেন্সিয়ে বিক্ৰীকৰ ফাঁকি দি আবকাৰী বিভাগৰ ফনদেসড মিল্ক যোগান ধৰিছে। তেওঁ এই কথাও উল্লেখ কৰে যে মেচাৰ্চ ইষ্টাৰ্ণ এজেন্সী পঞ্জীভূক্ত ব্যৱসায়ী নোহোৱা স্বত্তেও যোৰহাটস্থ কৰ অধীক্ষকে কৰ নিদিয়াকৈয়ে তেওঁলোকক ১৯০৫৮ নম্বৰ পাৰমিট অনুসৰি দশংধজাত সামগ্ৰীৰ ব্যৱসায় কৰিবলৈ অনুমতি দিয়ে।

মই কব খোজো যে মেচাৰ্চ আসাম এজেন্সী আৰু ইষ্টাৰ্ণ এজেন্সী দুয়োটাই পঞ্জীভূক্ত ব্যৱসায়ী প্ৰতিষ্ঠান। মেচাৰ্চ আসাম এজেন্সীয়ে কৰ ফাঁকি দিয়া কথাটো কৰ বিভাগৰ এনফৰ্চমেণ্ট শাখাই ধৰা পেলায়। ইয়াৰ ওপৰত ভিত্তি কৰি শিৱসাগৰৰ কৰ অধীক্ষকে প্ৰতিষ্ঠানটোৰ ৩০।৯।৭৫ ৰ পৰা ৩১।৩।৭৭ তাৰিখলৈ সময়ছোৱাৰ হিচাপ পৰীক্ষা কৰি চায়। এই সময়ছোৱাৰ ভিতৰত হিচাপ কৰি পোৱা কৰৰ পৰিমাণ মুঠ ২,৭৫,৫৩৯·৬৭ টকা। ইয়াৰে ১,৫৮,৬৩৮·৫৫ টকা প্ৰতিষ্ঠানটোৱে আদায় দিছে। বাকী পৰি থকা ধনৰ পৰিমাণ হল ১,১৬,৯০১·১২ টকা। প্ৰতিষ্ঠানটোৰ ওপৰত ৩০,২১৬·৮৮ টকা পৰিমানৰ সুদ ধাৰ্য্য কৰা হৈছে আৰু বাকী পৰি থকা কৰ সমূহ সুদ সহ বৰ্ত্তমানে ১,৪৭,১১৮·০০ টকা হৈছেগৈ। নথি পত্ৰ মতে যোৰহাটস্থ মেচাৰ্চ ইষ্টাৰ্ণ এজেন্সীয়ে কৰ ফাঁকি দিয়া কথাটো ধৰা নপৰে। মাননীয় সদস্য শ্ৰীবেজবৰুৱাই উল্লেখ কৰা ৯।৩।৭৭ ৰ ১৯০৫৮ নম্বৰ ডেলিভাৰি পাৰমিট ১,১০,৭১০·৬০ টকা মূল্যৰ সা-সামগ্ৰীৰ বাবে দিয়া হৈছিল। প্ৰতিষ্ঠানটোৱে ৩১।৩।৭৭ আৰু ৩০।৯।৭৭ তাৰিখত শেষ হোৱা সময় ছোৱাৰ বাবে ৰিটাৰ্ণ দাখিল কৰে আৰু উক্ত সময়ছোৱাৰ বাবে ৪৩,৪২৭·০৭ আৰু ৫৮,১৯৮·৭৭ টকা কৰ আদায় দিয়ে। মাননীয় সদস্য শ্ৰীবেজবৰুৱাই জলসিঞ্চন বিভাগে গেচ ৱেলডিং চেট আৰু লোৰ সামগ্ৰীকে ধৰি সাত পদ বস্তু কিনাৰ ক্ষেত্ৰত কেতবোৰ অনিয়ম কৰাৰ কথা উল্লেখ কৰিছে। জলসিঞ্চন বিভাগে এই বিষয়ে বিভাগীয় অনুসন্ধান আৰম্ভ কৰিছে। বিত্ত বিভাগেও আচলতীয়া ভাবে এই ক্ষেত্ৰত কোনো অনিয়ম কৰিছে নেকি চাবলৈ একজামিনাৰ অৱ লোকেল একাউণ্টচক নিৰ্দ্দেশ দিছে। মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্তই ৰাজ্য চৰকাৰৰ আকস্মিক নিধিৰ টকা অপব্যৱহাৰ কৰা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিছে। অতীতত আকস্মিক নিধিৰ পৰা বহু সংখ্যক মঞ্জুৰী হোৱা বিষয়ে মই জানো। অতি জৰুৰী বিষয় সমূহত বিধান সভাৰ অনুমোদন লোৱাটো সম্ভৱ নহলেহে তেনে আগধন মঞ্জুৰ কৰাটো নিশ্চিত কৰাৰ বাবে আমি ব্যৱস্থা লৈছো। ভাৰত সংবিধানে ইয়াৰ বিধান দিছে। বিভিন্ন বিভাগক নতুনকৈ দিয়া নিৰ্দ্দেশ অনুকৰণ কৰিবলৈ কোৱা হৈছে।

মাননীয় সদস্য শ্ৰীবেজবৰুৱাদেৱে বাজেটৰ সাধাৰণ বিতৰ্কত অংশ গ্ৰহণ কৰোতে যোৱা ১৩ মে তাৰিখে ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণ সূচীত স্বৰ্গীয় ফকৰুদ্দিন আলি আহমদ স্মৃতি ন্যাস ( Foundation ) ভাগলোৱাৰ কথালৈ উনুকিয়াই দুই এক স্পষ্টিকৰণ বিচাৰিছে। এই সন্দৰ্ভত সদনৰ জ্ঞাতাৰ্থে মই এনেদৰে জনাব খোজো :—

নথি পত্ৰৰ পৰা দেখামতে ফকৰুদ্দিন আলি আহমদৰ মৃত্যুত গুৱাহাটীত অনুস্থিত হোৱা এক সৰ্ব্বদলীয় শোক সভাত আলি আহমদৰ স্মৃতি ৰক্ষাৰ্থে যথোপযুক্ত ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত গুৱাহাটীৰ কেইজনমান ক্ৰীড়ানুৰাগী ব্যক্তিয়ে আলি আহমদৰ নামত এক (Sports Foundation) গঠণ কৰাৰ মনস্থ কৰি পঞ্জিভূক্ত কৰে। উদ্যোক্তা শ্ৰীফনি শৰ্ম্মাৰ দ্বাৰা আহবায়িত ক্ৰীড়া প্ৰেমী সকলৰ এক সভাত এই অনুস্থানৰ শুভাৰম্ভ কৰিবলৈ ভাৰতৰ ৰাষ্ট্ৰপতি আৰু শিক্ষামন্ত্ৰীক আমন্ত্ৰণ জনাবৰ বাবে সিদ্ধান্ত লোৱা হয়। সেই অনুসাৰে উদ্যোক্তা সকলে ভাৰতৰ ৰাষ্ট্ৰপতিক অনুৰোধ জনাবৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু বৰ্ত্তমান মুখ্যমন্ত্ৰীক অনুৰোধ জনায়।

যিহেতুকে বৰ্ত্তমান ৰাষ্ট্ৰপতি এতিয়ালৈকে অসম ভ্ৰমণ কৰা নাছিল। সেই বাবে তেখেতে অসম ভ্ৰমণ কৰিবলৈ আৰু তেখেতৰ অনুমতি সাপেক্ষে সেই Foundation ন্যাসৰ শুভাৰম্ভ কৰিবলৈ অনুৰোধ কৰাতোসচাঁ।

বৰ্ত্তমান ৰাষ্ট্ৰপতি শ্ৰীৰেড্ডিয়ে সেই নিমন্ত্ৰণ ৰক্ষা কৰি অসম ভ্ৰমণ কৰে আৰু অন্যান্য কাৰ্য্যসূচীৰ লগতে যোৱা ১৩ মে তাৰিখে ফকৰুদ্দিন আলি আহমদ স্মৃতি **Sports Foundation** শুভাৰম্ভ কৰে।

চৰকাৰৰ হাতত থকা নথি পত্ৰৰ পৰা নিম্নলিখিত ব্যক্তিসকলেই এই অনুস্থানৰ উদ্যোগকৰ্ত্তা বুলি জনা যায়।

১। শ্ৰীফণি শৰ্মা।
২। শ্ৰীকৃষ্ণ কান্ত চৌধুৰী।
৩। শ্ৰীপ্ৰেমধৰ শৰ্ম্মা।
৪। শ্ৰীঅসিত ৰয়।
৫। শ্ৰীৰঞ্জিত কুমাৰ গগৈ।
৬। শ্ৰীইক্ৰামুদ্দিন আহমদ।
৭। শ্ৰীএন চৌধুৰী।

নথি পত্ৰৰ পৰা আৰু দেখা যায় যে শ্ৰীফণি শৰ্ম্মাই এই ন্যাসৰ Foundationৰ Director

উক্ত ন্যাসৰ পুঁজি বিভিন্ন দাতাৰ পৰা সংগ্ৰহ কৰিছে বুলি জানিব পৰা গৈছে আৰু ইয়াত চৰকাৰী অনুদান এৰ্কো দিয়া হোৱা নাই।

মাননীয় সদস্য শ্ৰীবেজবৰুৱাই যিদৰে সন্দেহ প্ৰকাশ কৰিছে যে ফকৰুদ্দিন আলি আহমদ Trust Foundation ৰ নিচিনা অনুস্থানে ৰাজ্যিক ক্ৰীড়া পৰিষদৰ কাৰ্য্যাৱলীত ব্যাঘাত ঘটাব পাৰে। মই চৰকাৰৰ হৈ মাননীয় সদস্য গৰাকীক আৰু সদসনক আস্বাস দিব পাৰো যে চৰকাৰে এনে ক্ষেত্ৰত অতি সতৰ্কতাৰে আগবাঢ়িব আৰু ক্ৰীড়া পৰিষদৰ কাৰ্য্যাৱলীত যাতে কোনো প্ৰকাৰৰ বাধাৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব।

মাননীয় সদস্য সকলৰ মনত থাকিব পাৰে যে মই মোৰ বাজেট বক্তৃতাত বিত্তীয় প্ৰশাসনত সংস্কাৰ সাধন কৰাৰ কথা উল্লেখ কৰিছিলো। প্ৰথম ব্যৱস্থা হিচাবে আমি বৰ্ত্তমানে বিত্তীয় সঞ্চালকালয়ৰ শক্তিশালী কৰণৰ কাম হাতত লৈছো। আঁচনি আৰু প্ৰস্তাৱ সমূহৰ অনুমোদন কিম্বা মঞ্জুৰীৰ ক্ষেত্ৰত হোৱা বিলম্ব হ্ৰাস কৰিবলৈ বিভাগীয় সচিব আৰু বিভাগীয় মন্ত্ৰীৰ লগত মাহেকীয়া আলোচনাৰ এখন কেলেণ্ডাৰ প্ৰস্তুত কৰা হৈছে। বিত্তীয় সংস্কাৰৰ বিষয়টো বিবেচনা কৰিবলৈ দিয়া ইণ্ডিয়ান ইন্সটিটিউট অৱ পাব্লিক ফাইনেন্স এ অলপতে প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও প্ৰশাসনীয় গাঁথনি পুনৰ শক্তিশালী কৰাৰ বাবেও ব্যৱস্থা লোৱা হৈছে।

এইখিনি কৈয়ে মই মাননীয় সদস্য সকলক চলিত বছৰত নতুন চৰকাৰক ইয়াৰ নীতি আৰু উন্নয়ণ কাৰ্য্যসূচী কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সকলো প্ৰকাৰে সহায় আৰু সহযোগিতা আগবঢ়াবলৈ অনুৰোধ কৰিলো লগতে যিসকল মাননীয় সদস্যই বাজেটত বিতৰ্কত অংশ গ্ৰহণ কৰিলে আৰু বহুমূলিয়া পৰামৰ্শ আৰু উপদেশ দিলে সেইখিনি আমি মানি চলিম। আৰু তেখেতসকলে এইখিনি সহযোগ আগবঢ়োৱা কাৰণে চৰকাৰৰ হৈ মই তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আশা ৰাখিছো তেখেতসকলৰ পৰা এই ক্ষেত্ৰত সহায়-সযোগ পাম, এই খিনিয়েই কৈ মই সামৰণী মাৰিলো।

Mr. SPEAKER: I thank the hon'ble Members for the patience they have shown. The House stands adjourned till 9 A. M. tomorrow

The House then rose at 7. 37 P. M. and stood adjourned till 9 A. M. on Friday, the 2nd June, 1978.

Dated Dispur:
The 1st June, 1978

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (L.A.) N. 621/80—18.6.82